
বিষবৃক্ষ



অমূল্য চক্রবর্তী

BISHAHBRIKHYA An Assamese Novel written by Sri, Amulya Chakraborty and Published by P J Baruah, Bharat Press, Santipur Guwahati-9

প্ৰথম প্ৰকাশ—১৯৮৬ চন

প্ৰকাশক ঃ
শ্ৰীপবিত্ৰ জীৱন বৰুৱা
ভাৰত প্ৰেছ, গুৱাহাটী-৯

মূল্য ঃ ১২ ০০ টকা মাত্ৰ

—উচ্ছৰ্গা—

সহধৰ্মিনী উৰ্মি লৈ—
যাৰ অনুপ্ৰেৰণাই মোৰ
চিন্তা-চৰ্চাৰ একমাত্ৰ
সম্বল।

অমূল্য

কৈফিয়ৎ

এই উপন্যাসখনৰ বাবে লেখকে কোনো মৌলিকতা দাবী কৰিব নোৱাৰে। কাৰণ অসমৰ পাহাৰে-ভৈয়ামে, গাঁৱে-ভূঁয়ে, নগৰে-চহৰে আৰু হাবিয়ে-বননীয়ে সিঁচৰতি হৈ পৰি থকা হেজাৰ হেজাৰ অপ্ৰকাশিত কাহিনীৰ মাজৰপৰা গোটাচেৰেক মাত্ৰ বুটলি লৈহে এই কিতাপখন সঙ্কলন কৰা হৈছে। এই কাহিনী বিলাক আমাৰ বুঢা-মেথাসকলে জানে বুলিয়েই মোৰ বিশ্বাস। মই মাত্ৰ পৰিবেশনাৰ দায়িত্বটোহে লৈছো। ভুল-ভ্ৰান্তি থাকিলে আঙুলিয়াই দিবলৈ পাঠক সমাজক অনুৰোধ জনালো।

কিতাপখনৰ ৰচনাকাল ১৯৭৫ চন। তেতিয়াই দিয়া "কাল-পুৰুষ" নামটো বিশেষ কাৰণত সলাব লগা হ'ল। সেই নামেৰেই কিতাপখনৰ একাংশ শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া সম্পাদিত তিনিমহীয়া 'প্ৰকাশ'ত ছোৱা ছোৱাকৈ ওলাইছিল।

হাতে লিখা অৱস্থাতে কিতাপখন কেইজনমান বন্ধুৱে পঢ়ি চাই দুই এটা আসোঁৱাহ দেখুৱাই দিছিল। তাৰ ভিতৰত শ্ৰীচিদানন্দ বৰুৱা আই এ এছ, শ্ৰীঅশোক শইকীয়া আই এ এছ আৰু দৰং কলেজৰ প্ৰবক্তা শ্ৰীৰজত দত্তৰ নাম উল্লেখ নকৰিলে মোক কৃতঘ্নতাৰ দোষে চুব।

ভাৰত প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীপবিত্ৰ জীৱন বৰুৱাই কিতাপখন প্ৰকাশ কৰাৰ দায়িত্ব লোৱাত তেখেতৰ ওচৰত মই পৰম কৃতজ্ঞ।

ৰাইজৰ কৃপাদৃষ্টি লাভ কৰিলে ২য় খণ্ড খনো যথাসময়ত ওলাব।

অলমতি বিস্তৰেণ
অমূল্য কুমাৰ চক্ৰৱৰ্ত্তী।

১৯৩৭ চনৰ ডিছেম্বৰ মাহৰ এটা উজ্জ্বল ৰাতিপুৱা। সেইদিনা পুৱাৰ সূৰ্য্যৰ হেঙুলীয়া কিৰণৰাশি কুঁৱলিয়ে ম্লান কৰিবপৰা নাছিল। প্ৰচণ্ড শীতত ঠেৰেঙা লাগি থকা প্ৰকৃতিৰ অঙ্গে অঙ্গে পৰশ কৰি পূব আকাশৰ সোণোৱালী ৰশ্মি-ৰেখাই জীৱনৰ জেউতি চালিলে। গছ-লতা, চৰাই-চিৰিকতি সকলোৱে যেন সেইকাৰণে অলপ সোনকালেই সাৰ পালে।

আৰু সাৰ পালে ৰায়চাহাব সৰ্বেশ্বৰ চৌধুৰীয়ে। ৰঙচুৱা ৰ দালিয়ে তেওঁৰ শোৱনি কোঠাত লুকা-ভাকু খেলিবলৈ ধৰা তেওঁৰ চকুত পৰিল।

চৌধুৰী উদ্যোগী পুৰুষ। শেতেলিৰ উমৰ মায়া পৰিত্যাগ কৰি তেওঁ বিছনাখনত বহি পূবমুৱা হৈ সু-প্ৰভাত কামনা কৰি পাঁচ গৰাকী সতী আৰু নৱগ্ৰহক প্ৰাৰ্থনা কৰিলে। বিষ্ণুৰ ষোল্লটা নাম জপিলে আৰু লাহেকৈ সোঁ-ভৰিখন মাটিত দি বিপুলা বসুন্ধৰাক প্ৰণাম কৰি তেওঁ থিয় হ'ল। কোঠাটোত তেতিয়া এন্ধাৰৰ লেশমানো নাই।

চৌধুৰীৰ মনটোতো পোহৰে জিলমিলালে। এনে এটা ফৰকাল পুৱাত তেওঁৰ মনটোও ফৰকাল হ'ল। দিনটো ভালে ভালে যাব বুলিয়েই তেওঁৰ ধাৰণা হ'ল। তেও গছমী আলোৱান খনেৰে গাটো সতকতাৰে মেৰিয়াই দুৱাৰখন খুলি দিলে। লগে লগে এজোলোকা ৰঙা ৰ'দ আহি কোঠাটোৰ বহণ চৰাই ৰায়চাহাবক সম্বৰ্ধনা জনালে।

'জবা কুসুম সঙ্কাশং   " শ্লোকটো গাই গাই ৰায়চাহাবে সূৰ্য্যদেৱতাক প্ৰণাম কৰিলে আৰু লাহে লাহে ফু মাৰি ভাত খাব পৰা যেন চোতালখনেৰে আগবাঢ়ি গৈ পদূলি পালেগৈ। পদূলিৰ বকুলফুল দুজোপাৰপৰা অজস্ৰ ফুল সৰি তলখন শুকুলা কৰি থৈছিল। ফুলৰ সুবাসে বায়চাহাবৰ মন-প্ৰাণ হৰি নিলে।

ফুলবোৰ গচকি যাবলৈ তেওঁৰ সত নগ'ল। অলপ চাপৰি তেওঁ ফুল বুটলিবলৈ ধৰিলে। আলোৱানখনতে নিয়ৰ লগা

ফুলবোৰ খোৱাত কাপোৰখনৰ এটা অংশ তিতি গ'ল। কিন্তু তালৈ ৰায়চাহাবৰ ভ্ৰূক্ষেপ নাছিল।

তেওঁ নগুলাকেইডাল খুলি লাহে লাহে ৰাজ আলিটোত ভৰি দিলে। এই আলিটো বান্ধিবলৈ মহামান্য ইংৰাজ চৰকাৰে কিছু অৰ্থসাহায্য মঞ্জুৰ কৰিছিল। গতিকে ৰাজআলি। কিন্তু ৰায়চাহাবৰ নিন্দুকবিলাকে কয় যে ৰায়চাহাবে সেই অঞ্চলৰ হাল ছিগা চহা ৰাইজৰ সহায়তহে সেই আলিটো বন্ধাইছিল। ৰজাৰ ধন ৰজাৰ বশংবদ ৰায়চাহাবৰ চন্দুকতহে জমা হ'ল। অৱশ্যে সেই কথা সঁচানে মিছা ৰায়চাহাবৰ গৃহলক্ষ্মীয়েহে জানে। কাৰণ চন্দুকৰ সঁচাৰ কাঠী তেওঁৰ আঁচলৰ আগত দিনে-নিশাই জন্‌জনাই থাকে।

কিন্তু এটা কথা সঁচা যে এই এলেকাৰ ৰাইজৰ ভাল-বেয়া, উন্নতি-অৱনতি, লাভ-লোকচান, মঙ্গল-অমঙ্গল সকলোবিলাকৰে চাবি-কাঠীটো ৰায়চাহাবৰ হাতত ন্যস্ত। বুঢাৰ হাতত চেঙেলি পৰাদি কাঠিটোও ৰায়চাহাবৰ হাততে চিৰদিন চেপা খাই আছে। তেওঁ কেতিয়াবা কাচিৎহে মুঠিটো অলপ ঢিলাই দি এহাত পানীৰ পুঠিমাছৰ দৰে নিমাখিত প্ৰজামখাৰ ফৰফৰণিলৈ লক্ষ্য কৰি পেটে পেটে আত্মপ্ৰসাদ লাভ কৰে। তাৰ পিছত মুঠিটো পুনৰ কটকটীয়া হয় আৰু ৰাইজৰ জাগৰণবো লগে লগে ইতি। ৰায়চাহাবৰ অসীম শক্তিৰ মাহাত্ম্যই এইদৰেই জনসাধাৰণক চমক খুৱাই থাকে।

জনসাধাৰণ বা ৰায়চাহাবৰ প্ৰজাবিলাকৰ কথা এইখিনিতে অকণমান উৰ্নুকিয়াই থোৱা ভাল হ'ব। ৰায়চাহাবৰ বৃহৎ টোলৰপৰা প্ৰায় আধামাইল মানলৈকে জনবসতি নাই। কাৰণ এই গোটেইখিনি মাটিত ৰায়চাহাবে খেতি-বাতি কৰে। তেওঁৰ হাউলিৰ লগতে দহ পুৰামান মাটিৰ এখন বিয়াগোম বাৰী। তাত তামোল-পাণ আম-কঠাল নাৰিকল আদিৰপৰা লং-ইলাচি, ডালচেনি আদিলৈকে নথকা বস্তু নাই। বাৰীখনৰ চাৰিওফালে ধাননি পথাৰ। পথাৰৰ মাজৰ বাৰীখন দূৰৰপৰা দ্বীপ এটা যেন লাগে। দ্বীপৰ দৰেই ৰায়চাহাবে ইমানদিনে নিজৰ অস্তিত্ব জনসাধাৰণৰপৰা পৃথক কৰি ৰাখিছে। মাত্ৰ ৰাজআলিটোৱেই একমাত্ৰ সংযোগ। এই আলিটোক মানুহে ৰায়চাহাবৰ আলি বুলিয়ো কয়।

ৰায়চাহাবৰ আলিটো উত্তৰা-দক্ষিণাকৈ অৱস্থিত। উত্তৰে

প্ৰায় ছয়-সাত মাইলমান দূৰত ৰেল-ষ্টেছন আৰু দক্ষিণে প্ৰায় সাত মাইলমান গৈ পাহাৰত লাগিছেগৈ। আলিটো কেঁচা। বাৰিষা এআঁঠুৱা বোকা হয় আৰু খৰালি ধূলিৰে মৰুভূমি। আলিটো শিলেৰে বান্ধিবৰ কাৰণে ৰায়চাহাবে জিলাৰ বৰ-চাহাবক প্ৰায় হেজাৰবাৰমান দীঘলীয়া চালাম দিছে বুলি মানুহে কোৱা-মেলা কৰে। কিন্তু তেৰা প্ৰসন্ন হোৱা নাই। চকুচৰহা-বিলাকে কয় যে প্ৰথমতে আলিটো বান্ধিবৰ সমন্নত সেইজন বৰ-চাহাবেই আছিল আৰু চৰকাৰে মঞ্জুৰ কৰি দিয়া ধনৰ কিবা লৰক-ফৰক হোৱা বুলি হেনো তেওঁ অহকাণে পহকাণে শুনিবলৈ পাই আলি বাটটো শিলেৰে নবন্ধাই নিজৰ মনটোহে বোলে সেই কঠিন পদাৰ্থটোৰে বান্ধি থৈছে।

সেইবাবে ৰায়চাহাবৰ দুখ নাই। তেওঁৰ তিনিটা হাতী আছে। হাতীয়ে টনা গাড়ী এখনো আছে। গতিকে ভ্ৰমণৰ কাৰণে তেওঁৰ কোনো অসুবিধা নাই। অৱশ্যে আলিটোত শিল ছটিউৱাৰ ঠিকাটো পোৱা হ'লে (আনে পাব নোৱাৰেও) দুপইচা চন্দুকস্থ হ'লহেঁতেন। সিমানেই। তাৰ বাহিৰে তেওঁৰ অন্য স্বাৰ্থ নাই। ৰাইজৰ সেৱা কৰি খ্যাতি অৰ্জন কৰিবলৈ তেওঁৰ এলাকাত থিবোৰহে ৰাইজ, সেইবিলাকক ৰাইজ বুলিবলৈ কোনো সঙ্গত কাৰণ নাই। সিহঁতক ওচৰত থকা অৰণ্যবিলাকৰ বাসিন্দা বুলি ক'লেও বঢ়াই কোৱা নহয়। হাবি জংঘলতেই জুপুৰী ঘৰ সাজি সিহঁতে বাস কৰি আছে।

এইবিলাকেই ৰায়চাহাবৰ প্ৰজা। তেওঁ সিহঁতক বনৰীয়া জীৱ-জন্তুৰ চামিল বুলিয়েই গণ্য কৰি আহিছে। সেই মানুহ-বিলাকক তাত পত্তন দিয়াৰ মূলতে তেৱেঁই। মানুহবিলাক ৰাৰে-ৰৰণীয়া। কিছুমান নেপালী, কিছুমান জনজাতীয় আৰু বেছি ভাগেই ওৰাং, চাওঁতাল আদি চাহবাগানৰ ফাল্টু বনুৱা। দক্ষিণৰ পাহাৰটোৰপৰাও কিছুমান মানুহ আহি বহিছেহি। এই প্ৰজা-বিলাকে ৰায়চাহাবৰ বাহিৰে কাকো চিনি নাপায়। আগতেই কৈ অহা হৈছে যে সিহঁতৰ চাবি-কাঠীৰ মালিক হৈছে স্বনামধন্য ৰায়-চাহাব শ্ৰীযুক্ত সৰেশ্বৰ চৌধুৰী।

কোৱা বাহুল্য যে এই প্ৰজাবিলাক ৰায়চাহাবৰ একান্ত বাধ্য। তেওঁৰ হুকুম অমান্য কৰাৰ সাহস সিহঁতৰ সাত পুৰুষৰো নাই।

চৌধুৰীয়েও অৱশ্যে উপলব্ধি নকৰা নহয় যে সিহঁতৰ যহতেই তেওঁ আজি ডাঙৰ মানুহ বোলাই হাতীত উঠি বগা চাহাবক চেলাম মাৰি ফুৰিব পাৰিছে। এই নিমাখিত মানুহ মখাই তেওঁৰ দুশবিঘা মাটিত ধান খেতি কৰে। দহপুৰাৰ বাৰীখন আটোমটোকাৰীকৈ ৰাখে আৰু তেওঁৰ ঘৰৰ এশ এবুৰি কাম বিনা প্ৰতিবাদে কৰি যায়। সিহঁতক বাদ দি চৌধুৰীৰ অৱস্থা কল্পনাও কৰিব নোৱাৰি। সেইকাৰণে তেৰোঁ সিহঁতক হাতৰ মুঠিত ৰখাৰ সকলো ব্যৱস্থা লৈছে। চৰকাৰৰ টেকেলা, পুলিচ দাৰোগা আদিৰ দ্বাৰা সিহঁতক মাজে মাজে অলপ-অচৰপ ভয় খুওৱা হয়। পিছত পুনৰ ৰায়চাহাবেই সিহঁতক চৰকাৰৰ জুলুমবপৰা ৰক্ষা কৰে। সাপ হৈ খোটা আৰু বেজ হৈ জৰাত চৌধুৰীৰ সমসৰী সেই অঞ্চলত কোনো নাই। জিলাৰ সদৰৰপৰা ঠাইখন ভালেমান দুৰত হোৱাত ৰায়চাহাবৰ প্ৰতিপত্তি বাঢ়ি গৈছে।

নিজৰ প্ৰতিপত্তিৰ বিষয়ে ৰায়চাহাব সদায় সচেতন। বকুল-ফুল বুটলি থাকোঁতেও তেওঁ তাকে ভাবি আছিল। অলপতে গভৰ্ণৰ বাহাদুৰ অহাৰ কথা আছে। তেতিয়া তেওঁৰ দোক পৰিব। এইবাৰ তেওঁ এটা কথা চিন্তা কৰি আছে। কিবা প্ৰকাৰে গভৰ্ণৰক এইফালে আনিব পাৰিলে তেওঁৰ বহুত লাভ হয়। এনেতে তেওঁৰ চকু সমুখৰ ধাননি পথাৰত পৰিল। শালি ধানবোৰ পকিবলৈ আৰম্ভ কৰিছে। ধানৰ থোকবোৰ নিয়ঁৰত সেমেকি গধুৰ হৈ দোঁ খাই আছে। পুৱাৰ ৰ'দত পথাৰখনে সোণোৱালী ৰঙ ধৰিছে।

আধামাইলমান দুৰত পথাৰখন শেষ হৈছে। তাৰপৰাই হাবি। অৱশ্যে গভীৰ অটব্য অৰণ্য নহয়। প্ৰায় তিনি-চাৰি মাইল-মান জুৰি এটা বিৰাট এলেকা খেৰ-বনেৰে ভৰা। কিছুমান বন ইমান ওখ হয় যে তাৰ মাজেদি গ'লে হাতীও চাক খাই যায়। এইবিলাক মাটি এতিয়াও চন পৰি আছে। খেৰ-বনৰ জংঘল য'ত শেষ হৈছে তাৰপৰাই পাহাৰৰ নামনিলৈকে অলপ ডাঠ বিধৰ হাবি আছে।

এই হাবিবিলাকৰ প্ৰধান আকৰ্ষণ হৈছে চিকাৰ। শৰ, সোগোৰা, কাঠখোৱা, দলহৰিণ আদি জাকে জাকে। বাঘ-ভালুক বনৰীয়া ম'হ, বনৰীয়া হাতী আদি 'বিগ-গেম'বো

অভাৱ নাই। কোনোবা সম্মানিত অতিথি আহিলে ৰায়চাহাবে চিকাৰৰ আয়োজন কৰে। নিজৰ হাতী আছে। বন্দুক, ৰাইফল আদিও প্ৰচুৰ। চাহাববিলাক চিকাৰৰ নামত পাগল। ৰায়চাহাবে সিহঁতৰ এই দুৰ্বলতাৰ সুযোগ বাককৈয়ে লৈছে। ৰায়চাহাব পদবি-টোৰ মূলতেও এই চিকাৰেই। গতিকে এই হাবি-বনবিলাক চিৰকাল অজৰ-অমৰ হৈ থাকক। চিকাৰীৰ স্বৰ্গখন অক্ষয় হৈ থাকক বনৰীয়া জীৱ-জন্তুবিলাকৰ সংখ্যা অটুট হৈ ৰওক, এয়ে ৰায়চাহাবৰ কামনা। সেয়ে ৰায়চাহাবৰ লক্ষ্মী, যাৰ যহত তেওঁ আজি এজন গণ্য-মান্য ৰাজপুৰুষ।

ৰাজপুৰুষ হিচাপে তেওঁ নিজৰ কৰ্তব্য অতিশয় নিষ্ঠাৰে পালন কৰি আহিছে। ক'তো অলপো শিথিলতা নাই। কৌৰৱৰ চাউল খাই পাণ্ডৱৰ গুণ গোৱা বিদুৰালি তেওঁ ঘিণ কৰে। ইংৰাজ চৰকাৰৰ অনুগ্ৰহতে তেওঁৰ সকলো পাখিৰ আকাঙ্ক্ষা পৰিপূৰ্ণ হৈছে। সেইহেন মহান চৰকাৰৰ প্ৰতি তেওঁৰ আনুগত্যৰ সীমা নাই। চৰকাৰৰ স্বাৰ্থৰ কাৰণে দহসাজ লঘোণে থাকিবলৈয়ো তেওঁ সদায় সাজু। তেওঁৰ তৎপৰতাৰ কাৰণেই গান্ধীৰ অসহযোগ আন্দোলন তেওঁৰ এলেকাত শিপাব পৰা নাই। গান্ধীক দেশৰ মানুহে মহাত্মা বুলি আখ্যা দিয়াটো তেওঁ কেতিয়াও সমৰ্থন নকৰে। জিমছন চাহাবৰ দৰে তেওঁ গেণ্ডি' বুলিহে উচ্চাৰণ কৰে।

জিমছন চাহাবৰ কথা মনত পৰিলেই তেওঁ ভক্তিত বিগলিত হৈ পৰে। তেতিয়া ১৯২১ চন। ৰায়চাহাবৰ উপনিবেশৰ বয়স তেতিয়া দহ বছৰ পাৰ হৈ গৈছে। তেতিয়াই গান্ধীৰ ভলণ্টিয়াৰ-বিলাকে গাৱেঁ-ভুঁঞে সোমাই মানুহক ছলাহী কথাৰে উচটাই ফুৰিছে। ৰায়চাহাবৰ এলাকাতো দুই-তিনিটামান সোমাইছিল। ৰায়চাহাবে কৌশল কৰিলে। সিহঁতক টালি-ভুলি কথাৰে ভুলাই ঘৰলৈ মাতি নিলে আৰু তাতে তিনিওটাকে গৰুৰ পঘাৰে বান্ধি উধাই-মুধাই পিটিলে। তাতো ক্ষান্ত নেথাকি জিমছন চাহাবলৈ বতৰা পঠিয়ালে। আচৰিত কথা খবৰ পাই পিছদিনাই চাহাব আহি হাজিৰ। বিলাতী ঘোঁৰাত উঠি অহা চাহাবক কাৰ্তিক দেৱতা যেন লাগিছিল। চৌধুৰীয়ে নিজে ঘোঁৰাৰ লেকামত ধৰি চাহাবক আগবঢ়াই আনিলেগৈ। জিলাৰ বৰচাহাবে দয়া কৰি দুখীয়া প্ৰজাৰ পঁজা পদধূলিৰে পবিত্ৰ

কৰিছে, ইয়াতকৈ ভাগ্যৰ কথা আৰু কিবা আছেনে ? ৰায়চাহাবৰ নিৰ্দেশমতে শঙ্খ-ঘণ্টা বজাই চাহাবক আদৰি বৰচ'ৰাত বহুওবা হ'ল। গান্ধীৰ ভলণ্টিয়াৰ তিনিটাকো পঘাৰে বান্ধি থোৱা অৱস্থাতেই চাহাবৰ আগত হাজিৰ কৰা হ'ল ।

অৱশ্যে চাহাবৰ এটা কাম চৌধুৰীয়ে তাৰিফ কৰিবপৰা নাছিল । চাহাবে বন্দী কেইজনৰ বান্ধ খুলি দিবলৈ নিৰ্দেশ দি সিহঁতৰ লগত ভদ্ৰভাৱে কথা-বাৰ্তা পাতিলে । পিছত দাৰোগাই হাত-কেৰেয়া নলগোৱাকৈয়ে সিহঁতক লৈ গ'ল । চাহাবে সিহঁতৰ লগত ইংৰাজীতে কথা-বাতা পতা কাৰণে চৌধুৰীয়ে একো বুজিবপৰা নাছিল । কিন্তু পিছত তেওঁ এষাৰ কথা ঘূনুক ঘানাককৈ শুনিছিল । চাহাবে ভলণ্টিয়াৰ কেইজনক কৈছিল বোলে ভাৰতীয় মানুহহে ভাৰতৰ স্বাধীনতাৰ ঘাই অন্তৰায়, ইংৰাজবিলাক নহয় ।

চৌধুৰীৰ অৱস্থা তেতিয়া সিমান গজগজীয়া হোৱা নাছিল । 'ৰায়চাহাব' খিতাপটোও তেতিয়ালৈকে পোৱা নাছিল । তেওঁ চাহাবক দেৱতাৰ দৰে পূজা কৰিলে । চ'ৰাত থকা বাঘৰ ছাল পহুৰ শিং, হাতীৰ দাঁত আদি দেখি চাহাব সইদিনা চিকাৰৰ কাৰণে থাকি গ'ল ।

আৰু সেইদিনাৰপৰাই চৌধুৰীৰ প্ৰতি বৃহস্পতিৰ শুভদৃষ্টি পৰিল । তেওঁৰ ধন-মান, যশ-গৌৰৱ দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে । ৰাজভক্ত প্ৰজা বুলি চৰকাৰৰপৰা স্বীকৃতিও পালে । কেইবছৰমানৰ ভিতৰতে 'ৰায়চাহাব' খিতাপটোও লাভ কৰিলে । তেওঁ লক্ষ্মীআইৰ বৰপুত্ৰ হৈ পৰিল ।

লখিমী আইৰ কৃপা পাই ৰায়চাহাব কৃতাৰ্থ হ'ল । কিন্তু তেওঁৰ এটা খেদ থাকি গ'ল আৰু ক্ৰমে সেই খেদ জেদত পৰিণত হ'ল । তেওঁ বুজি নোপোৱা জিমহুন চাহাবৰ ইংৰাজী শব্দকেইটাই সেই জেদৰ জুইত ঘিউহে ঢালিলে । আই সৰস্বতীৰ অনুগ্ৰহ লাভ কৰিব নোৱাৰাৰ সন্তাপ কিছুপৰিমাণে হ'লেও উপশম কৰাৰ মানসেৰে তেওঁ বৰ পুতেক অৱনীক উচ্চ শিক্ষিত কৰি তুলিবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল । তেওঁ আগৰেপৰা লক্ষ্মী পূজাভাগ বছৰে বছৰে কৰি আছিল । এতিয়া শ্ৰীপঞ্চমীৰ দিনা বাণী-বন্দনা'ও আড়ম্বৰেৰে কৰিবলৈ ধৰিলে ।

আই সৰস্বতীৰ অনুগ্ৰহৰপৰা তেওঁ বঞ্চিত নহ'ল। অৱনীয়ে দক্ষতাৰে পৰীক্ষাৰ দেওনা পাৰ হ যাবলৈ ধৰিলে। আমি যি সময়ৰ কথা কৈছো সেইসময়ত অৱনীয়ে কলিকতাৰ প্ৰেচিডেঞ্চি কলেজৰপৰা সসন্মানে বি-এ পাছ কৰি এবতে বহি আছেহি।

সেই ফৰকাল ৰাতিপুৱাটোত বায়চাহাবে ধাননি পথাৰখন নিৰীক্ষণ কৰি একা সময়ত ৰঙা বেলিটো পূব আকাশত দিগ-বলয়ৰপৰা কেইবাহাতো ওপৰলৈ উঠি গৈছিল। চাই চাই চৌধুৰী তন্ময় হৈ পৰিছিল। সোণালী পথাৰখনৰপৰা গৈ তেওঁৰ দৃষ্টি নিবদ্ধ হৈছিল হাবি-বনবিলাকত। তেওঁ বহুত চিন্তা কৰিলে, লগতে বি, এ পাছ পুতেকৰ ভৱিষ্যতৰ বিষয়েও। বেলিটো লাহে লাহে চোকা হৈ আহি তেওঁৰ চকুত লাগিল। ঠিক সেই সময়তে এজাক পুবালি বতাহ ধাননিখনত ঢৌ তুলি আহি তেওঁৰ চকুত খুন্দা খালেহি। ৰ'দৰ তাপ শীতল হৈ গ'ল। বায়চাহাবে কিবা এটা উৱাদিহ পালে। তেওঁৰ ওঁঠত হাঁহি বিৰিঙিল। ৰঙা ৰ'দে ৰহণ চৰোৱা ধাননি পথাৰ আৰু দূৰৰ হাবি-বন-বিলাকত যেন হাঁহিৰ লহৰ খেলি গ'ল।

ৰায়চাহাব সৰ্বেশ্বৰ চৌধুৰীৰ জীৱনৰ প্ৰথম ওঠৰ বছৰ তমসাচ্ছন্ন। তেওঁৰ পিতা-মাতা, বংশ-পৰিয়াল, শিক্ষা-দীক্ষা আদিৰ বিষ'য় কোনো তথ্য লেখকৰ হাতত পৰাহি নাই। আনকি তেওঁ কোন জিলাৰ মানুহ সেইবিষয়েও আজিলৈকে কোনোৱে আলোকপাত কৰিব পৰা নাই। মুঠতে মানুহজনৰ জীৱনৰ প্ৰথম অধ্যায়টো ৰহস্যৰ ঘন কুঁৱলিয়ে আবৰি আছে। পৰশ্ৰীকাতৰ, এনেহৰা মানুহ কিছুমানে অৱশ্যে পৰোক্ষভাৱে বু-বু বা বা কৰা কিছুমান কথা কেতিয়াবা কাণত পৰে। কিন্তু দলিল, দস্তাবেজ আদিৰ অভাৱত বা বিশ্বাসযোগ্য সাক্ষীৰ অনাটনত সেইবিলাক প্ৰমাণিত নহ'ল। অহকাণে পহকাণে শুনা কথা (হিয়েৰছে এভিডেঞ্চ) যেনেকৈ আদালতত গ্ৰহণযোগ্য নহয় আৰু তাৰ ওপৰত ভিত্তি কৰি বিচাৰকসকলে যেনেকৈ কোনো ৰায় দিব নোৱাৰে, সেইদৰে সেইবিলাক টুটকীয়া কথাত গুৰুত্ব দিয়া উচিত নহয়। এই আখ্যানৰ কাৰণে তাৰ প্ৰয়োজনো নাই।

ওঠৰ বছৰ বয়সত যেতিয়া তেওঁ "বৃন্তহীন, ফুলৰ দৰে আপোনাতে আপুনি বিকাশি" এদিন হঠাৎ বঙ্গহত উৰি অহাদি আহি মহাপ্ৰতাপী ছবডেপুটী ৰায়বাহাদুৰ পৰমানন্দ দেৱগোস্বামী প্ৰভুৰ এজলাছত উফৰি পৰিলহি, তেতিয়া বেলা দ্বিপ্ৰহৰ। প্ৰভু ঈশ্বৰৰ এজলাছত বাদী-বিবাদী, উকীল-মোক্তাৰ, তৰণী-মহৰী কোনোৱেই উপস্থিত নাছিল। প্ৰভুৱে শ্ৰীচৰণ যুগল মেজৰ ওপৰত স্থাপন কৰি চকীখন পিছ-খুৰাদুটাৰ ওপৰতে অলপ হাওলাই লৈ নিদ্ৰাসুখ উপভোগ কৰি আছিল। চকীখন লুটিখাই পৰি যোৱাৰ আশঙ্কা সমূলি নাছিল, কাৰণ তাৰ এবেগেতমান আঁতৰতে আছিল বেৰখন। পদদ্বয়ৰ পৰশত পবিত্ৰ হোৱা মেজখনত আছিল ৰাশি ৰাশি চিঠা, জমাবন্দি, নক্সা আৰু কাগজ-পত্ৰৰ নথি, কাপ, মৈলাম, কেইটামান শিল, আলপিন, টেগ আদি অজস্ৰ সামগ্ৰী। সমুখৰ ফালে বেৰত আঁৰি থোৱা আছিল মহাৰাণী ভিক্টোৰিয়াৰ ছবি। মহাৰাণীৰ মুখত মিচিকিয়া হাঁহি আৰু অভয় মুদ্ৰাৰে উত্তোলিত দক্ষিণ পাণি।

ভাৰতবাসীক 'মাভৈ' বুলি সান্ত্বনা দিয়াৰ লগতে সুপ্ত ৰাজপুৰুষকো বোধহয় করুণাময়ী ভাৰতেশ্বৰীয়ে মৰম মিহলি প্ৰশ্ৰয়েৰে ভৎ সনা কৰি আছিল ।

গোস্বামী প্ৰভুৱে তেতিয়া এটি সপোন দেখিছিল । তেখেতে যেন চৰকাৰী কামত কোনোবা এখন গাঁৱত উপস্থিত হৈছে । লগত মণ্ডল, কাননগো টেকেলা পিয়ন আদি পল্টন । গাঁৱৰ মানুহে ঢোলে-ডগৰে তেৰাক আদৰি নিছে । গাঁৱৰ মাজতে নৱ-নিৰ্মিত অস্থায়ী বাহৰ । তাতে তেৰাক মেৰ-চৰাৰ ওপৰত পৰা এমুঠনমান ভাঠ নৰম গাদীত উপবেশন কৰিবলৈ প্ৰাৰ্থনা কৰা হৈছে । গাঁৱৰ ৰাইজে হাঁহ পাৰ, জহাচাউল পাখীৰ ঘিউ, লাউ, কোমোৰা আদি সিধাৰে তাত উপস্থিত হৈ প্ৰভু ঈশ্বৰক সেৱা জনাইছে । প্ৰভু ঈশ্বৰৰ সমুখৰ শৰাইখনত শক্তি অনুসৰি সিকিটো, আধলিটো থৈ ৰাইজে মহামান্য ইংৰাজ চৰকাৰৰ প্ৰতিনিধিক সন্মান জনাইছে । পিয়ন, টেকেলাইঁতে সিধাবিলাক পাচফালৰ ভঁৰাল ঘৰলৈ কঢ়িয়াইছে । প্ৰভু ঈশ্বৰৰ চিত্ত হৃষত বিগলিত । কিন্তু হঠাৎ কি হ'ল ? এনেতে তেখেতৰ গৃহিণীয়ে আউলি-বাউলি হৈ কুজী ডাহটো অহা দি তালৈ আহি তেখেতক গুৱাল-গালিৰে অভিবাদন জনাই কৈছে— অ বালো এইদৰে ইয়াত আৰাম কৰি থাকিলেই চলিবনে ? ঘৰত নিকিনা বেটীজনীয়ে কেঁচা খৰি ফুৱাই ফুৱাই চকুৰ পানী, নাকৰ পানী একাকাৰ কৰিও এসাজ ভাত ভালকৈ খাবলৈ পোৱা নাই আৰু তেখেতে ইয়াত ফল্টি জুৰি ভাৰ-ভেটিৰ ভাগ লৈছেহি । বোলো লাজ-চৰমৰ মূৰ খোৱা হ'ল নেকি ? ভেটি খাওঁতে ছালখন গড়ৰ ছালৰ নিচিনা ডাঠ হ'ল, পিছে ঘৰত এগোহালি মানুহে কেনেকৈ পিণ্ড গিলিছে তালৈ চকু-কাণ নাই । ছিঃ ছিঃ একোজনী লগত লৈ বাহৰে বাহৰে এইদৰে মৌজ কৰি ফুৰিলেই আমাৰ ৰায়বাহাদুৰৰ হৈ গ'ল, মোৰ নিচিনা এলা গীৰ দৰকাৰ কি ?"

প্ৰভু ঈশ্বৰৰ সুখনিদ্ৰাৰ হঠাতে অৱসান ঘটিল । চমক খাই তেওঁ সাৰ পালে । চকীখন ঘপকৰে পাছলৈ যোৱাত মূৰটোৱে বেৰখনত খুন্দা মাৰি দিলে আৰু পিছ মুহূৰ্ততেই ভাৰসাম্য হেৰুৱা শৰীৰৰ ভৰত চকীখন আগবাঢ়ি আহি চাৰিওটা খুৰাৰ ওপৰত প্ৰতিষ্ঠিত হোৱাত প্ৰভু ঈশ্বৰৰ মেজৰ ওপৰত থোৱা চৰণ যুগলৰ

কাপ-মৈলামৰ লগত সংঘষ ঘটিল। মৈলামচিৰ মহীখিনি উবুৰি হৈ নক্সা এখন ক'লীয়া বোলেৰে বোলাই দিলে। টোপনিৰ জাল কাটি গ'ল আৰু প্ৰভুৱে চকুমেলি বৰাভয় মুদ্ৰাৰে হাঁহি এক মহাৰাণীৰ ছবিখনকে চেলাম দিলে। পলকতে আৰু এটা ঘটনা ঘটিল।

ওঠৰ-উনৈশ বছৰীয়া দেখনিয়াৰ ল'ৰা এটাই উধাতুখাই লৰ মাৰি আহি উবুৰি হৈ থকা মৈলামটো পোনাই থৈ নক্সাখনত থকা চিয়াঁহিখিনি মাটিত পেলাই দিলে আৰু মেজত এক টোকা কাগজ এখন লৈ অ'ত ত'ত লাগি থকা চিয়াঁহিখিনি টুকি পেলালে। গোৰ খাই সিঁচৰতি হৈ পৰা বিশৃংখল কাগজ-পত্ৰবিলাক সজাই-পৰাই থৈ হাকিমৰ ফালে কেৰাহিকৈ চাই দেখিলে তেওঁ ইতিমধ্যে নিজকে চম্ভালি লৈ স্বাভাৱিকভাৱে বহিছে।

হাকিমে চকু পকাই ল'ৰাটোৰ ফালে চালে। দুঘটনাটোৰ একমাত্ৰ সাক্ষী এই দুঃসাহসী ল'ৰাটোৰ সৰল স্পধা দেখি তেওঁ খঙত তিঙিৰিতুলা হ'ল।

"কোন তই ? ইয়াত কি কৰিছ ?" হাকিম গজি উঠিল। ল'ৰাটোৱে অলপো ভয় নাখাই নিঃসঙ্কোচে উত্তৰ দিলে, "হুজুৰ মই সবেশ্বৰ। পুৰা নাম শ্ৰীসবেশ্বৰ শমা। নামনিৰ পৰা আহিছোঁ। মই ঘাট-মাউৰা। আপুনি দয়া কৰিলে অধীন বৰ্তি যাওঁ।"

হাকিম অলপ কুমলিল। ল'ৰাটোৰ ফালে তেওঁ ভালকৈ লক্ষ্য কৰিলে। তাৰ চেহেৰাটো চকুত লগা। কপালখন বহল। নাকটো জোঙা। চকুকেইটা তিৰবিৰাই থকা। বুদ্ধিমান যেন লাগে, পিছে অলপ ধূতও নেকি—ধূতবিটোলৈ মন কৰিলে তাক জেদী যেন লাগে। গাৰ বৰণটো ক'লা হ'লেও চিকুণ। শৰীৰটো লাহী কিন্তু আটিল। কণ্ঠৰ মাজেদি ডাঙৰ-দীঘল হোৱাৰ চিন স্পষ্ট।

'তই কি কাম কৰিব পাৰিবি ?"

"হুজুৰ, মই হুজুৰৰ জোতা পালিছ কৰাৰপৰা টিলিঙা কোবোৱালৈকে সকলো কৰিব পাৰিম।"

"বাঃ একেবাৰে ৰূপে-গুণে তুলনা নাই। লিখা-পঢ়া জাননে ?"

"পাঠশালা পাছ কৰি এম-ভিত নাম লগাইছিলোঁ হুজুৰ। তাৰ পিছত পণ্ডা এৰিব লগা হ'ল।'

"ভাত ৰান্ধিব জান ?'

"জানো হুজুৰ, আগতে ভট্টাচাৰ্য্য হাকিমৰ লগত জিলাত আছিলোঁ। এইখন তেখেতে দিয়া চাৰ্টি ফিকেট।'

'তেখেতৰ লগতে নেথাকিলি কিয় ?"

তেখেত বদলি হৈ চিলেটলৈ গ'লগৈ। মোক তাৰ্পৈ নিবলৈ টান পালে আৰু মোৰো "

"আৰু তোৰো সিমান দূৰলৈ বঙালৰ ৰাজ্যলৈ যাবলৈ মন নাই নহয় জানো ?' সি শেষ কৰিবলৈ নৌপাওঁতেই হাকিমে ক'লে। 'হুজুৰ অন্তৰ্যামী'।

এনে তোষামোদত ৰজা-মহাৰজাও সন্তুষ্ট হয়। ৰায়-বাহাদুৰ পৰমানন্দ হুব ডেপুটিও ভোল গ'ল। ল'ৰাটো সুদৰ্শন চালাক আৰু কথা-বাতাত পাকৈত। কাম-কাজতো ভাল বুলি ভট্টাচাৰ্য্য হাকিমে চাৰ্টি ফিকেট দিছে। তেওঁ কিছুদিনৰপৰা এনে এটা ল'ৰাৰে অনুসন্ধান কৰি ফুৰিছিল। ঘৰত বৰ্তমান এটা আছে হয়, কিন্তু তাক মফচল যাওঁতে লগত লৈ গ'লে গৃহিণীৰ বৰ কষ্ট হয়। সপোনত দেখা গুলহন্না ফেৰাৰ চেহেৰাটো মনত পৰি মহা প্ৰতাপী প্ৰভু ঈশ্বৰৰো বুকু চপচপাই উঠিল। তেওঁ ল'ৰাটোক নগুৱা হিচাপে লবলৈকে সিদ্ধান্ত কৰিলে। তথাপি আৰু অলপ পৰীক্ষা কৰি চোৱা ভাল হ'ব বুলি বিবেচনা কৰি আৰু গোটাদিয়েক প্ৰশ্ন সুধিবলৈ ঠিক কৰিলে। বুঢ়া-লোকে কৈ গৈছে যে অচিন কাঠৰ ঠোৰাও লগাব নপায়।

'পূজা কৰিবলৈ ক'ত শিকিলা ?"

"পিতা গাঁৱৰ পুৰোহিত আছিল। যজমানৰ ঘৰলৈ নিজে কেতিয়াবা যাব নোৱাৰিলে মোকে পঠাই দিয়। সংস্কৃত তন্ত্ৰ-মন্ত্ৰ কেইটামান সেই আপাহতে শিকিছিলোঁ।"

'বাৰু, গায়ত্ৰীটো মোক শুনাচোন।"

সিয়ান সৰেশ্বৰে হাকিমৰ উদ্দেশ্যটো বুজি পালে। গায়ত্ৰী মন্ত্ৰ উচ্চাৰণ কৰা আই বসুমতীয়েও শুনিব নাপায়। সি হাকিমৰ মেজৰপৰা তুলাপাত অকণমান লৈ তাতে থকা হাকিমৰ কাপ-

টোৱেই মন্ত্রটো লেখি হাকিমক দেখুৱালে। এইবাৰ হাকিম নিঃসন্দেহ হ'ল। সি ঠগ-প্ৰৱঞ্চক হ'ব নোৱাৰে। ভট্টাচাৰ্য্যৰ চাৰ্টিফিকেটখন কেতিয়াও জাল হ'ব নোৱাৰে। তেওঁ চিলেটলৈ বদলি হোৱা কথাটোও সঁচা।

হাকিমে মাত লগালে বাৰু সবেশ্বৰ, তই এতিয়াই দৰ্খাস্ত এখন দে। তোৰ নাম, পিতাৰ নাম, নিজ গাঁও, পুলিচ থানা, জিলাৰ নাম সকলোবিলাক লিখি দিবি। তোক আজিৰপৰাই মোৰ অডাৰলীৰ কামত নিয়োগ কৰিলোঁ। বাৰু এতিয়া ঘৰলৈকে ব'ল, মযো উঠো।"

সবেশ্বৰে দৰ্খাস্তখন লিখি হাকিমৰ হাতত দিলে। সেই দৰ্খাস্তখন বহুত বিচাৰিয়ো সংগ্ৰহ কৰিব নোৱাৰাত তেওঁৰ আচল ঠিকনাটো আপোনালোকক দিব নোৱাৰিলো। এতিয়া হাকিম-জনো সিপুৰীত। নৱ-জন্ম লাভ কৰাৰপৰা ৰায়চাহাবেও আগৰ দিনৰ কথাৰ ছাঁতকে সহিব নোৱাৰে। গতিকে সবেশ্বৰৰ জন্ম, ল'ৰাকাল, বংশ-পৰিচয় আদি এই ইতিহাসৰপৰা বাদ দিব লগা হ'ল।

ৰায়বাহাদুৰ পৰমানন্দ ছবডেপুটিৰ পিয়নৰ পদত মকৰল হৈ সবেশ্বৰে সকাহ পালে। সি আনন্দত উন্নাৱল নহে ধীৰ ভাৱে সকলো কথা গুাগঁথা কৰি চালে। দুপৰীয়াতে ঘটা ঘটনাটোৰ-পৰা সি হাকিমজনৰ স্বভাব-চৰিত্ৰৰ বিষয়ে ভালেখিনি উৱাদিহ পালে। তেওঁৰ মন যোগাবলৈ বৰ বেছি কষ্ট স্বীকাৰ কৰিবৰ প্ৰয়োজন নাই। মাত্ৰ মেজাজটোৱে কেতিয়া কেনেকুৱা ৰূপ ধৰে তাকেহে অলপ সূক্ষ্মভাৱে লক্ষ্য কৰি থাকিব লাগে। তাৰ নিচিনা বুধিয়ক ল'বাৰ কাৰণে সেই ফৰা কম ভাতৰ লগত পানী খোৱাৰ নিচিনা কথা। কিন্তু হাকিমনী বেলেগ 'চীজ'। তেওঁ যে আদত আদ্যা শক্তি সই বিষয়ে প্ৰথম দৰ্শনতেই তাৰ কোনো সন্দেহ নাথাকিল। হাকিমনীয়ে তাক মূৰৰপৰা ভৰিলৈকে তন্ন তন্নকৈ চালে। তেওঁৰ চকুৰপৰা বাহিৰ হোৱা তীক্ষ্ণ দৃষ্টিয়ে তাক যেনেই থকা-সৰকা কৰিলে। কিন্তু সবেশ্বৰো সাত ঘাটৰ সৈয়া কণী। সি এলাইবাদু বা অলপ ধতুৰা নহয়। সংসাৰ সাগৰত চলুৱে চলুৱে পানী খাই সি বহুত শিকিছে, ঠেকি শিকিছে। মানুহৰ চৰিত্ৰ অধ্যয়ন কৰাত সিয়ো অনভিজ্ঞ নহয়।

সি হাকিমনীক সেৱা এটি কৰি 'আই' বুলি মাতিলে। তেখেতৰ হাতৰপৰা সোঁতাটো খুজি লৈ ঘৰটোত জমি থকা জঞ্জালবিলাক চাফা কৰাত ব্যস্ত হৈ পৰিল। কাৰণ তাক অভ্যৰ্থনা কৰাৰ সময়ত হাকিমনীয়ে হাতত সোঁতাটো লৈ ঠাই সাৰি আছিল। আপোনালোকে হয়তো সন্দেহৰে সুধিব পাৰে, হাকিমনীসকলে জানো ঠাই সাৰে? সাৰে, অন্ততঃ আমাৰ উপাখ্যানৰ গৰাকী গোসাঁনীয়ে সাৰে। গোসাঁনীৰ ধৃতি-নীতি, নিয়ম-কাৰণ কমলা-বৰীয়া ভকততকৈয়ো বেছি উগ্ৰ। দিনটোত অতি কমেও চাৰি-পাঁচবাৰ গা ধোৱে, ভাত ৰন্ধা সময়ত অন্ততঃ দহবাৰ পাছফালৰ পুখুৰীলৈ সৈ হাত ধোৱেগৈ। চাউল বোলা বস্তুটো জীৱন ধাৰণৰ কাৰণে অতি প্ৰয়োজনীয় হ'লেও সিজালেই সি চুৱা হয়; ভাত

(সিজোৱা চাউল) চুৰা বস্তু। উদৰ পূৰণৰ অৰ্থে ভাত ৰান্ধিব লাগে, খাবও লাগে। তাৰ গত্যন্তৰ নাই, কিন্তু ভাত চুব লগা হ'লেই হাতখন ভালকৈ ধুব লাগে আৰু য'তে ত'তে ধুলেও নহয়, একেবাৰে বাৰীচুকৰ পুখুৰীত ধুবগৈ লাগে। এইবিলাক শিক্ষা গোসাঁনীয়ে সৰু কালৰেপৰাই পাই আহিছে। তদুপৰি আনে সাৰিলে ঠাইখন ফু-মাৰি ভাত খাব পৰা নহয় কাৰণে চাকৰ-নাকৰে সাৰি যোৱাৰ পিছতো নিজে সোতাটো লৈ আই বসুমতীক এসেকা দিহে তেওঁ শান্তিৰে দুপৰীয়াৰ ভাত মুঠি ধৰিব পাৰে। নকলেও হ'ব যে তেওঁ ঠাই সৰাৰ পিছত আৰু এবাৰ গা ধুই লয়।

হাকিমনী গৰাকী চেহেৰাই-পাতিয়ে বেয়া নহয়। কিন্তু বৰ অলধলী। কাপোৰ পিন্ধাৰ লাগ-বান্ধ নাই। তেল অকণমান সঁহি দীঘল চুলিকোছাত কাকৈখন সপ্তাহত এবাৰমানো লগায় নে নলগায় ক'ব নোৱাৰোঁ। চিক-চাক কৰি আশঙ্কাত দিনটো গা ধুই থাকোঁতেই সময় পাৰ হয়; তাৰ উপৰি পুৰা-গধূলি গোসাঁই ঘৰ আছেই।

সবেশ্বৰে প্ৰথম দিনাই ইমানবোৰ কথা গম পোৱা নাছিল যদিও গোসাঁনীক দেখিয়েই কিবা এটা আন্দাজ কৰি ললে। প্ৰথম সাক্ষাততে হাকিমনী গৰাকীৰ বিষয়ে তাৰ যি ধাৰণা হ'ল, সেই ধাৰণা যে সম্পূৰ্ণ সত্য, কালক্ৰমত তাৰ অকাট্য প্ৰমাণ পালে। ঠাইখন সাৰি আঁটাই সি পুখুৰীত ডুব এটা মাৰি আহি, সৰু জপাটোত ভৰাই অনা ছহতীয়া চাফা চুৰিয়াখন পিন্ধিলে আৰু তিতা গামোচাখন গাত লৈ গোসাঁই ঘৰত সোমাল। জপ-তপ কি কৰিছিল ক'ব নোৱাৰোঁ কিন্তু সি ভগৱন্তৰ ওচৰত অতি কাতৰভাৱে প্ৰাৰ্থনা কৰিছিল যেন তাৰ নৱ-লব্ধ চাকৰিটো চিৰদিন তিষ্ঠি থাকে। বোধহয় তাৰ প্ৰাৰ্থনা ভগৱন্তৰ শ্ৰুতি-গোচৰ হৈছিল।

প্ৰমাণস্বৰূপে প্ৰথমদিনাই হাকিমনী আই তাৰ প্ৰতি কিঞ্চিৎ প্ৰসন্ন হোৱাৰ ভাব পৰিলক্ষিত হ'ল। হাকিমনীৰ মুখখন চোকা। জিভাৰ ধাৰ পৰীক্ষা কৰাৰ পাত্ৰ হ'ল স্বামীগুৰু আৰু তেৰাৰ পাৰিষদবৰ্গ। ল'ৰা-ছোৱালী কেইটাই সৰু কালত তাৰ ভাগ

পাইছিল যদিও এতিয়া ডাঙৰ হৈ সিহঁতে পঢ়া-শুনা কৰিবৰ কাৰণে মোমায়েকৰ ঘৰত আছেগৈ। গতিকে হাকিম অফিচত থকা সময়ছোৱাত গোসাঁনীয়ে লগুৱা সৎৰামৰ ওপৰতেই মুখৰ খজুৰতি মাৰে। এতিয়া সৰ্বেশ্বৰ অহাত তাকো সৎৰামৰ লগত সাও্‌ৰি লব পাৰিব বুলি হাকিমনীৰ পেটে পেটে মহা আনন্দ। পিছে ল'ৰাটোৰ কাম-কাজ দেখি তেওঁৰ অলপ সন্দেহো যে হোৱা নাছিল এনে নহয়। সি দেখোন সৎৰামৰ নিচিনা ধোদৰ পচলা নহয়। ঘৰত ভৰি দিয়াৰ লগে লগে ঘৰুৱা কাম-বনত লাগি গ'লেই।

সৰ্বেশ্বৰে এটা কথা বৰ ভালকৈ বুজি পাইছিল যে হাকিমনীক খোচ মেজাজত ৰাখিব পাৰিলেহে সি টিকি থাকিব পাৰিব। সি প্ৰথমৰেপৰাই তাৰ কাৰণে কঁকালত টঙালি বান্ধি ললে। সি গোসাঁই ঘৰত সোমোৱাৰ সময়ত হাকিমৰ ভোজন পৰ চলিছিল। ইতিমধ্যে তেওঁৰ খোৱা শেষ হ'ল আৰু সৰ্বেশ্বৰো ওলাই আহিল। কিন্তু সি এখন্তেকো পলম নকৰি খোৱা বাচনবিলাক ধুবলৈ লৈ গ'ল। সৎৰামে চুৱা খোৱা ঠাইখন দেখুৱাই দিলে আৰু পুখুৰীৰপৰা এবাল্টি পানীও আনি দিলে। সি সৎৰামৰ ফালে এবাৰ চালে। চাৰিও চকুৰ মিলন হ'ল আৰু সেই মুহূৰ্তৰপৰাই সৎৰামৰ লগত তাৰ মিতিৰালিও হৈ গ'ল। সবল সৎৰামৰপৰা সি সদায় সহানুভূতি পাই থাকিব বুলি তাৰ প্ৰত্যয় জন্মিল।

সৰ্বেশ্বৰে মাজি অনা কাঁহী-বাটিবিলাক গোসাঁনীয়ে পৰীক্ষা কৰি চালে। বাচন-বৰ্তনবোৰ চিকমিকাই আছিল। ক'ৰবাত চুকে-কোণে চুৱা লাগি থকাৰ আশঙ্কা নাই। ঘঁহাৰ দাগ নায়েই। সৎৰামে কোনো দিনেই ইমান নিকাকৈ বাচনবিলাক ধুব পৰা নাই। গোসাঁনীৰ মুখখন পোহৰ হ'ল আৰু সেই পোহৰে সৰ্বেশ্বৰৰ অন্তৰখনো পোহৰ কৰিলে। গোসাঁনীয়ে সৰ্বেশ্বৰক ওচৰলৈ মাতি আনি ক'লে, "তই বামুণৰ ল'ৰা, চুৱা ধুব নেলাগে। সেইবোৰ সৎৰামেই কৰিব। তই ভাগৰে-জুগৰে আহিছ, এতিয়া দুটামান খাই-বৈ ল। পিছত কাম-কাজ যিমান কৰ কৰি থাকিবি।"

সৰ্বেশ্বৰ আশ্বস্ত হ'ল। হাকিমনীৰ মাত এষাৰ শুনিবৰ কাৰণেই যেন সি ইমান সময় সাধনা কৰি আছিল। সাধনাত তাৰ সিদ্ধিলাভ হ'ল। সি ভগৱতীৰ অনুগ্ৰহ লাভ কৰিলে।

সেইদিনা ফৰকাল পুৰাটোত ৰায়চাহাবে সোণালী ধাননি পথাৰখনলৈ চাই তন্ময় হৈ পৰিছিল। অতীতৰ অতল গভত লুপ্ত হৈ যোৱা বহুতো ঘটনাৰ স্মৃতিয়ে, পুবালি বতাহজাকে ধাননি পথাৰখন চঞ্চল কৰি তোলাৰ দৰে, তেওঁৰ মনটোতো এটি আলোড়নৰ সৃষ্টি কৰিছিল। তেওঁ পুৰণি স্মৃতিবিলাক ৰোমন্থন কৰিছিল, এটি অজান পুলকে তেওঁৰ মুখখন উদ্ভাসিত কৰিছিল। তেওঁ ৰাজআলিটোত ধূলিৰ ওপৰতে লেপেটা কাঢি বহি লখিমী আইৰ এই বিনন্দীয়া ৰূপ নিৰীক্ষণ কৰি নিজকে ধন্য মানিছিল নিয়ৰত সেমেকি থকা বকুল ফুলবিলাক আঁজলিয়ে আঁজলিয়ে ধানবিলাকৰ ওপৰত ছটিয়াই দি তেওঁ আই অন্নপূণাক পূজা কৰিছিল। দেৱীৰ অনুগ্ৰহত আজি তেওঁৰ একোৰে অভাৱ নাই। ভঁৰালত ধান, পুখুৰীত মাছ, বাৰীত তামোল-পাণ এইবিলাকতো সাধাৰণ কথা, তাৰ বাহিৰেও তেওঁৰ চন্দুকত আছে—। ৰায়চাহাবৰ চকুকেইটা তিৰবিৰাই উঠিল। টকা-সিকা তেওঁৰ বহুতেই আছে। চিকাৰূপ, আধলি, সিকি, আদমহীয়া, চৰতীয়া, পাতি পইচা ডবল পইচা আদি মুঠতে কিমান আছে তেওঁ কোনো দিনেই হিচাপ কৰা নাই। কৰিবলগীয়া হোৱাও নাই। টকা-সিকা তাত সোমায়হে, ওলাই নাহে। চন্দুকৰপৰা টকা তেওঁ মুঠতে দুবাৰ উলিয়াইছে। প্ৰথম মহাযুদ্ধৰ সময়ত ইংৰাজ চৰকাৰৰ প্ৰতি একান্ত আনুগত্য প্ৰকাশ কৰিবৰ কাৰণে চন্দুকৰপৰা নগদ এহেজাৰ চিকাৰূপ উলিয়াই জিলাৰ বৰচাহাবৰ হাতত চমজাই দিছিলগৈ। বৰচাহাবে তেওঁক কৰমৰ্দন কৰি ধন্যবাদ দিছিল আৰু ভৱিষ্যতে কোনোবা এদিন যে তেওঁ প্ৰবল প্ৰতাপী চৰকাৰৰপৰা কিবা এটা খিতাপ পাব তাৰ ইঙ্গিতো নিদিয়াকৈ থকা নাছিল। এক পাৰমাৰ্থিক আনন্দই তেওঁৰ চিত্ত বিগলিত কৰিছিল। অৰ্থৰ বিনিময়ত যদি চৰকাৰী খিতাপ এটা আহৰণ কৰিব পাৰি তেন্তে সেয়া 'পাৰমাৰ্থিক' নহয় জানো? অন্ততঃ সবেশ্বৰে তেতিয়া সেই-দৰেই ভাবিছিল।

তাৰ পিছত তেওঁ আকৌ এবাৰ চন্দুক খুলিছিল। মাত্ৰ দুবছৰৰ আগতে। ১৯৩৫ চনত মহামান্য ভাৰতেশ্বৰ পঞ্চম জৰ্জৰ ৰাজত্বৰ একুৰি পাঁচ বছৰ কাল পূৰ্ণ হোৱাত সাম্ৰাজ্য জুৰি ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হৈছিল। মেল-মিটিং, দৰবাৰ, খেল-ধেমালি, পাণ-ভোজন আদিৰ লগতে দুই-এটা দেশৰ কামো কৰা হৈছিল। ৰায়চাহাবে দান কৰা এহেজাৰ টকাৰে সেই পিছ পৰা অঞ্চলত এটি পাঠশালা প্ৰতিষ্ঠা কৰা হৈছিল। 'জুবিলী পাঠশালা বুলি নামাকৰণ কৰা হৈছিল যদিও মানুহে এতিয়া ৰায়চাহাবৰ পাঠশালা বুলিহে কয়। নামটো লৈয়ো এক ৰহস্য। ৰায়চাহাবে নিজে নিজেই মিচিকিয়ায়।

ধাননিৰ মাজলৈ বকুল ফুলৰ অঞ্জলি নিবেদন কৰি একাৰ সময়তে ৰায়চাহাবৰ মুখত মিচিকি হাঁহি বিৰিঙি উঠিছিল। এনেতে হঠাৎ তেওঁৰ স্বপ্ন ভঙ্গ হ'ল। এটা কৰ্কশ কণ্ঠই তেওঁৰ সম্বিৎ ঘূৰাই আনিলে।

'দেউতা বেলি দুপৰ হ'ল। সোনকালে গাটো তিয়াই গোসাঁই ঘৰত সোমাওকগৈ। আয়ে বাট চাই আছে।'

সেইটো সংৰাম। পৰমানন্দ চবডেপুটিৰ ঘৰতে সবেশ্বৰে তাক প্ৰথম লগ পাইছিল। তেতিয়াই দুয়োৰে মনৰ মিল হৈছিল। তাৰ পিছত পট পৰিবৰ্তন হ'ল। এতিয়া সংৰাম ৰায়চাহাবৰ ভৰপূৰ উঠি অহা সংসাৰৰ এক অপৰিহাৰ্য ব্যক্তি। একালত দুয়ো বন্ধু আছিল যদিও সমাজৰ জখলাত সৰ্বেশ্বৰ দোপত দোপে উঠি যোৱাত সংৰামে তেওঁক 'দেউতা' বুলি সম্বোধন কৰে, কিন্তু কথাৰ সুৰত পূৰণিকলীয়া ঘনিষ্ঠতাখিনি ধৰা পৰে। ৰায়চাহাবে সহিষ্ণুতা দেখুৱাই আহিছে। অৱশ্যে চাহাব-চুবাৰ বা অন্যান্য ডাঙৰ মানুহৰ লগত আলাপ-আলোচনা কৰাৰ সময়ত সংৰামে সম্পূৰ্ণ চাকৰ হৈ পৰে। তেতিয়া তাৰ কথাৰ সুৰত অন্তৰঙ্গতা নেথাকে, থাকে সম্ভ্ৰম আৰু দূৰত্ব। তাৰ এই বুদ্ধি-বিবেচনা ৰায়চাহাবে তাৰিফ কৰে আৰু সেই কাৰণে সংৰাম আজীৱন ৰায়চাহাবৰ লগত নিৰ্বিবাদে থাকিব পাৰিছে। সি বিয়া-বাৰু নকৰালে। ঘৰ-সংসাৰলৈ বোলে তাৰ অলপো আগ্ৰহ নাই। সবেশ্বৰে অৱশ্যে তাক বেলেগাই ঘৰ-দুৱাৰ কৰাই দি খিতাপি

লগাই দিব খুজিছিল। কিন্তু সংৰাম মান্তি নহ'ল। ৰায়চাহাবৰ বয়স্য, পৰামশদাতা, বন্ধু, হিতাকাঙ্ক্ষী আৰু লগুৱা হিচাপেই সি ৰৈ গ'ল। অৱশ্যে তাক সকলোৱে সন্মানৰ চকুৰে চায়। ৰায়চাহাবৰ সংসাৰত তাৰো এখন বিশিষ্ট আসন আছে।

ৰায়চাহাবে সংৰামলৈ ঘূৰি চালে। বয়স হৈছে যদিও মানুহটো খামীডাঠ। অকণো পোতোকা পৰা নাই। শৰীৰত এতিয়াও যথেষ্ট বলশক্তি আছে। তাৰ নিচিনা বিশ্বাসী, নির্ভৰযোগ্য মানুহ এটা থকাত ৰায়চাহাব সকলো বিষয়ে নিশ্চিন্ত। খেতি-বাতি, ঘৰ-দুৱাৰ সকলোৰে ভাৰ তাৰ হাতত চমজাই দি ৰায়-চাহাবে এতিয়া ৰায়বাহাদুৰ হ'বৰ কাৰণে যিবিলাক কূট-কৌশল কৰিব লাগে কৰি আছে।

"হেৰৌ সংৰাম, ধাননিডৰা কেনে দেখিছ অ'?" ৰায়চাহাবে সুধিলে। তেওঁ থিয় হ'ল।

"কেনে দেখিছোঁ আৰু ক'ব লাগিছেনে? সাক্ষাৎ আই লখিমী। মোৰ আজি গোসাঁনীলৈ মনত পৰিছে।"

ৰায়চাহাব চক খাই উঠিল। 'গোসাঁনী' মানে সেই পৰমানন্দ মাটি হাকিমৰ পত্নী। সেই অতীতৰ মৰহি যোৱা দিনটোলৈ তেওঁ উভতি গ'ল। সেই দিনটো তেওঁৰ কাৰণে অতি সুমঙ্গলীয় দিন আছিল। সেইদিনা গোসাঁনী গৰীৱ সর্বেশ্বৰৰ প্ৰতি সন্তুষ্টা হৈছিল। এচমকা সেন্দুৰৰ ফোটেৰে, শুৱনী, তেজগোৰা মুখখন সর্বেশ্বৰৰ চকুৰ আগত জিলিকি উঠিল। মনে মনেই তেওঁৰ উদ্দেশ্যে প্ৰণাম জনালে। মুখেৰে ক'লে, "তোৰ যে আৰু কথাবোৰ! ইমান পুৰণি কালৰ কথানো তোৰ মনত পৰিল কেনেকৈ? বাৰু, বাদ দে সেইবোৰ কথা। অৱনী আছে নে নাই?"

সংৰাম অলপ গহীন হ'ল।

"অৱনী ঘৰত নাই।" সি চিন্তিতভাৱে উত্তৰ দিলে। ৰায়-চাহাবৰ একমাত্ৰ বংশধৰ, কলিকতা প্ৰেছিডেঞ্চি কলেজৰ কৃতী ছাত্ৰ অৱনী চৌধুৰী ঘৰত নাই। চিন্তা কৰিবৰ কথাই।

"ক'লৈ গ'ল?"

এইবাৰ কিন্তু সংৰামে ৰায়চাহাবৰ চকুহালৰ কঠিন দৃষ্টিলৈ

লক্ষ্য কৰি পাতলভাৱে উত্তৰ দিলে, "অৱনী এতিয়া পানী কেচুৱা হৈ থকা নাই। সি বহুত বিদ্যা শিকি আহিছে। ডেকা ল'ৰা এটা অকলশৰে ঘৰতনো কিমান সোমাই থাকিব ?'

ৰায়চাহাবৰ দৃষ্টিৰ কঠোৰতা অলপো নকমিল। তেওঁ ক'লে, মোৰ প্ৰশ্নৰ উত্তৰ দে, অৱনী ক'লৈ গ'ল ?"

"সি যোৱা কালিয়েই পখিলীক লৈ পাহাৰৰ ফালে গ'ল। লগত ফটিক ফান্দী গৈছে।"

পখিলী ৰায়চাহাবৰ মৰমৰ হাতীজনীৰ নাম। ফটিক তেওঁলোকৰ বহুদিনীয়া মাউত। এতিয়া ফান্দীৰ কামো কৰিবপৰা হৈছে। পতিকে জাতত উঠি ফটিক মাউত এতিয়া ফটিক ফান্দী।

ৰায়চাহাবে অলপ কুমলি ক'লে, "তেনেহ'লে সি চিকাৰলৈ গৈছে। মোক কথাষাৰ কৈ গ'লেনো কি হয় ? আজিকালিৰ ল'ৰা, বাপেক-মাকক মানিবই নোখোজে। বাৰু সংবাদ, মই এতিয়া গা ধুবলৈ যাওঁ। আয়েৰ বৈয়েই থাকিব পায়। অৱনী আহিলে মোক খবৰ দিবি।"

অলপ ক্ষুণ্ণভাৱে ৰায়চাহাবে পাত্ৰোত্থান কৰিলে। তেওঁ নঙলাডাল খুলি, সৰি থকা বকুল ফুলবোৰলৈ লক্ষ্য নকৰি, ভৰিৰে গচকি ভিতৰৰ ফালে গ'ল। যি ৰায়চাহাবৰ নামত বাঘে-ছাগে একে ঘাটতে পানী খায়, সেই পুৰুষ সিংহক অৱনীয়ে পৰোৱাই নকৰে। যাৰ যহত শাক সেন্দুৰ, তাক বোলে ভোকোৰা এন্দুৰ। ল'ৰাটো উদণ্ড স্বভাৱৰ। এইটো বয়সত এনেকুৱা হয়েই, ৰায়চাহাবে নিজকে প্ৰবোধ দিলে। তাতে মাকৰ প্ৰশ্ৰয় পাই পাই সি বাপেকক গণিতাকে নকৰা হ'ল। গৃহিণীৰ প্ৰতি ৰায়চাহাব অলপ অসহিষ্ণু হৈ পৰিল।

ৰায়চাহাব সৰ্বেশ্বৰ চৌধুৰীৰ ব্যৱসায় বহুত। তেও মহামান্য ইংৰাজ চৰকাৰৰ মৌজাদাৰ, এইটোৰেই তেওঁৰ অতিশয় সন্মানজনক পদবী আৰু ইয়াৰ বলতেই তেওঁৰ ৰজাঘৰত বিশেষ এখন আসন আছে। ইংৰাজ আৰু দেশীয় ৰাজপুৰুষসকলে নানা কথাত ৰায়চাহাবৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰিবলগীয়া হয়। ফলত তেওঁৰ প্ৰতিপত্তি দিনে দিনে বাঢ়ি গৈছে। যিসময়ৰ কথা কৈছোঁ, সেই সময়ত মৌজাদাৰৰ কাম অকল খাজনা তোলাতেই সীমাবদ্ধ নাছিল। শাসকসকলক ভাঁড়ৰ বাতৰি ঢাঁড়ে ঢাঁড়ে জনাই একান্তও মৌজাদাৰৰ কৰ্তব্য আছিল। তদুপৰি কোনো ৰাজবিষয়া মফচললৈ আহিলে তেওঁৰ থকা খোৱা আৰু ফুৰাৰ সকলো ব্যৱস্থা সুকলমে কৰি দিয়াও মৌজাদাৰৰ দায়িত্ব আছিল। মৌজাদাৰৰ সোঁহাত আছিল গাঁওবুঢ়া। গাঁওবুঢ়াৰ সহায়ত প্ৰজাৰপৰা চব-চোষ্য-লেহ্য-পেয় আদি সংগ্ৰহ কৰা হৈছিল। মৌজাদাৰৰ চোৰাংচোৱাই গাঁৱে গাঁৱে ঘূৰি-পকি খা-খবৰৰ যোগান ধৰিছিল আৰু মৌজাদাৰে সপ্তাহে সপ্তাহে সেই খবৰবিলাক চৰকাৰলৈ পঠাইছিল। কিন্তু গুৰুতৰ কথা থাকিলে তেওঁ স্বয়ং সদৰত উপস্থিত হৈ বৰচাহাবক বা-বতৰা দিছিলগৈ। মুঠতে মৌজাদাৰ আছিল ইংৰাজ চৰকাৰৰ অতি অনুগত আৰু বশংবদ ভৃত্য।

কিন্তু অকল মৌজাটোৰদ্বাৰাই মৌজাদাৰসকলৰ বৰপেট যে পুৰ হৈছিল এনে নহয়। তেওঁলোকে ব্যৱসায় বাণিজ্যও কৰিছিল। ৰায়চাহাবৰ ব্যৱসায় আছিল মেলা-চিকাৰ কৰি হাতী ধৰা। তেওঁৰ নিজৰে তিনিটা হাতী আছিল। এটা মতা, দুজনী মাইকী। মতা হাতীটো প্ৰায় ৯ ফুট ওখ। তাৰ নাম জং বাহাদুৰ। জং বাহাদুৰৰ নিচিনা সুশিক্ষিত আন এটা হাতী সেই অঞ্চলত নাছিল। সাধাৰণতে চাহাবসকল চিকাৰলৈ আহিলে এই জং বাহাদুৰেই আছিল প্ৰধান বাহন। তাৰ দাঁতযোৰ প্ৰায় তিনিহাতমান দীঘল হৈ ওলাই ক্ৰমাৎ বেঁকা হৈ ওপৰমুৱা হৈছিল। দেখাত ভীষণ যদিও জংবাহাদুৰ আছিল অতিশয় শান্ত প্ৰকৃতিৰ। কিন্তু

সময়ে সময়ে সি তাৰ শক্তি আৰু সাহসৰ পৰিচয় দিছিল, বিশেষকৈ চিকাৰৰ সময়ত তাৰ নিচিনা নিভৰযোগ্য হাতী দ্বিতীয় এটা নাছিল।

জং বাহাদুৰৰ পিছতে ৰায়চাহাবৰ অতি মৰমৰ হাতী আছিল মোহনমালা। সেই সময়ত কামৰূপ জিলাৰ বৰচাহাবৰ হাতী-জনীৰ নাম মোহনমালা আছিল। ইংৰাজ চৰকাৰৰ প্ৰতি আনুগত্যৰ পৰাকাৰ্ষ্ঠা প্ৰদশন কৰি ৰায়চাহাবে নিজৰ হাতীজনীৰ নামো ৰাখিছিল 'মোহনমালা'। মোহনমালা সকলোফালৰপৰা সুলক্ষণী আছিল আৰু কালক্ৰমত তাই পোৱালি এটি জন্ম দিছিল। পোৱালিটিও মাইকী। তাইৰ নামেই পখিলী। এই পখিলীয়েই অৰুনীৰ বৰ প্ৰিয় পাত্ৰী আছিল। তাইক সি নিজেই শিকাই-বুজাই লৈছিল আৰু চিকাৰলৈ গ'লে তাইকেই লৈ গৈছিল।

এই তিনিটা হাতীৰ কাৰণে ৰায়চাহাবে তিনিজন মাউত ৰাখিছিল। মেলা-চিকাৰৰ সময়ত অৱশ্যে ফান্দী আনিছিল। ৰায়চাহাবে ফান্দী ঘাঁহী, যোগালি আদিৰ লগত নিজেও মাহুৰ পিছত মাহু পৰতে-পাষণ্ডে কটাই দিব পাৰিছিল। গতিকে তেওঁৰ হাতত বছৰত ৭।৮ টাকৈ হাতী বন্দী হৈছিল। ভাটিৰপৰা সদাগৰ আহি হাতীবিলাক কিনিছিল আৰু প্ৰতিবছৰেই ৰায়চাহাবে হাজাৰ হাজাৰ টকা লাভ কৰিছিল। সম্মান, পদ-মৰ্য্যাদা আৰু ক্ষমতাৰ কাৰণে মৌজাদাৰৰ বাব লৈ ৰায়চাহাবে প্ৰকৃততে অথ উপাৰ্জন কৰিছিল মেলা-চিকাৰৰ জৰিয়তে।

ৰায়চাহাবৰ মাউত তিনিটাৰ ভিতৰত ফটিকৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছেই। জয়ৰাম ফান্দীয়ে জংবাহাদুৰক চলাইছিল আৰু মোহনমালাৰ মাউত আছিল গিৰিধাৰী সিং। জয়ৰাম প্ৰথমতে যোগালি হৈ সোমাইছিল, কিন্তু কাৰ্যদক্ষতাৰ গুণত সি মাউত হ'ল আৰু পিছত ফান্দী হ'লগৈ। সি শকত-আৱত থুলন্তৰ মানুহ। জং বাহাদুৰ আৰু জয়ৰাম একেৰাশিৰ আৰু সেই কাৰণে সিহঁতৰ ৰাজযোৰা বুলি ৰাইজে কোৱা-মেলা কৰে। প্ৰকৃততে জং বাহাদুৰৰ ওপৰত উঠি গাবৈ-ভুঁৱে কলগছ বিচাৰি ঘূৰি ফুৰোঁতে জয়ৰামক দেখি জীয়ৰী-বোৱাৰী সকলো মুগ্ধ হয়। গাৱঁৰ ডেকা-বিলাক ঈৰ্ষাত জ্বলি পুৰি মৰে আৰু সুবিধা পালে জয়ৰামৰ চৈধ্য-

পুৰুষ উদ্ধাৰ কৰে। কিন্তু জয়ৰাম নিৰ্বিকাৰ। সি জং বাহাদুৰক লৈয়েই ব্যস্ত আনৰ প্ৰতি মনকাণ কৰিবৰ'ল তাৰ সময়েই নাই।

কিন্তু গিৰিধাৰীৰ স্বভাৱ বিপৰীত। সি প্ৰকৃততে বিহাৰী মানুহ। এবাৰ সদাগৰ এটাৰ লগত আহিছিল। হাতীৰ লক্ষণ-বিলাক সি ভালকৈ চিনি পায়। মাণিকে মাণিক চিনাৰ দৰে ৰায়চাহাবেও তাক চিনি পালে আৰু মাউতৰ কাম যচাত সি থাকি গ'ল। ৰায়চাহাবে কছাৰী ছোৱালী এজনীৰ সৈতে বিয়া-খনো পাতি দিয়াত সি দেশলৈ যোৱাৰ নামকে নুশুনা হ'ল। সংসাৰ সৰোবৰত ডিঙিলৈকে ডুবিলেও সি স্বভাৱতে ৰঙিয়াল, কথকী, সৎ আৰু বিশ্বাসী। হাতীজনীকো সি ভাল পায় আৰু শক্তিয়ে আঁটে মানে তাইৰ আলপৈচান ধৰে।

গিৰিধাৰীয়ে সংৰাম আৰু ৰায়চাহাবৰ কথোপকথন শুনি আছিল। ৰায়চাহাবে প্ৰস্থান কৰাত সি মিচিকিয়াই অৰ্থপূৰ্ণ হাঁহি এটি মাৰি সংৰামৰ কাষ চাপিল। তাক হঁহা দেখি সংৰামৰ চিৰ্কনিৰ আগত খং উঠিল। সি কঠুৱা মাতেৰে সুধিলে, "এই বঙাল, দাঁত নিকটাইছ কিয় ?"

"সংৰাম বাবু, ৰাগ নাই কৰিব। হামি একটা কথা ভাবিছে।"

গিৰিধাৰীৰ মাত-কথা এতিয়াও পোন হোৱা নাই। ভঙা-ভঙা হেনাহচা অসমীয়া কয়। সংৰামক সি সমীহ কৰি চলে।

"কোন বাপেৰৰ মূৰটো ভাবিছ ?"

"বাপৰ মাথা নাই ধৰিব, হামি কৈ দিছে। ফেৰ বাপৰ মাথা বলিলে—"

তাৰ কথা শেষ হ'বলৈ বাট নাচাই সংৰামে খঙেৰে ক'লে "ক'লে কি কৰিবি অ' কি কৰিবি, কটা দেছুৱালী। চাতুৰ বদলি ইয়াত মাছে-ভাতে খাবলৈ পাই তোৰ তেল ফাটিছে হ'ব পায় ? ৰাক ৰ, তোৰ সকলো কথাৰ ভেদ ভাঙি দিম।"

সংৰামে গিৰিধাৰীৰ গোপন কথা কেইটামান জানে। বিয়াৰ আগতে তাৰ কেইবাজনী ছোৱালীৰ লগত লেচি-পেচি হৈছিল। সেই কথা গম পাই ৰায়চাহাবে লৰা-লৰিকৈ তাৰ বিয়া-খন পাতি দিলে। এতিয়া তাৰ মুখচুকী ঘৈণীয়েকে কেনেবাকৈ

তাৰ সংস্পৰ্শ পালে তাৰ মূৰৰ চুলি এডালো বাকী নেথাকিব। সি আতুৰভাৱে ক'লে, "মাফ কিজিয়ে সংৰাম বাবু, হামাৰ গল্টি হৈ গৈছে। আচ্ছা শুনিয়ে, ফটিক ফান্দী আচ্ছা আদমী নাই আছে।"

ফটিক ফান্দীৰ কথা সংৰামে নজনা নহয়। তথাপি গিৰিধাৰীৰ মুখৰপৰা কথাটো বাহিৰ কৰিবৰ কাৰণে সি নজনা ভাও ধৰি ক'লে, " কিয়, ফটিক ফান্দীয়ে কি কৰিলে ?"

গিৰিধাৰীয়ে কথাটো সদৰি নকৰিবলৈ সংৰামক বধ শপত দি যিখিনি কথা ক'লে, সেয়ে স্থূলমূলকৈ হ'ল এনেকুৱা ঃ

ফটিক ফান্দীয়ে কলহে কলহে লাওপানী বা ফটিকা যিহকে পায় তাকে খায়। সেই কাৰণেই সি হাতীজনী চৰাবৰ কাৰণে পাহাৰৰ ওচৰ পায়গৈ। পাহাৰীয়া আৰু নেপালী মানুহৰ গাঁওখনত 'আৰকাৰী' মালৰ অভাৱ নাই। তদুপৰি তাৰ স্বভাৱটোও লুতুৰা। কেইবাজনীও নেপালী তিৰোতাৰ লগত তাৰ 'বাতচিত' আছে। অকল 'বাতচিত' থকা হ'লেও কোনো কথা নাছিল, পিছে এতিয়া বোলে সম্পৰ্কটো বেছিকৈ পকি উঠিছে। তাৰ লগত চিকাৰলৈ যোৱাৰ নামত বোলে ৰায়চাহাবৰ বংশধৰেও এতিয়া গাঁওখনৰ কোনোবা মানুহ এঘৰত ৰাতি যাপন কৰেগৈ। মানুহ ঘৰ নেপালী। তিনিজনী পাভক ছোৱালী আছে। সিহঁতে ঘাগৰা আৰু ব্লাউজ পিন্ধে। বুকুত কাপোৰ-কানি নলয়। সেইদৰে প্ৰায় অনাবৃত স্তনযুগল প্ৰদৰ্শন কৰি সিহঁতে লচপচকৈ অৱনীক সুৰাপাত্ৰ যাচে। কিছুদিনৰপৰা অৱনী মজি গৈছে। বিশেষকৈ সৰু জনীৰ লগত। গাঁৱৰ ডেকামখাই গজি আছে, কিন্তু ৰায়-চাহাবৰ ল'ৰাক জোকাই লবলৈ সিহঁতৰ সাহপিত নাই। তথাপি সৰুজনীক অৰ্থাৎ কাঞ্চীক ভালপোৱা ডেকা এটাই বোলে খুকুৰি লৈ অনাই-বনাই ফুৰে। তাৰ চকুকেইটা বোলে ৰাতিও জুই জ্বলাদি জ্বলি থাকে।

"বহুত চৰম কি বাত, সংৰাম বাবু, বহুত চৰম কি বাত। অৱনী বাবু বহুত খাৰাপ কাম কৰিছে। ফটিক ফান্দী ভী উসকা দিলমে চয়তান চুকাই দিছে। ফান্দীকা মতলব আচ্ছা নাই আছে। আপ থোৰা কচিছ কৰিব লাগে। ৰায়চাহাবকো বাতলাব লাগে।"

সংৰামে এইবিলাক কথা কিছুদিন ধৰি শুনি আছে । কিন্তু সি ৰায়চাহাবৰ আগত তাৰ নাম-গোন্ধো উলিওৱা নাই । গিৰিধাৰীৰ কথা শুনি সি অলপ ভয় খালে যদিও, তাক অলপো চল নিদিয়াকৈ মাত লগালে, ''যা যা, বঙাল ৰায়চাহাবৰ ল'ৰাৰ কথা তই চিন্তা কৰিব নেলাগে । হাতীজনীক ভালকৈ আপ-ডাল কৰ । আৰু শুন, মোৰ আগত যি কলি কলি, আন কাৰোবাৰ আগত এইবোৰ ফাঁচ কৰিব লাগিলে তোৰ চাকৰিৰ চিলিম ছিগিব, মই কৈ দিছো একা ।'

সংৰাম আৰু গিৰিধাৰীয়ে এইদৰে আলোচনা কৰি থকা সময়ত অৱনী পাহাৰৰ নামনিত থকা সেই গাঁওখনৰ বিশেষ মানুহ এঘৰৰ বাহিৰৰ কোঠালিৰ বাঁহৰ চাংখনত টোপনিত অচেতন হৈ পৰি আছিল । তেতিয়া বেলা ভালেখিনি হৈছিল । শীতকালৰ বেলিটোৰ তেজো ক্ৰমে বৃদ্ধি পাই আহিছিল । অৱনীয়ে কিন্তু তেতিয়াও সপোন এটা দেখি আছিল । সি যেন এখন ডাঙৰ নদীৰ পানীত পৰি ককবকাই ফুৰিছে, এটা ঘৰিয়ালে তাক খেদি ফুৰিছে, সি প্ৰাণটাকি সাঁতুৰিছে । এনেতে সি দেখিলে এখন টুলুঙা নাও বাই আহি থকা এজনী ৰূপহী ছোৱালী । তাই অৱনীৰ ফালেই আহি আছে । সিয়ো শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰি সাঁতুৰিছে নাওখনলৈ লক্ষ্য কৰি । সি নাওখন দুয়োহাতেৰে ধৰিলে আৰু তৎক্ষণাত তাত উঠি বহিল । ছোৱালী-জনীয়ে তাৰফালে চাই মিচিকিয়াই হাঁহিলে আৰু ব'ঠা মাৰিবলৈ লাগি গ'ল । কিন্তু অলপ পিছতে প্ৰচণ্ড ধুমুহা বতাহ আহিল । নাওখন ডুবি গ'ল ছোৱালীজনীও সোঁতত উটি গ'ল । ঘৰিয়াল-টোৱে তাক পুনৰ দেখা পাই খেদি আহি ভৰিটোত কামোৰ মাৰি ধৰিলে । সি মবোজাওঁ সোঁ আধিকৈ হাতভৰি মাৰিবলৈ চেষ্টা কৰিছিল, কিন্তু লাহে লাহে নিস্তেজ হৈ পৰিল । ভৰিৰ তেজে নদীৰ পানী ৰাঙলি কৰিলে । ঘৰিয়ালটোৱে তাক নদীৰ গভলৈ টানি লৈ গ'ল ।

অৱনীয়ে সাৰ পালে । সেই পুহমহীয়া জাৰতো সি ঘামিছিল । তাৰ হাত-ভৰিবোৰ যেন ছিগি ভাগি গৈছিল । মূৰত অসহ্য বেদনা । মুখখন শুকাই গৈছিল । টোপনিৰ ঘোৰ যেন তেতিয়াও

কাটি যোৱা নাই । সি ক্ষীণ কণ্ঠেৰে মাতিলে, "কাঞ্চী" ?

বাবু, তই সাৰ পালি, ৰহ মই এতিয়াই গৈছোঁ ।"

কথাৰ লগে লগেই যেন কোঠাটোৰ ভিতৰলৈ সোমাই আহিল এছাটি পছোৱা, এটি তৰিৎ শিখা, পোহৰৰ প্লাবন, সমুদ্ৰৰ এটি তৰঙ্গ ।

এয়া কাঞ্চী অৱনীৰ চিত্তত চঞ্চলতাৰ জোৱাৰ তোলা কাঞ্চী, যাৰ শ্ৰীচৰণত ৰায়চাহাবৰ কৃতী সন্তানে নিজকে সমৰ্পণ কৰি দিছে । তাৰ স্বপ্নজড়িমা সম্পূৰ্ণ ভাগি যোৱা নাছিল । নাওখনৰ ছোৱালীজনীকে যেন সি পুনৰ দেখা পা'ল । অৱনীয়ে চিঞৰ মাৰি ক'লে, ' নাওখন ডুবি গৈছে কাঞ্চী নাওখন ডুবি গৈছে ।"

প্ৰাণৰ প্ৰাচুৰ্য্য থকা হাঁহিৰ লহৰে কোঠাটো স্পন্দিত কৰিলে, স্পন্দন উঠিল অৱনীৰ অন্তৰত । সি অনুভৱ কৰিলে তাৰ বিছনাৰ কাষত সেইজনী কাঞ্চী নহয়, যেন কোনোবা অপ্সৰী, কোনো দেৱবালা, আৰু নহ'লে কি হ'ব পাৰে ? ছদ্মবেশ ধৰা ৰাক্ষসী নহয়তো ? তাৰ বিক্ষুব্ধ মনলৈ বহুতো ভাব একেলগে আহিল । কিন্তু সম্বিত ঘূৰাই পালে কাঞ্চীৰ মাতত ।

'এই বাবু তই পগলা হ'লি নেকি ? এইটো পাহাৰৰ ওপৰত নৌকাডুবি হ'ব ক'ৰপৰা ? যোৱা ৰাতি বৰ টানিলি, ৰহ, মই তোক এবাটি চাহ দিওঁ মাথাটো পৰিষ্কাৰ হ'ব ।

চঞ্চলা হৰিণীৰ চটুলি গতিৰে কাঞ্চী ওলাই গ'ল । অৱনীয়ে এওামুৰি দি চকুকেইটা ভালকৈ মেলি দিলে । তেতিয়াহে তাৰ ধাৰণা হ'ল পুৱাবেলাটো প্ৰায় পাৰ হৈ গৈছে । তথাপি সি এবাৰ উঠাৰ চেষ্টা নকৰিলে । গাতলোৱা কাপোৰখন ভালকৈ টানি লৈ সি পাৰ হৈ যোৱা ৰাতিটোৰ ঘটনাবিলাক মনত পেলাবলৈ যত্ন কৰিলে । আগদিনা বেলি লহিওৱাৰ সময়তে সি ফটিকৰ সৈতে পখিলীৰ পিঠিত উঠি গাঁওখনত উপস্থিত হৈছিল । সি আগেয়ে কেইবাবাৰো চিবাৰৰ চেলু লৈ ইয়ালৈ আহিছে । কাঞ্চীহঁতৰ ঘৰত মদ খাইছে সিহঁতৰ লগত চুপতি মাৰিছে পহ মাৰি আহি ভাগ লগাইছে । কিন্তু যোৱা ৰাতি যেন কিবা এটা ব্যতিক্ৰম ঘটিল ।

আগদিনা আবেলি সি গাঁওখনত বেছি সময় থোৱা নাছিল ।

কাঞ্চীৰ বাপেক বীৰ বাহাদুৰক লগত লৈ সি গভীৰ অৰণ্যত প্ৰবেশ কৰিছিল। বীৰ বাহাদুৰে তিনিবেটেৰীয়া টৰ্চ এটা ধৰি গৈছিল আৰু জন্তুৰ চকু জিলিকি উঠিলেই ফটিক মাউতে ফুচ-ফুচাই তাক উপদেশ দিছিল। 'সেইটো শিয়ালহে' এইটোৰ চকুকেইটা ৰঙা যেন হৈ জ্বলিছে, বাঘ হ'ব পাৰে গুলী নেমাৰিবা নতুবা এইটো পহু মাৰা, মাৰা।' এইদৰে তাক কৈ গৈছিল। অৱনীয়েও চকু চিনি পায়। চিকাৰ কৰাত সি অনভিজ্ঞ নহয় তদুপৰি তাৰ নিচানো বৰ পোন। দুটা শহ আৰু এটা দল হৰিণ ধৰাশায়ী কৰি সিহঁত বীৰ বাহাদুৰৰ পঁজালৈ উভতি আহিছিল। বীৰ বাহাদুৰ মৃতদাৰ, তিনিজনী ছোৱালী আছে। তাৰে সৰুজনী কাঞ্চী। সৌন্দৰ্য্যৰে উপচি পৰা শৰীৰ এটাৰ বাহিৰেও তাইৰ নীলা চকুযুৰিত আছিল দুৰ্বাৰ মাদকতা আৰু আকৰ্ষণ। অৱনীয়ে তাইক দেখি মতলীয়া হৈ পৰিছিল। ফটিক ফান্দীয়ে ইন্ধন যোগাইছিল আৰু বীৰ বাহাদুৰে ৰায়চাহাবৰ পুতেকক হাত কৰিবৰ কাৰণে জীয়েকক অস্ত্ৰ হিচাপে লবলৈ অলপো কুণ্ঠাবোধ কৰা নাছিল। অৱনী নিজেও সুদৰ্শন যুৱক, কাঞ্চী তাৰ প্ৰতি আকৃষ্ট হোৱাটো অস্বাভাৱিক নাছিল।

গতিকে চিকাৰ কৰি উভতি অহাৰ পিছত কাঞ্চীহঁতে পহুৰ পীৰা এটা কাটি লৈ কুটি-বাছি ভাজিছিল আৰু ভজা মাংসৰ সৈতে অৱনীয়ে বাটিয়ে বাটিয়ে মদ খাইছিল। বীৰ বাহাদুৰ আৰু ফাটিকেও খাইছিল, কাঞ্চীয়ে পৰিবেশন কৰিছিল। এইদৰে ৰাতি প্ৰায় দুপৰ হৈছিল। লাহে লাহে মদৰ জ্বালত মনৰ সঙ্কোচ আৰু শালীনতাই বিদায় লৈছিল।

এনেকুৱা সময়তে ফটিক আৰু বীৰ বাহাদুৰ কোঠাটোৰপৰা ওলাই গৈছিল। অৱনীয়ে কাঞ্চীক বুকুৰ মাজত সুমুৱাই লৈছিল। সিহঁত দুয়োটাই অতি উত্তেজিতভাৱে বাঁহৰ চাঙখনৰ আশ্ৰয় লৈছিল।

সেই নৈশ-নিস্তব্ধতা ভঙ্গ কৰি নিয়তি চৰাই এজনীয়ে নিউ' 'নিউ' কৈ চিঞৰি উঠিছিল। অৱনীৰ বাহুপাশত থকা কাঞ্চীয়ে চক খাই উঠিছিল। তাইৰ বুকুৰ চপ-চপনি অৱনীৰ বুকুত খুন্দা খাই হেৰাই গৈছিল।

'এই বাবু চাহ খা।''

সেইজনী কাঞ্চী। হাতত এবাটি চাহ। অৱনীয়ে চাও-মেলি বাটিটো লৈ কাঞ্চীলৈ চালে। কাঞ্চাৰ গাল দুখন যেন বেছি ৰঙা হৈছে, ব্লাউজটোৱে ভালকৈ ঢাকি থব নোৱাৰা বুকুখন যেন বেছি লোভনীয় হৈছে। কিন্তু চকুহাল! চকুহালৰ মাদকতা যেন অস্তমিত। সি চিকাৰত কইবাবাৰো ভেলেঙী লগ পাইছে। হাতীৰ ওপৰত বন্দুক লৈ নিষ্ঠুৰভাৱে গুলী মাৰিবলৈ সাজু হোৱা চিকাৰীলৈ ভেলেঙীজনীয়ে ডাঙৰ ডাঙৰ চকুদুটা মেলি নিষ্পলকভাৱে একেৰাহে চাই থাকে। পলাই নেযায়। কিন্তু দৃষ্টিত এটা আকুতি থাকে। সেই আকুতি হত্যালোলুপ চিকাৰীৰ চকুত নপৰে সি নিৰ্বিকাৰভাৱে ভেলেঙীজনীৰ কলিজা ভেদ কৰিবলৈ বন্দুকৰ ঘোৰা টিপে।

কাঞ্চীৰ চকুত সেই দৃষ্টি, সেই আকুতিভৰা দৃষ্টি। অৱনী অলপ বিচলিত হ'ল সি চাহৰ বাটিটো হাতত লৈ চকু ঘূৰালে। ইতিমধ্যে ফটিক ফাল্গী আহি উপস্থিত হোৱাত কাঞ্চী ভিতৰলৈ গ'ল।

"অৱনীবোপা সোনকালে ওলোৱা ঘৰলৈ যাব লাগে। দেউতাৰে চিন্তা কৰি থাকিব।" ফটিকে ক'লে।

কথাটো হয়। কালি আহিবৰ সময়ত দেউতাকক নোকোৱা নেমেলাকৈ সি গুচি আহিল। এতিয়া সি মনে মনে লাজ পালে। পিতাকে তাক ইমান মৰম কৰে, তাৰ ওপৰত কিমান আশা-ভাৰসা। অথচ সি বাপেকৰ অজ্ঞাতে সামান্য নেপালী এঘৰত মদ খাইছে, ছোৱালীৰ লগত প্ৰেম কৰিছে।

অৱনীয়ে নিজকে ধিক্কাৰ দিলে। সি ধৰমৰকৈ বিছনাৰপৰা উঠিল আৰু নৰালৰিকৈ মুখ-হাত ধুই কাপোৰ-কানি পিন্ধি যাবলৈ সাজু হ'ল। ফটিকে কলগছ খাই থকা পখিলীৰ পিছ ঠেং দুটাৰপৰা শিকলিডাল খুলিলে আৰু তাইৰ পিঠিত গাদীখন আঁটি-আঁটি বান্ধি'ল। লাং চিং ডাল হাতত লৈ সি মহাবিক্ৰমেৰে হাতীজনী আনি বীৰ বাহাদুৰৰ চোতালত বহুৱা কৰিলে।

অৱনী যাবলৈ ওলাল। বীৰ বাহাদুৰ আৰু ছোৱালী তিনিজনীয়ে তাক বিদায় দিলে। অৱনীয়ে বীৰ বাহাদুৰৰ হাতত

চিকাৰূপ কেইটামান দিলে আৰু সি তৎক্ষণাত কঁকালৰ খোচনিত সুমুৱাই থলে। অৱনী হাতীত উঠিল। সি হাতীৰ পিঠিৰপৰা কাঞ্চীলৈ এবাৰ চালে। তাইৰ দুচকুত দুধাৰ চকুলো।

অৱনীৰ মনলৈ অলপ অনুতাপৰ ভাব আহিল। কিন্তু সি নিজক চম্ভালি ললে। কাঞ্চীৰ নিচিনা ছোৱালী এজনীৰ ভাগ্য যে তাই অৱনীৰ নিচিনা ল'ৰা এটাৰ মৰমৰ পৰশ পালে। অলপ বাট যোৱাৰ লগে লাগে সি কাঞ্চীৰ কথা পাহৰি গ'ল।

গাঁওখন প্ৰায় পাৰ হৈ যোৱাৰ সময়ত সি দেখা পালে নেপালী ডেকা এটাই তাৰফালে তীক্ষ্ণ দৃষ্টিৰে চাই খুকুৰি এখন ঘূৰাই আছে। ফটিক মাউতে ক'লে, 'সেইটো পদম বাহাদুৰ। কাঞ্চীৰ লগত বোলে তাৰ বিয়া হোৱাৰ কথা।"

নিয়তিয়ে অদৃশ্য সূতা এডালেৰে সেইদিনাই অৱনী চৌধুৰীৰ ভাগ্য নিয়ন্ত্ৰণ কৰিলে।

ৰায়চাহাব সবেশ্বৰ চৌধুৰীয়ে যথাবিহিতভাৱে পূজা-সেৱা সমাপ্ত কৰি পাকঘৰৰ মজিয়াত বহি নীৰৱে মধ্যাহ্ন ভোজন কৰি আছিল। মজিয়াখনত দুহাত দীঘল আৰু দুহাত পুতলৰ এটা পকা ভেটি। ভেটিৰ ওপৰত এখন বানকাঁহীত জহাচাউলৰ অন্ন। নানাবিধ ব্যঞ্জনৰে এশাৰী বানবাটি অৰ্ধচন্দ্ৰাকাৰে সজোৱা। এখন খুৰা লগা তামুলী পীৰাত ৰায়চাহাব উপবিষ্ট। সোঁফালে এঘটি পানীত এডাল খৰিকা আৰু বাওঁফালে মুখধোৱা পিতলৰ চৰিয়া। ৰায়চাহাবে নাগ কূৰ্মাদিক অন্ন নিবেদন কৰি বৌমাছৰ মূৰিঘণ্টেৰে ভোজন আৰম্ভ কৰিছিল। তেওঁৰ খোৱাত ৰুচি আছে। মাছৰ অভাৱ নাই। ঘৰৰ পুখুৰীতে ৰৌ, বাহু, চিতল-খৰিয়া আদি মাছৰ উভৈনদী। ওচৰৰ জংঘলৰপৰা দৰিক, হাইঠা পঘুমা আদি চৰাই চিকাৰ কৰি আনেই। তদুপৰি লাগ বুলিলেই পহু এটা মাৰি আনিবৰো সুবিধা পাৰি। ঘৰতে চাৰি-পাঁচ সেৰমান গাখীৰ ওলায়। এসেৰমান গাখীৰ তপতাই এপোৱামান কৰি দিলেহে ৰায়চাহাবে গ্ৰহণ কৰে। এই ঘন গাখীৰ তেওঁক দুপৰীয়াৰ সাজত সদায় দিব লাগে। সেই কাৰণে মানুহে তেওঁক গাখীৰ খোৱা ৰায়চাহাবো বোলে।

দুপৰীয়া আহাৰৰ সময়ত ৰায়চাহাবৰ গৃহিণী সদায় উপস্থিত থাকে। গৰমৰ দিনত তালপাতৰ বিচনী এখন হাতত লৈ তেওঁ স্বামীক ব্যজন কৰে। জাৰকালি হাতত বিচনীখন নাথাকে যদিও খোৱা-বোৱাৰ তদাৰক কৰি থাকে।

সেইদিনাও ৰায়চাহাবনীয়ে স্বামীৰ ভোজন পৰৰ তত্ত্বাৱধান কৰি আছিল। এইটো সময়তে তেওঁ যাৱতীয় সাংসাৰিক খবৰ আহাৰৰ লগত স্বামীৰ আগত পৰিবেশন কৰে। কিছুমান কথা ৰায়চাহাবৰ হতুৱাই অনুমোদন কৰাই লয় আৰু চাকৰ-বাকৰ, খৰচ-পাতি, জৰ-নৰিয়া আদিৰ আলোচনা কৰে। কাৰণ স্বামীক একান্তভাৱে লগ পোৱাৰ সময় এইকণেইহে। ৰায়চাহাবে ৰাতি ভাত নেখায়, কিবা পাতলীয়া আহাৰ কৰে।

আজি ৰায়চাহাবৰ মনটো অলপ গোমোঠা হৈ আছিল। স্বৰ্ণময়ীয়েৰে কথাটো লক্ষ্য কৰি অলপ উৎকণ্ঠাৰে সুধিলে, "আজি দেখোন মনটো মাৰি আছে, কি হ'লনো ?"

ৰায়চাহাবে উত্তৰ দিলে "কিনো ক'বা আৰু ! তোমাৰ লাই পাই পাই অৱনীয়ে গুৰু-গোসাঁই একোকে নমনা হৈছে। সি কালিয়েই চিকাৰলৈ গ'ল, অথচ মই তাৰ ভু নেপাওঁ। তোমাৰ আগত কিবা কৈছিল নেকি ?'

"এ কথাটো মই আপোনাক ক'বলৈ পাহৰিয়েই আছোঁ। সি মোৰ আগত কৈহে গৈছে। আপোনাক সি বাঘ দেখাদি দেখে সেই কাৰণে ভয়তে নক'লে।"

আচলতে অৱনীয়ে মাকৰ আগত একোকে কোৱা নাছিল। ৰায়চাহাবৰ খং দেখি এতিয়া তেওঁ মিছা মাতিলে। অৱশ্যে তাৰপৰা কামো হ'ল। ৰায়চাহাবৰ খং মাৰ গ'ল আৰু তেওঁ সন্তোষ মনেৰে খাবলৈ ধৰিলে।

ৰায়চাহাবে প্ৰত্যেকখন ব্যঞ্জনৰ বিষয়ে একোটা মন্তব্য কৰি অৱশেষত ঘন গাখীৰেৰে 'মধুৰেণ সমাপয়েৎ' কৰিলে। তেওঁ ভোজন শেষ কৰি মাত লগালে—

"বুজিছা অৱনীৰ মাক, ঘৰখনত মাথোন একেটি পো। তাৰ কাৰণে মোৰ কিমান চিন্তা আনে বুজি নেপালেও অন্ততঃ তুমি বুজি পোৱা। মই বহুত কষ্ট কৰিলোঁ, বিশেষকৈ ল'ৰা-কালছোৱা বৰ দুখত গ'ল। অৱশ্যে লাহে লাহে মোৰ অৱস্থা ভালৰ ফালে আহিল আৰু ভাগ্যৰ বলত আজি মই ৰজাঘৰীয়া পদবি এটা পাইছোঁ আৰু আই লখিমীয়েও চকু মেলি চাইছে। এতিয়া অৱনীৰ কেনেকৈ গতি এটা লাগে তাকে ভাবিয়েই মোৰ চকুত টোপনি নাই। সি পঢ়া-শুনাত চোকা, তাৰ চেহেৰা-পাতিও দলিয়াই পেলোৱা বিধৰ নহয়। প্ৰথম শ্ৰেণীত অনাৰ্ছ পাই সি বি এ পৰীক্ষাত উত্তীৰ্ণ হৈছে। সি ভাল চাকৰি এটা পালে আমাৰ ৰজাঘৰত প্ৰতিপত্তি বাঢ়িব আৰু সমাজতো এখন উচ্চ আসন পাম। তুমি তাক ক'বা যেন সি অলপ সাৱধান হয় আৰু তাৰ নামত যেন কোনেও কলঙ্ক সানিব নোৱাৰে। কাৰণ চৰিত্ৰহীন মানুহক চৰকাৰে কাম নিদিয়ে। তোমাৰ কথা সি

শুনে আৰু সেই কাৰণেই মই তোমাক ইমানখিনি কথা ক'লোঁ। গতিকে মাক হিচাপে তোমাৰ যিখিনি দায়িত্ব আছে, সেইখিনি পালন কৰিবা বুলি মই আশা কৰিছোঁ। মনত ৰাখিবা, বংশত বাতি দিবলৈ আমাৰ ল'ৰা একেটাই। সি যাতে শক্ৰৰ মুখত চূণ সানিব পাৰে সেয়ে মই বাঞ্ছা কৰোঁ।"

ৰায়চাহাবৰ খোৱা শেষ হ'ল। চৰিয়াত মুখ ধুই দাঁত খৰিকয়াই পুনৰ মুখখন কুলকুলি কৰি তেওঁ থিয় হ'ল আৰু ঘৈণীয়েকে ফুলাম গামোচা এখন আগবঢ়াই দিলে। তেওঁ ধীৰে ধীৰে মুখখন মচিলে আৰু বটাত যতনাই থোৱা তামোল এখন মুখত লৈ যেতিয়া ভোজনালয়ৰপৰা ওলাই আহিল, তেতিয়াই সংবাদে খবৰ দিলেহি যে তিনিটা পহু লৈ অৱনী চিকাৰৰপৰা উভতি আহিছে।

ৰায়চাহাবে আনন্দ পালে। অৱনীয়ে ইতিমধ্যে চিকাৰতো দক্ষতা লাভ কৰিছে এইটো সু-সংবাদ, সন্দেহ নাই। কাৰণ ইংৰাজ চৰকাৰে সুদক্ষ চিকাৰীক সন্মান কৰে। তেওঁৰ ডকণ ফুকনলৈ মনত পৰিল। ফুকনৰ নিচিনা নিপুণ চিকাৰী সেই সময়ত অসমত দ্বিতীয় এজন নাছিল। তেওঁ বিৰোধী দলৰ হ'লেও চৰকাৰে তেওঁক সম্ভ্ৰম কৰি চলে। আই চি এছ চাহাবেও তেওঁক চালাম দিয়ে। চাহাবে নেটিভক চালাম দিয়াটো ৰায়চাহাবৰ কাৰণে নাভূত-নাশ্ৰুত কথা, তথাপি ফুকনৰ বিষয়ে তেওঁ যিবোৰ কথা শুনিছে সেইবোৰ একেবাৰে দলিয়াই পেলাব লগা কথা নহয়। ইংৰাজ চৰকাৰৰ চাকৰি লোৱাহ'লে ফুকন এতিয়া গভৰ্ণৰ-চভৰ্ণৰ কিবা এটা হ'ব পাৰিলেহেঁতেন।

গভৰ্ণৰৰ কথাই ৰায়চাহাবক বাস্তবলৈ ঘূৰাই আনিলে। হয়তো, কমিছনাৰ অহাৰ কথা আছে নহয়, কালিলৈকে জিলালৈ গৈ বৰচাহাবক দেখা কৰিব লাগিব। তেওঁ মনত আশা এটাও পোষণ কৰিছে। জানো, কিমানখিনি সুবিধা কৰিব পাৰে। সকলো ভগৱন্তৰ ইচ্ছা।

ইতিমধ্যে তেওঁ শোৱনি কোঠাত উপস্থিত হৈছিল। ভাত খাই বিছনাত এবাগৰ মৰা তেওঁৰ বহুদিনীয়া সভ্যাস। পৰমানন্দ ছৰতেপুটিৰ ঘৰত যেতিয়া তেওঁ এই পিছ পৰা, হাৰি-জংঘয়োৰে

ভৰা ঠাইখনত কানি-মহলটো পালে, তেতিয়াৰপৰাই তেওঁৰ দুপৰীয়া এখন্তেক শেতেলীত পৰিবলৈ সুবিধা হৈছিল। তেওঁ বিছনাত পৰিল আৰু বিগত দিনবিলাকৰ সোঁৱৰণী তেওঁৰ মানস-পটত জল-জল পট-পটকৈ জিলিকি উঠিল।

হাকিমনীৰ শুভদৃষ্টি লাভ কৰাৰ পিছত সৰ্বেশ্বৰৰ সকলো কাম সহজ হৈ পৰিল। সি সকলো কাম নিয়াৰিকৈ আৰু পৰিপাটিকৈ কৰে। মোমাই তামুলী বৰবৰুৱাৰ কাহিনীটো সি কাৰবাৰ মুখত শুনিছিল। মোমায়েকৰ ঘৰত গেবাৰি এটা ল'ৰাটো নিজৰ কমৰ বলত একালত মন্ত্ৰী হৈছিল। সৰ্বেশ্বৰেও আশা কৰিলে যে সি ভৱিষ্যতে কিবা এটা হ'ব পাৰিব তাৰ বাবে তাক লাগিব বুদ্ধি, দক্ষতা আৰু পৰিশ্ৰম। হাকিম-হাকিমনীক খোচ মেজাজত ৰাখিব পাৰিলেই তাৰ কাম হাচিল হ'ব বুলি সি বিশ্বাস কৰিলে।

সি ৰাতিপুৱা ব্ৰহ্মমুহূৰ্ততে উঠি বাহী বনকে ধৰি ঘৰৰ কাম-কাজ, প্ৰাতঃকৃত্য আদি কৰি আজৰি হয়। হাকিমৰ বঙলাৰ আগফালখন ঘাঁহ-বন গজি হাবি হৈ পৰিছিল। সি নিতৌ কোৰ মাৰি ঠাইখন চাফ-চিকুণ কৰিলে আৰু জুতি, যাঁই তগৰ, মালতী আদি নানাবিধ ফুল ৰুলে। ঘৰৰ পাছফা'লও ভালেমানখিনি ঠাই পৰি আছিল, তাতো শাক পাচলিৰ খেতি কৰাত লাগি গ'ল। তদুপৰি দিনৰ দিনটো গোসাঁনীক সহায় কৰে। সি কামত যো। দিয়াৰ এমাহমানৰ ভিতৰতে ঘৰখন চকুত লগা হৈ পৰিল। বাহিৰ-খনতে৷ পৰিষ্কাৰ হ'লেই, ভিতৰতো ক'তো কুটা এগছো দেখিবৈ'ল নাইকিয়া হ'ল। কাঁহী-বাটিবোৰে হাঁহি থাকে। বস্তু-বাহানিবোৰ চিজিল লাগি থাকে। আগৰ দৰে য'ৰে বস্তু ত'তে পৰি নেথাকে। এতিয়া গোসাঁনীয়েও অলপ চাফ-চিকুণ আৰু দেখনিয়াৰ হৈ থাকিবলৈ সময় পোৱা হ'ল। সৰ্বেশ্বৰ ঘৰখনৰ অপৰিহাৰ্য্য অঙ্গ হৈ পৰিল।

তাৰ লগতে সৎৰামৰো ভালেখিনি উন্নতি হ'ল। কাম-কাজবোৰ নিখুঁতভাৱে কৰিবলৈ সিয়ো শিকিলে। সিহঁত দুয়োটাৰে বৰ মিল। সিহঁতে ঘৰৰ কামবিলাক ভাগবাটি ললে আৰু সৰ্বেশ্বৰ বামুণৰ ল'ৰা বুলি জানিব পাৰি সৎৰামে বাহীবন, চুৱা ধোৱা, কাপোৰ ধোৱা আদি কামবোৰ নিজেই কৰিবলৈ

ললে । অৱশ্যে গোসাঁইঘৰত থকা শালগ্ৰাম শিলাটি ধুউৱা কামটো সৰ্বেশ্বৰৰ ভাগত পৰিল । কিন্তু ভাত ৰন্ধা চৰুটো হ'লে হাকিমনীয়ে তাক এৰি নিদিলে ।

পিছে তাৰপৰা সৰ্বেশ্বৰৰ লাভেইহে হ'ল । ৰান্ধনিৰ কামটোও তাৰ ভাগত পৰা হ'লে সি অলপো সময় নোপোৱা হ'লহেঁতেন । এতিয়া দুপৰীয়াভোখৰ সি হাকিমৰ অফিচলৈ যায় । মণ্ডল, কাননগো পিয়ন, চকিদাৰ আদিৰ লগত সি চিনাকি হ'ল আৰু তাতো তাক সকলোৰে ভাল পোৱা হ'ল । মণ্ডলৰ ওচৰত থাকি চিঠা, জমাবন্দি নক্সা আদিও সি চাব জনা হ'ল । অফিচৰ মানুহেও তাৰ হতুৱাই নানা কাম-কাজ কৰাই লবলৈ ধৰিলে । হাকিমৰ লগত মফচললৈ গ'লে মাটি জৰীপৰ কামো তাক শিকাব বুলি হলিৰাম মণ্ডলে তাক কৈ থলে । মফচললৈ গ'লে হাকিমে কি কি কৰেগৈ সেই বিষয়েও তাৰ এটা মোটামুটি ধাৰণা হ'ল ।

ইতিমধ্যে নবেম্বৰ মাহ পালেহি । কুঁৱলি পৰিবলৈ আৰম্ভ কৰিছে ৰ'দৰ চোক কমিল আৰু জাৰ জাৰ যেন লগা হ'ল । হাকিমৰ শীতকালৰ চক্ৰৰ দিন পালেহি । এইবাৰ ঠিক হ'ল সৰ্বেশ্বৰ হাকিমৰ লগত যাব আৰু সংৰাম ঘৰত হাকিমনীৰ লগত থাকিব । এই ব্যৱস্থাত হাকিমনী সহজে মান্তি হোৱা নাছিল । কিন্তু সৰ্বেশ্বৰে ভৰিত ধৰি কাবৌ-কাকুতি কৰাত মানুহগৰাকী কুমলিল আৰু তাক যাবলৈ অনুমতি দিলে । কিন্তু এটা চৰ্ত্ত । হাকিমে ক'ত কি কৰে সকলো খুটি-নাটি কথাবোৰ সৰ্বেশ্বৰে হাকিমনীৰ আগত ৰিপ'ৰ্ট কৰিবহি লাগিব কাৰণ হাকিমৰ ওপৰত হাকিমনীৰ তিলমানো বিশ্বাস নাই ।

এইবাৰ আৰু সৰ্বেশ্বৰক কোনে পায় ? উলাহৰ মাদশি হৈ সি সাতদিনমান আগৰেপৰা যাত্ৰাৰ যা-যোগাৰ কৰাত সন্টন্ন হৈ পৰিল । প্ৰথমতে হাকিম কোন ঠাইলৈ যাব, ঠাইখন কেনেকুৱা, কিমান দূৰ মানুহ-দুনুহবিলাক কেনে ধৰণৰ, খোৱা-বোৱাৰ সা-সুবিধা কেনেকুৱা, হাবি-জংঘল আছে নে নাই, বাঘ-ভালুক ওলায়নেকি, মেলেৰিয়া, ক'লা জ্বৰ আদিত মানুহ মৰেনেকি ইত্যাদি খবৰবোৰ মণ্ডল, কাননগোৰপৰা খুচৰি খুচৰি উলিয়ালে ।

মফচললৈ যাবলৈ মানসিকভাৱে প্ৰস্তুত হোৱাৰ পিছত

সবেশ্বৰে সকলোবিলাৰ প্ৰয়োজনীয় সা-সামগ্ৰী সংগ্ৰহ কৰাত ব্যস্ত হৈ পৰিল। হাকিম গাঁৱলৈ গ'লে গঞা ৰাইজেই সিধা-পাতি যোগায়, গতিকে খোৱা বস্তু ভাৰবৈ মৰিবৰ দৰকাৰ নাই। কিন্তু আগেয়ে কোনো দিনে হাকিমৰ মনত নেখেলোৱা কিছুমান বস্তু সি লগত ললে। সেইবিলাক হ'ল মেলেৰিয়া পেটৰ অসুখ আদিৰ ঔষধ, পুৱা-গধূলি খাবৰ কাৰণে চিৰা-পিঠা, পুৰণি শুকান থেকেৰা, শোকোতা, কলখাৰ, কিছুমান বনৌষধি ইত্যাদি টুকটাক বস্তু কিছুমান। ঠাট্টা-মস্কৰা কৰিব পাৰে বুলি এইবিলাক বস্তু সি কাৰো আগত দেখুৱা নাছিল। মাত্ৰ মোনা এটাত ভৰাই লুকুৱাই থৈ দিছিল। অৱশ্যে চিৰা-পিঠাৰ কথা সংৰাম আৰু হাকিমনীয়ে গম পাইছিল।

অৱশেষত যাত্ৰাৰ শুভক্ষণটো আহিল। ৰাতি দহবজাত গৰুৰ গাড়ীৰে গৈ দহমাইল দূৰত থকা ৰেল ষ্টেছনটোত দোক-মোকালিতে ৰেল ধৰিবগৈ লাগে। দুখন গৰুগাড়ী বন্দবস্ত কৰা হ'ল। এখনত অকলে প্ৰভু ঈশ্বৰ যাব আৰু আনখনত মাল-বস্তুৰে শিষ্য সবেশ্বৰ। টেকেলা, পিয়ন, মণ্ডল, কাননগো আদি আগতীয়াকৈয়ে গ'ল। কাৰণ হাকিমৰ আগমনীৰ খবৰ গঞা ৰাইজক তপতে তপতে দিবগৈ লাগে আৰু বাহৰ সাজি সকলো বয়-বস্তু যোগাৰ কৰিব লাগে, যাতে প্ৰভু ঈশ্বৰ অলপো অসুবিধাত পৰিব নেলাগে।

গতিকে নবেম্বৰ মাহৰ শেষৰফালে এদিন শুক্ৰবাৰে ৰাতি পৰমানন্দ ছবডেপুটি যাবলৈ ওলাল। যাবৰ সময়ত গোসাঁনীয়ে তেওঁক সেৱা এটা কৰি চলচলীয়া চকুৰে বিদায় দিছিল আৰু বেলপাত এটা স্বামীৰ হাতত গুজি দিছিল। সবেশ্বৰক দঢ়াই দঢ়াই কৈছিল যেন আচহুৱা ঠাইত হাকিমৰ কোনো অসুবিধা নহয়। হাকিমনীয়ে তাক বহুতো উপদেশ দি অৱশেষত কৈছিল, দেউতাৰক ভালকৈ চাবি, বিশেষকৈ খোৱা-বোৱাত যাতে দিগদাৰ নেপায়। পেটৰ অসুখ হৈ থকা মানুহ, মা-মছলা কমকৈ দিবি, ৰাতি চিকাৰলৈ গলে তয়ো লগতে যাবি, অকলশৰীয়াকৈ নপঠাবি। মুঠতে তোৰ ওপৰতে সকলো ভৰসা বোপাই, তোৰ ওপৰতে ।" গোসাঁনীৰ মাত থোকাথুকি হ'ল। তেওঁ আৰু একোকে

ক'ব নোৱাৰিলে । চকুপানীয়ে যাত্ৰাৰ সময়ত অমঙ্গল সূচাব পাৰে বুলি তেওঁ আঁচলেৰে চকু দুটা মচি মচি লৰালৰিকৈ ভিতৰ সোমাই প'ল ।

প্ৰভু ঈশ্বৰো যে অলপো বিচলিত হোৱা নাছিল এনে নহয় । এই মুখৰা পত্নীৰো যে তেওঁৰ প্ৰতি অগাধ ভালপোৱা আছে তেওঁ আকৌ এবাৰ সঁৰবিলে । আচলতে এই নিচিনা যাত্ৰাৰ সময়তেই তেওঁ হৃদয়ৰ প্ৰয়োজনটোৰ বিষয়ে এখন্তেক অৱগত হয়, মানুহ-জনীলৈ অলপ মৰম ওপজে কিন্তু সেই এখন্তেকৰ বাবেহে । পদূলি-মুখ পাৰ হৈ যোৱাৰ লগে লগে সেইবিলাক দুৰ্বলতা তেওঁ অন্তৰৰপৰা জাৰি-জোকাৰি পেলালে আৰু ভাঠকৈ খেৰ পাৰি ৰচনা কৰা গো-যান শয্যাত স্থূলদেহটো সমৰ্পণ কৰি দিয়াৰ লগে লগে সংসাৰৰ প্ৰতি সম্পূৰ্ণ নিৰ্বিকাৰ হৈ পৰিল । তেওঁ বেলপাতটো মোহাৰি নাকেৰে শুঙিলে আৰু ইষ্টদেৱতাক স্মৰণ কৰি মন্ত্ৰ পঢ়িবৰে গৈ থকা হৈ লগা গৰুৰ গাড়ীত কাপোৰ-কানি লৈ শুই পৰিল । গাড়ীখনৰ আগফালে ৰচীৰে বান্ধি ওলোমাই থোৱা লণ্ঠন এটাই ধোঁৱাত ক'লা পৰি যোৱা চিমনিটোৰ মাজেৰে চিমিক-চামাককৈ নিজৰ অস্তিত্ব ঘোষণা কৰিছিল ।

তেতিয়া ৰ বৰলি পৰিছিল আৰু আঘোণ মাহৰ চেঁচা বতাহ এছাটি পিছফালৰ পদাৰ মাজেদি সোমাই আহি প্ৰভু ঈশ্বৰৰ চকুত লাগিছিল । জাৰ তেতিয়া আৰম্ভ হৈছিল আৰু তেওঁ গাত লোৱা কাপোৰখন মুৰলৈকে টানি লৈছিল । গৰুৰ ডিঙিৰ টিলিঙাই এক বিচিত্ৰ সঙ্গীতৰ সৃষ্টি কৰিছিল আৰু তাৰ ছন্দে ছন্দে ঘৰঘৰ শব্দ কৰি লোহাৰ পাত মেৰিওৱা গাড়ীৰ চকা অসমান বাটেৰে থেকেচনি খাই খাই আগবাঢ়িছিল । ছৰডেপুটিৰ মেদবহুল শৰীৰত সেই থেকেচনিৰ অৱশ্যে বেছি প্ৰভাৱ পৰা নাছিল । অলপ পিছতে তেওঁৰ নাসিকাগৰ্জন আৰম্ভ হৈছিল ।

হাকিমৰ গাড়ী কিছু আগবাঢ়ি গৈছিল, কিন্তু সৰ্বেশ্বৰে তেতিয়াও বগুলাৰ বাৰাণ্ডাতে সৎৰামৰ লগত কথাবাৰ্তা পাতি আছিল । হাকিমৰ গাড়ী নেদেখা হোৱাত সি সাউত কৰে ভিতৰ সোমাল আৰু বিৰহিনী ৰাধিকাৰদৰে আউলী-বাউলী হৈ থকা হাকিমনীৰ ভৰিত পৰি সেৱা এটা কৰিলে ।

গোসাঁনীয়ে তাৰফালে এবাৰ চালে, তীব্ৰদৃষ্টিৰে চালে । এখন আঠু তপৰা চুৰিয়া আৰু এটা ফটুৱাৰ বাহিৰে তাৰ গাত একো নাছিল । হাকিমনীয়ে তাক অলপ ৰবলৈ ইঙ্গিত দি কাঠৰ পেৰা এটা খুলিলে আৰু কাপোৰৰ জাপৰ মাজৰপৰা এখন এৰীচাদৰ উলিয়াই তাৰ হাতত দি ক'লে, ' সৰ্বেশ্বৰ, এই কাপোৰখন ল, নহ'লে জাৰত কষ্ট পাবি ।'' তাতকৈ বেছি কথা তেওঁৰ মুখৰপৰা নোলাল । তেওঁ চকুহাল হাতেৰে ঢাকি বিছনাত পৰিলগৈ ।

সৰ্বেশ্বৰ সৰণপৰা মানুহৰদৰে এখন্তেক থিয় হৈ থাকিল । তাৰ পিছত বুকুৰ ভিতৰত কিবা এটা গধুৰ বোজা লৈ সি ওলাই আহিল । সংৰামে দেখিলে তাৰো চকু দুটা শুকান হৈ থকা নাই ।

সৰ্বেশ্বৰে সংৰামক এৰী কাপোৰখনৰ কথাটো কৈ বিদায় ললে আৰু মালে-বস্তুৰে ভৰি থকা গাড়ীখনত উঠিলগৈ । গাড়ীৱানে টি—টি—হেই' বুলি এছাবি ডালেৰে গৰুহালক প্ৰহাৰ কৰি গাড়ী-খন চলাই দিলে ।

সেইদিনা শুকুৰবাৰে ৰাতি এক অতি শুভক্ষণত সৰ্বেশ্বৰৰ জীৱনত যি এটা গুৰুত্বপূৰ্ণ যাত্ৰাৰ আৰম্ভ হৈছিল সেই যাত্ৰাই তাৰ সৌভাগ্যৰ দুৱাৰ মুকলি কৰি দিলে । অতীতৰ অন্ধকাৰ জীৱনৰপৰা সি সম্পূৰ্ণ পোহৰলৈ ওলাই আহিল । সি যেন সকলো দিশৰপৰাই এটি দৈববাণী শুনিবলৈ পালে "চৰৈৱেতি, চৰৈৱেতি", "গৈ থাকা," "গৈ থাকা ।" এয়ে তাৰ কৰ্মময় জীৱনৰ এক সু-মহান সূচনা । তেতিয়াৰপৰা সি আৰু পিছলৈ উভতি চোৱা নাই, কামৰ মাজত সি নিজকে বিলীন কৰি দিছে । সি আগলৈই বাঢ়ি আছে মাত্ৰ আগবাঢ়িয়েই আছে ।

নিৰ্দিষ্ট সময়ত সিহঁতে ৰেলগাড়ী ধৰিব পাৰিছিল । সূৰ্যোদয়ৰ অলপ পিছতেই সিহঁতৰ যাত্ৰা সমাপ্ত হৈছিল । যিটো ষ্টেচনত সিহঁত নামিব লাগে সেই ষ্টেচনটোৰ নাম আছিল নাওহলীয়া । ষ্টেচনৰ প্লেটফৰ্মত মণ্ডল-কাননগো আদিকে ধৰি প্ৰায় এশমান মানুহ উপস্থিত আছিল প্ৰভু ঈশ্বৰক আগবঢ়াই নিবৰ কাৰণে । তেৰা অৱতাৰণ কৰাৰ লগে লগে গঞা ৰাইজে ঢোল-খোল, বৰতাল, মৃদঙ্গ আদি বজাই আধামাইলমান আঁতৰত থকা গাঁওখনলৈ তেখেতক আদৰি লৈ গ'ল । কেইজনমান প্ৰজাৰ

সহায়ত সৰ্বেশ্বৰে মাল-বস্তুবোৰ নমালে আৰু সেইবিলাক কঢ়িয়াই নিবলৈয়ো মানুহৰ অভাব হোৱা নাছিল ।

গায়নে-বায়নে এইদৰে মহা পয়োভৰে গৈ অৱশেষত প্ৰভু ঈশ্বৰ আপতীয়াকৈ নিমাণ কৰি থোৱা বাহৰ পালেগৈ । এখন নদীৰ পাৰত এবিঘামান মুকলি ঠাই । গাঁওখনৰ এমূৰে । তাতে কেইটামান খেৰৰ ঘৰ, বেৰবিলাকো খেৰৰ, কিন্তু বেছ মজবুত । এটা ডাঙৰ ঘৰ প্ৰভু ঈশ্বৰৰ কাৰণে আৰু পালি-পহৰীয়াসকলৰ কাৰণে আৰু কেইটামান সৰু সৰু ঘৰ । এটা ৰান্ধনি-ঘৰ আৰু এটা গুদামঘৰ ।

ঠাইডোখৰ চালে চকুৰোৱা । অলপ আঁতৰৰপৰাই হাবি-জংঘল আৰম্ভ হৈছে আৰু লতা-বিৰিখৰ সেউজখিনি ক্ৰমে ক্ৰমে প্ৰায় তিনি-চাৰি মাইলমান দূৰত থকা পাহাৰৰ নীলাত মিলি গৈছে । নদীখনৰ পানী স্ফটিকৰ ধাৰ যেন । শিল-বালিৰ বুকু-ৰেদি কলকলকৈ বৈ গৈছে আৰু এখন ডাঙৰ নদীৰ বুকুত হেৰাই যাবলৈ । এটা সুন্দৰ ঘাট আৰু তাতে গা ধুবৰ কাৰণে শিলৰ নিমজ পাট এটটা । সৰ্বেশ্বৰে ঠাইখন পছন্দ কৰিলে ।

বেলি হেলিছিল । এটা ৰাশি পাৰ হৈ ক্ৰমাৎ ওপৰলৈ উঠি আহিছিল । বৰঘৰৰ প্ৰায় আঁতৰি গৈছিল । গাঁৱৰ মানুহৰ সোঁত বলিছিল । খালিহাতেৰে নহয়, প্ৰায় প্ৰত্যেকৰ হাতত কিবা নহয় কিবা এটা আছিল । চাউল মাছ, পাৰচৰাই, শাক-পাচলি, গাখীৰ-গুড়, ঘিউ-মাখন কল, কোমল-চাউল আদি খাদ্য-সম্ভাৰেৰে গুদামঘৰ পূৰ হৈছিল । প্ৰভু ঈশ্বৰে সেইকালে নিৰ্বিকাৰভাৱে দৃষ্টিপাত কৰি নিজৰ বহাটোৰ ভিতৰত সোমাল । বহাৰ ভিতৰতো খুঁত ধৰিব নোৱাৰাকৈ সকলো লাগতিয়াল বস্তু যোগাৰ কৰি থোৱা আছে । এমূৰে এখন ডাঙৰ বিছনা আনটো মূৰত এখন মেৰ-চৰাত এবেগতমান এখন গাদীৰ ওপৰত বগলীৰ পাখিৰেন বগা কাপোৰ পৰা, মেৰ-চৰাৰ ওচৰতে এখনি শৰাই । ভিতৰখন সাৰি-মচি ফুমাৰি ভাত খাব পৰাকৈ থোৱা । কাপোৰ-কানি থবৰ কাৰণে বাঁহৰ এডাল আলনা । হাকিম ভিতৰত প্ৰৱেশ কৰাৰ লগে লগেই সৰ্বেশ্বৰে প্ৰয়োজনীয় সকলোবিলাক বস্তুবস্তু লৈ তালৈ আহিল আৰু ইটো সিটোকৈ হাকিমক আগবঢ়াই দিলে । হাকিমৰ আদেশমতে সি বাহিৰলৈ ওলাই আহি সমবেত জনতাক সম্বোধন

কৰি ক'লে, "ৰাইজ, প্ৰভু ঈশ্বৰ এতিয়া বৰ ক্লান্ত। তাতে ৰাতি চকুৰ টিপকে মাৰিব পৰা নাই। গতিকে এতিয়া আপোনাসৰ ঘৰাঘৰি যাওকগৈ। অৱশ্যে যা-যোগাৰ কৰিবৰ কাৰণে কেইজন-মানক থৈ যাব। প্ৰভু ঈশ্বৰে এতিয়া প্ৰাতঃকৃত্য সমাপন কৰি কিঞ্চিৎ আহাৰ কৰিব আৰু তাৰ পিছত অলপ বিশ্ৰাম কৰিব। আপোনাসৰ বেলি লহিওৱাৰ সময়ত ইয়ালৈ আহিব আৰু তেতিয়াহে প্ৰভু ঈশ্বৰে আপোনালোকক সমিধান দিব পাৰিব।"

ৰাইজ উঠিল আৰু কেইজনমানৰ বাহিৰে সকলোটি দিহা-দিহি গ'ল। হাকিমে কাপোৰ-কানি সলাই নদীত স্নান কৰি সন্ধ্যা-আহ্নিক আদি সমাপন কৰিলে আৰু পিছত কোমল চাউল থমা দৈ, গুড়, মালভোগ কল আদিৰে উদৰ পূৰণ কৰি বান বাটিত এবাটি চাহপানী খাই বিছনাত বাগৰ দিলে।

তেতিয়াহে সৰ্বেশ্বৰে গা-পা ধুই ইটো সিটো কৰিবলৈ সকাহ পালে। হাকিমৰ ৰান্ধনি বুলি তাক গাঁৱৰ মানুহে বেছ খাতিৰ কৰিছিল। সিয়ো ভালকৈ খাই-বৈ ললে আৰু যোড়শোপচাৰে প্ৰভু ঈশ্বৰৰ অন্ন ব্যঞ্জন প্ৰস্তুত কৰিবলৈ তৎপৰ হ'ল। প্ৰভুঈশ্বৰে ৰামপাৰ গ্ৰহণ নকৰে, সেই কাৰণে এটা খাহী কুটি-বাছি ৰান্ধি-বলৈ আয়োজন কৰা হ'ল। তদুপৰি দাইল, গৰু-ঘিউ নিমখ সৰিয়হ তেল, মা-মছলা আদিৰো প্ৰচুৰ যোগাৰ কৰা হ'ল। ঘি মাখন, ক্ৰিম আদি দেৱভোগ্য দ্ৰব্য স্থানীয় ম'হ চৰোৱজনেই যোগাৰ কৰি দিলে। ৰামপ্ৰসাদ আগৰৱালাৰ গোলাৰপৰা বাকী বিলাক প্ৰয়োজনীয় বস্তু সংগ্ৰহ কৰা হ'ল। মাৰোৱাৰী মহাজন জন নিজেই আহি হাকিমক চেলাম দিলেহি। দুপৰীয়া সাজ প্ৰায় পঞ্চাশজনমান মানুহৰ কাৰণে ৰান্ধিবলগীয়া হ'লত হলি মণ্ডলে চৰু বেলেগাই নিজেই ৰান্ধিবলৈ লাগি গ'ল। গতিকে সৰ্বেশ্বৰৰ গাত কামৰ বোজা বেছি নপৰিল। সি অকল হাকিমৰ কাৰণেহে পাক কৰিলে।

দুপৰীয়া বাৰমান বজাত প্ৰভু ঈশ্বৰে ভোজন কৰি পুনৰ বিশ্ৰাম লবলৈ বিছনাত পৰিল। আবেলি তিনিমান বজাত দিবা-নিদ্ৰা ভঙ্গ হ'লত তেখেতে মুখ-হাত ধুই, সৰ্বেশ্বৰে যতনাই দিয়া এবাটি চাহ খাই ৰাইজৰ লগত মুখামুখি হ'বলৈ সাজু হ'ল।

সমুখত শৰাইখন ল'লে প্ৰভু ঈশ্বৰ মেৰবোৰাত উপবেশন কৰিলে। এজন এজনকৈ প্ৰজাসকল আহি ভাৰস্থিৰে প্ৰণাম জনাই নিজৰ ওজৰ-আপত্তি আপদ-বিপদৰ কথা তেৰাৰ আগত বেকত কৰিলেহি। হাকিমে তেওঁলোকক যথাযোগ্য সন্নিধান দি বিদায় দিলে। ইতিমধ্যে বেলি মাৰ গ'ল আৰু এন্ধাৰ হোৱাত ৰাইজেও বিদায় ল'লে। পিছদিনা পুৱা জমাবন্দি পাঠ কৰা হ'ব বুলি গোবিন্দ কাননগোৱে ৰাইজৰ আগত ঘোষণা কৰিলে। প্ৰভু ঈশ্বৰৰ শৰাইখন তেতিয়া সিকি আধলি চৰতীয়া আদমহীয়া আদিৰে চিকমিকাই আছিল।

ৰায়চাহাব সৰ্বেশ্বৰ চৌধুৰীয়ে লখিমীৰ সেই জেউতি এতিয়াও পাহৰা নাই। সেইদিনাই ধনৰ দীপ্তিয়ে তেওঁক মুগ্ধ কৰিছিল আৰু পিছৰ জীৱনত আই লখিমীৰ বৰপুত্ৰ হ'বলৈ তেওঁক অনুপ্ৰাণিত কৰিছিল। সেই অনুপ্ৰেৰণা এতিয়াও সমানে শক্তিশালী হৈ আছে, তাৰ তীব্ৰতা অলপো কমা নাই। বিগত দিনবিলাকৰ সোঁৱৰণীয়ে ৰায়চাহাবৰ অপাৰ আনন্দ দিয়ে আৰু সেইবাবেই তেওঁ অতীতৰ স্মৃতি ৰোমন্থন কৰি পৰিতৃপ্ত হয়। ৰোমন্থন তৃণভোজী পশুৰ বৃত্তি হ'লেও ৰায়চাহাবৰ যে পাশৱিকতাই স্পৰ্শ নকৰে এনে নহয় কিন্তু কোন মানুহ পশুত্বৰপৰা সম্পূৰ্ণ মুক্ত? আহাৰ, নিদ্ৰা, ভয় মৈথুন—এইবিলাক জানো পশুৰ বৃত্তিয়েই নহয়? শব্দকেইটাই ৰায়চাহাবৰ চকুৰ আগত এটা চিত্ৰৰ সৃষ্টি কৰিলে। তেওঁ পুনৰ চিন্তাত নিমগ্ন হ'ল। তেওঁৰ পূৰ্বৰ জগতখনত পুনৰ প্ৰৱেশ কৰিলে আৰু পৰমানন্দ মাটি হাকিমৰ ৰাঙ্কনি সৰ্বেশ্বৰক চকুৰ আগত দেখিবলৈ পালে। আৰু দেখিলে জমাবন্দি পাঠ কৰাৰ সময়ত জিলিকি উঠা হাকিমৰ চকুযোৰ।

আগদিনাৰ বন্দৱস্তমতে ৰবিবাৰে পুৱা নমান বজাত প্ৰভু ঈশ্বৰৰ বহাৰ প্ৰায় সমুখতে থকা আঁহত গছৰ তলত ৰাইজ সমবেত হ'ল। প্ৰভুঈশ্বৰে আসন গ্ৰহণ কৰিলে। গোবিন্দ কাননগোৱে জমাবন্দি পাঠ কৰিবলৈ আৰম্ভ কৰিলে আৰু লগে লগে টোকা লেখি যাবৰ কাৰণে কাপ-মৈলাম, কাকত আদি সমুখত থলে। কাননগোৰ মাতটো বেছ ডাঙৰ আৰু গহীন। উদাত্ত কণ্ঠেৰে তেওঁ ৰঙামাটি মৌজাৰ বৰভগীয়া গাঁৱৰ জমাবন্দি পঢ়ি গ'ল। পঢ়াৰ আগতে ৰাইজক ক'লে, "ৰাইজ, মই নামবোৰ মাতি

ৰাম, আপোনাসবে শুনি থাকিব । আৰু গাঁওবুঢ়া, তুমি ফৌত, ফেৰাৰ, যোগ্ৰহীন আদিৰ নামবিলাক ওলালেই মাত লগাবা । ফৌত লোকৰ উত্তৰাধিকাৰী থাকিলেও উল্লেখ কৰিবা ।''

বগীৰাম গাঁওবুঢ়াই শলাগিলে ।

গোবিন্দই পঢ়িলে ঃ 'মৌজা ৰঙামাটি, গাঁও বৰভগীয়া, ১ নম্বৰ ম্যাদী পট্টা । পট্টাদাৰ শ্ৰীতোমন কছাৰী, পিতা মৃত থোলোক —দাগ নম্বৰ ৫, কালি ১৵৭ লেচা, শ্ৰেণী শালিতলি, খাজনা ১ টকা, স্থানীয় কৰ ৶ অনা ।

কাননগোৱে এইদৰে পট্টাৰ পাছত পট্টা পাঠ কৰি গ'ল । গাঁওবুঢ়াই মাজে মাজে মন্তব্য দি গ'ল আৰু কাননগোৱে টুকি ললে । অৱশেষত গোবিন্দই পঢ়িলে ঃ 'বেঠইা কোছ পিতা মত ৰংমন, পট্টা নম্বৰ একচনা ৯৫, দাগ নম্বৰ ২২৫, শ্ৰেণী ''

গাঁওবুঢ়াই মাত লগালে 'প্ৰভু ঈশ্বৰ, বেঠাই অকালতে মৰিল, মাত্ৰ তিনিমাহ হৈছে । তাৰ উত্তৰাধিকাৰী বুলিবলৈ ল'ৰা-ছোৱালী কোনো নাই, একমাত্ৰ ঘৈণীয়েক আঘোণীহে আছে । কাননগো বাবু, তাইৰে নামটো তুলি দিব ।'

তেতিয়ালৈকে সৰ্বেশ্বৰ তাতে আছিল, হাকিমৰ চকুহালৰ দৃষ্টি তীব্ৰ হোৱা সি দেখিবলৈ পালে । ভাত ৰান্ধিবৰ সময় হোৱাত সি পাকঘৰ পালেগৈ ।

তাৰ পিছত বহুত সময়, অথাৎ প্ৰায় ভাত হোৱাৰ পৰলৈকে জমাবন্দি পাঠ হ'ল, তাৰপিছত ৰাইজ উঠিল । হাকিমে মনোযোগ দি গাঁওৰ চিঠা-নক্সা চাই পিছদিনা পুৱা গাওঁৰ একচনা মাটিত চেক-লাইন দিব বুলি ৰাইজক জনালে আৰু গাওৰ সেই খণ্ডটোত উপস্থিত থাকিবলৈ তাত মাটি থকা লোকসকলব আদেশ কৰিলে ।

পিছদিনা পুৱা নমান বজাত লগত পা-পাৰিষদ আৰু নগুৱা-নিকচৌ লৈ মহামান্য ইংৰাজ চৰকাৰৰ বিশিষ্ট বিষয়া পৰমানন্দ ছবডেপুটি চেকলাইন দিবলৈ প্ৰস্তুত হ'ল। ইতিমধ্যেই ৰাইজ আহি প্ৰভুৰ বাতৰ প্ৰাঙ্গণত হাজিৰ হৈছিলহি। আগত প্ৰভু ঈশ্বৰক লৈ ৰাইজসকল পিছে পিছে বাট বুলিবলৈ ধৰিলে। প্ৰভুৰ গতি ধীৰ গজহস্তীসুলভ খোজত গাম্ভীৰ্য আৰু আভিজাত্য। গোবিন্দ কাননগো আৰু বগীৰাম পাওবুঢ়াই তেৰাৰ কাষতে শৰীৰ ৰক্ষকৰ দৰে থাকি পথ প্ৰদৰ্শন কৰি গৈ থাকিল। ঠেক ধূলিৰে পোত খোৱা আলবাটটো একাবেঁকাভাৱে গাঁওখনৰ মাজেদি গৈছে। দুয়োফালে মানুহৰ ঘৰ। ঘৰবিলাক প্ৰায়ে খেৰ-বাহৰ, কাচিৎ ক'ৰবাতহে বগীটিনৰ কেঁচি-বাটাম দিয়া একোটা ঘৰ চকুত পৰে। কিন্তু বাৰীবিলাক প্ৰায় ভৰপূৰ আৰু আটোম-টোকাৰিকৈ ৰখা। প্ৰায়বিলাক বাৰীতেই তামোল পাণ, লেতেকু-পনিয়ল, শিলিখা, আম কঠাল আমলখি আদি লাগনী গছ। ঘৰৰ আগফালে শাৰী শাৰী নাৰিকল গছ। জৰিপী ভাষাত এইবিলাক ভাল বাৰী। মধ্যম বাৰী বা কেঁকলা বাৰী নাই বুলিবই পাৰি। প্ৰতি গৃহস্থৰে আগফালে ধানৰ ভঁৰাল আৰু গোহালি। ঘৰৰ জাযৰী, বোৱাৰীহঁতে তেতিয়া গৰু খীৱাই আজৰি হৈছিলহে। তেওঁলোকে পদূলিৰ আগেদি পাৰ হৈ যোৱা এই বিচিত্ৰ শোভা-যাত্ৰাটিৰ লাগি চাইছিল আৰু ইজনীয়ে সিজনীয়ে চুপতি কৰি হাঁহি-খিকিন্দালি মাৰিছিল। কোনোবা এজনীয়ে হয়তো মন্তব্য কৰিছিল, "সৌৱা ব্ৰজবাসীসকলৰ লগত কৃষ্ণ গৈছে।" "তই ৰাধিকা-জনীয়েনো বৈ আছে কিয় ? যা, দৌৰ মাৰ।" আন এজনীয়ে চুঙা চাই সোপা দিছে। 'মইনো অকলে কিয় যাম, যোৱাহেজাৰ গোপিনীৰ আগে আগেহে মোৰ স্থান, শ্যাম কানাইৰ মোহন মূৰলীৰ ধ্বনি শুনিলে আৰু বৈ থাকিব পাৰিমনে ? পিছে আজি গোপসকলৰহে দিন অ গোপিনীৰ নহয়।' এই নিচিনা কথো-পকথনৰ দুই-এষাৰ ভাহি ভাহি প্ৰভু ঈশ্বৰৰ কৰ্ণ-কুহৰত প্ৰৱেশ

কৰিছে আৰু তেৰাই ঈষৎ হাস্য কৰি গাঁওবুঢাৰ ফালে চাই কৈছে, "বগীৰাম, তহঁতৰ গাঁওখন বৰ ধুনীয়া অ'। ঘৰে, বাৰীয়ে, মানুহে সকলোটি চালে চকুৰোৱা।" আচলতে প্ৰভু ঈশ্বৰে মানুহ বুলিছে ক'ব খুজিছিল কিন্তু কথাটো অলপ বেয়া হয় যেন দেখি ঘৰ-বাৰীও তাতে যোগ কৰি দিছে। গাঁওবুঢাই গদগদভাৱে কৈছে, 'হয়, প্ৰভু ঈশ্বৰ, আমাৰ বৰভগীয়া গাঁবৰ ৰাইজৰ বৰ ভাইগ। তাতে প্ৰভু ঈশ্বৰৰ চৰণৰ পৰশ পাই গাঁওখন ধন্য হৈছে।" গাঁওবুঢাৰ উক্তিত প্ৰভু ঈশ্বৰৰ ক'লীয়া মুখখনি পোহৰ হৈ পৰিল।

প্ৰভু পৰমানন্দৰ গাৰ বৰণটি ক'লা। সেয়েহে তেৰাক কলিৰ কৃষ্ণ বুলি ৰসিকাসকলে উল্লেখ কৰিছিল। তেৰাৰ বয়স দুকুৰিমান হ'লেও দেহাৰ বান্ধ আটিল। ওখ-পাখ, সভাশুৱনী চেহেৰা। মুখখনি গোল চকুহাল সৰু সৰু চেলাউৰি ডাঠ, ওঁঠ দুটা পুৰঠ আৰু নাকটি জোঙা। চুলিবিলাক ভকতীয়া ধৰণৰ, পিছফালে ওলমি পৰি ওপৰমুৱা ভাঁজ লৈছে। ডাচি চিকুণকৈ খুৰোৱা যদিও নাকৰ তলত গোঁফৰ বাহাৰ। জুলফি দীঘল। আজিকালিৰ ল'ৰাবিলাকৰ মাজত যিটো ফেচন চলিছে সেইটোৱে আচলতে নতুনত্বৰ দাবী কৰিব নোৱাৰে। কোম্পানিৰ আমোলতে ডা-ডাঙৰীয়া, আমোলা-মহৰীসকলে এইদৰেই ডাচি-চুলি ৰাখিছিল। তাৰ প্ৰভাৱ বিংশ শতাব্দীৰ প্ৰায় দ্বিতীয় দশকলৈ আছিল। বহুতেই সেই সময়ত দীঘল ডাচি ৰাখি আনন্দ পাইছিল। তাৰ প্ৰমাণ বঙ্গত ৰবীন্দ্ৰনাথ অসমত কমলাকান্ত।

এইদৰেই দলদোপ, হেন্দোলদোপকৈ গাঁওখন অতিক্ৰম কৰি হাকিমৰ দলবল পথাৰৰ মাজৰ শিমলু গছ এজোপাৰ তলত বৈ গ'ল। এতিয়া গোবিন্দ বৰ তৎপৰ হৈ পৰিল। শিমলু গছলৈকে মাটি অলপ বাম। তাত লাহী খেতি কৰা হৈছিল, এতিয়া ধান দাই নিয়াত পথাৰৰ সেই অংশত অকল নৰাহে আছে। তাত গৰু চৰিছে আৰু সেই কাৰণে ঠাইখন প্ৰায় মুকলি হৈ পৰিছে, বোকা-পানী নাই। শিমলুৰ দক্ষিণলৈ শালিধান। এতিয়াও ভালকৈ পকা নাই। গছ আৰু ঠোকলৈ চালে ধান ভাল হৈছে বুলিব পাৰি। সেউজীয়া পাতৰ ওপৰত দোঁ খাই থকা ক'লা,

ৰঙা, তামবৰণীয় আদি নানা ৰঙৰ ধানবিলাক বতাহত দোলা খেলি দুই-তিনিমাইলমান দূৰলৈকে এখন সাগৰৰ নিচিন হৈ জিলিকি আছে।

গোবিন্দ কানুনগোৱে মাত লগালে, 'চাৱ এই শিমলুগছেই এটা চিপ, ইয়াৰপৰ সৌ পাৰৰ মাজৰ শিমলুজোপালৈ আমি লাইন মাৰিম। সেইজোপা গছৰ তলতে পোন্ধৰ নম্বৰ চিপটো আছে। এইটো সাত নম্বৰ। ইয়াৰপৰা প্ৰায় পচিশ চেইন হ'ব। হেৰ, ৰাতিয়া তই এই খুটি লহোঁটা লৈ মনবৰে শিকলিডালৰ আগত ধৰি সিজোপা শিমলুৰ ফালে টানি লৈ যা পেলনে শিহফালে থাকি প্ৰথম খুঁটিটো য'ত পৰিব তাতে শিকলিডালৰ পিছৰ আগটো ধৰি ৰাখিবি। মণ্ডলৰ ফালে চাই ক'লে, 'হলি, তুমি লগে লগে গৈ থাকা আৰু শিকলিডাল পোন কৰিবা, ফিল্ড বুকখন ময়েই লৈছোঁ। ৰাইজ, নিজ নিজ সীমা দেখুৱাই দিবাহঁক কাটানবিলাক মই নিশ পাম। হলি, শিকলিডাল জোকাৰি পৰীক্ষা কৰি লোৱা। আৰু জোখৰ চিনবিলাক লাগি আছেনে নাই চোৱা।'

এইদৰেই কলাইন মৰা আৰম্ভ হ'ল। শিকলি চলি গৈ থাকিল ৰাতিয়াই খুটি মাৰি গৈ থাকে আৰু হলি মণ্ডলে সময়-মতে খুটিটো উঘালি লয়। ৰাইজে সীমা দেখুৱাই দিয়ে আৰু কানুনগোৱে কাটানটো শিকলিৰ জোখমতে ফিল্ড বুকত তুলি লয়। প্ৰভু ঈশ্বৰে মাটিৰ শ্ৰেণী পৰীক্ষা কৰে। মাজে মাজে দুই-এটা অফছেটো লোৱা হ'ল। এইদৰে সিজোপা শিমলুলৈকে লাহী, ফৰিঙতি আদি মাটিৰ ওপৰেদি লাইন মৰা হ'ল। আলু, সৰিয়হ তিল আদি শস্য থকা মাটিৰ ওপৰেদিয়েই লাইন গ'ল আৰু কিছু শস্য নষ্ট হ'ল। অৱশেষত আনটো চিপ পাওঁতে বেলি চোকা হৈ পৰিল। দূৰত্ব হ'ল ২৫ ৪৫ শিকলি।

তেতিয়া বঙ্গীৰাম গাঁওবুঢ়াই মাত লগালে, "প্ৰভু ঈশ্বৰ, আমাৰ সমুখৰ এই ঘৰটো বেঠাইৰ। এইখিনিয়ো তাৰেই মাটি। মৃতকৰ নামতে আছে। গাৰ পেৰ তলতে আমগছ জোপাৰ ছাঁতে আমি বহোঁগৈ। তাতে বহি বাকী বিলাক কাম কৰিব পৰা হ'ব।"

প্ৰভু ঈশ্বৰ সন্মত হ'ল। বেঠাইৰ চোতালত ৰাইজ গোট খালে, চকী এখন প্ৰভু ঈশ্বৰৰ কাৰণে যোগাৰ কৰা হ'ল। লগতে টেবুল এখনো। টেবুলখনত চিঠা নক্সা, কাটা, গুণিয়া, কলমাৰি, কাঠপেঞ্চিল আদি বস্তু থোৱা হ'ল।

মৃত বেঠাইৰ ঘৰটো চাৰিচলীয়া, কেঁচি-বাটাম লগোৱা খেৰেৰে ছোৱা যদিও ঘৰটো চকুত লগা, কোঠালি তিনিটা। বাৰীখনো ভালেই আছিল, এতিয়া মানুহৰ অভাৱত হাবি-বন গজিছে। সি বাপেক-মাকৰ একেটি মাত্ৰ পো আছিল। তদুপৰি বাপেকে মাটি-বাৰীও যথেষ্ট এৰি থৈ গৈছিল। গতিকে তাৰ অৱস্থা টনকিয়ালেই আছিল। ভাল ভাল মানুহৰ ঘৰৰপৰা বিয়াৰ প্ৰস্তাৱ আহিছিল আৰু অৱশেষত বাছি বাছি সি আঘোণীক বিয়া কৰাইছিল। তাই সৰুভগীয়া গাঁৱৰ কেৰপাই বায়নৰ ছোৱালী। বাযনে বৰ আশা-ভৰসাৰে বেঠাইলৈ ছোৱালী দিছিল। কিন্তু খণ্ডেকৰ ভোজ খাওঁতা নাই আঘোণীক দলনিত পোনা মেলি বাঁৰীভাত খাবলৈ এৰি থৈ, তিনিদিনীয়া জ্বৰতে বেঠাই সিপুৰী পালেগৈ। বিয়াৰ পিছত সি মাত্ৰ চাৰি-পাঁচমাহমানহে জীয়াই আছিল। সি মৰাৰ দিনা কিযে ইনাই-বিনাই কান্দিছিল এই অভাগিনী ফুলকুমলীয়া ছোৱালীজনীয়ে। গোটেই ৰাইজেই শোকত ম্ৰিয়মান হৈ পৰিছিল। বেঠাই আছিল গাঁওখনতেই এটা জাকত জিলিকা আগৰণুৱা ডেকা। ঢোল-খোল, ভাওনা-সবাহ কাম-কাজ সকলোতে তাৰ সমান উৎসাহ আছিল, তাৰ অভাৱ পূৰ কৰিবলৈ এতিয়াও ওলোৱা নাই।

এতিয়া এই বেঠাইৰ ঘৰৰ ৰাইজ সমবেত হ'ল। মুখিয়াল-সকলক বহিবলৈ চৰা, পীৰা আদি যচা হ'ল। বাকীবিলাক থিয় হৈয়ে থাকিল। মণ্ডল-কাননগোৱে নক্সাত লাইনটো বহুৱাই জুখি চালে। জোখ হ'ল ২৫ ৩৫ শিকলি। গতিকে চৰজমিনৰ লগত প্ৰায় মিলিয়েই আছে। ইয়াৰ পিছত কাটান, অফছেট আদি পুট কৰি গ'ল আৰু বিশেষ গডমিল নোলাল।

ইয়াৰ পিছত মণ্ডলে চিঠাখন উলিয়াই আনি আগদিনাই টুকি থোৱা নামজাৰিবিলাক পাছ কৰিবলৈ হাকিমৰ ফালে আগ-বঢ়াই দিলে। হাকিমে ঘেৰ একোটা দি নামজাৰি পাছ কৰি গ'ল।

স্থলত হ'লে পট্টাদাৰৰ নামটো কাটি দিলে আৰু লগত হ'লে যোগ চিন এটা দি গ'ল। মৃত বেঠাইৰ স্থলত আঘোণী বোৱাৰ নামজাৰি হৈ গ'ল উত্তৰাধিকাৰী সূত্ৰে। তামোল-পাণৰ বটা এটা লৈ আঘোণী ওলাই আহি প্ৰভু ঈশ্বৰক প্ৰণাম কৰিলেহি। গাভৰু বিধবাজনীৰ ৰূপ দেখি হাকিমৰ পকা সেন্দুৰী আম যেন কোমল কলিজাটো হমহমাই গ'ল। তেওঁ অপলক নেত্ৰে তাইলৈ চাই থাকিল। তাই ওৰণিখন টানি ললে আৰু ৰঙা-চঙা পৰি ভিতৰলৈ সোমাই গ'ল।

দৃশ্যটো গাঁৱৰ ভালেমান লোকেই উপভোগ কৰিলে। কিন্তু কোনেও কোনো মন্তব্য নকৰি প্ৰভু ঈশ্বৰৰ লীলা খেলা চাই থাকিল। নামজাৰি পাছ কৰা হ'লত তেৰাই গাত্ৰোত্থান কৰি ধীৰে ধীৰে বাহিৰমুখী হ'ল।

কিন্তু প্ৰতিবাদ কৰা মানুহো ওলাইছিল, ৰায়চাহাবে মনে মনে ভাবিলে। হাকিমৰ লিটিকাই সবেশ্বৰৰ সুযোগ-সুবিধা চাই চেগ বুজি গাঁও ফুৰিবলৈ যাওঁতে বহুতো গোপনীয় কথা তাৰ সদা-সতৰ্ক কাণত নপৰাকৈ নাছিল। তাৰ মৰমলগা মুখখন দেখি সৰলচিতীয়া মানুহবিলাক ভোল গৈছিল আৰু গাঁৱৰ মুখিয়াল মানুহবিলাকৰ ঘৰত সি প্ৰায়ে চাহ-জলপান খাবলৈ নিমন্ত্ৰণ পাইছিল। গঞা ৰাইজৰ অন্তৰঙ্গ হৈ পৰি সি গাঁওখনৰ বাসিন্দা-বিলাকৰ সুখ-দুখ, অভাৱ-অভিযোগ আদিৰ ভু পাইছিল। খোৱা বস্তুৰ উৰ্ভৈনদী হ'লেও মানুহৰ হাতত পা পইচা কম আছিল। ঘৰে ঘৰে তাঁতৰ শাল আছিল আৰু মতা-মাইকী সকলোৱেই বিলাতী কাপোৰ নিপিন্ধি ঘৰতে বোৱা মোটা কাপোৰকে পিন্ধিছিল। প্ৰায়বিলাক মানুহেই এৰী, মুগা পুহিছিল আৰু কিছুমানে পাটৰ সূতাও কাটি লৈছিল।

গাঁওখনৰ অৱস্থাপন্ন লোক আছিল বগীৰাম গাঁওবুঢ়া। হাকিম, মৌজাদাৰ, পুলিচ আদিৰ সহকাৰী হিচাপে তেওঁৰ প্ৰতিপত্তি গাঁওখনত যথেষ্ট আছিল আৰু অ'ৰ কথা ত'ত লগায় বুলি মানুহে তেওঁক সমীহ কৰি চলিছিল। কাৰণ ৰজাঘৰীয়া মানুহৰ প্ৰতি ৰাইজৰ মনত সাধাৰণতে ভয় আৰু অবিশ্বাস দুয়োটাই বদ্ধমূল আছিল। গাঁওবুঢ়া পদটো মূলধন হিচাপে লৈ বগীৰামে নিজৰ ব্যৱসায় বহলাই নিছিল আৰু বেঁকাভাৱে মাটি-বাৰী সা-সম্পত্তি আদি ঘটি নিজৰ অৱস্থা টনকিয়াল কৰিছিল।

কিন্তু গাঁওখনত বগীৰাৰাম প্ৰতিদ্বন্দ্বী নাই বুলি ক'লে ভুল হ'ব। বেঠাইৰ দদায়েক ধনীৰামৰ ঘৰখনো প্ৰতাপী আছিল। ধনীৰামৰ সাতোটা ল'ৰা। তিনিটাই খেতি-বাতি কৰে, দুটাই ব্যৱসায় কৰে, এটাই নগৰত থাকি চাকৰি কৰে। সৰুটোৰ নাম ধৰ্মেশ্বৰ। সি ককায়েকৰ লগতে নগৰত থাকি কলেজত পঢ়ি আছে। ছবডেপুটি মফচললৈ অহাৰ সময়ত সি কিবা সকামত

ঘৰলৈ আহিছিল। সেইদিনা পুৱা বেঠাইৰ ঘৰৰ চোতালত হোৱা জৰিপী কাম্যৰ নমুনা দেখি সি খঙত জ্বলি উঠিল। কাৰণ ৰাইজৰ লগতে সিয়ো বং চাই আছিল। সি তাৰপৰা ঘৰলৈ আহিয়েই দপদপাই উঠি মাকৰ আগত ক'লে, 'আই, ক'লীয়া গোসাঁয়ে ইয়ালৈ আহি কি বৃন্দাবন লীলা দেখুৱাইছেহি শুনিছানে নাই? এই পাঁজীটোক অৰ্ধচন্দ্ৰ দি ইয়াৰপৰা খেদি দিব লাগে।"

নতুন পুৰুষ সদায়েই সাহসী আৰু নিৰ্ভীক। সকলো কালতেই ই সত্য। অন্যায় দেখিলে প্ৰতিবাদ কৰা ইয়াৰ ধৰ্ম। অৱশ্য সামাজিক সুবিধা-অসুবিধাই ইয়াৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰিত কৰে।

ধৰ্মেশ্বৰৰ খং দেখি বিষ্ণু মাকে ভয় খালে। তেওঁ পুতেকক বধ শপত দি ক'লে, "মোৰ মূৰকে খা বোপাই হাকিমক জোকাই নলবি। তেওঁৰ অপাৰ ক্ষমতা। তোৰ এইবিলাক কথা বগীৰামৰ কাণত পৰিলে সি তেতিয়াই হাকিমৰ লগাবাগ আৰু তেতিয়া দুয়ো নানা চক্ৰান্ত কৰি আমাক বিপদত পেলাব। তাতে বগীৰামে আমাক চিৰদিন হিংসা কৰি আহিছে। আমাৰ উঠি অহা ঘৰখন দেখি তাৰ চকুত টোপনি নাই। নহয় বোপাই, তই মনে মনে সহি থাক। লোকে যি কৰে কৰক।"

ধৰ্মেশ্বৰে উত্তৰ দিলে 'আই বিধবা বৌৱনীৰ সন্মান যদি কোনোবাই নষ্ট কৰে তেন্তে তোমালোকৰ নাকনো ক'ত থাকিব? সেইটো ভাব মনত খেলোৱা নাই?"

"বিধবা বৌৱেকৰ কথা মোৰ আগত নক'লেও হ'ব। মই সকলো চাই আছোঁ। স্বামীঘাতিনী তিৰী। নিনিমাহৰ ভিতৰতে গিৰিয়েকৰ মূৰ খালে। সেইহেন নিঘৃণী নিপোটল মানুহটো অকালতে মৰি গ'ল, কিহৰ কাৰণে মৰিল? তাই বেটী কুলক্ষণীয়েই তাক যমপুৰীলৈ পঠালে। বৌৱেকৰ কাৰণে মোৰ অকণো মায়া নাই তাই যি কৰে কৰক, যালৈ যায় যাওক। তাইৰ হাব-ভাববিলাকো মই ভাল দেখা নাই।"

ধৰ্মেশ্বৰে দেখিলে তৰ্ক কৰা বৃথা। বেঠাইৰ অকাল মৃত্যুৰ বাবে তাৰ ঘৈণীয়েকেই জগৰীয়া হ'ব লগা হ'ল। তাৰ এটা ধাৰণা দৃঢ় হৈ উঠিল যে তিৰোতাৰ প্ৰধান শত্ৰু তিৰোতাই। সি

মনে মনে থাকিল আৰু সেইদিনাই নগৰলৈ গুচি যাবলৈ স্থিৰ কৰিলে ।

কিন্তু মাক-পুতেকৰ এই আলোচনা চোৰাংচোৰাই বগীৰামৰ কাণ চোৰাইছিল । গতিকে ক'লীয়া গোসাঁয়েও যে গম পাইছিল তাক নক'লেও হ'ব । ক'লীয়া গোসাঁই' জাগ্ৰত গোসাঁই । শাস্ত্ৰৰ মতে কলি কালত কৃষ্ণ, কালী আৰু মনসা এই তিনিগৰাকীয়েই জাগ্ৰত দেৱ-দেৱী । পৰমানন্দই অলপ সময় চিন্তা কৰিলে আৰু অলপ পিছতে অতি উদাৰ চিত্তেৰে গোবিন্দ কাননগোক গম্ভীৰভাৱে ক'লে, "গোবিন্দ, চিকা মাৰিলে নিজৰ হাতহে গোন্ধায় । এই উতনুৱা উদ্ধত ল'ৰা এটাৰ লগত লাগিলে মানুহে হাঁহিবহে । তাতে আজি সি নগৰলৈ যাবগৈয়ে । কিন্তু তথাপিও বাপেক ধনীৰামক অলপ শিক্ষা দিয়া ভাল । পুতেক কলেজত পঢ়িলেই যে তাৰ সাতপুৰুষ উদ্ধাৰ হ'ব এনে ধাৰণা তাৰ মনৰপৰা বাহিৰ কৰাই আমাৰ কৰ্তব্য । অতএব, তুমি এটি কাম কৰা । আমাৰ বাহৰৰ লাটতে থকা জংঘলী মাটি পঁচিশ পুৰামান তাৰ নামত জমা ধৰি দিবা । বছৰে বছৰে খাজনা দিওঁতে সি হাডক মাটি কৰি তেজক পানী কৰি অৰ্জা অন্ততঃ পাঁচকুৰি টকা ৰজাঘৰলৈ যাব । যথা বিহিতং তথা কাৰ্য্যং । তুমি তুৰন্তে মোৰ আদেশ পালন কৰি এইবাৰ দৌলত তাৰ নামে খাজনা কচি দিবা । পাওক মজাটো ।"

গোবিন্দই মাত লগালে, "প্ৰভু ঈশ্বৰৰ আজ্ঞা শিৰোধাৰ্য্য । এইবাৰ দৰিয়াবাদীতে তাৰ নামত খাজনা ধৰি দিম । প্ৰভু ঈশ্বৰে চিন্তা কৰিব নেলাগে । আৰু এই বগীৰাম গাঁওবুঢ়াই আমাক যৎপৰোনাস্তি সহায় কৰিছে । তাকো একেবাৰে বঞ্চিত কৰিলে ভাল নহ'ব । বাহুকবনীয়া গাঁওবুঢ়া হিচাপে সিয়ো সোণৰ আঙঠি এটা এইবাৰ দৰবাৰত পোৱা উচিত । পিছে প্ৰভু ঈশ্বৰৰ বা ইচ্ছা কি ?"

হাকিমে ক'লে, "তাৰ এটা কাম বাকী আছে । সেই কাম সুকলমে হৈ গ'লেহে সি আঙঠি পোৱাৰ কাৰণে মই চুপাৰিছ কৰিম । আজি চিকাৰৰ আয়োজন কৰিবলৈ তাক আদেশ দিয়া হৈছে । দেখা যাওক ক'ৰ পানী ক'লৈ যায় ।"

"প্ৰভু ঈশ্বৰ নিশ্চিন্ত হৈ থাকক। চিকাৰৰ কাৰণে চাৰিটা হাতী যোগাৰ হৈ গ'ল। বঙামাটি মৌজাৰ মৌজাদাৰে দুটা দিছে, বাকী হাল মেলুৱৈ মহাজনৰ। সৌ পাহাৰটোৰ নামনিত থকা ক'লা মাটিৰ দিশে গ'লে জাকে জাকে শৰ, সুগৰি দলহৰিণ দেখিবলৈ পাব। বাছি বাছি-বগৰাব পাৰিব।' বগীৰাম গাঁওবুঢ়া হাকিমৰ কথা প্ৰায় শেষ হোৱাৰ লগে লগেই সেইখিনি পাইছিলহি।

হাকিমে ক'লে, 'তই বহুতদিন জীৱি অ' গাওঁবুঢ়া। নাম লওঁতেই পালিহি।"

"হয় প্ৰভু ঈশ্বৰ, আপোনাৰ আশীৰ্বাদতেই এই বগীৰাম আজি তিনিকুৰি বছৰতো ডেকাটো যেন হৈ আছে। বাকী থকা দিন কেইটাও যেন আপোনাৰ শ্ৰীচৰণৰ দাস হৈয়েই কটাই দিব পাৰোঁ ইমানেহে দাসৰ কামনা।" বগীৰামে গদগদভাৱে উত্তৰ দিলে।

প্ৰভু ঈশ্বৰ প্ৰসন্ন হ'ল। তেৰাই ঈষৎ হাস্য কৰি আপোন-ভোলা কল্পতৰু মহাদেৱৰদৰে কঠিন তপস্যাৰত সাধকক বৰ দান কৰাৰ ভঙ্গীৰে ক'লে, 'বগীৰাম তই কামৰ মানুহ। মোৰ ইচ্ছামতে যদি সকলো কাম সুকলমে হৈ যায় তেন্তে তই চৰকাৰৰপৰা সোণৰ আঙঠি পাবি গাঁওবুঢ়া কুলৰ চূড়ামণি হবি।" তাৰ পিছত তেওঁ কাননগো'ক আদি কৰি লগত থকা লোককেইজনক বিদায় দি বগীৰামৰ লগত গোপন কৰিবা আলোচনা কৰিলে।

আলোচনাৰ অন্তত বগীৰামে ক'লে প্ৰভুৱে কানো চিন্তা কৰিব নেলাগে। কৰ্তাৰ ইচ্ছাতেই কৰ্ম হয়। এই বগীৰামে যদি তাকেই কৰিব নোৱাৰোঁ তেনেহ'লে মই জীয়াইনো আছোঁ কিয়? গাঁওবুঢ়াৰ পদটোনো মোক লাগিছে কিয়?"

ইয়াকে কৈ গাওঁবুঢ়া ওলাই গ'ল। তাৰ ওঁঠত এটা ধূৰ্ত হাঁহি বিৰিঙি উঠি পুনৰ মাৰ যাবলৈ কেইচেকেণ্ডমান মাত্ৰ লাগিছিল। কিন্তু সেই হাঁহি আনৰ চকুত নপৰিলেও সৱেশ্বৰৰ শেন চকুৰপৰা সাৰি যাবপৰা নাছিল।

বগীৰাম ওলাই যোৱাৰ পিছতে সৱেশ্বৰ হাকিমৰ কোঠালী-টোলৈ সোমাই আহিল। অতি নিৰীহভাৱে সি প্ৰাৰ্থনা কৰি ক'লে,

"প্ৰভু ঈশ্বৰ, চিকাৰলৈ মোকো লৈ যাব। কিবা বিপদ-আপদ (ভগৱন্তই নকৰক) হয়তো ঘটিব পাৰে। মই প্ৰভুৰ নিচেই কাষতে থাকি সেই বিপদ মূৰত পাতি লম।'

পৰমানন্দই বিৰক্ত'হৈ এইবাৰ পুৰাপুৰি হাকিমী মেজাজেৰে ক'লে, ' নেলাগে, তই যাব নেলাগে। তই বাহিৰতে থাকিবি। মোৰ বিপদ-আপদৰ কথা ভাবি তই মূৰ ঘমাবৰ দৰকাৰ নাই। তোক মোৰ লগত যাবলৈ আয়েৰে বধ শপত দি কৈ পঠিয়াইছে হ'বপায়।"

আহতভাৱে সৰেশ্বৰে ক'লে, ' প্ৰভুঈশ্বৰ যাতে নিৰাপদে থাকে সেইটো মোৰো ভাৱনা। কাৰণ মই আপোনাৰ সেৱক। আপোনাৰ লোণ খাইছোঁ যেতিয়া, আপোনাক যাতে বিপদ-আপদে ছুব নোৱাৰে সেই বিষয়ে তৎপৰ হোৱা মোৰো কৰ্তব্যৰ ভিতৰতে পৰে। সেই কাৰণেই মই আপোনাৰ লগত চিকাৰলৈ যাব খুজিছোঁ।

এইবাৰ হাকিমৰ খং উঠিল। "হেৰ কটা খাবলৈ নোপোৱাৰ ল'ৰা। তই দেখোন বৰ বৰ কথা ক'বলৈ শিকিছ। তই এই চাকৰিত নেথাকি উকীল, মুন্সিফ হ'বগৈয়ে পাৰ দেখোন। শুন সৰ্বেশ্বৰ, মই কৈছো তই মোৰ লগত চিকাৰলৈ যাব নেলাগে। মুখেৰে নেমাতিবি। মোৰ বিপদ-আপদৰ কথা এতিয়া ভাবিব নেলাগে। লাগিলে ভৱিষ্যতে যিমান ভাব ভাবি থাকিবি।"

বিধাতা পুৰুষে তেতিয়া বোধহয় হাঁহিছিল। কাৰণ অদূৰ ভৱিষ্যতে সৰেশ্বৰে সেই সুযোগ পাইছিল।

ৰায়চাহাব সৰ্বেশ্বৰ চৌধুৰীয়ে ভাবিছিল। তেওঁ সেইদিনা হাকিমনীৰ আদেশ পালন কৰিব নোৱাৰিলে। তেওঁৰ ওচৰত ৰায়চাহাব চিৰদিনৰ কাৰণে জগৰীয়া হৈ থাকিল।

কিন্তু সেইদিনা সামান্য অস্থায়ী পিয়ন সৰ্বেশ্বৰৰ আন উপায় নাছিল। হাকিমৰ আদেশ উলংঘা কৰা তাৰ সাধ্যাতীত আছিল। সেইদিনা গধূলি চাৰিটা হাতীৰ শোভাযাত্ৰা মহা আড়ম্বৰেৰে পৰিচালনা কৰা ৰায়বাহাদুৰ পৰমানন্দৰ চিকাৰ যাত্ৰাৰ সি আছিল অসহায় দৰ্শক। বন্দুক, ৰাইফল, বুলেট, এল-জি চেৰাগুলী আদিৰে চিকাৰী কেইজন, মানে পৰমানন্দ ছবডেপুটি ৰঙামাটিৰ মৌজাদাৰ মোজৰী গোলাম হুছেইন আৰু গোবিন্দ কাননগো তিনিটা হাতীত আৰোহণ কৰিছিল। পিছৰ হাতীটোত আছিল হৰি মণ্ডল আৰু বগীৰাম গাওঁবুঢ়া। চিকাৰী তিনিজনৰ লগত তিনিটা অভিজ্ঞ টহু দেখুওৱা মানুহ গৈছিল। অলপ পিছতে হাতী কেইটা হাবিৰ মাজত সোমাই অদৃশ হৈ পৰিল।

সৰ্বেশ্বৰ বহুত সময় চিন্তাত বিভোৰ হৈ থাকিল। হাকিমনীৰ ছবিটো বাৰে বাৰে তাৰ চকুৰ আগত ভাঁহি উঠিছিল। মণ্ডল কাননগোৰপৰা সি শুনিছিল যে হাকিম এবাৰ মফচললৈ ওলাই আহিলে অন্ততঃ এমাহৰকমে উভতি নেযায়। এই এমাহ সময় হাকিমনীৰ কাৰণে নেযায়, নুপুৱায়। বিপদৰ সময়ত হাকিমনীৰ চকু সজল হৈ উঠাৰ কাৰণ যেন সি অলপ বুজিব পাৰিলে। কিন্তু তেতিয়াও তাৰ বুজিবলৈ বহুত বাকী আছিল।

পৰমানন্দ হাকিমে দেখাদেখিকৈয়ে ঘোচ খায়, ভাবভেটি লয়, সময়ে সময়ে মদ্যপানো কৰে। তেওঁৰ চৰিত্ৰৰ এটা দিশ তেতিয়াও সৰ্বেশ্বৰৰ অজ্ঞাত আছিল। তাৰ মাত্ৰ অলপ সন্দেহহে হৈছিল। কিন্তু সেই সন্দেহ নিতান্ত ভিত্তিহীন বুলি সি নিজকে প্ৰবোধ দিছিল। সিতো সৰু ল'ৰা, পৃথিৱীখন কিমানখিনি বা দেখিছে? মানুহৰ চৰিত্ৰ কিমানেই বা অধ্যয়ন কৰিব পাৰিছে? তথাপি তাৰ মনত এটা খেদ থাকি গ'ল, হাকিমৰ লগত

চিকাৰলৈ যাব নোৱাৰা বাবে ।

হাকিমনীৰ আগতনো বাৰু সি কি বুলি ক'বণে ? সেই মৰমীয়াল মানুহগৰাকী, যি নিচলা ল'ৰাটোক অকণমান চেনেহ কৰিছিল জাৰত কঁপি থকা দেখি আহিবৰ সময়ত অভাৱনীয়ভাৱে তাক এখন কাপোৰখন দিছিল । তাৰ মৰম আকলুৱা মনটোৱে আৰ্তনাদ কৰিবলৈ ধৰিলে গভীৰ দুখত আশাভংগৰ দুখত, কৰ্তব্য পালন কৰিব নোৱাৰাৰ দুখত । আন্ধাৰৰ মাজতেই সি অসহায়ভাৱে গুমৰি উঠিল ।

আৰু আন্ধাৰৰ মাজেদিয়েই চোৰৰ দৰে চিকাৰৰপৰা একেবাৰে উভতি আহিছিল পৰমানন্দ গোস্বামী । তেতিয়া গভীৰ ৰাতি । কৃষ্ণা-নৱমীৰ ক্ষীণমান জোনটি তেতিয়াও ওলোৱা নাছিল । হাকিমে নিঃশব্দে হাতীৰপৰা নামি পোনে পোনে নিজৰ কোঠালীটোৰ দুৱাৰখন খুলি যি সোমাল আৰু ওলাই নাহিল । সাধুগুৰুৰ তেতিয়াও টোপনি ধৰা নাছিল । সি উঠি আহিছিল হাকিমৰ কিবা প্ৰয়োজন হব পাৰে বুলি । তেওঁৰ কাৰণে ৰন্ধা ভাত ৰন্ধাতে থাকিল । অতি সংক্ষিপ্তভাৱে তেওঁ ভিতৰৰপৰাই সংবেশ্বৰক একো নেলাগে বুলি মাত এষাৰ লগাই শুই থাকিল । হাতীটো তেতিয়া লাহে লাহে আঁতৰি গৈছিল । কিন্তু সেই আন্ধাৰৰ মাজতো হাতীৰ পিঠিত থকা এটা মানুহক সবেশ্বৰে চিনিব পাৰিলে । বগীৰাম গাওঁবুঢ়া !

এই বগীৰাম গাঁওবুঢ়াই শনিগ্ৰহৰ দৰে পৰমানন্দক এবাৰ যি লম্ভিছিল, চূড়ান্ত সৰ্বনাশ নোহোৱা পৰ্য্যন্ত ত্যাগ কৰা নাছিল । বহুদিন পাৰ হৈ গ'ল । এতিয়া হাকিম নাই, হাকিমনী নাই, বগীৰামো নাই । কিন্তু সেই বিপৰ্য্যয়ৰ স্মৃতি ৰায়চাহাবৰ মনত সজীৱ হৈ আছে ।

ৰায়চাহাবে এটা হুমুনিয়াহ পেলালে । সেই সুন্দৰ দিনটোতো তেওঁৰ মনটো বিষাদেৰে পৰিপূৰ্ণ হৈছিল । তেওঁ বিছনাৰপৰা উঠি আহিল । মনৰ অশুভ চিন্তাবোৰ জাৰি-জোকাৰি তেওঁ চ'ৰাত বহিল আৰু অৱনীক মাতি পঠালে ।

অৱনী আহিল অলপ চুচুক-চামাককৈ । সি অলপ লাজ পাইছিল, তাতে কাঞ্চীৰ লগত ঘটি যোৱা ঘটনাটোৰ কাৰণে

সি চিন্তিত হৈ পৰিছিল। তলমূৰ কৰি সি পিতাকৰ কাষত থিয় হৈ থাকিল। ৰায়চাহাবে তালৈ চালে। সুদৰ্শন, দীঘকায়, ব্যক্তিত্বমণ্ডিত চেহেৰা। ক্ষীণ, কিন্তু পেশীবহুল, শক্তিশালী, কিন্তু লাহী শৰীৰ। বহল কপাল সুদীঘ নাক, বৈ পৰা চেলাউৰি, বহল চকু। আগদিনাৰ অত্যাচাৰৰ কাৰণে চকুৰ কোণ ক'লা পৰিছে। ৰায়চাহাবে লক্ষ্য কৰিলে। তেওঁ মাত লগালে ঃ

"তই কালি চিকাৰলৈ ঘোঁৰাৰ আগতে মোক কৈ যাব লাগিছিল। অৱশ্যে মাৰৰ আগত কৈছ, সেই কাৰণে মই বেয়া পোৱা নাই। কিন্তু ঘনাই ঘনাই চিকাৰলৈ যোৱা উচিত নহয়। চিকাৰত কষ্ট হয়, টোপনিৰ ব্যাঘাত হয়, তদুপৰি বিপদ-আপদ আছেই। তই ডনা-বুজা ল'ৰা, মই তোক উপদেশ দিয়াৰ প্ৰয়োজন নাই। কিন্তু মই স সাৰত বহুত দেখিছোঁ বহুত শুনিছোঁ তই ফুকলীয়া ল'ৰা। সেই কাৰণেই কওঁ আগৰ খোজ চাইহে পিছৰ খোজ দিবি। মই কালিলৈ পুৱাই নগৰলৈ যাম। ডেপুটি কমিছনাৰৰ লগত কথা আছে। দুই-তিনিদিনমান থাকিব লাগিব। এইকেইদিন তই ঘৰতে থাকিবি অৱশ্যে এটা কাম কৰিব পাৰ। ৰাইফলটোৰে গুলী মৰা অভ্যাস কৰি থাকিবি। হাতটো পোন হ'ব লাগে। আৰু শুন, ৰায়চাহাবৰ ঘৰৰ সন্মান যাতে অটুট থাকে তাৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিবি। মান যোৱাতকৈ প্ৰাণ যোৱাই ভাল। বাৰু এতিয়া তই যা, চিবাই-শতাই যামগৈ।

ৰায়চাহাবৰ ষষ্ঠ ইন্দ্ৰিয়টো যেন সজাগ হৈ পৰিছিল। হাবিমৰ চিকাৰৰ লগত অৱনীৰ চিকাৰৰ যেন কিবা এটা সামঞ্জস্য আছে। তেওঁৰ হাঁহি উঠি গ'ল। কি আপদীয়া কথাবোৰ তেওঁ চিন্তা কৰি আছে। এই নোহোৱা-নোপোজা ভাববোৰ তেওঁৰ মনলৈ আহিছে কিয়? অৱনী শিক্ষিত মাৰ্জিত বুদ্ধিমান। বহুত বিষয়ত সি ৰায়চাহাবতকৈ উদাৰ। তেনে এটা সোণৰ পুতলা যেন ল'ৰাক তেওঁ সন্দেহ কৰিছে কিয়? তাৰ চকুৰ কোণৰ ক'লাৰ'ণ বাৰু তেওঁক কিহৰ সম্ভেদ দিছে? নাই, নাই, এইবিলাক কথা আৰু ভবা উচিত নহয়।

অৱনীয়েও বহুত ভাবিছিল, অলপ আতঙ্কিতো হৈছিল। কিন্তু পিতাকৰ কথা শুনি আশ্বস্ত হৈ সি মাকৰ ওচৰ পাই

অলপ ৰং-তামাচা কৰাৰ লোভ সামৰিব নোৱাৰিলে। মা'ক তেতিয়া যঁতৰত সূতা কাটি আছিল। শুকুলা কপাহৰ পাঁজি সেৰাৰপৰা মিহি মিহি সূতা ওলাই সূতলাহীটো গাভিনী হৈ পৰিছিল। মাকে বাওঁহাতেৰে যঁতৰটো ঘূৰাইছিল আৰু সোঁহাতৰ জোঙা জোঙা আঙুলি কেইটা পাঁজিৰ সেৰাটোৰ সৈতে এবাৰ ওপৰলৈ গৈছিল, এবাৰ তললৈ নামিছিল। সেৰাটোৰ অৱয়ব ক্ৰমাৎ টুটি গৈছিল আৰু তাৰ গাৰপৰা অবিৰামভাৱে সৰু সৰু সূতাবোৰ ওলাই সূতলাহীত পাক খাইছিল।

অৱনীয়ে মুগ্ধভাৱে দৃশ্যটো চাই আছিল। হঠাত সূতাডাল ছিগি গ'ল। ছন্দপতন হোৱাত মা'ক মূৰ তুলি চাই তাক দেখা পালে।

অৱনীয়ে হাঁহি মাৰি ক'লে, 'আই ইমান সময় তোমাকে চাই আছিলোঁ। তোমাৰ আঙুলিকেইটা পাঁজিৰ সেৰাটোৰ লগত অবিকল মিলি গৈছে। তোমাৰ এই শিপিনী চেহেৰাটো মোৰ ভাল লাগে।''

মাকে কিন্তু সহাৰি নিদিলে। তেওঁ অলপ পোন্দোৱাকৈ পুতেকৰ ফালে চাই ক'লে ''অৱন তই ইমান কথা-বাত নুশুনা কিয় হলি বাৰু? কালি আবেলিয়েই চিবাৰলৈ গলি অথচ কাকো কথা এষাৰকে কৈ যোৱা নাই। দেউতাৰে যে কিমান দুখ পাইছে? তেখেতৰ কাৰণে ময়েই এষাৰ মিছা কথা মাতিবলগীয়া হ'ল।'

অৱনীয়ে গহীনাই মাত লগালে 'আই, তুমি যে মোৰ কাৰণে সেইকণ কৰিবা মই জানোৱেই। কালি কাকো মাত লগাই নোযোৱাত ময়ো বৰ দুখ পাইছোঁ। এইবাৰৰপৰা ক'ৰ-বালৈ গ'লে তোমালোকক নোসোধাকৈ কেতিয়াও নেযাওঁ। এই-বাৰলৈ অন্ততঃ মোক ক্ষমা কৰা।''

মাকৰ কোমল জন্তৰখন তেনেই গলি গ'ল। ঘৰখনত একেটা মাথোন ল'ৰা, তাৰ ওপৰত কিমান আশা-ভৰসা। সি বংশৰ নাম উজ্জ্বল কৰি ডাঙৰ মানুহ হ'ব। ঘৰখনলৈ বোৱাৰী এজনী আহিব। নাতি-পুতিয়ে কিৰিলি পাৰি ককাক-আইতাকৰ বুঢ়া কলিজাত জীয়া পৰশ দিব, এইবিলাক ৰায়চাহাবনীয়ে কল্পনা কৰি কিমান আনন্দ পাইছে! হাবিৰ মাজৰ সপফুল শিক-

মন্দিৰটোলৈ গৈ কতদিন অৱনীৰ মঙ্গল কামনা কৰি শিৱলিঙ্গৰ ওপৰত পাখীৰ ঢালিছে বেলপাত, চন্দন নিবেদন কৰিছে আৰু ঘিউ চাকি জ্বলাইছে। আৰু অৱনীয়েওতো ইমানদিন তেওঁলোকৰ আশাত চেঁচা পানী ঢলা নাই। ভগৱন্তৰ কৃপাত সি সুখ্যাতিৰে পৰীক্ষা পাছ কৰি গৈছে। হীৰাৰ টুকুৰা যেন ল'ৰা সি। অকল পঢ়া-শুনাতেইহে বোলে সি চোকা তেনে নহয়। সকলো কামতে সি সদায় আগৰণুৱা। খেলা-ধূলাত পাকৈত। হাতৰ টিপ অব্যৰ্থ। তাৰ নিচিনা ৰূপে-গুণে অতুলনীয় ল'ৰা এটালৈ কেইজনী মাকে গৌৰব কৰিব পাৰে? ভগৱন্ত প্ৰভুৱে তাক দীঘজীৱী কৰি কুশলে ৰাখক।

মাকে বেৰত থকা শ্ৰীকৃষ্ণৰ ছবিখনলৈ চাই হাতযোৰ কৰি নমস্কাৰ জনালে। তেওঁৰ চকু চলচলীয়া হৈছিল। তেওঁ পুতেকৰ ফালে চাই ক'লে, "তোৰ কথা শুনি মোৰ মনটো পাতল লাগিল সোণ। দেউতাৰৰ অন্তৰত আঘাত নিদিবি। দেউতাৰে তোৰ কাৰণে বহুত কিবাকিবি ভাবি থৈছে। বয়সৰ বানপানীত নিজকে উটুৱাই নিদিবি। তোৰ মুখখন বৰ শুকান শুকান দেখিছোঁ। পাখীৰ এগিলাচকে খা।'

মাকে পাখীৰ খাবলৈ ক'লে অৱনীয়ে সদায় আপত্তি কৰে। কিন্তু আজি নকৰিলে। মাকৰ মনটো ভাল লগাবৰ কাৰণে সি ক'লে দিব খুজিছা যদি দিয়া আৰু, মোৰ পিছে পাখীৰ পি খালে নিজকে বৰ সৰু ল'ৰা, সৰু ল'ৰা যেন লাগে।"

'কিমাননো ডাঙৰটো হৈছ অ'। মোৰ মনত তই সদায়েই সৰু ল'ৰা মোৰ বোপাই।" মাকে থিয় হৈ অৱনীক চুমা এটা খাই মূৰৰ চুলি কেইডাল শুঙিলে আৰু মূৰৰ চুলিৰ সমান আয়ুস হ'বলৈ তাক আশীৰ্বাদ দিলে।

মাকে আগবঢ়াই দিয়া পাখীৰ গিলাচ কোঁট কোঁটকৈ পি খাই অৱনী ওলাই গ'ল। মাক-বাপেকৰ মন এতিয়া ক্ষৰকাল হ'ল; তাক আৰু কোনে পায়? সি পখিলীৰ ওচৰলৈ গৈ তাইক আদৰ কৰিলে ফটিক কান্দীৰ লগত চুপতি মাৰিলে আৰু হাতত বন্দুকটো লৈ চাত সপান কৰিবলৈ ঢাৰিতলীয়া বাটটোৰেদি যাবলৈ ধৰিলে।

ইতিমধ্যে ৰায়চাহাবৰ হুকুম মতে সংৰামে ভগীৰথ শৰ্মা জ্যোতিষ বাচস্পতিক মাতি আনিছিল। ভগীৰথ ৰায়চাহাবৰ খুলশালিয়েক। আচল ঘৰ নলবাৰীত। তেওঁৰ বাপেক-মাক মৰাত ৰায়চাহাবে নিজৰ ঘৰৰ ওচৰতে মাটি ভেটি দি বহুৱাইছে। ভগীৰথে সংস্কৃত টোলত শিক্ষালাভ কৰিছিল আৰু মাক-বাপেকৰ মৃত্যু হোৱাত অঘৰীৰ দৰে অনাই-বনাই ঘূৰি ফুৰিছিল। পৈতৃক সম্পত্তি বুলি এবিঘা মাটি আৰু খেৰী-ঘৰ দুটাৰ বাহিৰে তেওঁ একোকে পোৱা নাছিল। ঘৰ দুটাও ভাগি-ছিগি গ'ল আৰু জ্যোতিষ বাচস্পতি একেবাৰে নিঠৰুৱা হৈ পৰিল। বায়েকে মাতি পঠিওৱাত তেওঁ আহি কিছুদিন ৰায়চাহাবৰ লগতে থাকিল। এনেতে ৰায়চাহাবৰ বদান্যতাত জুবিলী স্কুল স্থাপিত হ'ল আৰু তেওঁৰ চুপাৰিছ ক্ৰমে ভগীৰথে পণ্ডিতৰ কামটো পালে। ৰায়চাহাবে তেওঁৰ বিয়াখনো পাতি দি বেলগাই ঘৰ-দুৱাৰ সজাই দিলে। ৰায়চাহাবৰ নিদেশমতে তেও স্কুলখনক ৰায়চাহাবৰ স্কুল বুলি প্ৰচাৰ কৰি দিলে। লাহে লাহে 'জুবিলী' নামটো তল পৰিল আৰু স্কুলখন ৰায়চাহাবৰ স্কুল বুলিহে জনাজাত হ'ল। ৰায়চাহাবৰ বিচক্ষণতাত চাউলো সিজিল, মিতিৰো ৰ'ল। এতিয়া ভগীৰথে স্কুলৰ শিক্ষকতা কৰি মাহে বাৰ টকা দৰমহা পায় তদুপৰি যাজনিক বৃত্তি আৰু সোঁৱৰণা আদি চোৱা প্ৰস্তুত কৰা আদি কামতো কিছু আছে। গতিকে তেওঁক এতিয়া আৰু ৰায়চাহাবে পুহিব নেলাগে। নিজৰ চাউল কঠা নিজে মোক-লাব পাৰি ভগীৰথে স্বাধীনতাৰ সোৱাদ পাইছে। কাৰণ ভিনিহিয়েকৰ ওচৰত হাত পাতিবলৈ সিও অলপ লজ পায়। তাৰ উপাজনেৰে এহাল মানুহৰ ভালকৈয়ে চলি যায়।

ৰায়চাহাবৰ আহ্বানত ভগীৰথ উপস্থিত হ'ল। ৰায়চাহাবে জ্যোতিষ বৰ বিশ্বাস কৰে আৰু নবগ্ৰহক প্ৰায়ে পূজা-পাতল দি থাকে। পূজা-সেৱাবিলাক অৱশে ভগীৰথেই কৰে আৰু তাৰপৰা তেওঁৰ লাভো যথেষ্ট হয়। ভিনিহিয়েকে কিহৰ কাৰণে মাতিছে বুজি পাই তেওঁ পুথি-পাঁজি লৈ হাজিৰ হ'লহি।

শ্যালকৰ দৰ্শন পাই সৰ্বেশ্বৰ চৌধুৰীয়ে তেওঁক কাষতে বহুৱাই লৈ অৱনীৰ সোঁৱৰণীখন চাবলৈ দিলে। ভগীৰথে সোঁৱৰণী-খন আগতেও বহুবাৰ পৰীক্ষা কৰিছে। গ্ৰহতৰাৰ অৱস্থিতিবিলাক

তেওঁৰ মুখস্থ হৈ গৈছে । তথাপি চক্ৰটোত চকু ফুৰাই তেওঁ ক'লে, "ভিনদেউ, অৱনীৰ সোঁৱৰণীখননো আৰু কি চাম ? তাৰ বুধ তুঙ্গী । বৃশ্চিকত একাদশস্থ কেতুৱে তাৰ অপকাৰ কৰা নাই । ভাল ফলেই দি আছে । কেতুৰ দশা এতিয়া প্ৰায় শেষ হৈছে । পঞ্চম আৰু দশমপতি শুক্ৰ দশম স্থানতে নিজ ক্ষেত্ৰত আৰু মূল ত্ৰিকোণত আছে । এই মাহৰপৰাই তাৰ শুক্ৰৰ মহাদশা আৰম্ভ হৈছে । কুৰি বছৰ কাল তাৰ কোনো চিন্তা নাই । তাৰ অতি শুভদিন আহিছে । সোনকালেই ভাল চাকৰি এটাৰো যোগ আছে । অৱশ্যে মঙ্গল আৰু ৰবি নীচস্থ হৈছে আৰু শনি অষ্টমস্থ । চন্দ্ৰ নীচস্থ যদিও বৃষ ৰাশিৰপৰা বৃহস্পতিয়ে পূৰ্ণ দৃষ্টি কৰাত নীচ ভঙ্গ হৈ জীৱযোগ হৈছে । লগ্নপতি হিচাপে শনিয়ে বিশেষ অপকাৰ কৰিব নেলাগে । কিন্তু মঙ্গলে অলপ কষ্ট দিব পাৰে । তথাপি চিন্তাৰ কোনো কাৰণ বিচাৰি পোৱা নাই । সিচ - ঃহশান্তি এভাগ পাতিলে সকলো বাধা-বিঘিনি আঁতৰি যাব । ৰবিৰ দশাত কষ্ট আছে । কিন্তু তালৈ এতিয়াও কুৰি বছৰ বাকী ।'

ৰায়চাহাবে এইবিলাক কথা জ্যোতিষ বাচস্পতিৰ মুখত বহুবাৰ শুনিছে । আজিও শুনিলে আৰু পুনৰ আনন্দ কৰিলে । পিছদিনাৰ যাত্ৰাটো চাই দিবলৈ কোৱাত ভগীৰথে যাত্ৰাৰ মাহেন্দ্ৰ ক্ষণটোও গণনা কৰি দিলে আৰু তেওঁৰ যাত্ৰা সফল হ'ব বুলি ভৱিষ্যৎবাণী কৰিলে । ৰায়চাহাব অতিশয় সন্তুষ্ট হ'ল আৰু ভগীৰথক বায়েকৰ ওচৰলৈ পঠিয়াই দিলে ।

ৰায়চাহাবৰ নিজৰ সোঁৱৰণীখন ঘৰতেই এৰি থৈ আহিল । ঘৰৰপৰা এবাৰ যি ওলাল, তাৰপৰা তেওঁ আৰু উভতি যোৱা নাই । সোঁৱৰণীখন কিজানি হেৰাল । নহ'লে ভগীৰথৰ হতুৱাই চোৱালেহেঁতেন । কিন্তু বিশ্বাস থাকিলেও ৰায়চাহাব ভাগ্যৰ ওপৰত নিৰ্ভৰশীল নহয় । তেওঁ আত্মবিশ্বাসী, কৰ্মীপুৰুষ । পুৰুষকাৰৰ বলতে তেওঁ নিজৰ ভাগ্য নিজে জয় কৰিছে বুলিও তেওঁ মাজে সময়ে ভাবে । অৱশ্যে দৈৱ যে অনুকূল সেই বিষয়ে তেওঁৰ কোনো সন্দেহ নাই । দৈৱই তেওঁক পৰমানন্দ ছবডেপুটিৰ লগুৱা কৰি দিছিল বুলিয়েই আজি তেওঁ ৰায়চাহাব হৈ নিজক ডাঙৰ মানুহ বোলাব পাৰিছে । অতীতৰ ঘটনাবিলাক পুনৰ তেওঁৰ মনত জুমুৰি দি ধৰিলে ।

সেইদিনা দুপৰ নিশা চিকাৰৰপৰা উভতি আহি পৰমানন্দ ছুবডেপুটি নাখাই-নবৈ মনে মনে নিজৰ বাহৰত সোমাই শুই থকাত সবেশ্বৰৰ মনটো কেনেবা কেনেবা লাগিল। হাকিমৰ কিবা অসুখ-বিসুখ হৈছে বুলি প্ৰথমে তাৰ সন্দেহ হৈছিল। কিন্তু পিছদিনা প্ৰভু ঈশ্বৰে সুস্থভাৱে প্ৰাতঃকৃত্য সমাপন কৰাত তাৰ সেই সন্দেহৰ নিৰসন হ'ল। ৰাতি নৌ-পুৱাওঁতেই বাকীকেইটা হাতীও চিকাৰী কেইজনৰ সৈতে আহি পালেহি। চাৰি-পাঁচটামান পহুৱে প্ৰাণ আহুতি দিলে। পুৱাৰ লগে লগে মানুহ-দুনুহ গোটখাই পহু-কেইটা কুটি-বাছি ভাগ লগালে। ৰঙামাটিৰ মৌজাদাৰে মাৰি অনা পহুটো গোটে-পাতে তেওঁকেই দিয়া হ'ল।

মৌজাদাৰ হুছেইন চাহাবৰ লগত হাকিম চাহাবৰ নিভৃতে সাক্ষাৎ হ'ল, গুপুতে কিবাকিবি আলোচনা হ'ল। তাৰ পিছত দুয়ো আহি ৰাইজক দৰ্শন দিলে। মৌজাদাৰৰ ঘৰত বাকী পৰি থকা খাজনাখিনি সোনকালে আদায় কৰি দিবলৈ হাকিমে ৰাইজক নিৰ্দেশ দিলে। পহু মাংসৰ সৰু সৰু টোপোলা একাটি জগত লৈ প্ৰজাসকল নিজ নিজ ঘৰলৈ উভতি গ'ল।

ইয়াৰ পিছতে হাকিম সাতদিনমান সেই বাহৰতে থাকিল আৰু তিনিদিনমান চিকাৰলৈ গ'ল। সবেশ্বৰে এটা কথা লক্ষ্য কৰিলে যে প্ৰত্যেকবাৰেই পৰমানন্দ আনতকৈ আগতে চিকাৰৰ-পৰা উভতি আহিছিল।

অৱশেষত এদিন সেই বাহৰ ভাঙি ছুবডেপুটি হাকিম তাৰ পৰা গুচি গ'ল। পুনৰ আন আন গাঁৱত বাহৰ পতা হ'ল। এইদৰে তিনি-চাৰিটামান বাহৰত ৰাজভোগ খাই প্ৰায় দুমাহৰ পিছত প্ৰভু ঈশ্বৰে নিজৰ কৰ্মস্থানলৈ প্ৰত্যাবৰ্তন কৰিলে। অৱশ্যে ঘূৰি আহোঁতে ৰেলৱে ষ্টেচনলৈ আহিবলৈ আগৰ দুখন গৰুৰগাড়ীৰ ঠাইত ছখনৰ প্ৰয়োজন হৈছিল। কাৰণটো অতি স্পষ্ট। ভাৰ-ভেটিৰ পৰিমাণ ইমান বেছি হৈছিল যে সেইবিলাক পাঁচখন গৰুৰ গাড়ীত লাদিব লগা হৈছিল।

হাকিমৰ নিজৰ গাড়ীখনত বিশেষ বয়বস্তু একো নাছিল। তেওঁ আৰাম কৰি শুই আছিছিল। তেওঁৰ বিছনাখনৰ ভিতৰত একমাত্ৰ গাৰুটোহে বেচি বহুতে ঈমাৰ চকুৰে চাইছিল। যাচলতে গাৰুটোৰ ভিতৰত কোনো কপাহ বা তুলা একেবাৰেই নাছিল। তাৰ ভিতৰত কি আছিল নিন্দুকসকলে যিহকে মন যায় তাকে কওক। প্ৰভু ঈশ্বৰে কোমল গাৰুও সুৰ ধৰিলে বোলে বজা পায়। সেইকাৰণে কিবাকিবি কঠিন পদাৰ্থৰে তাৰ ভিতৰখন ভৰি আছিল আৰু গৰুৰগাড়ীৰ জোকাৰণিত গাৰুটি জনজনাই উঠিছিল বাবে গাৰোৱানে হেনো মাজে-সময়ে গৰু খেদাবলৈ পাহৰি বাঁহীৰ সুৰ শুনি মন্ত্ৰ-মুগ্ধ হোৱা সাপৰ দৰে গাৰু-বাদ্য শ্ৰবণ কৰি নিজকে ধন্য মানিছিল। অৱশ্যে এইবাৰ এটা শব্দ নাছিল সেইটো হৈছে হাকিমৰ নাসিকা গৰ্জন।

হাকিমৰ লগত দুমাহ ভ্ৰমণ কৰি সৰ্বেশ্বৰেও পাৰ্থিৱ সম্পদৰ কিছু ভাগ পাইছিল। প্ৰভু ঈশ্বৰৰ মক্কেলবিলাকে গোবিন্দ কাননগো আৰু হলি মণ্ডলৰ লগত চৰ্বো অল্প-অচৰপ দান-দক্ষিণা কৰিছিল আৰু ফলত তাৰ ককালত বান্ধি থোৱা ধুনপাবটিও ধুৰ হৈ পৰিছিল। কিন্তু তাৰ আচল লাভ হ'ল সম্পূৰ্ণ সুকীয়া।

সৰ্বেশ্বৰে এইকেইদিনতে সাবালকত্ব লাভ কৰিলে। তাৰ মানসিক শক্তিসমূহৰ উৎকৰ্ষ সাধন হ'ল। তাৰ বুদ্ধি পাৰপক হ'ল। হাকিমৰ বিষয়ে সি বহুতো কথা শুনিবলৈ পালে কিছুমান নিজ চকুৰে দেখিলে। তাৰ আটাইতকৈ লাভ হ'ল যে এতিয়া প্ৰভু ঈশ্বৰ তাৰ হাতৰ মুঠিত সোমাল। অৱশ্যে তেৰাক বগীৰাম, গোবিন্দ হলি আদি বহুতেই বশ কৰি ৰাখিছিল। ৰঙামাটিৰ মৌজাদাৰেও বহুতো গোপন কথা গম পোৱাত তেৰো হাকিমক নাকত ধৰি চাকত ঘূৰাবপৰা হ'ল। তাৰ মূলতে বোলে চিকাৰেই।

চিকাৰ কৰি অনা পহু কুটি-বাছি থাকোঁতে সৰ্বেশ্বৰে মন কৰিছিল যে ধপাত এচিলিম খোৱাব চলেৰে হলি আৰু গোবিন্দ একাষৰীয়া হৈ পাকঘৰৰ পিছফালে এজা জামু গছজোপাৰ তলত বহি বৰ ৰসাল ৰসাল কথা কৈ ৰগৰ কৰি আছিল। তেওঁ-লোকৰ কথাৰ দুই-এটা শব্দ পাকঘৰত সোমাই এক সৰ্বেশ্বৰৰ

কৰ্ণকুহৰত প্ৰবেশ কৰিছিলহি । সিয়ো শহাকৰ্ণীয়া হৈ প্ৰতিটো শব্দ শুনিবলৈ চেষ্টা কৰিছিল । এবাৰ হলিয়ে কৈছিল—‘ কানন’গো বাবু, হাকিমে কিন্তু ভাল চিকাৰ দেখুৱালেদেই । এৰা, আমাৰ আচল চিকাৰী আৰু কোন হ’ব পাৰে ?”

গোবিন্দই কৈছিল—“এৰা অ,’ আমিহে জংঘলত সোমাই মহ-ডাঁহৰ কামোৰ খাই, ৰাতি টোপনি খতি কৰি চিকাৰ চাই ফুৰোঁতে চকুৰে সৰিয়হ ফুল দেখিলোঁ । পিছে হাকিমে আমাতকৈ বহুত ডাঙৰ চিকাৰ কৰিলে ।’

‘এৰা মৌজাদাৰে পহু বেইটা গুলীয়াই নমৰা হলে বৰ লাজত পৰিবলগা হ’লহেঁতেন দেই ।” হলিৰ মাত ।

‘ঠিক কৈছ হলি পিছে মৌজাদাৰেও কিবা ফুট পাইছিল হ’বপায় । ৰখা এটা মন কৰিছনে নাই ? আগেয়ে হাকিমে মৌজাদাৰক বৰ বৰ কথা শুনায় এইবাৰ দেখোন মৌজাদাৰে দহ বুলিলে দহ, পাঁচ বুলিলে পাঁচ ।

‘কথাটো হয় পিছে । হ’ছইন মৌজাদাৰ দুবাৰ হজ কৰা মানুহ । হাকিমৰ চিকাৰৰ যদি কিবা ভু পাইছে তেন্তে সুখেৰে নেৰিছে দেই । দুই নম্বৰ লাটত বেদখল কৰি থকা মিঞা মখাই এইবাৰ পট্টা পাব যেন পাইছোঁ । ৰজত মণ্ডলে এইবাৰ কিছু ঘটিব কানন’গো বুলি আপুনিও বঞ্চিত নহয় ! মোৰহে ফুটা কপাল ।

“তেৰ কটা, গছত কঠাল ওঁঠত তেল নৌ খাওঁতেই চেলবেল । এতিয়াইনো আস্‌লাম’ত চাং পাতিব লাগিছ কিয় ? কালিলৈ দেখোন এই হাকিম বদলিও হ’ব পাৰে । ইংৰাজৰ চকুৰে চিত্ৰগুপ্তৰ চকুৰে এক । খাতা এ’কখন বলমো একে-ভালেই বুজিছ হলি, দুখ কৰিব নলাগে, কপালত আছে যদি তয়ো দাঁত চেলাই থাকিব নেলাগে । ব’ল, ব’ল হাকিমৰ লিটিকাইটো যিহে সিয়ান, আমাৰ কথা শুনি থাকিবও পাৰে ।”

এৰা, কথাটো হয় । পিছে বেচেৰালৈ বেয়াও লাগে । কালি চিকাৰলৈ যাবলৈ নেপাই সি কম দুখ পালেনে ?’

‘চিকাৰলৈ তাক নিয়া মানে খাল খান্দি ঘঁৰিয়াল ঘৰলৈ অনা নহয় জানো ? হাকিমৰ লীলাখেলাবোৰ সি জানিব পাৰিলে,

হাকিমনীয়ে নিশ্চয় তাৰপৰা বাহিৰ কৰিব । তেতিয়া গৃহকন্দলৰ পৰা হাকিম হাত সাৰিব কেনেকৈ ?

লৰাটোৰ মুখৰ মাত নাই যদিও সি সকলো কথা টিং কৰি থাকে । মোৰ মনেৰে সি ইতিমধ্যে বহুত কথা গম পাইছেই । আহক, ইয়াৰ্পৰা যাওঁ । মানুহে সন্দেহ কৰিব পাৰে । পিছে আৰু এটা কথা, বগীৰামেও এইবাৰ হাকিমৰ নচুৱাইছে দেই ।'

চৰিত্ৰহীন মানুহে বান্দৰৰ দৰে নেনাচি কি কৰিব ?''

দুয়ো এইদৰে কোৱা-মেলা কৰি আঁতৰি গৈছিল ।

সৰ্বেশ্বৰৰ চকুৰ আগৰপৰা এখন আঁৰ-কাপোৰ আঁতৰি গ'ল । সি বহুতো জানিব নলগা কথা জানিব পাৰিলে । হাকিমনীয়ে সেইদিনা কিয় কান্দিছিল তাৰো উমান পালে । অন্ততঃ পতিৰ বিৰহত যে কন্দা নাছিল সেইটো ঠিক । আৰু সেইকাৰণেই হাকিমৰ গতি-বিধি ভালকৈ লক্ষ্য কৰি থাকিবলৈ তাক দঢ়াই দঢ়াই কৈছিল ।

গোসাঁনীৰ কথা সৰ্বেশ্বৰে ৰাখিব নোৱাৰিলে । সেইকাৰণে সি অনুতাপ কৰিছে । কিন্তু তাৰ অন্য উপায় নাছিল । মানুহ নিয়তিৰ হাতত ক্ৰীড়ণক মাত্ৰ । নিজে কৰো বুলি একোকে কৰিব নোৱাৰে । নিয়তিৰ হাত নথকা হ'লে ওপৰা-উপৰিকৈ ইমানবোৰ ঘটনা ঘটিব পাৰেনে ?

সেই ঘটনাবোৰ সুঁৱৰি ৰায়চাহাবে দীঘলকৈ উশাহ এটা ললে । এজনৰ লোকচান হ'লে আন এজনৰ লাভ হয় । এইটো এটা মানবীয় সত্য । আচলতে নৈসৰ্গিক নিয়ন্ত্ৰণৰ মাজেদিয়েই মানুহৰ জীৱন নদী বৈ যায় । নদীয়ে এটা পাৰ ভাঙিলে আনটো পাৰ পাতে । হাকিমৰ জীৱনলৈ দুৰ্দশা নামি আহিল ; কিন্তু সৌভাগ্যই লাগ দিলে সৰ্বেশ্বৰক ।

ৰায়চাহাবে পিছদিনা নগৰলৈ যাবৰ কাৰণে আয়োজন কৰিবলৈ সংবাহক আদেশ দিলে । ৰায়চাহাবৰ এখন দোলা আছে । এই দোলাখনিত উঠি তেওঁ বেলষ্টেছনলৈকে সাত মাইল-মান বাট অহা-যোৱা কৰে । কঠালৰ সাৰৰ দোলাখন আহোমৰ দিনৰ ডা-ডাঙৰীয়াসকলে ব্যৱহাৰ কৰা খাটোলাৰ দৰেই নানা-বিধ কাৰুকাৰ্য আৰু ফুলজালি কৰা । এখন যেনিবা চুটি হৈ

লগা নাওঁ। মাজটো অলপ বহল মানুহে দাঙি নিবৰ কাৰণে চালখনৰ দুমুৰৰপৰা দুডাল বাঁহৰ বম দুহাতমানকৈ বাঢ়ি গৈছে। দোলাখনত আঁৰ-কাপোৰ লগোৱা আছে। ইচ্ছামতে খুলি বা টানি লব পাৰি। দোলাখনৰ এটা ইতিহাস আছে। এতিয়া য'ত ৰায়চাহাবৰ টোল আছে, তাৰপৰা প্ৰায় আধামাইলমান দূৰতে বিখ্যাত প্ৰাতন বুঢ়াগোহাঁইৰ বংশৰ বিক্ৰম বুঢ়াগোহাঁইৰ ঘাট এখন আছিল। এসময়ত গোহাঁইদেউ বিক্ৰমী পুৰুষেই আছিল। পিছে ইংৰাজ চৰকাৰে দাস-দাসীবিলাকক মুকলি কৰি দিয়াৰ দিন ধৰি ডাঙৰীয়াজনৰ অৱস্থা ক্ৰমাৎ পৰি আহিবলৈ ধৰিলে। ৰণত পৰি ক'লীয়া, তেল নাইকিয়া ফপৰীয়া অৱস্থা। এনেতে কানিৰ মহলদাৰ হৈ সৰ্বেশ্বৰে 'সেই ঠাইত খোপনি পুতিলেহি। গোহাঁইদেউ ঘোৰ কানীয়া'। তাকো সেৱন কৰে একেবাৰে ৰাজসিকভাৱে। পাণৰ টিৰিৰাৰে কানিৰ হোপাটো পৰাৰ পিছত তেওঁক গাখীৰ মালভোগ কল, থমা দৈ কোমল চাউল আদি বহুতো ৰাজভোগ যতনাই দিব লাগে। কাম কৰা মানুহৰ অভাৱত ইফালে খেতি-বাতিৰ অৱস্থা শোকলগা মাটি-বিলাক প্ৰায় ছন পৰিয়েই থাকে ইফালে আভিজাত্যৰ পৰিমাণ অটুট থাকিল। ফলত যি হ'ব লাগে সেয়ে হ'ল। কানি খাওতে মাইহাং, বান-বাটিৰপৰা আৰম্ভ কৰি গামখাৰু, লোকাপাৰ, জোনবিৰি আৰু ঘৈণীয়েকৰ নাকৰ-কাণৰ অলংকাৰ যি আছিল সকলো সৰ্বেশ্বৰে বন্ধকত লৈ থলে। তাৰ পাছত ঘাটখন পানীৰ দামত সি কিনি ল'লে। কিন্তু তথাপিও কানিৰ দাম পৰিশোধ নোহোৱাত অৱশেষত ঘৰখনত যি কেইপদ বস্তু বাকী আছিল সেয়াও সৰ্বেশ্বৰে কাঢ়ি ললে। তাৰ ভিতৰতে আছিল এই দোলাখন। দোলাখন হেৰুৱাই ডাঙৰীয়াজনো এই দুখেৰে ভৰা সংসাৰত বেছিদিন জীয়াই নাথাকিল। তেওঁ সম্পূৰ্ণ দেৱলীয়া অৱস্থাত সাধনোচিত ধামলৈ প্ৰয়াণ কৰিলে। তেওঁৰ বংশধৰ-সকলে কোন কেনি ভাগিল কোনেও কব নোৱাৰে।

ডাঙৰীয়াজনৰ ওপৰত সৰ্বেশ্বৰৰ আখেজ আছিল, কাৰণ তেওঁ তাক নিতান্ত অৱজ্ঞা কৰিছিল আৰু গাবত-গজা চেকেৰি বুলি প্ৰায়ে বিদ্ৰূপ কৰিছিল। চুকত থাকি বুকত কুঠাৰ

মাৰিব পৰা সৰ্বেশ্বৰে তেওঁক সবস্বান্ত কৰি দোলাখন হস্তগত কৰিলে। ৰায়চাহাব হোৱাৰ পিছত দোলাত উঠি ভ্ৰমণ কৰি মানুহৰ চকুত চমক লগালে।

এতিয়া সেই দোলাখনতে তেও অহা-যোৱা কৰে। দোলা-ভাৰীৰ অভাৱ নাই। কানি ৰৰবিহ বেচি যি বলাক মানুহক তওঁ দেৱলীয়া পথৰ ভিখাৰী কৰিলে, এতিয়া সইবাৰ মানুহেই তওঁ উঠ বুলিলে উঠে, বহ বুলিলে বহে। তাৰ কাৰণো আছে।

কংগ্ৰেছৰ ভলণ্টিয়াৰবোৰৰ ওপৰত ৰায়চাহাব অতিশয় অসন্তুষ্ট হোৱাৰ মূল কাৰণটো হ'ল সিহঁতেই হৈ-চৈ কৰি কানিৰ মহলবোৰ বন্ধ কৰিলে। যিটো ব্যৱসায়ৰ বলত সৰ্বেশ্বৰে নিজৰ অৱস্থা টনকিয়াল কৰি আই লখিমীক বান্ধি পেলালে, এতিয়া কংগ্ৰেছৰ উৎপাতত সেই ব্যৱসায় উৎপাতিত হোৱাত সি বাৰু নিৰ্বিকাৰ-ভাৱে থাকে কেনেকৈ? আগবেপৰাই সিহঁত কানি বেয়া বস্তু বুলি বহুতো খৰিদ্দাৰক আঁতৰাইছিল, কিন্তু কিছুমান কানীয়া, কানীয়া হৈয়ে থাকিল। এতিয়া কানিৰ মহল উঠি যোৱাৰ পাছতো সিহঁতে কানি খাই থাকে। যোগান ধৰে ৰায়চাহাবে। ৰায়চাহাবে কানি খুৱাই সিহঁতক হাত কৰি ৰাখিছে। মাজে-সময়ে সিহঁতে দোলাভাৰীৰ কামো কৰে। তেতিয়া ৰায়চাহাবে সিহঁতক অলপ বেছিকৈ কানি খাবলৈ দিয়ে। কানিৰ ৰাগীত সাতমাইল বাট দোলাখন ভাৰ বৈ নিয়া সিহঁতৰ কাৰণে বিশেষ টান কথা নহয়।

দোলাত বা হাতীত উঠি যাওঁতে ৰায়চাহাব বিপদতো পৰিছে। ষ্টেচনলৈ যাওঁতে চাহ-বাগান এখন পাৰ হৈ যাব লাগে। তাতে এজন জয়াল ধৰণৰ চাহাব মেনেজাৰ আছিল। এবাৰ মেনেজাৰে ৰায়চাহাবক হাতীৰপৰা নমুৱাই অপমান কৰিছিল। ৰায়চাহাবে সেইবাৰ একো নেমাতিলে। নিতাল মাৰি সুযোগলৈ বাট চাই ৰ'ল।

এদিন সেই সুযোগ আহিল। চাহাব চিকাৰলৈ তেওঁৰ ঘৰৰ আগেদি যাব বুলি চোৰাংচোৱাৰ মুখেদি শুনিবলৈ পাই তেওঁ বাটটোৰ দুফালে দুটা খুটা পুতি এডাল ভলুকাবাঁহ বান্ধি বাটটো বন্ধ কৰি দিলে আৰু নিজে ঘৰৰ আগৰ চোতালতে

চকী এখনত বহি আলেখ-লেখ চাই থাকিল। অলপ পিছতে বাগীত উঠি চাহাব সেই ঠাইত উপস্থিত হ'ল। কিন্তু ৰাস্তাবন্ধ দেখি ওচৰতে বৈ থকা সংৰামক বাঁহডাল গুচাই দিবলৈ ক'লে। সংৰামে ক'লে, 'চাহাব, মই বাঁহ গুচাব নোৱাৰোঁ। সৌৱা চোতালত ৰায়চাহাব বহি আছে তুমি তেখেতৰপৰা অনুমতি লৈ আহাঁগৈ। অগত্যা চাহাব বাধ্য হৈ ৰায়চাহাবৰ ওচৰ চাপিল। তেওঁ তেতিয়া দীঘল নলিচা লগোৱা গুৰগুৰিত তাম্ৰকূত সেৱন কৰি আছিল। চাহাবক দেখি তেওঁ কেটকুটকে নকৰিলে। যি বহি আছিল, বহিয়েই থাকিল। চাহাবে পূৰ্বৰ ঘটনাৰ বাবে ক্ষমা খুজিলতহে তেওঁ বাহডাল গুচাই দিবলৈ আদেশ দিলে। লগত চাহাবৰপৰা এই প্ৰতিশ্ৰুতিও আদায় কৰিলে যে ভৱিষ্যতে ৰায়চাহাব হাতী বা দোলাত উঠি বাগানৰ মাজেদি গ'লে যেন তেওঁক জুলুম নকৰে।

অৱশ্যে তাৰ পিছতো এবাৰ ৰায়চাহাব বিপদত পৰিছিল গুৰুতৰ বিপদতেই পৰিছিল। কিন্তু নিজৰ তীক্ষ্ণ উপস্থিত বুদ্ধিৰ বলত তেওঁ গাৰ মাখিছাল অকণো নিছিগাকৈ সেই ঘোৰ সংকটৰপৰা সাৰি আহিব পাৰিছিল।

সেইবাৰ ৰায়চাহাবে কিস্তিৰ ধন ৰাজভৰালত জমা দিবলৈ নগৰলৈ গৈছিল। তেতিয়া আজিকালিৰ দৰে কাগজৰ টকা নাছিল। চিকাৰূপ, আধলি সিকি আদমহীয়া চৰতীয়া পাতি-পইচা, ডবল-পইচা আদি বেলেগ বেলেগ বস্তাত ভৰাই কঢ়িয়াই নিব লগা হৈছিল। যাওঁতে নিৰাপদেই গ'ল। কিন্তু নগৰ পাই জানিব পাৰিলে কিবা কাৰণত অফিচ-কাছাৰী বন্ধ। থাকিবলৈয়ো উপায় নাই। কাৰণ কংগ্ৰেছৰ ভলণ্টিয়াৰে তেওঁৰ অনুপস্থিতিৰ সুযোগ লৈ ঘৰখনত কি কৰে ঠিকনা নাই। ৰাতিৰ ৰেলত তেওঁ উভতি আহি প্ৰায় দুপৰ-নিশা ৰেল-ষ্টেছন পালেহি। ষ্টেছনৰ ওচৰতে হাতী দুটা তেতিয়াও বান্ধি থোৱা আছিল। মাউত দুটা দেছুৱালীৰ দোকান এখনৰ বাৰাণ্ডাতে পৰি আছিল। ৰায়চাহাবৰ মহৰীয়ে সিহঁতক মাতি আনিলে আৰু ধনৰ মোনা হাতীৰ ওপৰত তুলি ৰায়চাহাবে যাত্ৰা কৰিলে। বাগানৰ মাজ পাওঁতেই এজাক মানুহে তেওঁক বেঢ়ি ধৰিলে। ৰায়চাহাবে দেখিলে সিহঁত বাগানৰে বনুৱা, হাতত ধেনু-কাঁড়। সিহঁতে হাতী দুটা ৰাখিবলৈ মাউতক আদেশ দিলে।

দীঘল নাকটো মোহাৰি ৰায়চাহাবে বুদ্ধি এটা বাহিৰ কৰিলে। সমস্যা যিমানেই জটিল হয় তেওঁৰ বুদ্ধিয়ো সিমানে খোল খায়। তেওঁ প্ৰথমে পাতি-পইচাৰ মোনাটো খুলি পইচাবোৰ মানুহ বিলাকৰ লক্ষ্য কৰি দলিয়াবলৈ ধৰিলে। তাৰ পিছতে হ'ল ডবল-পইচাৰ বৃষ্টি আকস্মিক অৰ্থ-বৃষ্টিত আচল উদ্দেশ্য পাহৰি গৈ মানুহ জাকে ধেনুকাঁড় মাটিত থৈ পইচা বোটলাত লাগি গ'ল আৰু সেই সুযোগতে একমুহূৰ্তও অপব্যয় নকৰি মাউতে হাতী দৌৰাই দিলে।

ৰায়চাহাব নিৰাপদে ঘৰ পালেহি। পিছদিনা তেওঁ বা-বাতৰি লৈ জানিব পাৰিলে যে সেই কাৰ্যত ৰবাৰ্টচন মেনেজাৰৰ পৰোক্ষ সমৰ্থন আছিল। অৱশ্যে লুট-পাত কৰা তেওঁৰ উদ্দেশ্য নাছিল, কিন্তু ৰায়চাহাবক আটক কৰি আগৰ অপমানৰ হোৰ তোলাৰ ইচ্ছাই তেওঁৰ বনুৱাবিলাকৰ হতুৱাই ৰায়চাহাবক বন্দী কৰিবলৈ উচটনি দিছিল।

ৰায়চাহাবে জিলাৰ ডেপুটি কমিছনাৰৰ আদালতত এটা গোচৰ দিলে। ডেপুটি কমিছনাৰে নিজ [illegible] ল'ল আহি ৰবাৰ্টচন মেনেজাৰ আৰু সৰ্বেশ্বৰ চৌধুৰীৰ মাজত মিতমাত কৰাই দিলে।

সেই ঘটনাৰ পৰা সৰ্বেশ্বৰৰ এটা শিক্ষা হ'ল। তেওঁ বন্দুক ৰাইফল আদিৰে ঘৰখন ভৰাই পেলালে। চোৰ ডকাইত বনৰীয়া জন্তু আদিৰ উপদ্ৰৱৰ কথা কৈ তেওঁ বন্দুকৰ লাইচেন্স সহজে যোগাৰ কৰিলে। মৌজাদাৰ মানুহ হাতত হাজাৰে হাজাৰে টকা-সিকা গোট খাই থাকে। গতিকে ই ৰাজ চৰকাৰে এনে ৰাজভক্ত বিষয়া এজনক অস্ত্ৰ-শস্ত্ৰ দিবই, তাত আচৰিত হ'ব লগীয়া কি আছে। তদুপৰি কেইটামান ভোধৰণৰ, পাহোৱান মানুহ চাই টেকেলা মহৰী, চকিদাৰ, দাৰোৱান আদি থাব দি ৰাখি থলে। মৌজাৰ খাজনা আদায় কৰিবলৈয়ো এতিয়া এই ভয়ানক ভৃত্যকুলৰ সহায়ত সহজ হৈ পৰিল। ইতিমধ্যে ৰবাৰ্টচন চাহাব বদলি হ'ল আৰু তেওঁৰ ঠাইত অহা মেকেঞ্জী চাহাবৰ লগত ৰায়চাহাবৰ এটা বুজাপৰা হৈ গ'ল। কাৰণ মেকেঞ্জী স্কটলেণ্ডৰ মানুহ, খাচ ইংৰাজৰ দৰে তেওঁৰ দেমাক নাই।

ভাগ্যদেবী সুপ্রসন্না হ'লে মানুহে যিহতে হাত দিয়ে সেয়ে সুবৰ্ণ হয়। সৰ্বেশ্বৰ সোণৰ চকুত হাত দি ওপজা নাছিল। জীৱনৰ প্ৰথম কুৰিটা বছৰ ভাগ্যই তাক লৈ হেতালি খেলিছিল। এটা ঠেলাত সি পৰমানন্দৰ অঙ্কিচত উফৰি পৰিলগৈ। কিন্তু তেতিয়াও তাৰ কিছু নিগ্ৰহ বাকী আছিল। ৰায়চাহাবে তাকে ভাবি ভাবি মৃদুভাৱে হাঁহিলে। সেই নিগ্ৰহেই বিগ্ৰহ হৈ তাক দোপতদোপে উন্নতিৰ জখলাত তুলি লৈ গ'ল।

আজি তেওঁ ইংৰাজ চৰকাৰৰ মহা প্ৰতাপী মৌজাদাৰ, ৰজাঘৰৰ দ্বাৰা ৰায়চাহাব পদবীৰে সন্মানিত সেই এলেকাত তেওঁৰ প্ৰতিপত্তি অফুৰন্ত। তদুপৰি তেওঁ এজন লেখত লবলগীয়া ধনী মানুহ। অন্নপূৰ্ণাৰ দৰে এগৰাকী সুন্দৰী মহিলাৰ তেওঁ স্বামী আৰু অৱনীৰ দৰে চাৰু-দৰ্শন আৰু মেধাবী পুত্ৰৰ পিতা। বিধাতাই তেওঁৰ সুখৰ পাত্ৰ পূৰ্ণ কৰি ৰাখিছে। কিন্তু ইমান ঐশ্চৰ্য্যবিভূতি আৰু সুখ-সন্তোষৰ মাজতো তেওঁ মাজে মাজে চিন্তিত হৈ পৰে। তেওঁৰ অন্তৰাত্মা ভয়ত কঁপি উঠে, অৱশ্যে তেওঁ সেই ভয় কাৰো আগত অজিলৈকে প্ৰকাশ কৰা নাই। সেই সময়ত তেওঁৰ পৰমানন্দৰ পত্নী গোসাঁনী আইলৈ মনত পৰে। বিদায়ৰ সময়ত গোসাঁনীয়ে তেওঁক এষাৰ কথা কৈছিল, "তই ধন-জন, মান-সন্মান, যশ-গৌৰৱ সকলো লাভ কৰিব পাৰিবি, সৰ্বেশ্বৰ! ভগৱানে তোক সকলো দিব। কিন্তু তই মোৰ মনত যিখিনি আঘাত দিলি, তেনে আঘাত এদিন তয়ো পাবি। মই তোক মনে চিত্তে বিশ্বাস কৰিছিলোঁ, কিন্তু তই সেই বিশ্বাসৰ মৰ্য্যাদা ৰাখিব নোৱাৰিলি। মই যদি সতী হওঁ, স্বামীৰ চৰণ চিন্তাৰ বাহিৰে যদি অন্য কোনো পাপ চিন্তাই মোৰ অন্তৰ কলুষিত কৰা নাই, তেন্তে মোৰ কথা আখৰে আখৰে ফলিয়াব।" সেয়ে আছিল গোসাঁনীৰ শেষ কথা।

সৰ্বেশ্বৰে হয়তো উত্তৰ দিব পাৰিলেহেঁতেন যে গোসাঁনীৰ স্বামীগুৰু আৰু তাৰ মনিব, পৰমানন্দ ছৰডেপুটিৰ মঙ্গলৰ কাৰণেই

সি কপটতাৰ আশ্ৰয় লবলগীয়া হ'ল । সি সেই দোষ পাত পাতি নোলোৱা হ'লে হয়তো হাকিমৰ মান-সন্মান ধূলিসাৎ হ'লহেঁতেন আৰু চাকৰিৰপৰা খেদা খাই বাটৰ ভিকহুৰ দৰে অনাই-বনাই ঘূৰি ফুৰিব লগা হ'লহেঁতেন । মনিবক ৰক্ষা কৰাৰ কাৰণে তাক কোনো দোষে স্পৰ্শ কৰিব নোৱাৰে । কিন্তু সেই সময়ত যুক্তি তক প্ৰদশন কৰা সম্ভৱপৰ নাছিল । গোসাঁনীয়ে তাক ক'বলৈ অলপো সুবিধা নিদি দুৱাৰ বন্ধ কৰি শোৱনি কোঠাত সোমাইছিল বোধকৰো হেঁপাহ পলুৱাই কান্দিবলৈ ।

ৰায়চাহাবৰ চকুৰ আগত সেই দৃশ্যটো মাজে-সময়ে জীৱন্ত হৈ পৰে । তেওঁ আতঙ্কিত হৈ সংৰামক মাতে আৰু তেওঁৰ যে দোষ অলপো নাছিল তাকে তাৰ আগত প্ৰকাশ কৰি নিজকে প্ৰবোধ দিয়ে । সংৰামেও ৰায়চাহাবৰ উৎকণ্ঠা প্ৰশমিত কৰিবলৈ তেওঁৰ হৈ ওকালতি কৰে । কাৰণ ৰায়চাহাবে গোটেই ঘটনাটো তাৰ আগত বহুবাৰ বৰ্ণনা কৰিছে । অৱশ্যে সেইদিনা সি কিবা কামত হাকিমৰ ঘৰৰপৰা ওলাই যোৱাৰ কাৰণে প্ৰত্যক্ষভাৱে ঘটনাটোৰ ভাগ পোৱা নাছিল । পিছতহে সৰ্বেশ্বৰৰ মুখত সকলো শুনিছিল ।

ৰায়চাহাবে সংৰামৰ আগতে দুখৰ-সুখৰ কথা কৈ মন পাতলায় । গৃহিণীৰ আগতো তেওঁ এইবিলাক কথাৰ উল্লেখ নকৰে । তিৰোতাৰ আগত গোপন কথা ব্যক্ত কৰিব নেপায় বুলি ৰায়চাহাবে ভাবে । যুধিষ্ঠিৰে মাক কুন্তীদেৱীক দিয়া অভি-সাপৰ কথা তেওঁ মাহাভাৰতত পঢ়িছিল । কাশী দাসী মহাভাৰতত, কৃত্তিবাসী ৰামায়ণ আদি ধম গ্ৰন্থৰ উপৰিও ভাগৱত, কীৰ্তন দশম আদি কিতাপ তেওঁ গোসাঁইঘৰত সযতনে ৰাখিছে । ভগী-ৰথে মাজে মাজে পঢ়ি শুনায়হি । সেইদিনাও ৰায়েকক তেওঁ মহাভাৰত পঢ়ি শুনাইছিল আৰু যাবৰ সময়ত ৰায়েকে তেওঁক বহি-য়াকৈ জা-জলপান খুৱাই টকা-সিকা গোটাচেৰেক দি বিদায় দিছিল ।

ভগীৰথ যোৱাৰ কিছু পিছতে চাৰিটা দোলাভাৰী লৈ সংৰাম ৰায়চাবৰ ওচৰলৈ আহিছিল । তেওঁ তেতিয়া চ'ৰাঘৰত বহি মৌজাৰ হিচাপ পত্ৰ পৰীক্ষা কৰি আছিল । ৰায়চাহাবে টকা পইচাৰ ক্ষেত্ৰত কাকো বিশ্বাস নকৰে । মহৰীয়ে তুলি

যোৱা আমদানি বিলাক ৰচিদ-বহীৰ সৈতে মিলাই চায় আৰু ক'ৰবাত একপইচাৰ গড়মিল হ'লেও বেচেৰা মহৰীৰ জীৱন বিষময় কৰি তোলে। সেইকাৰণে মহৰী কেইজন বৰ সাৱধান হৈ কেইটায়ো আদায় কৰা টকা-পইচা নিয়মিতভাৱে জমা দিয়ে। জমা হোৱা টকা জিলাৰ কোষাগাৰত জমা দিবলৈ ৰায়চাহাব মাহেকত দুবাৰ যায়। ৰায়চাহাবৰ হিচাপ-পত্ৰ পৰিষ্কাৰ আৰু নিৰ্দিষ্ট সময়ত তেওঁ ৰজাঘৰীয়া ধন জমা দি পুৰস্কাৰ আৰু প্ৰশংসাপত্ৰ পাই থাকে। পিছে তাৰ প্ৰতিক্ৰিয়া হয়গৈ প্ৰজাৰ ওপৰত। ৰায়চাহাব বৰ কাঢ়া, প্ৰজাৰ বিপদ-বিপত্তিয়ে তেওঁৰ মনত অলপো প্ৰভাৱ পেলাব নোৱাৰে। খাজনা দিয়া অলপ দেৰি হ'লেই যম-দূত যেন টোকলাই কোৰোকি পৰোৱানা লৈ পৰীব প্ৰজাৰ লোটা-ঘটি পৰ্যন্ত কাঢ়ি লৈ আহে খেতিয়কৰ হালৰ গৰু জব্দ কৰে আৰু সিমানতে খাজনা আদায় নহ'লে মাটি নীলামত দিয়ে। ৰায়-চাহাবে সামান্য দামত বেনামীকৈ মাটিবোৰ লৈ থয়। এইদৰে হাজাৰ হাজাৰ প্ৰজা মাটি-ভেটি হেৰুৱাই দেশান্তৰী হ'ব লগা হৈছে। এইবিলাক জোৰ-জুলুমৰ কথা কেতিয়াবা চৰকাৰৰ কাণত পৰে যদিও তাৰপৰা সুফল নহয়, অত্যাচাৰৰ মাত্ৰা বেছি হৈহে যায়। ৰায়চাহাবে বিবেকৰ দংশন অনুভৱ নকৰে কাৰণ তেওঁ বিশ্বাস কৰে যে ৰজাৰ খাজনা আদায় কৰা প্ৰত্যেক প্ৰজাৰে পবিত্ৰ কৰ্তব্য। কৰ্তব্য অৱহেলা কৰা লোকক ৰায়চাহাবে কৰুণাৰ চকুৰে নেচায়।

কিন্তু কেতিয়াবা তাৰ যে ব্যতিক্ৰম নহয় সেই কথা ন-দি ক'ব নোৱাৰি। ৰায়চাহাবৰ পত্নী দময়ন্তী দেৱীৰ অন্তৰ দয়া-মায়াৰে ভৰা। ঘৈণীয়েকক ৰায়চাহাবে ভাল পায়। বিয়াৰ পিছৰপৰাই তেওঁৰ ঘৰত চঞ্চলা লক্ষ্মীদেৱীৰ স্থিতি অচলা হৈছে। বহুত কথাতে তেওঁ গৃহিণীৰ মতামত লয় আৰু তেওঁক মানি চলে। কোনো কোনো চতুৰ প্ৰজাই ৰায়চাহাবৰ এই দুৰ্বলতাৰ কথা জানিব পাৰি ৰায়চাহাবনীৰ ভৰিত পৰি কাকুতি-মিনতি কৰেহি আৰু ফলত অন্ততঃ কিছুদিনৰ কাৰণে হ'লেও কোনোৱা নীলামৰপৰা ৰক্ষা পৰে। দময়ন্তী দেৱীক প্ৰজাবিলাকে অন্তৰেৰে ভাল পায় আৰু ভক্তি কৰে আৰু অনেক সময়ত তেওঁলৈ চায়েই ৰায়চাহাবৰ অন্যায়-অবিচাৰ নীৰৱে সহ্য কৰি থাকে।

সহ্য কৰিবপৰা নাছিল হেমধৰ গায়নে। সি এদিন ৰায়চাহাবৰ মুখে মুখে জবাব দিছিল। তাৰ ফলো পালে। কথাটো আছিল নিচেই সামান্য। ৰায়চাহাবৰ গৰুৱে জেওৰা ভাঙি তাৰ শাকনিবাৰীখন তছনছ কৰিলে। সি গৰুকেইটা খেদি আনি ৰায়চাহাবক চমজাই দিয়াৰ সময়ত মনৰ দুখত কিবাকিবি টান কথা শুনালে। ৰোলে গৰু পুহিছা যেতিয়া ভালকৈ চাই-চিতি নাৰাখা কিয়? ঘৰখনত ইমানবোৰ চাকৰ-নাকৰ আছে। গৰু কেইটা ৰখিবলৈ মানুহ এটা খটুৱাব নোৱাৰানে?

ৰায়চাহাব নীৰৱে শুনি থাকিল। এষাৰো মাত নেমাতিলে। এই ঘটনাৰ কেইদিনমান পিছত হেমধৰৰ ঘৰত সিন্ধি দি চোৰে কাঁহী-বাটি টকা-সিকা কাপোৰ কানি সকলো নিলে। তাৰ পিছত এদিন হঠাতে জুই লাগি তাৰ খেৰৰ ঘৰকেইটা পুৰিল। সি সৰ্বস্বান্ত হ'ল। তেতিয়া ৰায়চাহাবেই ৰাইজ পাটাই তাৰ ঘৰ এটা সজোৱাই দিয়ালে। নিজৰ ঘৰৰপৰাই চাউল-পাত দিলে আৰু অকল সেয়ে নহয়, টকা-পইচা দি সহায়ো কৰিলে। চুৰি আৰু ঘৰ পোৰা কথাৰ উহ লৈ কিছুমান মানুহে বুৰু-বাৰা কৰিছিল। কিন্তু হেমধৰে সেইবিলাক কথাত কাণ নিদি দূৰদৰ্শিতাৰ পৰিচয় দিলে। ফলত সি পুনৰ ৰায়চাহাবৰ অনুগ্ৰহ লাভ কৰি নিজৰ লাওলোৱা অৱস্থা কিছু উন্নত কৰিবলৈ সক্ষম হ'ল।

এইবিলাক কাৰণতে মানুহে ৰায়চাহাবক ভয় কৰে। ৰজাৰ বিষয়াক বিশ্বাস নকৰিব পাৰা, কিন্তু ভক্তিত নহ'লেও অন্ততঃ ভয়ত ভজিবা। বুঢ়ালোকৰ বচন মানি চলিলে বিপদৰ ভয় নাই। ৰাইজে এই বচন ভালদৰেই মানি চলে।

মানি চলা কাৰণেই সৎৰামৰ মতা মাত্ৰকে চাৰিটা মানুহ খিতাতে ওলাই আহিল, মাত এষাৰো নেমাতিলে। ৰায়চাহাবে মাতিছে যেতিয়া যাবই লাগিব। এয়ে নিয়ম।

মানুহকেইটা হ'ল ভদীয়া ৰঙাই, জুৰাই আৰু টিপাই। সিহঁতৰ শৰীৰ নিপোটল, অৱশ্যে কানি খোৱাৰ কাৰণে সিহঁতৰ মুখবোৰ ক'লা পৰিছে। অকণমান কানি খোৱাৰ আশাই সিহঁতক উৎসাহিত কৰিলে। ৰায়চাহাবে চিচাপৰ খাতা পৰীক্ষা কৰি

থাকোঁতেই সংবাদ হাজিৰ হ'লহি ।

ৰায়চাহাবে মূৰ তুলি চাই মাত লগালে,' ''মানুহ পালিনে ? '

'পাইছোঁ চাৰিটা আহিছে ।'

'কোন কোন ?''

ভদীয়া, ৰঙাই, টিপাই আৰু জুৰাই ।''

কানীয়াকেইটাকে বিচাৰি পালিগৈ হবলা ?''

আনক দুবাৰ ক'ব লাগে । সিহঁতক এবাৰ ক'লেই হয় ।

'ও বুজিছোঁ, দুটা টিকিৰাৰ লগত খাব পৰাকৈ সিহঁতক অলপ অলপ কানি দি দে । গধুলি এবাৰ খাই শুই থাকিব আৰু পুৱা এবাৰ খাই ইয়ালৈ আহিব ।''

''সেইটো বাৰু হ'ব, পিছে সিহঁতৰ আৰু এটা আজি আছে । কৈ পেলা ।''

''সিহঁতক বোলে অলপ অলপ পইচা লাগে । ঘৰত খাবলৈ নাইকিয়া হ'লেই । ল'ৰা-ছোৱালী মখাই ভোকত চেৰেউ-ফেৰেউ কৰি আছে । তাতে দুদিনৰ কাৰণে ঘৰৰপৰা ওলাই যাব লাগিব ।

ৰায়চাহাবে গহীন মূৰ্তি ধাৰণ কৰিলে । মানুহক টকা-পইচা দিবলৈ তেওঁ বৰ টান পায় । পইচা খৰচ কৰা বৰ উজু পিছে ঘটা বৰ টান । তাতে ভৱিষ্যতে টকা খৰচ কৰাৰ বাটো বহুত ওলাই আছে । তেওঁ টকা-পইচা আগতীয়াকৈ দিব নোৱাৰে বুলি ক'বই খুজিছিল এনেতে দময়ন্তী দেৱী তালৈ আহিল । অকস্মাতে ঘৈণীয়েকক ভিতৰৰপৰা ওলাই অহা দেখি ৰায়চাহাবৰ প্ৰথমে চুলিৰ আগত খং উঠিল । কিন্তু নিজক কোনোমতে সংযত কৰি ক'লে ।

''তুমিনো কিয় আহিলা বাহিৰলৈ ?''

''আপোনাক কথা এটা কওঁ কওঁ বুলি ভাবি আছোঁ, ক'বহে পৰা নাই । মানে সুবিধাই হোৱা নাই । এই কানীয়া কেইটাৰ ঘৰত মহা পয়মাল । খাবলৈ সিহঁতৰ ঘৰত খুদ-কণ এটাও নাই । ঘৈণীয়েকহঁত আহি প্ৰায়ে মোৰপৰা চাউলপাত খুজি নিয়েই । সিহঁতক কামত খটুৱাব যেতিয়া আধা হাজিৰা আগতীয়াকৈয়ে দি দিয়ক । বাকীখিনি পিছত নিব । জুৰাইৰ পুতেকটোৰো অসুখ । কবিৰাজে ঔষধপাতি দিছে যদিও গুণ পোৱা নাই । পাৰিলে এবাৰ ডাক্তৰক দেখুওৱা ভাল হ'ব ।''

আ য় ঠিকেই কৈছে দেউতা মই এতিয়া সেইফালৰপৰাই আহিছোঁ । জুৰাইৰ ল'ৰাটোৰ অসুখ বুলি মানহে কোৱা-মেলা কৰা মাথে কাণত পৰিছে ।'

অৱনী সেইমাত্ৰ ঘৰলৈ উভতি আহিছিল । চ'ৰাঘৰত ভালে-মান মানুহ দেখি কি হৈছে চাবলৈ সিয়ো চাপি আহিছিল । মাকৰ কথা শেষ হোৱাৰ লগে লগেই সি উত্তৰ দিলে ।

মাক-পুতেক একগোট হৈ তেওঁক ঠেকত পেলাবলৈ লোৱাত ৰায়চাহাব ক্ৰুদ্ধ হৈছিল । কিন্তু তেওঁ খংচাট সামৰি হাঁহি মাৰি মাত লগালে, "হেৰ অৱনী, মানুহৰ কাৰ কি হৈছে তয়ো আজি-কালি ভু-ৰখা হ'লি নেকি ? মাৰৰ লগত লগ লাগি তহঁতে মোক দেৱলীয়া কৰিবি দেখিছোঁ । কি কৰ সংৰাম ?'

'অৱনী বোপাই সচা কথাকে কৈছে । আপুনি যদি প্ৰজাৰ দুখ-দুৰ্গতিলৈ চকু নিদিয়ে তেন্তে কোনেনো দিব ? এই অঞ্চলত আপুনিয়েই চৰকাৰৰ প্ৰতিনিধি । গতিকে আপোনাৰো দায়িত্ব নথকা নহয় ।'

সংৰামৰ অন্তৰৰপৰাই কথাকেইষাৰ ওলাল । ৰায়চাহাবৰ নিদয় আচৰণত সিয়ো মাজে সময়ে অতিষ্ঠ হয় । আজি সুবিধাটো পাই মনৰ কথা কৈ পেলালে ।

এইবাৰ কিন্তু ৰায়চাহাবে ঢেকঢেককৈ হাঁহি দিলে । সংৰামৰ কথাত তেওঁৰ খং নুঠিল । এক মুহূৰ্তৰ কাৰণে হ'লেও তেওঁ পৰমানন্দৰ পিয়ন সৰেশ্বৰলৈ ৰূপান্তৰিত হ'ল ।

'বাক বাক, তহঁত আটাইবোৰেই যেতিয়া ভোট দিছ মই মানি লৈছোঁ । ভাবীহঁতে দুদিনৰ হাজিৰা পাব আধলি একোটাকৈ । ইহঁতক এতিয়া গাইপতি চাৰি অনাকৈ এদিনৰ হাজিৰা দি দে । কানিকণ যেনিবা ফাও । পিছে ডাক্তৰ-কবিৰাজৰ ব্যৱস্থা হ'লে মই কৰিব নোৱাৰোঁ । সেয়া কোনে কাৰ কৰক মোৰ আপত্তি নাই ।"

তেওঁ পুনৰ ৰায়চাহাবৰ ৰূপ ধাৰণ কৰিলে ।

এইবাৰ অৱনীয়ে ক'লে, "দেউতা আপুনি যদি অনুমতি দিয়ে, তেনেহ'লে ডাক্তৰ ময়েই মাতি আনিম । মোৰতো কাম-কাজ একো নাই । বহি, শুই কটাই আমনি লাগিছে । কালিলৈ মইনাজুলিৰপৰাই ডাক্তৰ লৈ আহিমগৈ । পইচাৰ্চীক লৈ যাম ।"

আগদিনাৰ অপকৰ্মৰ কাৰণে অৱনীৰ বিবেক বিক্ষুব্ধ হৈ আছে। মনটো অস্থিৰ। বিবেকক শান্ত কৰিবৰ কাৰণে কিবা এটা ভাল কাম কৰিবলৈ তাৰ মনটো উচপিচাই আছে। এতিয়া সুযোগটো ওলোৱাত সি বৰ আনন্দ পালে।

ৰায়চাহাবে অৱনীৰ কথাষাৰ বৰ বেয়া নুশুনিলে। তথাপি গম্ভীৰভাৱেই মাত লগালে, 'বাৰু, ডাক্তৰ আনগৈ যদি আনিবি, মোৰ আপত্তি নাই। এতিয়া মাৰৰ লগত ভিতৰলৈ যাগৈ। তহঁতৰ কামহে হৈছে, মোৰ কাম বহুত বাকী আছে। চৰকাৰী চিঠি-পত্ৰ কেইখনমানো লিখিবলৈ আছে। অৱনী, তই এঘণ্টা-মানৰ পিছত আহিবি'চোন। তোৰ কাৰণেও কিছু কাম আছে। সৎৰাম সিহঁতক বিদায় দে। কালিলৈ চলফাটতে আহিবলৈ কবি। জাৰ বুলি ফটা কঁথাৰ উম লৈ পৰি থাকিলে নচলিব।"

ৰায়চাহাবে হিচাপৰ খাতাখন মেলি ল লে। অৱনীয়ে মাকৰ ফালে চাই মিচিককৈ হাঁহি এটা মাৰিলে। মাকৰ শুৱনী মুখখনি সন্তোষৰ পোহৰত জিলিকি উঠিল। দুয়ো ভিতৰ সোমাই গ'ল। সৎৰামেও দোলাভাৰী কেইটাক অলপ কানি আৰু একোটাকৈ সিকি দি পঠিয়াই দিলে।

সকলোটি দিহাদিহি যোৱাৰ পিছত ৰায়চাহাবে সৎৰামক মাতিলে। সৎৰাম আহিল। ৰায়চাহাবে তাক মনৰ কথাৰ ভাগ দিব খুজিছে। তাৰ কাৰণে এইটো নতুন কথা নহয়। সি ৰায়চাহাবক হাড়ে-হাড়ে চিনি পায়। আজি তেওঁ কিবাকিবি বহুত কথা চিন্তা কৰি থকা তাৰ চকুত পৰিছে।

'সৎৰাম। ৰায়চাহাবে চিন্তিতভাৱে মাতিলে।

কওক।' এতিয়া সৎৰাম ৰায়চাহাবৰ ভত্য নহয়, বয়স্য।

"মোক এটা চিন্তাই খুলি খুলি খাইছে অ'।"

আপোনাৰ আকৌ কিহৰ চিন্তা? টকাই-পইচাই, মানুহে-দুনুহে ঘৰখন নন্দন-বন্দন। অৱনীৰ নিচিনা এটা জাকত জিলিকা ল'ৰাৰ দেউতাক, ঘৰখনত সতী-সাধ্বী আই লখিমী। আপোনাৰ অভাৱ কি?"

"ওঁ, অভাৱ কি? অভাৱৰ অভাৱেই মোৰ চিন্তা অ'! সেই কাৰণেই মাজে মাজে মোৰ মনটোত শান্তি নাইকিয়া হয়।

বিশেষকৈ অৱনীৰ কাৰণেই । তাক ইমানকৈ কলো এম-এ পঢ়িবৰ কাৰণে কলিকতালৈ যাবলৈ, কিন্তু সি কি ক লে জান ? বোলে দেউতা, বি-এটো যে পাছ কৰিলোঁ এয়েই ঢেৰ হৈছে । এম-এ পাছ কৰি কলেজত লেক ছাৰ দিবলৈ মোৰ অকণো ইচ্ছা নাই । কিবা চাকৰি-বাকৰি পাওঁ যদি তাকে কৰিম ।" এতিয়া বাক তাৰ কাৰণে চাকৰি এটা ওলায় ক ত ? আমাৰ সামাজিক মান-সন্মানৰ লগত খাপ খোৱা চাকৰি এটাতো হ'ব লাগিব ? তাৰ উপৰি সি বৰ উগ্ৰাৱল স্বভাৱৰ ল'ৰা । তাৰ বিষয়ে মানুহে বহুতো কিবাকিবি ফুচ-ফুচ ফাচ-ফাচ কৰে । মোৰ কামতো দুই-এষাৰ পৰিছে । এতিয়া কি কৰোঁ ক'ব পৰা নাই । তাতে আজি মোৰ গোসাঁনীৰ কথাটোলৈ মনত পৰি আৰু ভয় লাগিছে ।"

গোসাঁনীৰ কথা মনৰপৰা আঁতৰাই পেলাওক । আপুনিনো কি দোষটো কৰিছিল ? বিনাদোষত মানুহক শাও দিলে সেই শাও নালাগে । আপুনি চিন্তা নকৰিব । সকলো ঠিক হৈ যাব ।"

"ঠিক হৈ গ'লেতো ভালেই । ক'ৰবাত কিবা কেৰোণ ওলায় বুলিহে চিন্তা হয় । বুজিছ সংৰাম, মই মনত বহুত আশা পুহি আছোঁ । এইবাৰ গভণৰ আহিলেই হয় । কিন্তু তাৰ আগতে যাতে কোনো বদনাম আদি নঘটে তাকেইহে ভাবি আছোঁ ।"

"বদনাম যদি কিবা ওলায় তাৰ মূলতে হ'ব স্ফটিক ফান্দী । সি বৰ বেয়া মানুহ । অৱনীক সিয়েই ২।৮ত পেলাবলৈ চেষ্টা কৰি আছে । আপোনাক মই ভালেমান কথা কোৱা নাই । পিছে সেইবিলাক কোৱাই ভাল হ'ব যেন পাইছোঁ ।"

'তাৰমানে তই বহুত কথা মোৰপৰা লুকুৱাইছ ।"

'ইচ্ছা কৰি লুকুৱাব খোজা নাই । কোনো কথা কাণত পৰিলেই সদৰি কৰা মোৰ স্বভাৱ নহয় । কথাষাৰ কিমান সঁচা, কিমান মিছা প্ৰমাণ লৈহে মই প্ৰকাশ কৰোঁ । বাৰু মই আপোনাক কওঁ শুনক ।"

সংৰামে গিৰিধাৰীৰপৰা শুনা কথাবোৰ ৰায়চাহাবৰ আগত বৰ্ণনা কৰিলে । ৰায়চাহাব চিন্তিত হ'ল । তেওঁ সংৰামক

পিছদিনাই নেপালী গাওঁখনলৈ গৈ সকলো কথাৰে ভু-ভা লবলৈ আদেশ দিলে। নগৰবপৰা উভতি আহি তেওঁ এই বিষয়ে আলোচনা কৰিবহি আৰু উপযুক্ত ব্যৱস্থা লব।

প্ৰভু-ভৃত্যৰ আলোচনাৰ ইমানতে সামৰণি পৰিল। উগুল-থুগুল মনেৰে ৰায়চাহাবে হিচাপৰ কাম সামৰি তেতিয়াই গোসাঁই ঘৰত সোমাল আৰু একান্তমনেৰে সুৰ লগাই কীৰ্ত্তন পুথি পঢ়িবলৈ ধৰিলে। তেওঁ স্যমন্ত-হৰণ পাঠ কৰিছিল।

ৰায়চাহাবে কোৰামতে এঘণ্টামানৰ পিছত অৱনী চ'ৰালৈ আহিছিল। কিন্তু পিতাকক নেদেখি সি বৰ আচৰিত হ'ল। ইংৰাজীত চিঠি-পত্ৰ লেখিব লগা হ'লে সাধাৰণতে ৰায়চাহাবে তাক মাতে। সেই দিনাও একে উদ্দেশ্যেৰেই তাক মাতিছিল। সি বুজিব পাৰিলে যে পিতাকৰ মনৰ অৱস্থা সিমান ভাল নহয়। নহ'লে ইমান সোনকালে কাম-কাজ এৰি থৈ নগ'লহেঁতেন। অলপ নীৰৱে থকাৰ পিছত সি শুনিবলৈ পালে পিতাকে গোসাঁই ঘৰত পুথি পঢ়িছে। সি নিশ্চিন্তমনে মাকৰ ওচৰ পালেগৈ।

দময়ন্তী দেৱীয়ে তেতিয়া পাক ঘৰত সোমাই বামুণ ৰাক্রনিয়ে ৰন্ধা-বঢ়া কৰা চাই আছিল আৰু আৱশ্যকমতে নিদেশ দিছিল। ৰায়চাহাবে ৰাতি ভাত নেখায় সেইকাৰণে লুচি কেইখন নিজেই ভাজিছিল। ঠাকুৰে পহুমাংসৰ বিধ বিধ ব্যঞ্জন তৈয়াৰ কৰিছিল। এটা লোভনীয় গোন্ধ অৱনীৰ নাকত সোমাল। সি ভিতৰ সোমাই পীৰা এখন পাৰি লৈ মাকৰ ওচৰতে বহিল।

পিৰিযেকৰ লুচিকেইখন বেলেগে ৰাখি মাকে অৱনীকো কেইখনমান দিলে আৰু ঠাকুৰে পহুমাংসৰ ভাজি এবাটিও দিলেহি।

আই, এইবোৰ এতিয়া পেটত ভৰালে ভাতনো কেনেকৈ খাম আৰু।" অৱনীয়ে কপট ভয়েৰে ক'লে।

"তহঁতৰ এই বয়সত শিলো হজম হয়। পাগ যেন পাতল লুচিকেইখন খালে একো অপকাৰ নহয়।"

অৱনীয়ে কোনো প্ৰতিবাদ নকৰিলে। সি একান্ত বাধ্য ল'ৰাৰ দৰে খাবলৈ ধৰিলে। মাজে মাজে জুইৰ ওচৰত থকাৰ কাৰণে ৰঙাপৰা মাকৰ মুখখনলৈ চায়। দময়ন্তীৰ বয়স এতিয়াও চল্লিশৰ তলত। অৱনীয়েই প্ৰথম আৰু একমাত্ৰ সন্তান। ষষ্ঠীদেৱীৰ

উদাৰতাৰপৰা বঞ্চিত হোৱাৰ ফলস্বৰূপে তেওঁৰ স্বাস্থ্য অটুট হৈ আছে। গাৰ বং ভক ভক কৰে বগা। শৰীৰ আটিল আৰু সুঠাম। মুখখনিত এটি কমনীয়তা আছে। দেখিলে ভক্তি ওপজে। তেৱেঁই যে ৰায়চাহাবৰ ঘৰখনত চঞ্চলা লক্ষ্মী আইক অচলা কৰি ৰাখিছে তাত সন্দেহ নাই। ৰায়চাহাবে তেওঁক উপযুক্ত মৰ্য্যাদা দিছে, কিন্তু কাক-বন্ধ্যা বুলি কেতিয়াবা খুওব ভমকত তিৰস্কাৰো কৰিবলৈ নেপাহৰে।

কিন্তু অৱনী অকলেই এশৰ সমান। সি কুলৰ প্ৰদীপ। অকামিলা, এলাইবাদু সন্তান এসোপামান হোৱাতকৈ বংশৰ নাম উজ্জ্বল কৰিব পৰা একেটি সন্তানেই ভাল। 'হিতোপদেশ' 'পঞ্চতন্ত্ৰ' আদি পুথি ৰায়চাহাবে পঢ়া নাই যদিও নিজ বুদ্ধিৰেই এইটো কথা বুজি পায়। সেইকাৰণে অসংযত মুহূৰ্তত কেতিয়াবা মুখৰপৰা এনে অশোভনীয় শব্দ বাহিৰ হ'লে তাৰ পিছতেই অনুতাপ কৰে আৰু ঘৈণীয়েকৰ ওচৰত ক্ষমা বিচাৰে। দময়ন্তীৰ মুখখনি এটি অনিন্দনীয় হাঁহিৰে উদ্ভাসিত হোৱা দেখিলেই ৰায়চাহাবে বুজি পায় যে ঘৈণীয়েকে তেওঁক ক্ষমা কৰিছে।

এনে এগৰাকী দেৱীতুল্যা নাৰীৰ সমুখত বহি লুচি খাই থাকোঁতে অৱনীয়ে উপলব্ধি কৰিছিল যে সি মাকক প্ৰৱঞ্চনা কৰিছে। তাৰ কীৰ্তি-কলাপ মাকৰ অবিদিত। কলিকতাত থাকোঁতেই সি বিহ-বিৰিখৰ বীজ সিঁচিবলৈ আৰম্ভ কৰিছিল। সেই বিলাকে যে কেতিয়াবা মাক-বাপেকৰ কাণত মৌ নবৰ্ষিবহি তাৰনো কি ইয়ত্তা আছে ? হয়তো এদিন সকলো ওলাই যাব, তাৰ প্ৰকৃত পৰিচয় সকলোৱে জানিব পাৰিব। সেইদিনা ৰায়-চাহাবে লাজ-অপমানত তলমূৰ কৰি গুমৰি থাকিব আৰু মাকে গোসাঁইঘৰত সোমাই হিয়া ভুকুৱাই কান্দিব।

অৱনীৰ নিজকে বৰ দোষী দোষী যেন লাগিল। তাৰ খোৱা আপোনাআপুনি বন্ধ হৈ গ'ল। মাকে সকলো লক্ষ্য কৰি আছিল। তেওঁ উৎকণ্ঠাৰে সুধিলে,

"অৱন, তই কি চিন্তা কৰি আছ, খাবলৈ দেখোন এৰি-লিয়েই ?"

"আই, তোমালোকৰ বোজা হৈ থাকি আমনি লাগিছে।

কাম-কাজ নোহোৱাকৈ এইদৰে কিমান দিন থাকিম। চাকৰি পাম বুলি পতিবলৈও নগলোঁ। এতিয়া কোনদিনা ক'ত কি কৰোঁ তাৰ ঠিকনা নাই। হয়তো বংশৰেই এটা কলঙ্ক হম।"

অৱনীৰ অৱচেতন মনৰপৰা এই কথাবিলাক আপোনা-আপুনি ওলাই আহিছিল।

মাকে চক্‌খাই উঠিছিল। তেওঁ পুতেকৰ মুখখন সূক্ষ্মভাৱে চালে। তেওঁ অভাৱনীয় কিবা চিন এটা যেন দেখিব'ল পালে। শঙ্কিত চিত্তেৰে দময়ন্তী দেৱীয়ে ক'লে,—

"অৱন, তই এতিয়া ডাঙৰ হৈছ। বহুত পঢ়াশুনাও কৰিলি। ভাল-বেয়া পাপ-পুণ্য বিচাৰ কৰিব পাৰ। নিজকে চম্ভালি চলিবি। মই ভালকৈ বুজি পাইছোঁ তই কিবা কাৰণে অস্থিৰ হৈ পৰিছ। মই সেইবিলাক খুচৰিবলৈ নেযাওঁ। মাত্ৰ ইয়াকে কৈছোঁ, মই যিমানদিন জীয়াই আছোঁ তোৰ একো অনিষ্ট নহয়। মই মৰাৰ পিছত সাৱধান হবি।'

মাকৰ চকু দুটি সজল হৈ পৰিল। অৱনীয়েও স্থিৰ হৈ থাকিব নোৱাৰিলে। মাকৰ সাৱত মাৰি ধৰি সিয়ো সৰু ল'ৰাৰ দৰে ফেকুৰি উচুপি উচুপি কান্দিলে, চকুপানী টুকি মন-টোত অলপ শান্তি পালে।

এনেতে ৰায়চাহাবৰ গলখেকাৰি শুনা গ'ল। অৱনীয়ে মাকৰ বুকুৰ মাজৰপৰা ওলাই আহি বাপেকে নেদেখাকৈ মনে মনে নিজৰ কোঠালৈ গুচি গ'ল।

উত্তপ্ত স্নায়ুমণ্ডলীক শীতল আৰু শান্ত কৰিবৰ কাৰণে ৰায়চাহাবে কানিৰ গুলী এটি গলাধঃকৰণ কৰি বিছনাত পৰিল, বহুদিনৰপৰা বিশেষকৈ ধনী হ'বৰপৰা তেওঁ অনিদ্ৰা ৰোগত ভুগি আহিছে আৰু সেইকাৰণে তেওঁ মাজে মাজে ৰাতি মাটিমাহ এটাৰ সমান ওজনৰ কানি সেৱন কৰে। অৱশ্যে সময় পাৰ হৈ যোৱাৰ লগে লগে মাটিমাহটোৱে এতিয়া বুট মাহ এটিৰ আকৃতি ধাৰণ কৰিছে। আজিকালি পাণ-তামোলৰ দোকানতো বিধে বিধে স্লিপিং টেবলেট, ট্ৰেঙ্কুইলাইজাৰ পায়, কিন্তু তেতিয়া এইবিলাক বৰ্হি সহজলভ্য নাছিল, প্ৰচলনো আছিল নিচেই কম। মানুহে দিনৰ দিনটো পৰিশ্ৰম কৰি সাঁজ লাগোঁতেই পঁইতা

কৰকৰা যিহকে পায় তাৰেই নটিভৰাই শোতলীত বাগৰ দিয়া মাত্রকেই টোপনিত লালকাল হৈছি । ৰায়চাহাবৰ দৰে ডাঙৰ মানুহৰ লগত নিদ্ৰাদেৱীয় লুকাভাকু খেলিছিল হয়, কিন্তু ডাঙৰ মানুহে তেওঁক বশ কৰাৰ কৌশলো এয়াও ধৰি ৰৈছিল ।

পতিকে ৰায়চাহাবে ৰাতি টোপনি খতি কৰিব লগা নহ'ল । পিছদিনা দোকমোকালিতে উঠি নগৰ যাত্রা কৰিব লাগে । ৰাতি টোপনি নধৰিলে জানোচা শৰীৰ দুৰ্বল হয় এই ভয়তে তেওঁ এই মাদক দ্রব্যটি সেৱন কৰিলে । খানাৰ জালত তেওঁ ওৰে ৰাতি ছেও দিয়া গধৰ কাঠ এডালৰ দৰে পৰি থাকিল ।

কিন্তু ব্রহ্মমুহূর্ততে তেওঁ সাৰ পালে আৰু চিঞৰি-বাখৰি হুলস্থূল কৰি সকলোকে জগাই দিলে । অৱশ্যে দময়ন্তী দেৱীয়ে তেওঁতকৈ আগতেই উঠি পা-ধবৰ কাৰণে ডাঙৰ কেৰাহি এটাত পানী তপতাই আছিল । সংবাদে দাৰাভাৰী বেইটোক গাড়ি আনিবলৈ চাপলি মেলিছিল ।

সূৰ্য্যোদয়ৰ লগে লগে ৰায়চাহাবৰ উনাযাত্ৰা আৰম্ভ হ'ল । সেইদিনা মঙ্গলবাৰ পতিকে ৷৷৩৮ দুৰাতে যাব লাগে বুলি ভণীৰখে ভিনিহিয়েকক সকিয়াই থৈছিল ।

গোটেই ঘৰখনত খদমদম লগাত অৱনীয়েও সচৰাচৰত'ক সোনকালে সাৰ পালে। পুৱাৰ চিকুণ টোপনিৰ মায়া এৰি সিয়ো উঠি আহিল আৰু মুখ-হাত ধুই মা'ক যতনাই দিয়া চাহ-জলপান খালে।

জুৰাইৰ পুতেকৰ নৰিয়া চাবলৈ ডাক্তৰ মাতিবলৈ যাব লগা কথাটো তাৰ মনত পৰিল। ডাড়ি খুৰাই কাপোৰ কানি পিন্ধি ফিটফাট ফুল-বাবুটি হৈ সি ফটিকক বিচাৰি গ'ল।

কিন্তু ফটিক ফান্দী নাই। পখিলী বান্ধি থোৱাতে আছে। মানুহটো নাই। অৱনীয়ে তাৰ অনুসন্ধান কৰিলে। কিন্তু ফান্দী নোলাল। কোনেও তাৰ কথা ক'ব নোৱাৰিলে। সি থকা বহাটোৰ দুৱাৰখন ৰচী এডালেৰে বান্ধি থোৱা আছে। খোটপাট মানুহটো ক'তনো নিখোঁজ হ'ল অৱনীয়ে ভাবি নেপালে। তেতিয়া সংৰাম নেপালী গাঁৱলৈ যাবলৈ ওলাইছিল। অৱনীয়ে সোধাত সিয়ো একোৱে ক'ব নোৱাৰিলে। কিন্তু তাৰ মুখখন দেখি চালাক ৰায়চাহাবৰ পুত্ৰই সন্দেহ নকৰি নোৱাৰিলে যে ক'ৰবাত কিবা এটি কেণা লাগিছে। সংৰামে যে সঁচাকথা কোৱা নাই তাৰ বুজিবলৈ সৰহ সময় নেলাগিল। যি নহওক, অনুসন্ধান পৰিত্যাগ কৰি সি নতুন চাইকেলখনকে উলিয়াই ললে। হাৰকিউলিছ চাইকেল। ৰায়চাহাবে জিলাৰপৰা আনি দিছে, অৱনীৰ ব্যৱহাৰৰ বাবেই। আলিবাটটোত বৰ ধূলি কাৰণে সি চাইকেলখন পৰাপক্ষত নচলায়। ৰায়চাহাবৰ আস্তাবলত ঘোঁৰা এটাও আছে। কিন্তু ঘোঁৰাটো থানাৰ দাৰোগাই খুজি লৈ গ'ল। পুলিচে বস্তু লবহে জানে, দিব নেজানে। এমাহৰ ওপৰ হ'ল, ঘোঁৰাটো ঘূৰাই দিবলৈ দাৰোগাৰ মনত নপৰিল।

অৱনীৰ পেটে পেটে বৰ খং উঠিল। দাৰোগাটোক এশিকনি দিবলৈ তাৰ বৰ মন গ'ল। কিন্তু সদ্যহতে চাইকেলত যোৱাৰ বাহিৰে অন্য উপায় নাই। জয়ৰাম বা গিৰিধাৰীৰ হাতীত সি নুঠে। তদুপৰি ফটিকৰ লগত তাৰ অলপ গোপন কথাও আছিল।

সি মাকক মাত লগাই চাইকেলতে মইনাজুলিলৈ যাত্রা কৰিলে। মেকেঞ্জী চাহাবৰ বাগিচাখনৰ নামেই মইনাজুলি। তাতে বঙালী ডাক্তৰ এজন থাকে। নাম পৰিতোষ ৰায়। ওচৰে-পাজৰে অন্য ডাক্তৰ নথকাত ৰায় ডাক্তৰৰ চৰণতে টানে-আপদে শৰণ লবলগীয়া হয়। ৰায়চাহাবৰ লগত ডাক্তৰৰ ঘনিষ্ঠতাও আছে। গতিকে অৱনীয়ে মাতিলে ডাক্তৰ নহা'কৈ নেথাকে।

বাগানলৈ বেছি বাট নহয়। চাৰিমাইলমান হ'ব পাৰে। কেঁচা ৰাস্তাৰে তিনিমাইলমান গৈ অৱনী'য় বাগানৰ চৌহদ পালেগৈ। বাগানৰ মাজৰ বাটছোৱা ভাল 'পাৰা কয়লা গুৰি মাজে-সময়ে ছটিয়াই থকাৰ কাৰণে ধূলি-বালি নাই। তদুপৰি ওখোৰা 'মাখোৰাও নহয়। ৰাস্তাটোৰ দুয়ো দাঁতিয়ে কাঁটা তাঁৰৰ বেৰা, তাৰ সিপাৰে শাৰী শাৰী চাহগছ বহদূৰ জুৰি বিস্তৃত। চাহনিৰ মাজে মাজে শিৰীস আদি ছাঁ দিয়া গছ। চাহগছবোৰ অলপ দিনৰ আগতে কলম দিয়া হৈছে। কুঁহিপাত ওলাবলৈ দিন আছে। গতিকে অৱনীয়ে কেচাপাতৰ গোন্ধটো নেপালে। বৰষুণ আৰম্ভ হোৱাৰ লগে লগে নতুন পাত ওলাব, বাগানখন সেউজীয়া দলিছাখনৰ দৰে হ'ব। কেঁচাপাতৰ মাদকতা-সনা গোন্ধেৰে আমোল-মোলাই থাকিব। কিন্তু এতিয়া গোটেইখন শুকান। পোৰা কয়লাৰ দৰেই শুকান।

অৱনীৰ চাইকেলৰ গতি খৰ হ'ল। চকাৰ লগত ঘঁহনা খাই কয়লাৰ গুৰিবিলাকে আৰ্তনাদ কৰিবলৈ ধৰিলে। কিবা এটা অজান আশঙ্কাত অৱনীৰ বুকুখনেও ধপধপাবলৈ ধৰিলে। সি দূৰৰপৰাই মেনেজাৰৰ বঙলাটো দেখা পালে। মেনেজাৰৰ বঙলালৈ সোমাই যোৱা বাটটোৰ দুয়োকাষে ওপৰলৈ ক্ৰমাৎ জোঙা হৈ যোৱা নাহৰ গছৰ শৃঙ্খলাবদ্ধ শাৰী। ৰাস্তাটোত ইটাৰ গুৰি চালি দিয়া হৈছে, যেন ৰবচাহাবৰ কাৰণে ৰঙা কাপেট পাৰি থৈছে। কলঘৰ, বাবুলাইন আদি পাৰ হৈ 'গ সি এমুৰীয়াকৈ থকা আস্পাতালখন পালেগৈ।

আস্পাতালৰ গেটখন খুলি সি ভিতৰ সোমাই পুনৰ গেট-খন বন্ধ কৰিলে আৰু চাইকেলখন কৃষ্ণচূড়া এজোপাত আঁউজাই থলে। আটোম-টোকাৰিকৈ ৰখা ধুনীয়া লনখনৰ মাজে মাজে

বিধে বিধে নানা ৰঙৰ মৌচুমী ফুল। বেৰবিলাকৰ চাৰিওফালে কোণীয়াকৈ পুতিদিয়া ইটাৰ টুকুৰা ইটাৰ টুকুৰাবিলাক বগা, চূণ দিয়া কাৰণে। ফক্স কাণেশ্যন ডায়েন্থাছ আদি ফুলৰ বৰ্ডাৰৰ মাজত ডালিয়া হলিহক আদি ফুল। ৰাধাচূড়া কৃষ্ণ-চূড়া, মেণননিয়া, ৰক্তকৰবী থুজা আদি গছো আছে। আস্পাতালৰ বাৰাণ্ডাৰ ওচৰত নিয়াৰিকৈ ৰোৱা গোলাপ ফুলৰ শাৰী। নানা বৰণীয়া গোলাপ ফুলি জাতিস্কাৰ হৈ আছে।

ফুলনিখনৰ মাজেদি গৈ থাকোঁতে অৱনীৰ মনটো শান্ত হ'ল। সি এখুজি দুখুজিকৈ গৈ ডাক্তৰৰ কোঠাটো পালেগৈ। তাক দূৰৰপৰা দেখা পায়েই ডাঃ ৰায়ে পৰম উৎসাহেৰে মাত লগালে, 'এই যে অৱনীবাবু, কেমন আছ ? তোমাদেৰ বাড়ীতে সবাৰ মঙ্গলতো ?"

ডাক্তৰ বাবুৱে নিশ্চিতভাৱে ধৰিব পাৰিছিল যে কাৰোবাৰ অসুখ-বিসুখ নহ'লে অৱনীয়ে তেওঁক আস্পাতালত লগ ধৰিবলৈ নেযায়। আৰু অসুখ হ'লে অৱনীৰ ঘৰতেই হ'ব লাগিব। নহ'লে সি নিজে নাহে। কিন্তু ডাক্তৰৰ উৎসাহত চেঁচাপানী চালি সি ক'লে, "নমস্কাৰ ডাক্তৰ ৰায় আমাৰ ঘৰত সকলোৰে ভাল। পিছে গ'ৱৰ ল'ৰা এটাৰহে অসুখ। আপুনি মোৰ লগতে যাব লাগে। সেউতাই আপুনি নগ'লেই নহয় বুলি ক'ক পঠিয়াইছে।"

ডাক্তৰ অলপ নিৰাশ হ'ল। তথাপি ৰায়চাহাবে মাতিবলৈ কৈছে বুলি জনোৱাত নিশ্চিন্ত হ'ল। ফীজটো নহেৰায়। তেওঁ অৱনীক ক'লে, "বাৰু তুমি আমাৰ ঘৰলৈকে গৈ অলপ বহাগৈ। মাসীমাৰ লগত গম্প চম্প কৰিবা। মোৰ কাম বহুতো বাকী আছে। এঘণ্টামান লাগিব। তাৰ পিছত একেলগে যাম।"

ডাক্তৰণীৰ লগত অৱনীৰ চিনাকি আছে। ঘৰলৈ গ'লে তেওঁ শুদামুখে নপঠায়। ইমানদূৰ চাইকেল মাৰি তাৰ চাহ একাপ খাবৰ মনো গৈছিল। সি ডাক্তৰৰ ঘৰলৈ যাবলৈ অলপো সঙ্কোচবোধ নকৰিলে।

খন্তেক পিছতে সি ডাক্তৰৰ বঙলাৰ সমুখত চাইকেলৰ

পৰা নামিল। বাহিৰৰ দুৱাৰখন খুলি থোৱাই আছিল। পদাধন আঁতৰাই সি ভিতৰলৈ সোমাই। ভিতৰত নতুনতা বিস্ময় তাৰ বাবণে ৰ আছিল।

"অৰুণদা তুমি এখানে?" নাৰীকণ্ঠৰ বিস্ময় আৰু উত্তেজনা-মিহলি চিঞৰ। অৰুণী চক খাই উঠিল। কাঠাটোৰ চুকত এজনী ছোৱালীয়ে নিবিষ্ট মনেৰে কিতাপ এখন পঢ়ি আছিল। অৰুণীৰ খোজৰ শব্দত তাই মূৰ তুলি চালে। তেতিয়াই তাই খোজ মাৰি বিয় হৈ অৰুণীক দেখি অতি আচৰিত হৈ পুনৰ চিঞৰি উঠিল, 'অৰুণদা তুমি এখানে?'

চিনাকি কণ্ঠস্বৰ। হঠাৎ অৰুণীৰ বুকুখনে ধান বানিবলৈ ধৰিলে। যদিও সি অতি কষ্টেৰে নিজকে সংযত কৰি ছোৱালী-জনীৰ ফালে চাই ... 'আৰে নমিতা, এখানে! তুমি ইয়াত' কনেকৈ আহিলা?'

ছোৱালীজনীৰ নাম নমিতা ওঝা। উনৈশ বছৰমান বয়স হ'ব। তাইৰ ৰংটো উজ্জ্বল শ্যাম বৰ্ণ, সাধাৰণ ভাষাত ক'লা। কিন্তু স্বাস্থ্য নিখুঁত, দেহ নিটোল, গঢ়-গতি কমনীয়। তাৰ যৌৱনে তনুশ্ৰী আকৰ্ষণীয় কৰি তুলিছিল।

অৰুণীৰ হঠাৎ দেখা পাই নমিতাৰ মুখ স্মৃতি হৈ পৰিছিল। তথাপি তাই ধীৰভাৱে ক'লে, অৰুণদা তোমাক নাপোৱা হ'লেই ভাল আছিল। কিন্তু ভগৱানৰ ইচ্ছাৰ বিৰুদ্ধে কোন যাব পাৰে। নিতান্ত আকস্মিকভাৱেই পুনৰ আমাৰ যোগাযোগ ঘটিল। কোনে জানে ইয়াৰ কি ফল হয়?

ইতিমধ্যে অৰুণীয়ে মনোবল ঘূৰাই পাইছিল। সি অতি সহজভাৱেই এই পৰিবেশটো গ্ৰহণ কৰিলে। সি অবিচলিতভাৱে উত্তৰ দিলে 'ভগৱান বোলা ভদ্ৰ লোকজনক আনি-আজুৰি জড়িত কৰিছা কিয়? তোমাৰ মোৰ নিচিনা কোটি কোটি জীৱই এই পৃথিৱীখনত উঠিবলা-ঘৰলাই কৰিছে। আমাবোৰলৈ চকু দিবলৈ তেওঁৰ সময় ক'ত?"

ভগৱানক লৈ ৰসিকতা নকৰিবা, অৰুণদা, তেওঁৰ অগোচৰ একোৱেই নাই। নিশ্চয় তেওঁৰ কিবা মতলব আছে। সেইকাৰণেই আজি অতি অপ্ৰত্যাশিতভাৱে তোমাক ইয়াত দেখা পালো। এই

পাহৰবৰ্জিত বাগানখনলৈ আহিছিলা অন্ততঃ কইটামান দিন শান্তিত কটালো। কিন্তু তাতো বিধাতাই বা... সাধিলে।

নমিতাৰ কথাত অৰুণী ... হ'ল। যদিও সি অতি-নম্ৰৰ ... নমিতা ... তোমাৰ লগত ... হ'ল। ... সময় বহি বলৈকে নহ'লা। আৰু ... এই টোমান সময় অপেক্ষা কৰিব'ল ... । তুমি ... সেইখিনি সময় খিয় হৈয়ে পাৰ কৰি দিয়া ... নহয়। ... মই নিজে নিজেই আসন গ্ৰহণ কৰিছো ... উপস্থিতি ... যদি তোমাক আমনি দিছে ... তুমি ... আৰু মাহীমাক মই আহিছো বুলি অন্ততঃ খবৰটো দিয়া।"

অৰুণীয়ে ... নমিতা। কিন্তু ভিতৰ সোমাই নগ'ল। তৰো পুনৰ ... আৰু অৰুণীৰ ... চাই ক'লে 'অৰুণদা তোমাৰ ... । কলিকতাত ঘটি যোৱা সেই ... তুমি কিছু ... যাবা বুলি মোৰ ধাৰণা আছিল। কিন্তু তুমি মোৰ সেই ধাৰণা ভ্ৰান্ত বুলি প্ৰমাণ কৰিলা। তোমাৰ উদ্দাম দুৰন্ত, দুদমনীয় মনোভাৱ আগৰ দৰেই প্ৰবল হৈ আছে। বহাগৰ ধুমুহাৰ দৰেই সন্মুখৰ সকলো বাধা-বিঘিনি উৰুৱাই নিয়াৰ শক্তি তোমাৰ প্ৰাণত অব্যাহত হৈ আছে। কিন্তু ইংৰাজীত প্ৰথম শ্ৰেণীৰ অনাৰ্ছ লৈ বি, এ, পাছ কৰি কিয় এইদৰে বহি আছা? এম এত নাম নলগালা কিয়?"

"নমিতা, তুমি ভালকৈয়ে জানা কলিকতালৈ মই উভতি যোৱা সম্ভৱপৰ নহয়। মনত মোৰ যথেষ্ট জোৰ থাকিব পাৰে। কিন্তু সেইবুলি প্ৰাণৰ মায়া ত্যাগ কৰিব পৰা বৈৰাগ্য মোৰ এতিয়াও অহা নাই। 'The better part of valour is discretion'—ফলষ্টাফৰ দৰে মই কাপুৰুষ নহয়, তথাপি সুনিশ্চিত বিপদৰ মাজত সোমাই পৰা মোৰ নীতি নহয়।'

"নীতি, নীতি! চোৰৰ মুখত ৰাম নাম। অৰুণদা, নীতি শব্দটো অন্ততঃ তোমাৰ মুখত শোভা নেপায়। অৰুণো ডনজুৱান বা কেছানোভাৰ যদি কোনো নীতি আছে, তেন্তে

তোমাৰো তেনে কিবা নীতি থাকিব পাৰে। তেনে নাৰকীয় নীতিৰ নামত তুমি কাৰ কিমান সৰ্বনাশ কৰিলা মনত পেলোৱাচোন। তপতী বাণী মায়া শৰ্মিলা নামৰ পাঁচজন কেইজনীক ইমান সোনকালেই পাহৰিলানে? মই কওঁ শুনা—তপতী, মায়া আৰু বাণী তিনিওজনীৰ nervous break down তোমাৰ কাৰণেই নাছিল, তোমাক ভাবিয়েই দিন কটাব লগা হ'ল। কিন্তু শৰ্মিলাৰ এতিয়া বিয়া হৈ গৈছে ডাক্তৰ এজনৰ লগতে। সকলো জানি-শুনিয়েই ডাক্তৰে শৰ্মিলাক গ্ৰহণ কৰিছে। তেওঁ অসমত চাকৰি কৰিবলৈ কেতিয়াবা আহিব পাৰে। তেতিয়া হয়'তো তোমাৰ লগত দেখাদেখি হ'ব। শৰ্মিলাক মই শ্ৰদ্ধা কৰো। তাইৰ মনোবল আছে। তুমি তাইৰ যথেষ্ট ক্ষতি কৰিলা, কিন্তু তাই শেষ হৈ নাগল। অতীত স্মৃতিবিলাক মনৰ পৰা মোহাৰি, তাই নতুনকৈ সংসাৰ এখন পাতিবলৈ চেষ্টা কৰিছে। কিন্তু বাকী তিনিজনী ছোৱালীৰ তুমি কিমান অনিষ্ট কৰিলা ভাবি চাইছানে। সিহঁত আজি জীয়াই মৃত। সিহঁতৰ আত্মীয়-পৰিজন যিসকলে এদিন তোমাক অতি সহজ-সৰলভাৱে আদৰি লৈছিল তোমাৰ ওপৰত প্ৰতিশোধ লবলৈ সঙ্কল্পবদ্ধ।'

'নমিতা, তুমি মোক দোষাৰোপ কৰি বহুত কথাই শুনালা। কিন্তু এটা কথা ভাবি চাবা মই অনাহূতভাৱে সিহঁতৰ মাজলৈ যোৱা নাছিলো। বহুত ঘটনা ঘটি গ'ল। তাৰবাবে মই অনুতাপ কৰা নাই। কিন্তু ছোৱালী কেইজনীৰ পৰিণতিয়ে মোৰ অন্তৰ স্পৰ্শ কৰিছে।''

যদিহে তোমাৰ অন্তৰ এখন আছে, অৰুনদা, তুমি মোক হুঁহুৱালা। অন্তৰ নামৰ পদাৰ্থ এটা তোমাৰ মাজত নাই। তুমি হৃদয়হীন স্বাৰ্থপৰ, নিৰ্লজ্জ পিশাচ।''

''কোন পিশাচ অ' নমিতা, কাৰ লগতনো কথা পাতিছ?'' ডাক্তৰণী হঠাতে ভিতৰৰপৰা ওলাই আহিল। 'অ' অৰুনী, তুমি কেতিয়া আহিলা? নমিতাৰ লগত চিনাকি আছে নেকি? কি কথানো পাতিছা?''

অৰুনীয়ে উত্তৰ দিয়াৰ আগতে নমিতাই মাত লগালে, ''মাহীমা, অৰুনদা কলিকতাত আছিল নহয়। তেতিয়াই আমাৰ

চিনাকি। আমি ভূত-পিশাচৰ কথা পাতি আছিলো। অৰুনদা-হঁতৰ ঘৰলৈ যোৱা বাটৰ কাষতে এজোপা আঁহত গছ আছে। তাত হেনো ভূত-পিশাচ ওলায়। মই হলে এইবোৰ বিশ্বাস নকৰো। মানুহতকৈ ডাঙৰ পিশাচ কোনো নাই।'

এ' কেই শ্ৰেণীমান পঢ়ি তই একেবাৰে মেমচাহাব হৈ গলি? ভূত-পিশাচ নেমান? আমাৰ এইবোৰ আই হাবি-জংঘলবে ভৰা। ইয়াত এনেদৰেও বহুত আছে বুজিছ বহুত আছে। ৰবৰৈ ফুটনি নকৰিবি। তেওঁলোকে দায় দোষ ধৰিব পাৰে। বাৰু অৰুনী তুমি বহা আৰু এই পাগলীজনীৰ লগত থাকে থাকা। মই চাহ কৰোগৈ।'

ডাক্তৰণী ভিতৰলৈ সোমাই গ'ল। অৰুনায় নমিতালৈ চাই মিচিকিয়া হাঁহি এটি মাৰিলে। এইটোৱেই তাৰ পাশুপাত অস্ত্ৰ। এই হাঁহিয়ে বিভিন্নলোকৰ অন্তৰত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বয়সীয়ালবিলাক গলি যায় সকলো বা-ছোৱালী বিলাক মুগ্ধ হয়। কিন্তু এজনী পাঠকৰ অন্তৰত এই হাঁহিৰ প্ৰভাৱ অসামান্য। তাই নিজৰ অস্তিত্ব পাহৰি যায়, দুৰ্বোধ্য এক উত্তেজনাৰ জোৱাৰে তাইক উটুৱাই লৈ যায়। আত্মনিবেদনৰ এক অনিৰ্বান শিখাই তাইক দাহ কৰে। ব্যক্তিত্ব আত্মসন্মান আৰু অহমিকাক জলাঞ্জলি দি তাই জুইক খেদি যোৱা চগাৰ দৰে আত্মাহুতি দিয়ে।

এই ভুবনবিজয়ী হাঁহিৰ লগত অভ্যস্ত যদিও নমিতাই ইয়াৰ অৱৰ্ণনীয় আকৰ্ষণ প্ৰতিৰোধ কৰিব নোৱাৰিলে। তাই হাঁহিৰেই তাৰ উত্তৰ দিলে। তাইৰ সকলো ৰাগ ঈৰ্ষা অভিমান বতাহৰ লগত মিলি গ'ল।

অৰুনীয় সকলো লক্ষ্য কৰি আছিল। নমিতাৰ এই ৰূপান্তৰ তাৰ চতুৰ চকুত ধৰা পৰিল। এতিয়া কণ্ঠস্বৰত সকলো সুষমা আৰু মাধুৰ্য ঢালি সি মাতিলে, 'নমি—'

"অৰুনদা —'

তোমাৰ অন্তৰখন মোৰ দৃষ্টিত স্বচ্ছ হৈ পৰিছে নমিতা।"

'আগতে দেখা পোৱা নাছিলা জানো?"

দেখিছিলো, কিন্তু সেই দৃষ্টি আছিল কামনাৰে ৰঙীন। তাত আছিল স্বাৰ্থপৰতাৰ কালিমা। অপৰিণামদৰ্শী অহমিকাৰ

এক ক'লীয়া ছাঁ। স্বচ্ছতাৰ অভাৱত সি পঙ্কিল হৈ পৰিল, কিন্তু তুমি মোক বুজিব পাৰিছিলা। সেই কাৰণে নিৰাপদ দূৰত্বলৈ আঁতৰি গ'লা। যাৰ দোৱাৰিলে তপতী ৰীতাহঁতে। তপত আঙঠাত সিহঁতে ঘিউ ঢালি দিলে। সেই জুইত সিহঁত জাহ গ'ল।

'কিন্তু তোমাৰতো কোনো পৰিবৰ্তন নহ'ল।'

চোৱা নমিতা, দহনেই অগ্নিৰ অস্তিত্ব ৰক্ষা কৰে। দাহ্য পদাৰ্থৰ অভাৱত জুইকুৰা হয়তো নুমাই যায়। কিন্তু সুবিধা পালেই সি পুনৰ জ্বলি উঠে।'

নমিতা বিস্মিত হ'ল। অহঙ্কাৰ আৰু প্ৰচণ্ড আত্মবিশ্বাসৰ অভেদ্য প্ৰাচীৰৰ মাজত সুৰক্ষিত হৈ থকা আকৰ্ষণীয় ব্যক্তিত্বৰ এই সুদৰ্শন ডেকাজনৰ হৃদয় বুলি এটা বস্তু একেবাৰে নাই নেকি? অতীত জীৱনৰ অপকৰ্মৰ বাবে যাৰ একদমানো অনুতাপ নাই, যি পুনৰ নিৰ্বিকাৰভাৱে অনুৰূপ দুঃসাহস কৰিবলৈ কিঞ্চিতো দ্বিধাবোধ নকৰে সেইটো কোন ধৰণৰ মানুহ। তাই অন্তৰৰ দুৰ্বলতাখিনি বিসৰ্জন দি কঠোৰভাৱে ক'লে 'অৱনদা, তোমাক মই আজিহে সম্পূৰ্ণভাৱে চিনি পালোঁ। তুমি যদি মোক দাহ্য পদাৰ্থৰূপে ব্যৱহাৰ কৰিব খুজিছা তেন্তে সেয়া তোমাৰ দুৰাশাৰ বাহিৰে একো নহয়। এই মুহূৰ্তৰপৰা তোমাক মই ঘৃণা কৰিছোঁ। তোমাৰ লগত মই সম্পৰ্ক ৰাখিব নোখোজোঁ। তোমাৰ উশাহ-নিশাহতো বিষ আছে। তুমি যোৱা মই আহিলোঁ।'

নমিতা উচাপি সোঁ দিশে ঘূৰি খৰকৈ আগবাঢ়ি গ'ল। অৱনীয়ে এনেকৈ চাই থাকিল। বহুত নাৰীয়েই তাৰ আগত এনেকুৱা চান কথা উচ্চাৰণ কৰি তেজ দেখুৱাইছে। কিন্তু শেষত সি অলপো দমি নেযায়। কাৰণ নাৰীক বশ কৰিব পৰা শক্তি তাৰ হাতত আছে। নমিতাৰ এই তেজস্বিনী ৰূপ দেখি তাৰ ভাল লাগিল।

সি হাঁহি এটা মাৰিলে। সহজলভ্য নাৰীৰ প্ৰতি সি আকৃষ্ট নহয়। সেই কাৰণেই সি ৰঞ্জনৰ লগত হোৱা ঘটনাটোৰ কাৰণে, এক অসতৰ্ক মুহূৰ্তৰ দুৰ্বলতাৰ কাৰণে নিজকে ক্ষমা কৰিব পৰা নাছিল। ফটিক কান্দীৰ ওপৰতো তাৰ খং উঠিছিল। এই কান্দীয়েই ষড়যন্ত্ৰৰ ঘাই। সিয়েই তাক এই অবাঞ্ছনীয় পৰিস্থিতিৰ লগত জড়িত কৰি পৰোক্ষভাৱে তাৰ পুৰুষত্বক অৱমাননা কৰিলে। বাকী

দেখা যাব কৰ পানী ক'লৈ যায় ।

এই দৰে সি গুণাগঁথা কৰি থাকোঁতেই ডাক্তৰণীয়ে এহাতে মিঠাইৰ থাল এখন আৰু আনটো হাতত চাহ একাপ লৈ ওলাই আহিল । তেও সৰু টিপয় এখনত সেইবিলাক ৰাখি অবনীক ক'লে অবনী চাহ খোৱা । নমিজনা নামৰ কোনো ছোৱালী [illegible] তোমাৰ ঘৰলৈ এৰি [illegible] বিছনাত পৰিলহি । দেখোন ।

অবনীয়ে কথাটো পাতলে ৰখিবৰ কাৰণে [illegible] সীমা নমিতাৰ লগত ভূতৰ বিষয়ে তৰ্ক হৈছিল । [illegible] বুলি কওঁ তেওঁ নেমানে । এতিয়া শংকা উঠি ভিতৰলৈ যাব নোৱাৰে । '

"ভূত-পিশাচৰ কথানো কিয় পাতিব লাগিছে ? [illegible] বাহিৰে আৰু আন কথা নোহোৱাই হ'ল'নে ? [illegible] আজিকালিৰ ল'ৰা-ছোৱালীবোৰ হ'ল আৰু । কিমান দিনৰ মূৰত দেখাদেখি । তথাপিও কথা বাতাৰ ধৰণবোৰ চোৱা ।

সৰলচিতীয়া ডাক্তৰণীয়ে ভোৰভোৰাই পুনৰ ভিতৰলৈ গ'ল । অবনীৰ ওঁঠত আকৌ হাঁহি বিৰিঙিল । সি চাহ-মিঠাই খাই শেষ কৰোঁতেই ডাক্তৰ বায়ো আহি উপস্থিত হ'লহি । চাহ-জলপান খাই তেওঁ চাইকেল এখন লৈ অবনীৰ লগত যাবলৈ ওলাল আৰু দুপৰীয়াৰ সাজ ৰায়চাহাবৰ ঘৰতে খ'বলৈ অবনীৰ অনুৰোধত মান্তি হ'ল । অবনীহঁত ওলাই যাওঁতে মাত লগাবলৈ নমিতা ওলাই অহা নাছিল ।

[illegible] হৈছিল। [illegible] দুই। [illegible] নাই। [illegible] একো [illegible] দুখ [illegible] ধৰি [illegible] বিহলঙনীৰে উধাই-মুধাই [illegible]। এইটো [illegible] ডাক্তৰীৰ [illegible]। জ্বৰ [illegible] ছিল। [illegible] কোবাই [illegible] দো-ধৰি।

ডাক্তৰ নবাবিৰ [illegible] কৰিয়াবৰপৰা বোণ্টা ল ভিতৰলৈ সোমাই আহিল। [illegible] অৱনী। খান-খেৰৰ ওপৰত পাৰি দিয়া [illegible] বিছনাখনত ল'ৰাটো অশান্তভাৱে পৰি আছে। মূৰত শিপিন নাইকিয়া তেল-চিকটিয়ে ক'লা হোৱা এটা গাৰু। গাত পৰলৈ পাতল কটা কথা এখন। সভাই বেজে একোছা বিহলঙনীৰে কোবাই কোবাই ফকাকৰ এক্সপ্রেছ বেলৰ দৰে নাক মাতি গৈছে। মাজে মাজে 'যাবিনে যাবিনে'' বুলি চিঞৰিছে। ল'ৰাটোৱেও কেতিয়াবা 'যাম ও যাম ঔ' বুলি অস্থিৰভাৱে চিঞৰে। সভাই বেজৰ ক্রুদ্ধ দৃষ্টি অৱজ্ঞা কৰি ডাক্তৰ ল'ৰাটোৰ ওচৰ পালেগৈ। থাৰ্মমিটাৰটো তাৰ কাষলতিত ভৰাই দি ষ্টেথোস্কোপ ডালেৰে বুকুখন পৰীক্ষা কৰিলে। জ্বৰ ১০৩। ডাক্তৰে ক্ষীপ্রভাৱে বেজী এটা দিলে। ওচৰতে আউলি-বাউলিভাৱে [illegible] বহি থকা মাকজনীৰ চকুদুটা চল-চলীয়া। তাপলি মৰা কণাই [illegible] এখন আৰু ফটা-ছিটা চেলেং কাপোৰ এখনৰ বাহিৰে [illegible] নাই। ইফালে সিফালে খিৰিকিৰ ঘৰত নগৰাত [illegible] পৰিছে। সৰুটোৱেই ডাঙৰ ল'ৰা, বয়স বাৰ বছৰ হোৱা নাই। [illegible] পাঁচোটা সৰু সৰু ল'ৰা-ছোৱালী [illegible] এটা কেঁচুৱা। কেঁচুৱাটোৱে

চিঞৰিছে, কিন্তু তাক খাবলৈ দিবলৈ শুকান বুকুখনত এটোপা গাখীৰো নাই। মানুহজনীৰ বয়স ত্রিশ বছৰৰ বেছি হোৱা নাই যদিও হাড়-ছাল ওলাই তেনেই বুঢ়ীজনীৰ নিচিনা হ'ল।

অতি ব্যাকুলভাৱে তাই সুধিলে, 'ডাক্তৰ বাবু কেনে দেখিলে? একোকে নুলুকুৱা'ব মোক সকলো খোলোচাকৈ কওক।"

ডাক্তৰে বেগৰপৰা বড়ি কেইটামান উলিয়াই তাইক দি ক'লে, বেজী এটা দিছো, এই ঔষধ কেইটা দুঘণ্টাৰ মূৰে মূৰে খুৱাই থাকিবা। বেজী আৰু দুটা দিব লাগিব। মই কম্পাউণ্ডাৰক পঠাই দিম। আৰু কাপোৰ আছে যদি ল'ৰাটোৰ গাত জাপি দিয়া। তাৰ জাৰ লাগিছে।'

মাকৰ কথাৰ প্রকৃত উত্তৰ নিদি ডাক্তৰ চোতাললৈ ওলাই আহিল। অৱনীৰ একাষৰীয়াকৈ মাতি নি তেওঁ ক'লে ডবল নিউমোনিয়া। বচাৰ আশা নাই। গধূলিমান সকলো শেষ হ'ব যেন লাগে। মোক আগতে খবৰ দিব লাগিছিল।'

অৱনী ডাক্তৰৰ সৈতে ধীৰে ধীৰে ওলাই আহিল। খাবলৈ-পিন্ধিবলৈ নোহোৱা মানুহঘৰৰপৰা এটা প্রাণীয়ে বিদায় ললে একো লোকচান নহয় সি মনে মনে ভাবিলে। কিন্তু ল'ৰাটো ডাঙৰ হৈছিল। আৰু দুই-এবছৰত সি হয়তো কাম-কাজ এটা যোগাৰ কৰি ঘৰখনৰ অৱস্থা অলপ ভালৰ পিনে নিব পাৰিলেহেঁতেন। কিন্তু সেইটো নহ'ল। অভাগিনী মাকৰ বুকুত শেল এপাট হানি সি সিপুৰী পাবগৈ। কানীয়া বাপেকৰতো কোনো চিন্তাই নাই। অৱনীৰ ৰায়চাহাবৰ ওপৰতো অলপ খং উঠিল। ঘৰখনৰ এই অৱস্থাত বাৰু জুৰাইক দোলাভাৰী কৰি বিয়া নিব লাগিছিল। সি উভতি আহিতো পুতেকৰ দেখা নেপাব। সম্ভৱ ঘৰত ৰাধিকাৰো এতিয়া খুদ এটা নাই। ঘৰৰপৰাই চাউল এমানমান পঠাই দিবলৈ লাগিব। এতিয়াও সি মা মা মাতি সত্তাই বেকৈ চিঞৰা শুনিবলৈ পাইছিল। যাবিনে যাবি'ন' ক্ষীণ কণ্ঠৰ উত্তৰ যাম ঐ, যাম ঐ। পুনৰ খুটা ডাঙৰীয়াৰ আবিৰ্ভাৱ হোৱাত তাৰ হাঁহিও উঠিল দুখো লাগিল।

অৱনীহঁতৰ ঘৰত খোৱা-বোৱা কৰি ডাক্তৰ বিদায় ললে। ফিজ আৰু ঔষধৰ দাম দি অৱনীয়ে ক'লে, 'ডাক্তৰ বাবু বেলিবাম

কম্পাউণ্ডাৰক আপুনি গৈ পোৱা মানুহকে পঠাই দিবগৈ । পইচা-পাতিৰ কাৰণে চিন্তা নাই । তাৰ দায়িত্ব মই ললোঁ ।" উত্তম আহাৰ্য্য আৰু মোটা ভিজিট লাভ কৰি ডাক্তৰে আনন্দ মনেৰে সম্মতি জ্ঞাপন কৰি চাইকেলত আৰোহণ কৰিলে ।

ডাক্তৰ যোৱাৰ পিছত অৱনীয়ে মাকৰ আগত সকলো কথা ক'লে । ল'ৰাটোৰ যে বচাৰ আশা বৰ ক্ষীণ সেইটোও উল্লেখ কৰি ক'লে, 'আই মানুহ ঘৰৰ অৱস্থা পানীত হাহ নচৰা হৈছে । ধানখেৰ পাৰি থৈলা-চটিৰ ওপৰত ল'ৰাটো শুৱাইছে । গাত ববলৈ কাপোৰ এখনো নাই । অথচ সেউজাই মানুহটোক দোলা-ভাৰ ববলৈ লৈ গ'ল ।'

মাকে ক'লে 'সেইটো কামতে তেওঁ জুবাৰে কেইটামান পইচা পাব । সি যিহে লোকাট কানীয়া, কাম-কাজ কৰিবলৈ তাৰ ইচ্ছাই নাই । আজিকালি দিনৰ দিনটো কাম কৰিয়া মানুহৰ দুবেলা দুসাজ নিমিলে, বিশেষকৈ এই খেতিয়ক মানুহবোৰক । এই বাওঁখনতে জুবাইৰ নিচিনা কিমানবিলাক ঘাৱা আছে তাৰ জানো কিবা বুজ লৈছ ?"

মাকৰ উত্তৰত অৱনীৰ এটা কথা মনত পৰিল । ১৯২৯ চনৰ পৰাই মানুহৰ হাতত টকা-পইচা কম যাবলৈ ধৰিলে । বস্তুৰ দামো একেবাৰে কমি গ'ল । আগতে ধানৰ মোণ তিনি টকা আছিল, এতিয়া তেৰ টকা হৈছেগৈ । খেতিয়কবিলাকৰে আটাইতকৈ বেছি দুৰ্দশা হৈছে । খাজনা দিব নোৱাৰাত কিমান খেতিয়কৰ মাটি-ভেটি নিলামত গ'ল আৰু কিমানবিলাক সেউজাকে বেনামীকৈ আত্মসাৎ কৰিলে সেয়াও সি নজনা নহয় । কলেজত তাৰ ইকনমিকচ আছিল । গ্ৰেট ডিপ্ৰেছনৰ কথা সি কিতাপত পঢ়িছে । এতিয়া তাৰ প্ৰভাৱ কথা নিজৰ গাঁৱতে দেখিবলৈ পালে । এইদৰে আৰু কিছুদিন এই অৱস্থা চলি থাকিলে বোধহয় খেতিয়ক শ্ৰেণীটো একেবাৰে নিশ্চিহ্ন হৈ যাব ।

চিন্তা-ভাৱনাত অস্থিৰ হৈ সি বিচনাত পৰিল । জুবাইৰ ল'ৰাটোক সতাই কেতিয়াও মৰিব পাৰে । বুঢ়া ডাক্তৰীয়াক দেখুৱাইছে যদিও । যাবৰ সময়ত জুবাই বিবা এটা চিন দেখুৱাই যায় । কেতিয়াবা গছৰ ডাল এটা ভাঙি, কেতিয়াবা

হয়তো গছজোপাকে জোনাকি [illegible] নানা ধৰণৰ প্ৰমাণ দিয়ে। নিদিলে [illegible] শুদাই নেবে।

সি নিজেও তো এটা বুঢ়া ডাঙৰীয়াই। বহুতো [illegible] জয়িছিল। বহুতৰ চৰম সৰ্বনাশ কৰিছে। এতিয়া [illegible] নমিতাৰ [illegible] তাৰ [illegible] হ'ল। অতীত [illegible] কৰ [illegible] তাৰ মনত আহে [illegible] কলি[illegible] [illegible] আগে [illegible]।

[illegible] সেই [illegible] বহুতো [illegible]। ৩৬ [illegible] [illegible] না বৰি আহি [illegible] কৰাৰ পাছত বাগিচাৰ [illegible] কলিকতাৰ প্ৰেছিডেন্সি কলেজত নাম লগাই দিলে। ন-চহকী সাৰবৰ [illegible] বা-চাহাবৰ খিতাপ পাই নিজৰ [illegible] আৰু [illegible]দাৰ পৰিচয় দিবৰ কাৰণেই বোধকৰো তাক কলিকতালৈ পঢ়িবলৈ পঠাইছিল। নহ'লে তেতিয়া বটন [illegible]জৰ নিচিনা সুবিখ্যাত কলেজ এৰি [illegible] যুক্তিসঙ্গত কাৰণ নাছিল। যি নহওক, অৱনী কলিকতালৈ গ'ল আৰু অতি সোনকালেই নিজৰ চকুত লগা চেহেৰা, আকৰ্ষণীয় ব্যক্তিত্ব আৰু বিচক্ষণ বুদ্ধিৰ বলত কলেজ আৰু হোষ্টেলত নিজৰ প্ৰাধান্য বিস্তাৰ কৰি কৃতী ছাত্ৰৰূপে স্বীকৃত হ'ল। অসমৰ এজন ধনী জমিদাৰৰ ল'ৰা বুলিও তাৰ নাম কেউফালে ফুৰ্টি-ফাটি গ'ল। ছাত্ৰ সমাজত সি আলোড়নৰ সৃষ্টি কৰিলে, বিশেষকৈ ছাত্ৰীসকলৰ মাজত। তাৰ লগত পৰিচিত হ'বলৈ বহুতৰে মাজত প্ৰতিযোগিতা চলিল। লগৰ ল'ৰাবিলাকে তাক ঈৰ্ষা কৰিবলৈ ধৰিলে।

কিন্তু তাৰ ভিতৰতে অৱনীৰ বন্ধু-বান্ধৱো যথেষ্ট আছিল। সি বেহেলা বজাব পাৰিছিল ৰবীন্দ্ৰ সঙ্গীত গাইছিল আৰু খেলা-ধূলাতো দক্ষতাৰ পৰিচয় দিব পাৰিছিল। গতিকে তাৰ গুণমুগ্ধ বন্ধু যে বহুতো থাকিব তাত আচৰিত হ'বলগীয়া একো নাই। সোন প্ৰথমে কলেজৰ ফ্ৰেচাৰ্ছ চছিয়েলত ৰবীন্দ্ৰ সঙ্গীত পৰিবেশন কৰি সি সকলোৰে চকুত চমক লগাই দিলে আৰু বহুতৰে অন্তৰ জয় কৰিবলৈ সমৰ্থ হ'ল।

সেই গুৰুত্বপূৰ্ণ দিনটোৰ কথা তাৰ মনত সজীৱ হৈ

আছে। নবাগতসকলৰ [illegible] [illegible] সেই সভাখনত ঘোষণা কৰা হ'ল [illegible] চৌধুৰীয়ে এটি ৰবীন্দ্ৰ সঙ্গীত [illegible] শুনাব, [illegible] ঘোষণাৰ প্ৰতিক্ৰিয়া-স্বৰূপ বঙালী [illegible] [illegible] পৰিবেশ এটিৰ সৃষ্টি [illegible] [illegible] [illegible] [illegible] শ্ৰোতাসকলৰ [illegible] [illegible] [illegible] গাইছিল [illegible]

[illegible] [illegible]
[illegible] [illegible]।'

[illegible] পৰিৱৰ্তন ঘটিল তাই [illegible] [illegible] শেষ হ'ল [illegible] শ্ৰোতাসকলৰ [illegible] তাৰ [illegible]

এই [illegible]।'

জাউবিয়ে [illegible] [illegible] বিস্ময়েৰে অভিভূতভাৱে শ্ৰোতাসকলে [illegible] অভিনন্দন জনালে। সি সেই সুযোগতে জ্যোতি আগৰৱালাৰ [illegible] [illegible] কৃষ্ণ' গানটোও শুনালে।

জুলিয়াছ চিজাৰৰ [illegible] চৌধুৰীয়েও সেইদিনাই [illegible] পৰা হ'ল ভিনি ভিডি, ভিছি।"

কিন্তু চিজাৰৰ বিৰুদ্ধে পিছত যেনেকৈ বিদ্ৰোহ আৰম্ভ হ'ল সেইদৰে অৱনীয়েও কলিকতীয়া জীৱনৰ শেষৰ ফালৰ মাহ কেইটাত বহুতৰে বিৰোধিতাৰ সন্মুখীন হ'ব লগা হৈছিল। তাৰ কাৰণে দায়ী আছিল সি নিজেই।

জনপ্ৰিয়তাৰ ফলত তাৰ বহুতৰ [illegible] ঘনিষ্ঠতা হ'ল। বহুতৰে ঘৰ তাৰো [illegible] হৈ পৰিল। নমিতাৰ ককায়েক অমিয় তাৰ বন্ধু আছিল। [illegible] সি প্ৰায় নিমন্ত্ৰণ পাইছিল। [illegible] নমিতা [illegible] পৰিচয় হৈছিল। নমিতাৰ সহায়ত তাৰ [illegible] [illegible] যোগাযোগ ঘটিল [illegible] ক্ৰমে নিবিড় হ'বলৈ ধৰিলে। আজিকালিৰ [illegible] [illegible] দিনতে

অৱনীয়ে 'ডেটিং' আৰম্ভ কৰি দিলে। এদিন ৰীতাৰ লগত চিৰিয়াখানা, আন এদিন হয়তো তপতীৰ লগত লেকৰ পাৰ কোনে। এদিন মায়াৰ লগত মেট্ৰো। কিন্তু শৰ্মিলাৰ লগত সি প্ৰায়ে বটানিকেল গাৰ্ডেনলৈ গৈছিল, নিকুঞ্জৰ নিবিড় আচ্ছাদনৰ অন্তৰালত বিশ্ৰম্ভালাপ আদি চলিছিল। এদল মাস্তানে বোলে সিহঁতক গঙ্গাৰ পাৰৰ নিৰ্জন ঠাই এডোখৰত অতি আপত্তিজনক অৱস্থাত দেখা পাইছিল আৰু সিহঁতৰ ফটোও তুলিছিল।

এইদৰে কেইবাজনাও যুৱতী অৱনীৰ জীৱনলৈ আহিল। সি সিহঁতক লৈ বহুতো লীলা-খেলা খেলিলে আৰু সিহঁতৰ অন্তৰত নিদাৰুণ আঘাত হানি এদিন পুৰণি জোতাৰ দৰেই সিহঁতক দলিয়াই দি একান্তভাবে পঢ়া-শুনাত মনোনিবেশ কৰিলে।

কিন্তু তিনিজনা গাভৰুৰ সি কিমান ক্ষতিসাধন কৰিলে তেতিয়া অৱনীয়ে বুজি পোৱা নাছিল। খেলাৰ পুতলাৰ দৰে সিহঁতক সি নচুৱালে সিহঁতৰ যৌৱনৰ মধুৰস পান কৰিলে আৰু এটা ছেডিষ্টিক উল্লাসত সি পৰম পৰিতৃপ্তি অনুভৱ কৰিলে। ছোৱালী কেইজনীৰ যে কিবা অনিষ্ট হ'ব পাৰে সেইভাব তাৰ পাষাণ স্বাৰ্থপৰ অন্তঃকৰণত কেতিয়াও উদয় নহ'ল। নমিতাই নিজক তাৰপৰা নিৰাপদে ৰক্ষা কৰিবলৈ বহুতো চেষ্টা কৰিব লগা হৈছিল। তথাপিও অৱনীৰ কামনাৰ বেদীত তায়ো হয়তো এদিন বলি হ'লহেঁতেন, কিন্তু তাইৰ বকায়েকৰ কাৰণেহে অৱনীয়ে নিজকে সংযত কৰি ৰাখিলে। ইতিমধ্যে অৱনীৰ বহুতো শত্ৰু হৈছিল। অমিয়ই তাক সততে সতৰ্ক কৰি দিছিল আৰু সি যাতে বিপদত নপৰে তাৰ কাৰণে নিজেও যথেষ্ট চেষ্টা কৰিছিল। গতিকে অমিয়ৰ প্ৰতি অৱনীৰ কিবা এক কৃতজ্ঞতা বোধো আছিল।

সেয়েহে নমিতা পাৰি গ'ল। কিন্তু তাই অৱনীৰ ভিতৰৰ প্ৰকৃত মানুহটো তাইৰ ভায়াৰ পৰা ঠিকেই এবাৰৰ ধৰা পেলালে। তাইৰপৰাই অৱনীয়ে তপতীহঁতৰ পাশৰ ঘৰত নাভাছ ব্ৰেকডাউনৰ কাহিনী শুনিবলৈ পাইছিল। অৱশ্যে তাৰ কি হ'ল সেইবিলাক কথাত সি বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। আত্মৰক্ষা আৰু আত্মতৃপ্তিয়েই তাৰ জীৱনৰ একমাত্ৰ লক্ষ্য আছিল। কুশাগ্ৰ-বুদ্ধি, বিচক্ষণতা আৰু সতৰ্কতাৰ বলত সি বি এ পৰীক্ষা দি

এদিন ঘৰলৈ উভতি আহিল আৰু লগে লগেই কলিকতীয়া জীৱনৰ সোঁৱৰণী তাৰ মনৰপৰা আঁতৰি গ'ল। এম, এ পঢ়িবলৈ সি কলিকতালৈ যাবলৈ সময় নহ'ল। নিশ্চয় [illegible] থাকিবহে।

কিন্তু আজি হঠাৎ নমিতাক লগ পাই তাৰ মনত এইবিলাক কথা উথলি উঠিবলৈ বাধা নহ'ল। তাৰ সদ্যবিবাহিতা পত্নী স্বামীৰ লগত অচিৰে অসমালৈ অহাৰ আয়োজনত লাগি আছে বুলি [illegible] হ'ল। তাৰ কলিকতীয়া কীৰ্তি [illegible] নজনাকৈ শৰ্মিলা আহিলে হয়তো সকলো সদৰী হৈ যাব পাৰে। কিন্তু তেওঁ বা হয়তো শৰ্মিলাৰ স্বামী মইনাজুলি বাগানলৈ ডাক্তৰ হৈ আহিছে, গতিকে আচৰিত হ'ব লগীয়া একো নাই।

ৰায়চাহাবে আঠবজাৰ ৰেলগাড়ী সুবিধাকৈ ধৰিব পাৰিলে। তেখেতৰ গাড়ীখন জানিবা কোনোবাই [illegible] ৰেলষ্টেচন পাই তেওঁ [illegible] নামিল আৰু [illegible] আমন্ত্ৰণক্ৰমে [illegible] এখন [illegible] নাৰ্চ বয়া বলনী। তেওঁ ৰায়চাহাবৰ ভালকৈয়ে চিনি [illegible] থাকিবো [illegible]। ৰায়চাহাবে লগৰবিলাকৰ প্ৰথম শ্ৰেণীৰ [illegible] কৰিলে। ৰেল আহিবৰ সময়ত [illegible] বহু [illegible] আবেলিলৈকে ৰবলৈ কলে আৰু ইচ্ছা [illegible] নাই [illegible] পিছলৈ [illegible] আহিলেও হ'ব বুলি [illegible] দিলে।

এনেতে দীঘলীয়া উকি মাৰি ৰেলগাড়ীখন আকাৰ এটা মাৰি ষ্টেচনত ৰ'লহি। সৰু ষ্টেচন এটা নাথাকে। মানুহৰ সমাগমো বৰ কম। ষ্টেচন মাষ্টৰ নিজে ৰায়চাহাবক প্ৰথম শ্ৰেণীৰ ডবা এটাত উঠাই দি আহিল।

ৰায়চাহাবে উপবেশন কৰিলে। কিমান আৰাম এই প্ৰথম শ্ৰেণীৰ কোঠাবোৰ। আসনৰ ভাগ অতি কোমল। বাথৰুমবিলাক দামী, খয়েৰ ৰঙৰ চাদৰখন ঢাকি। বিজুলী-বাতি, পাংখা সকলো আছে। উৎকৃষ্ট আসনৰ কোমলতাত ৰায়চাহাবে নিজকে সমৰ্পণ কৰি দিলে আৰু তৎক্ষণাত আকাৰ এটা মাৰি দীঘলীয়া উকিৰে গাড়ীখন চলিবলৈ আৰম্ভ কৰিলে।

ৰায়চাহাবৰ মনটোও অতীতলৈ উৰা মাৰি গ'ল। পৰমানন্দ ছবডেপুটিৰ লগতে তেওঁ তাহানিখন ৰেলগাড়ীত উঠিছিল,

কিন্তু বিমান প্ৰভেদ । তেতিয়া তেওঁ তৃতীয় শ্ৰেণীৰ ডবা এটাত ঠেলা-হেঁচা'ৰ কোনোমতে বহি ৰাতি ৰাতি কলমটিয়াই গৈছিল । কিন্তু সেই যাত্ৰাই আছিল তেওঁৰ চলমান জীৱন-যাত্ৰাৰ শুভ সূচনা । সেই যাত্ৰাই তেওঁৰ ভৱিষ্যৎ সুকলি কৰি দিছিল যাৰ কাৰণে আজি তেওঁ প্ৰথম শ্ৰেণীৰ যাত্ৰী ।

এই সৌভাগ্যৰ কাৰণে তেওঁ কৃতজ্ঞতাৰে পৰমানন্দ হাকিমক স্মৰণ কৰিলে । হাকিমেই সৌভাগ্যৰ দুৱাৰখনৰ চাবি-কাঠী তেওঁৰ হাতত সমৰ্পণ কৰিছিল । কিন্তু তাৰ মূলতে আছিল সৰ্বেশ্বৰৰ ঐকান্তিক চেষ্টা স্বাৰ্থত্যাগ আৰু সাধনা । মাহৰ পিছত মাহ সি হাকিমৰ সেৱাত আত্মনিয়োগ কৰিছিল আৰু কেনেবৈ প্ৰভু আৰু প্ৰভুপত্নীৰ সন্তুষ্ট কৰি ৰাখিব পাৰি তাৰ কাৰণে সততে যত্ন কৰিছিল । অৱশেষ্য শেষ যা'লৈ হ বনমী চৰৰ প্ৰতি অপ্ৰসন্না হৈ পৰিছিল কিন্তু তাৰ কাৰণে সৰ্বেশ্বৰ দায়ী নাছিল ।

হাকিমৰ লগত সৰ্বেশ্বৰ এবছৰমানহে আছিল । দুই-তিনি-বাৰমান সি হাকিমৰ লগত মফচলো ঘূৰিবলৈ গৈছিল আৰু প্ৰতিবাৰেই প্ৰভুৰ দুৰ্বলতাবোৰ তাৰ চকুৰ চকুত ধৰা পৰি গৈছিল । কিন্তু প্ৰথমবাৰৰ ভ্ৰমণৰ সময়ত প্ৰভুৱে যি কিল-বিৰিখৰ গুটি সিঁচি আছিল, এবছৰৰ পিছত সেই বীজই অঙ্কুৰিত হৈ এজোপা লহপহীয়া গছত পৰিণত হ'ল । অদৃষ্টৰ কি অদ্ভুত বিধান ! এই বিষবৃক্ষ সৰ্বেশ্বৰৰ কাৰণে হৈছিল কল্পবৃক্ষ সদৃশ ।

পৰমানন্দ ছবডেপুটিৰ ঘৰত তাৰ চাকৰি জীৱন এবছৰ পূৰ হৈ গৈছে, এনেতে এদিন দুপৰীয়া অকস্মাতে হাকিমজন ফেঁচাটোৰ দৰে তলমূৱা হৈ অফিচৰপৰা আহি পোনে পোনে বিছনাত পৰিলগৈ । পৰিল যি পৰিলেই, উঠিবৰ কোনো লক্ষণেই নাই । গোসাঁনী আয়ে বিয়াকুল হৈ কিবা অসুখ-বিসুখ হৈছে নেকি সুধিলেগৈ । কপালত হাত দি চালে, জ্বৰ-জাৰি একো নাই । মূৰ কামোৰণি, পেটৰ বিষ আদি যিবিলাক সম্ভৱপৰ অসুখ আছে সেইবিলাক এটা-এটাকৈ আওৰাই গ'ল, কিন্তু গোসাঁনী মৌন হৈ থাকিল মাত এষাৰো তেওঁৰ মুখৰপৰা নোলাল । অৱশেষত উৎকণ্ঠাতকৈ বিৰক্তিহে চকুৰে-মুখে বিয়পাই গোসাঁনী অন্বেষপুৰৰপৰা ওলাই আহিল । সৎৰাম আৰু সৰ্বেশ্বৰ এই দুই প্ৰভুভক্ত ভৃত্যই কোঠাটোৰ বাহিৰৰপৰাই

আলেখ-লেখ চাই আছিল ভিতৰলৈ সোমাই যোৱাৰ সাহস সিহঁতৰ নাছিল। কিন্তু এতি অপ্ৰত্যাশিতভাৱে প্ৰভু ঈশ্বৰে সৱেশ্বৰক মাতি পঠিয়ালে। [illegible] উঠিছিল বুকুখন ধান বনাদি [illegible] খুজি বখুজিবৈ ভিতৰ [illegible] ৱেধায় জড়িত [illegible] নব-বধূৰ ৰিধাৰে নহয় [illegible]।

প্ৰভু ঈশ্বৰে [illegible] কৰিবলৈ ইঙ্গিত [illegible]। [illegible] সি বিভ্ৰান্ত বুজি [illegible] যাৰ ভাৱ [illegible] প্ৰভু [illegible]। সি [illegible] প্ৰভু ঈশ্বৰৰ শয্যাৰ কাষতে [illegible] আৰু কাঢ়ি ৰহিল।

প্ৰায় পাঁচ মিনিট [illegible] প্ৰভু [illegible]। এই পাঁচ মিনিট সময় তাৰ [illegible]। তাৰ হৃদয়ৰ বক্ষ প্ৰায় [illegible] প্ৰভু ঈশ্বৰৰ বাক্‌নিষ্পত্তি ঘটিল। তেৱাঁই ধীৰে ধীৰে উচ্চাৰণ কৰিলে :

“সবাই। (প্ৰভু ঈশ্বৰে সব [illegible] কভিয়াবা সবাই বুলি সম্বোধন কৰে এই সম্বোধনৰ তাৎপৰ্য সৱেশ্বৰৰ অবিদিত নহয়) মোৰ বৰ বিপদ হৈছে অ'। এইবিপাক নিশ্চয় মোৰ শত্ৰুৰ কাম।”

‘কওক প্ৰভুঈশ্বৰ বন্দীয়ে শক্তিয়ে আঁটে [illegible] প্ৰভুঈশ্বৰক বিপদৰপৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰিম।’

তই হয়তো পাৰিব পাব সবাই আজি এবছৰ ধৰি তোৰ কাৰ্য্যদক্ষতা আৰু তীক্ষ্ণ বুদ্ধিৰ পৰিচয় পাই আহিছো। তই হয়তো মোক এই আসন্ন দুৰ্য্যোগৰপৰা ৰক্ষা কৰিব পাৰ। তোৰ বাহিৰে আৰু কোনো নাই যাৰ আগত মই এই বিপাকৰ কথা প্ৰকাশ কৰিব পাৰো। এইখন চা বহিছনাৰ চ'হাবৰ ব্যক্তিগত সহকাৰীয়ে লিখা চিঠি। তেখেত মোৰ হিতাকাঙ্ক্ষী বন্ধু বিপদৰ বন্ধু বুজিছ। ৰাজদ্বাৰে শ্মশানে চ'— কিবা সংস্কৃত শ্লোক এটা তাহানি কাকতে পঢ়িছিলো। তেনেকুৱা বন্ধু। তেৱোঁ মাজে মাজে ইয়ালৈ আহি

থাকে, তই বোধকৰো দেখিছই। সিবাৰ যে সেই পেটুৱাৰ গাড়ীখনত বেলপ্লেটছনত থৈ আহিছিলিগৈ। তয়েই যোৱা নাছিলি জানো লগত ? ময়ো তেওঁক মাজে মাজে যি পাবো যৎকিঞ্চিৎ সহায় কৰো। সেই ভট্টাচাৰ্য্য বাবুৱেই এই পত্ৰখন দিছে হো, ল, পঢ়ি চা আৰু উপায় এটা উলিয়াই দে।"

পৰমানন্দই পত্ৰখন সৰ্বেশ্বৰৰ হাতত দিলে। চিঠিখন খুলি লওঁতে তাৰ সেই ভট্টাচাৰ্য্য বাবুলৈ মনত পৰিল পেটুৱাক চুচি-চাপৰ, তপা মানুহটো চকু দুটা ধূতামীৰে ভৰা। আৰু তেওঁক যৎকিঞ্চিৎ দিয়া হোৱা নাছিল, গৰু গাড়ীখনত ধৰে মানে এগাড়ী মাল-বস্তু। অৱশ্যে মানুহজন খাই পাত ফলা নহয় দেই এতিয়া হাকিমক বিপদৰ সন্ধান দিছে।

সৰ্বেশ্বৰে চিঠিখন কেইবাবাৰো পঢ়িলে। সি পঢ়ি থাকোঁতে প্ৰভু ঈশ্বৰে গভীৰ আশাত তাৰ মুখলৈ চাই আছিল। কিন্তু সৰ্বেশ্বৰৰ ভাৱলেশহীন মুখত কোনো অভিব্যক্তিৰ জিলমিলনি নেদেখি গোস্বামীদেউ নিৰাশ হৈ পৰিছিল। চিঠিখন পাঁচবাৰমান পঢ়ি অৱশেষত সৰ্বেশ্বৰে ক'লে প্ৰভুঈশ্বৰ, আজি ৰাতিটো মই ভাবি-চিন্তি কিবা এটা ঠিক কৰিম। আপুনি এতিয়া উঠি গৈ চাহ-জলপান খাওক। গোঁসানী আই বৰ বিয়াকুল হৈ আছে।"

পৰমানন্দই অলপ সকাহ পালে। তেওঁৰ মুখখন ভালেখিনি পোহৰ হ'ল। ইতিমধ্যে সৰ্বেশ্বৰে চিঠিখন চুৰিয়াৰ খোচনিত লুকুৱাই লৈ দুৱাৰখন খুলি ওলাই আহোতেই গোসাঁনীয়ে জেৰা কৰাৰ সুৰত তাক কঠোৰভাৱে সুধিলে ইমান সময় দুৱাৰখন মাৰি কি মেল মাৰিলি অ' সৰ্বেশ্বৰ ? যি কথা মোৰ আগত ক'ব নোৱাৰে, তোৰ আগতনো সেইবিলাক কেনেকৈ মেলিলে ? অ' মই এতিয়া বুজি পাইছো তইহে লাগী হলি, মই এলাগী। হে হৰি, ভাল গাখীৰ খুৱাই কাল সাপ পুহি আছো ! ক, ভালে ভালে ক, ইমান সময় কি কৰিছিলি ?"

খঙত, অভিমানত, ঈৰ্ষাত আৰু ঘৃণাত আই গোসাঁনীৰ মুখখন জবা ফুল যেন ৰঙা হৈ পৰিছিল, যেন মহিষাসুৰ মৰ্দিনী দুৰ্গাদেৱীহে। সৰ্বেশ্বৰে গোসাঁনীৰ এনে কৰাল মূৰ্তি আগেয়ে দেখা নাছিল। সি বৰ ভয় খালে। কিন্তু অলপো বিতত নহৈ উপস্থিত

বুদ্ধিৰে তৎক্ষণাৎ উত্তৰ দিলে 'আই, প্ৰভু ঈশ্বৰৰ কঁকালৰ বিষ হৈছে। আপোনাৰ আগত ক'বলৈ বেয়া পালে এই বয়সত কঁকালৰ বিষ হোৱা বুলি ক'লে হয়তো সকলোৱে উপলুঙা কৰিব সেইবুলি ভাবি মোক মাতি আৰু দুৱাৰখন জপাই মোক কঁকালটো ভালকৈ মালিচ কৰি দিবলৈ ক'লে। আপোনাৰ বিশ্বাস নহয় যদি এয়া মোৰ হাতখন শুঙি চাওক।'

গোসাঁনীয়ে তাৰ হাতত তাপিণ তেলৰ গোন্ধ পালে। ভাগ্য ভাল সি সেইদিনাই ভাত খোৱাৰ পাছত তাপিণ তেলেৰে আঁঠুটো মালিচ কৰিছিল। গছৰ মূঢ়া এটাত খুন্দা খোৱাত বিষাই আছিল। এনেতে প্ৰভুঈশ্বৰো থৰকবৰকৈ ওলাই আহি পত্নীক শান্ত কৰিবৰ উদ্দেশ্যেৰে ক'লে, 'অবিশ্বাসনো কৰিছা কিয়? কঁকালটো হঠাতে কেঁচেককৈ উঠিল, বিষত তত পোৱা নাই, সেই কাৰণে সৰ্বেশ্বৰক পিটিকি দিবলৈ কৈছিলো। তোমালোকৰ আগত সেইবিলাক কথা ক'বলৈ ভাল নেলাগে নহয়। বাৰু নৰখবিবা, কি আছে খাবলৈ দিয়া। আৰু পাৰা যদি বটল এটাত একবটল গৰম পানী ভৰাই দিবা, কঁকালটো সেকিব লাগিব।''

ধানখেৰৰ জুইৰ দৰে জ্বলি উঠা খং একেবাৰে নুমাই গ'ল। আই গোসাঁনীয়ে অলপ লাজ লাজকৈ ক'লে, 'মোৰ আগত ক'লেনো কি মহাভাৰতখন অশুদ্ধ হ'ব। বয়সতো এতিয়া দুকুৰি পাৰ হৈ গ'ল, আৰু কঁকালৰ বিষ কাৰণো নহয়? সেইটো দেখোন ভল-ৰামৰ চক্কল ডেকাল'ৰাটো আজি এমাহ ধৰি কঁকালৰ বিষত বিছনাতে পৰি থাকিব লগা হৈছে। বাৰু আপুনি মুখ-হাত ধোৱক, মই নিজেই চাহ-জলপান আনোঁ। সৰ্বেশ্বৰে কৰিব নেলাগে। তাৰ হাতত বিষতেল গোন্ধাই আছে।''

আই গোসাঁনী শান্তভাৱে ৰান্ধনিঘৰলৈ প্ৰস্থান কৰাত পৰমানন্দ আৰু সৰ্বেশ্বৰ দুয়ো স্বস্তিৰ নিশ্বাস পেলালে। ভাল বাঘিনীৰ আগত আজি পৰিছিল। ধৰা পৰাহ'লে সৰ্বেশ্বৰৰ চাকৰি নিশ্চয় ছিগিলেহেঁতেন আৰু প্ৰভুঈশ্বৰেও ভালকৈয়ে এজাউৰি পালেহেঁতেন। সৰ্বেশ্বৰে চিধাচিধি নিজৰ কোঠাটোত সোমাই বিছনাৰ তলতে থকা বিষতেলৰ বটলটো উলিয়াই আৰু অলপ তেল হাতত ঘঁহি ললে।

ইতিমধ্যে ঘটনাৰ পম খেদি কৌতূহলী সৎৰামে সবেশ্বৰৰ কোঠাত সোমাইছিলহি। কাগুটো দেখা পাই সি বৰ আমোদ পালে আৰু সৰ্বেশ্বৰৰপৰা উবহি গছৰ ৩ৰটো উলিয়াবলৈ চেষ্টা কৰেলে। কিন্তু সবেশ্বৰে তাক একোকে নকলে, মাত্র ভৱিষ্যতে হয়তো কেতিয়াবা ক'ব পাৰিব, এইবুলি তাক প্ৰবোধ দিলে।

ৰেলখন আহি ষ্টেচ্ছন এটাত ৰ'লহি। ৰায়চাহাবৰ চিন্তাৰ জৰিডাল খন্তেকৰ কাৰণে ছিগি প'ল। তেওঁ ৰেলৰ জানালাইদি বাহিৰলৈ চালে। কিছুমান যাত্ৰী নামিছে কিছুমান উঠিছে। এক মিনিটৰ পিছতে গাডে সেউজীয়া পতাকাখন জোকাৰি দিয়াত গাড়ীখন প্ৰথমে লাহে লাহে আৰু ক্ৰমাৎ বৰ্ধিত গতিবেগেৰে চেকুৰ মেলিলে। জীৱনটোও এনেকুৱাই, ৰায়চাহাবে ভাবিলে। জীৱনৰ' গতিবেগৰ হ্ৰাস-বৃদ্ধি হয় কামৰ অনুপাতে। অলস মানুহৰ জীৱন দুবহ অচল গাড়ীৰ নিচিনা কিন্তু কৰ্মী-পুৰুষসকল চিৰদিন অৰ্থাৎ মৃত্যু পৰ্যন্ত, চলন্ত হৈয়েই থাকে। শেষৰ ষ্টেচ্ছনটো নেপায় মানে ৰেলখন চলিয়েই থাকিব। তেৰো আমৰণ কাম কৰি যাব, ৰায়চাহাবে চিন্তা কৰিলে। তেওঁৰ ওঁঠত হাঁহি এটি বিৰিঙি উঠিল।

তেওঁৰ পৰমানন্দলৈ পুনৰ মনত পৰিল। হাকিমজন এনেহৱা আছিল, সেইকাৰণে তেওঁ ব্যভিচাৰ আৰু উৎকোচ গ্ৰহণৰ বাহিৰে জীৱনত একো কৰিব নোৱাৰিলে। কিন্তু তেওঁ এটা কাম কৰিলে, জীৱনত উন্নতি কৰিবলৈ সবেশ্বৰক এটা সুযোগ দিলে।

কিন্তু সুযোগটো নিজে নিজে অহা নাছিল। সবেশ্বৰৰ উদ্ভাৱনা শক্তি আৰু তীক্ষ্ণ বুদ্ধিৰ বলতহে আহিছিল। সবেশ্বৰৰ প্ৰখৰ বিচক্ষণতাৰ কাৰণেই সেইদিনা হাকিমজন অক্ষতভাৱে সাৰি যাব পাৰিছিল।

চিঠি পোৱাৰ পিছদিনা সবেশ্বৰে ফুলনিত কাম কৰি থাকোতেই হাকিমৰ লগত আলোচনা কৰিছিল, যাতে কাৰো মনত কোনো সন্দেহ নোপজে। ফুলনিখন চোৱাৰ ছলেৰে প্ৰভুঈশ্বৰ তাৰ আগত উপস্থিত হৈছিল। তেতিয়াই সৰ্বেশ্বৰে কৈছিল, "প্ৰভু-ঈশ্বৰ, আপুনি চিন্তা কৰিব নেলাগে, মই সকলো দায়িত্ব ললো।

আপুনি মাথোন মোক কিছু সিকি আধলি চৰতীয়া পাতি পইচা আদি দিব। ভৱনীয়া বিশ-পঁচিশ টকামান হ'লেই হ'ব। বাকীখিনি মোৰ কাম।"

একেবাৰে নিশ্চিন্ত হ'ব নোৱাৰিলেও পৰমানন্দই আশাৰ ক্ষীণ ৰেঙণি দেখিবলৈ পালে। সৰ্বেশ্বৰে গাত লৈছে যেতিয়া কিবা এটা হেস্ত-নেস্ত হ'বই, সেই বিষয়ে তেওঁৰ সন্দেহ নাছিল। তথাপিও উদ্বেগ আৰু মানসিক অশান্তিৰ মাজেদি এটা পক্ষ পাৰ হৈ গ'ল।

সেইদিনাও আছিল ডিচেম্বৰ মাহৰে এটা হিমশীতল দিন। হাকিম এইবাৰ মফচললৈ ওলোৱা নাই। অফিচতে কাম-কাজ স্থি হয় কৰি আছিল। তেওঁৰ নামত এখন চিঠি আহিল, চৰকাৰী খামত। খামটোৰ ওপৰত লেখি থোৱা আছে "on his Majesty's Service" প্ৰভু ঈশ্বৰে সংশয়েৰে খামটো খুলিলে। তেওঁৰ অন্তৰআত্মা কঁপি উঠিছিল। প্ৰথমতে তেওঁ চিঠিখন কঁপি থকা হাতদুখনেৰে দুয়োফালে ধৰি পঢ়িবলৈ চেষ্টা কৰিলে, কিন্তু কঁপনি ক্ৰমে বেছি হোৱাত মেজখনৰ ওপৰতে থলে। কিছু সময় তেওঁ দবক লাগি ৰ'ল আৰু অৱশেষত সাহস সঞ্চয় কৰি ধীৰে ধীৰে পঢ়িবলৈ ধৰিলে।

বিশেষ কোনো গুৰুত্বপূৰ্ণ কথা নাই। কমিছনাৰ চাহাব আহিব কিবা তদন্ত কৰিবলৈ, জানুৱাৰী মাহৰ তিনি তাৰিখে যেন তেওঁ ৰঙামাটি পৰিদৰ্শন ভৱনত উপস্থিত থাকে। কমিছনাৰ দিনৰ দুই-তিনিমান বজাত পাবহি পাবে, লগত ডি.চি চাহাবো আহিব।

পৰমানন্দ আৰু বেছিসময় অফিচত থাকিব নোৱাৰিলে। নামজাৰি মোকদমা কেইটাৰ দিন দি তেওঁ ঘৰ পালেহি আৰু সৰ্বেশ্বৰক কথাটো ক'লে।

ইয়াৰ পিছত প্ৰায় দহ-পোন্ধৰ দিনমান সৰ্বেশ্বৰ টাকুৰি ঘূৰাদি ঘূৰিছিল, কিন্তু সি ক'লৈ যায়, কি কৰে কোনেও জানিব পৰা নাছিল, একমাত্ৰ প্ৰভুঈশ্বৰৰ বাহিৰে।

সেইদিনটো এটা গুৰুত্বপূৰ্ণ দিন আছিল। চলি থকা ৰেলগাড়ীখনৰ ভিতৰতে ৰায়চাহাবে ভাবিলে। 'সেই দিনটোৱেই তেওঁলৈ এক উজ্জ্বল ভৱিষ্যতৰ আগলি বতৰা বহন কৰি আনিছিল। দৃশ্যটো তেওঁৰ চকুৰ আগত জিলিকি উঠিল।

'পৰিদৰ্শন ভৱন'লৈ পৰমানন্দ পুৱাবেলাতে গৈছিল। ৰঙামাটিৰ মৌজাদাৰ গোলাম হুছেইনো দলেবলে উপস্থিত হৈছিলহি। সৰ্বেশ্বৰৰ গাত তৰণি নাই। ওচৰৰ গাঁও দুই-এখনৰপৰা ৰাইজো আহিছে, তেওঁলোকক সি সোধ-পোচ কৰিছে, তাৰ লগতে গোবিন্দ কাননগো আৰু হলি মণ্ডল আদিও আছে।

দুই বাজিবলৈ তেতিয়া কুৰি মিনিট বাকী। বঙলাৰ আগফালে মেৰচৰা এখনৰ ওপৰত ফুলাম দালিচা পাৰি এখনি উত্তম আসন প্ৰস্তুত কৰা হ'ল। আগত এখনি শৰাই। শান্তিপুৰী ধুতি এখন পিন্ধি আৰু গাত পাটৰ চেলেং কাপোৰ এখন লৈ প্ৰভুঈশ্বৰ ওলাই আহিল। কপালত চন্দনৰ ৰেখা। ডিঙিত ৰুদ্ৰাক্ষৰ মালা। প্ৰভুঈশ্বৰে আসনত উপবেশন কৰি মালাগুটি জপ কৰিবলৈ আৰম্ভ কৰিলে আৰু এশ-ছকুৰি ৰাইজ আহি আঠু ললেহি। প্ৰভুঈশ্বৰ ধ্যানমগ্ন হ'ল। তেওঁ বাহ্যজ্ঞান শূন্য, নিমীলিত লোচন, যেন এটি প্ৰস্তৰ মূৰ্তি। মাজে মাজে বতাহত গাৰ চেলেংখন উৰি গৈছে, কিন্তু তেৰাৰ ভ্ৰূক্ষেপ নাই। অনাবৃত ৰোমশ বক্ষদেশ উশাহ-নিশাহ লওঁতেই সি অলপ উঠিছে, নামিছে। তাৰ বাহিৰে শৰীৰ স্থিৰ, নিস্পন্দ।

এনেতে মটৰগাড়ীৰ যান্ত্ৰিক গৰ্জন ৰাইজৰ শ্ৰুতিগোচৰ হ'ল। প্ৰভুঈশ্বৰ কিন্তু পৰতৰ দৰে ধ্যানগম্ভীৰ হৈয়েই থাকিল। কিন্তু হঠাৎ ৰাইজে যেন সাৰ পালে। তেওঁলোকে প্ৰভুঈশ্বৰক সেৱা কৰি শৰাইখনলৈ নানাবিধ মুদ্ৰা এহাতমান আঁতৰৰপৰা নাহে নাহে দলিয়াবলৈ ধৰিলে। আধলি, সিকি, চৰতীয়া পইচা আদিৰ ঝনঝননি উঠিল আৰু চাওঁতে চাওঁতে শৰাইখন পইচাৰে ভৰি পৰিল।

ঠিক সেই গুৰুত্বপূৰ্ণ ক্ষণটিতেই কমিছনাৰ চাহাব জিলাৰ বৰচাহাবৰ সৈতে মটৰগাৰীৰপৰা নামি আহিছিল। ৰঙামাটিৰ মৌজাদাৰ হুছেইন চাহাব তেওঁলোকক আগবঢ়াই নিবলৈ গুলাই আহিল। কমিছনাৰ চাহাবে বিস্মিতভাৱে এই অদ্ভুত দৃশ্য চাবলৈ ধৰিলে। হঠাৎ ৰাইজৰ এজনে জয়ধ্বনি কৰি উঠিল, 'জয় প্ৰভুঈশ্বৰৰ জয়, জয় কমিছনাৰ চাহাবৰ জয়।" সমূহ ৰাইজে সেই জয়ধ্বনিত যোগদান কৰিলে। ৰাইজৰ এই নিনাদত আকাশ-বতাহ মুখৰিত হ'ল। প্ৰতিধ্বনি উঠিছিল আহিল—"জয় প্ৰভুঈশ্বৰৰ জয়, জয় কমিছনাৰ চাহাবৰ জয়।'

ইতিমধ্যে প্ৰভুঈশ্বৰৰ ধ্যান ভঙ্গ হ'ল। কঠোৰ তপস্যাৰত সাধকৰ দৰে তেৰাই গাত্ৰোত্থান কৰিলে আৰু অভয় মুদ্ৰাৰে ৰাইজক আশীৰ্বাদ দিলে। তাৰ পিছতে তেৰাই কমিছনাৰ চাহাবৰ দেখা পাই ধীৰ-স্থিৰভাৱে আগবাঢ়ি গৈ উচ্চাৰণ কৰিলে, 'গুড আফটাৰনুন চাৰ।

"হোৱাট দা হেল আৰ ইউ ডুয়িং হিয়েৰ, পৰমানন্দ ?" কমিছনাৰ চাহাব গজি উঠিল।

"চাহাব, নৰকৰ নাম উচ্চাৰণ কৰা শাস্ত্ৰ বহিৰ্ভূত কথা। মই এই নিমাখিত মানুহখিনিৰ কাৰণে স্বৰ্গৰ দুৱাৰ মুকলি কৰি দিবৰ বাবে ভগৱন্তৰ প্ৰাৰ্থনা কৰিছিলো। মই তেওঁলোকৰ গুৰু আৰু তেওঁলোকৰ মুক্তিৰ কাৰণে যথাসম্ভৱ চেষ্টা কৰাই মোৰ কৰ্তব্য। ইংৰাজ চৰকাৰৰ অনুগ্ৰহত আজি আমি নিজৰ ধৰ্ম মুকলিমুৰীয়াকৈ পালন কৰিব পাৰিছো। গড চেভ দা কিং।"

কমিছনাৰ চাহাব খাটি ইংৰাজ। তেওঁ মূৰৰ টুপীটো খুলি ক'লে, 'গড চেভ দা কিং।" টুপীটো পুনৰ পিন্ধি লৈ তেওঁ এইবাৰ কমিছনাৰৰ মেজাজত ক'লে, পৰমানন্দ, হোৱাট অল দিছ মানি ? কেন ইউ ৰিড মি এন এক্সপ্লেনেছন ?"

পৰমানন্দই নিৰীহভাৱে মাত লগালে, "চাহাব, ৰাইজক সেই বিষয়ে সোধক মোৰ মুখৰপৰা শুনাতকৈ তেওঁলোকৰপৰা শুনাই বেছি ভাল হ'ব।"

ৰাইজৰ মাজৰপৰা মুখিয়াল এজন আগবাঢ়ি আহি কমিছনাৰক চেলাম দি ক'লে, "চাহাব, এইটো আমাৰ চিৰকলীয়া

প্ৰথা। গুৰুক সেৱা কৰোতে মাননী দিব লাগে। উচিত মতে আমি একোকে দিব পৰা নাই, সামান্য দুই-এপইচা আগবঢ়াইছো। প্ৰভুঈশ্বৰে তাকে যদি গ্ৰহণ কৰে ৰাইজ কৃতাৰ্থ হ'ব।"

কমিছনাৰে একো নেমাতিলে। তেওঁৰ মুখখন অলপ গোহৰ হ'ল। তেওঁ বঙলাৰ নিৰ্দিষ্ট কোঠাটোত সোমাল। বৰচাহাবো লগে লগে গ'ল।

ইতিমধ্যে ৰাইজ দিহাদিহি প'ল। কিন্তু ছবডেপুটিয়ে দেখিবলৈ পালে যে বঙলাৰ কম্পাউণ্ডৰ এমূৰে আমগছ এজোপাৰ তলত এজুম মানুহ। কোলাত কেঁচুৱা এটা লৈ থকা মানুহ এজনীও তেওঁৰ চকুত পৰিল। আৰু সেইটো, সেইটো কোন বাৰু? বগীৰাম গাঁওবুঢ়া নহয়নে?

পৰমানন্দৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। তেওঁ মৌজাদাৰৰ ফালে চালে। হুছেইন চাহাবে ক'লে, 'ডৰ নকৰিব গোস্বামীচাহাব, আল্লাৰ ৰহমতত সব ঠিক হৈ যাব।" সৰ্বেশ্বৰো তেতিয়া ওচৰতে আছিল, সি ভয় নাই বুলি প্ৰভুঈশ্বৰক চকুৰে ইঙ্গিত দিলে।

প্ৰভুঈশ্বৰ এতিয়া আনটো কোঠালৈ গৈ চাহাবী-সাজপাৰ পিন্ধি ছবডেপুটিৰ বেশত ওলাই আহিল। তেতিয়া বেলি লহিয়াইছিল। কমিছনাৰৰ নিৰ্দেশমতে বঙলাৰ বাৰাণ্ডাত চকী টেবুল আদি সজোৱা হ'ল আৰু বৰচাহাবৰ সৈতে তেওঁ ওলাই আহি আসনত বহিলেহি। তেওঁ পৰমানন্দক মাতি আনি ক'লে "পৰমানন্দ তোমাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আছে। বৰভগীয়া গাঁৱৰ ৰাইজে এই দৰ্খাস্তখন দিছে। তুমি যোৱা বছৰ নবেম্বৰ মাহত সেই গাঁৱত এমাহমান দিন বাহৰ কৰি আছিলা। প্ৰথম অভিযোগ—তুমি টকা খোৱা। ইউ ৰিছিভ ব্ৰাইব। তোমাৰ কি ক'ব লগা আছে ক'ব পাৰা।"

পৰমানন্দই মাত লগালে, "টকা-পইচা মই লওঁ চাহাব, কিন্তু ভেটি হিচাপে নহয়; মই গোস্বামী, মানুহে মোক গুৰু বুলি মানি মাননী হিচাপে কিবাকিবি দিয়ে। আপুনি আজি নিজ চকুৰেই দেখিছে। গতিকে এইবিষয়ে কোৱাৰ প্ৰয়োজন নাই বুলিয়েই মই ভাবো।"

কমিছনাৰে ৰবচাহাবৰ লগত কিবা আলোচনা কৰিলে আৰু তাৰ পাছত মাত লগালে, "মানুহবোৰৰ পৰা টকা-সিকা লোৱা চৰকাৰী কৰ্মচাৰী হিচাপে বেআইনী কথা। কিন্তু ধৰ্মৰ ওপৰত হাত দিয়া আমাৰ উদ্দেশ্য নহয়। গুৰুৰ মাননী তুমি লব পাৰা। কিন্তু চাবা তাৰপৰা যেন অফিচিয়েল কাম অৱহেলা কৰা নহয়। ১নং অভিযোগৰপৰা তোমাক মুক্তি দিয়া হ'ল।

"এতিয়া ২ নং অভিযোগ শুনা। তোমাৰ ঘোঁৰা নাই, কিন্তু তুমি পনি এলাৱেঞ্চ সদায় লৈ আছা। এই বিষয়ে তুমি কি কোৱা?"

পৰমানন্দই আচৰিত হোৱা যেন দেখুৱাই ক'লে, চাহাব, এইবোৰ কি শুনিছো, নোহোৱা-নোপজা কথা। কোনে ক'লে মোৰ ঘোঁৰা নাই বুলি? মোৰ ঘোৰা আছে। অৱশ্যে কঁকালৰ বিষৰ কাৰণে মই ঘোঁৰাত উঠিব নোৱাৰো। মোৰ ঘোঁৰাটো দুৰ্য্যোধন তেলীৰ ঘৰত আছে। তাক মই মাহে মাহে টকা দি থাকো। ৰচিদো দেখুৱাব পাৰিম। আপুনি তেলীটোক মাতি আনি ইয়াতে মোৰ কথাৰ সত্যাসত্য পৰীক্ষা কৰি চাব পাৰে।"

কমিছনাৰ চাহাব ইতিমধ্যেই অলপ কুমলিছিল। তেওঁ হাকিমৰ কথা অবিশ্বাস নকৰিলে। তথাপি তেলীটোক মাতিবলৈ মানুহ পঠাই দিলে। তেওঁ তৃতীয়টো অভিযোগ তদন্ত কৰিবলৈ সাজু হ'ল আৰু চাপ্ৰাচীটোক আমগছৰ তলত বহি থকা মানুহৰ জুমটো মাতি আনিবলৈ আদেশ দিলে।

মানুহবিলাক আহিল। বগীৰাম পাওবুঢ়া, ধৰ্মেশ্বৰ আৰু কেইটামান চোতালীয়া লৰা। লগতে কোলাত কেঁচুৱা এটা লৈ সেইজনী আঘোণী!

এইবাৰ কিন্তু প্ৰভু ঈশ্বৰ সন্ত্ৰস্ত হ'ল। 'ফাটমেলা বসুমতী পাতালে লুকাওঁ' এই অৱস্থা। কিন্তু তেওঁ অসীম শক্তিৰে নিজক সংযত কৰি ৰাখিলে আৰু অগ্নি-পৰীক্ষাৰ কাৰণে সাজু হ'ল।

কমিছনাৰে ক'লে "তোমাৰ বিৰুদ্ধে তৃতীয় অভিযোগটো অতিশয় লজ্জাজনক। পৰমানন্দ, ইউ আৰ এ মেৰেইড মেন। বাট আই এম ভেৰি মাচ্ছ এষ্টেমড টু 'হু ডেট ইউ আৰ এ মেন অৱ ইজি মৰেলছ। ধৰ্মৰ মুখা পিন্ধি তুমি তিৰোতাৰ সতীত্ব

নষ্ট কৰা। তুমি এটা হিপক্ৰিট এ প্ৰফ্লিগেট্ এণ্ড এ স্কাউণ্ড্ৰেল।"
অলপ ৰৈ তেওঁ ক'লে, "এই মানুহজনী তুমি চিনি পোৱানে ?"

চিধা চিনি নেপায় বুলি ক'বলৈকে পৰমানন্দৰ ইচ্ছা হৈছিল, কিন্তু তেতিয়া তেওঁ ধৰা পৰিব। সেইকাৰণে বুকুত বল বান্ধি তেওঁ উত্তৰ দিলে, "ঠিক চিনি পাওঁ বুলি ক'ব নোৱাৰো চাহাব, কিন্তু এইক মই আগতে দেখিছো।"

'এই মানুহবোৰে অভিযোগ কৰিছে, তুমি চিকাৰ কৰাৰ সুযোগ লৈ ৰাতি মনে মনে উভতি আহি এই মানুহজনীৰ ঘৰত সোমাই তাইক বলাৎকাৰ কৰিছিলা। তাইৰ কোলাত থকা কেঁচুৱাটোৰ পিতাক তুমিয়েই। তুমি উভতি আহোতে এই গাঁও-বুঢ়াটো তোমাৰ লগত আছিল।"

বগাৰাম গাঁওবুঢ়াই কিবা এটা ক'বলৈ মুখ মেলিব খুজিছিল, কিন্তু ৰঙামাটিৰ মৌজাদাৰে তাক ক'বলৈ সুবিধা নিদি লগে লগে উত্তৰ দিলে "হজুৰ, ভীষণ ষড়যন্ত্ৰ। হাকিম চাহাবৰ লগত ময়ো চিকাৰলৈ গৈছিলো। গোটেই ৰাতি তেওঁ মোৰ লগতে আছিল। মই কওঁ হজুৰ, হাকিম চাহাবৰ গাত কোনো কচুৰ নাই। এই গাঁওবুঢ়াটোৰ নিশ্চয় কোনো খাৰাপ মতলব আছে।

মৌজাদাৰৰ কথাৰ আঁত ধৰি পৰমানন্দই ক'লে "চাহাব, এই গাঁওবুঢ়াটো বৰ দুষ্ট মানুহ। ই মোৰ বিৰুদ্ধে য'তে ত'তে বেয়া কথা কৈ ফুৰিছে। তাৰ কাৰণ হ'ল যোৱা দৰবাৰত সোণৰ আঙঠি পোৱাই দিবলৈ সি মোক খাটনি ধৰিছিল। কিন্তু তাৰ বিৰুদ্ধে ৰাইজৰ বহুতো অভিযোগ থকাত মই সোণৰ আঙঠি সি পাব লাগে বুলি চুপাৰিছ নকৰিলো। ৰঙামাটি মৌজাৰ ৰহিম গাঁওবুঢ়াই সোণৰ আঙঠি পালে। সেইকাৰণেই আঙঠি নোপোৱাৰ আখেজত সি মোৰ নামত কলঙ্ক সানিবলৈ উঠি পৰি লাগিছে। এনে ধৰণৰ গাঁওবুঢ়া ৰাখিলে চৰকাৰৰ ক্ষতি হোৱাৰ সম্ভাৱনা গতিকে মই কওঁ ইয়াক বৰ্খাস্ত কৰিব লাগে।"

এনেতে ধৰ্মেশ্বৰ আৰু তাৰ লগৰীয়া ডেকাকেইটা আগ-বাঢ়ি আহিল। চাহাবৰ আগত একেলগে কিবাকিবি ক'বলৈ সিহঁতৰ তত নাইকিয়া হ'ল। কিন্তু চাহাবে ধৰ্মেশ্বৰকহে ক'বলৈ সুবিধা দিলে। ধৰ্মেশ্বৰে ক'লে, "চাহাব, এই তিৰোতাজনী

বিধবা। সম্বন্ধত তাই মোৰ বৌ। ককাই চুকোৱা আজি তেৰবছৰমান হ'ল। তেনেহ'লে এই দুমহীয়া শিশুটোৰ জন্ম কেনেকৈ হ'ল ? তাইক সোধক এই সন্তানৰ পিতা কোন ?"

এনেতে এটা আচৰিত ঘটনা ঘটিল। সবেশ্বৰে ওচৰতে থিয় হৈ চাহাবৰ বিচাৰখন শুনি আছিল। এইবাৰ সি নিৰ্ভীক-ভাৱে আগবাঢ়ি আহি ক'লে, 'হুজুৰ, কাটকেই বা মাৰকেই ময়েই এই সন্তানৰ পিতা। মোৰ কথা সঁচানে মিছা আঘোণীক সোধক।"

গোটেই সমাজখন বাঁহি পৰি জান যোৱাৰ নিচিনা হ'ল। চাহাবে কঠোৰ দৃষ্টিৰে সবেশ্বৰৰ ফালে চালে। কিন্তু তাৰ কথাৰ সত্যাসত্য বিচাৰ কৰিবপৰা অৱস্থা তেতিয়া নাছিল। আঘোণী মূৰ্ছা গ'ল আৰু তাই মাটিত বাউসি পৰিল। চাহাবৰ আদেশত ধৰ্মেশ্বৰহঁতে তাইৰ দাঙি লৈ গ'ল আৰু মুখত পানী ছাটি-ৱলৈ ধৰিলে। কেঁচুৱাটোৱে খুব চিঞৰিছিল। সবেশ্বৰে তাক কোলাত ললে আৰু দুয়োগালে দুটা চুমা খাই পিতৃত্বৰ পৰমেৰে তাক ধন্য কৰিলে। সি ইমান নিখুঁতভাৱে অভিনয় কৰিছিল যে সিয়ে সেই সন্তানটিৰ জনক নহয় সেইকথা অবিশ্বাস কৰিবপৰা অৱস্থা কাৰো নাছিল। স্বয়ং কমিছনাৰ চাহাবো তাৰ সহজ-সৰল অথচ নিৰ্ভীক আচৰণত অতিশয় বিস্মিত হ'ল।

অৱশেষত তেওঁ নিস্তব্ধতা ভঙ্গ কৰি ক'লে, 'মই বুজিব পাৰিছো, গোস্বামী ডাবিমৰ বিৰুদ্ধে অনা এই অভিযোগবিলাক অমূলক আৰু ভিত্তিহীন। মোৰ ধাৰণা এই হীন চক্ৰান্তৰ মূলতে হ'ল বগীৰাম গাঁওবুঢ়া। সোণস আত্মতিৰপৰা বঞ্চিত হৈ সি এনে অসৎ কাম কৰিছে। তাক মই এতিয়াই গাঁওবুঢ়া পদৰ-পৰা বৰখাস্ত কৰিলো। কাৰণ সিয়েই ডেকাবিলাকক উচটাই ইংৰাজ চৰকাৰৰ দায়িত্বশীল কৰ্মচাৰীৰ বিৰুদ্ধে এনে অন্যায় ষড়যন্ত্ৰত লিপ্ত হৈছিল।'

অলপ সময় টলকা মাৰি তেওঁ আকৌ ক'লে, "কিন্তু এটা কথা পৰমানন্দ, তোমাৰ এই অৰ্ডাৰলীটো চৰিত্ৰহীন। তাক তুমি বৰখাস্ত কৰিবা। আৰু তোমাকো সাৱধান কৰি দিছো—আগৰ খোজ চাইহে পিছৰ খোজ দিবা। পুনৰ যদি এনে ধৰণৰ

অভিযোগ মোৰ কাণত পৰে, গড হেল্প ইউ ।''

চাহাব থিয় হ'ল । সকলো মানুহ থিয় হ'ল । এনেতে দুৰ্য্যোধন তেলী আহি চাহাবক চেলাম দিলেহি । সি চাহাবৰ আগত ক'লে, ''হুজুৰ হাকিম চাহাবৰ ঘোঁৰাটো মোৰ আস্তা-বলতে থাকে । চাহাবে মোক মাহে মাহে টকা দিয়ে । ঘোঁৰাটো মই সৌ নাহৰ গছ-জোপাতে বান্ধি থৈ আহিছো । হুজুৰে চাব পাৰে ।''

এইবাৰ কমিছনাৰ চাহাবৰ সকলো সংশয় দূৰ হ'ল । গোস্বামীৰ নিচিনা এজন নিষ্ঠাবান, সৎ আৰু সুদক্ষ বিষয়াই অকাৰণতে এনে অপমান পোৱাত তেওঁ পেটে পেটে বৰ দুখ পালে । পিছৰ বছৰতে যাতে পৰমানন্দৰ পদোন্নতি হয় তাৰ কাৰণে চুপাৰিছ কৰিবলৈ তেওঁ সিদ্ধান্ত কৰিলে । জিলাৰ বৰচাহাবৰ সৈতে তেওঁ মটৰত উঠিল আৰু ভয়ঙ্কৰ গজন কৰি গাড়ীখন চলি গ'ল । এই গজন যেন কমিছনাৰ চাহাবৰ কণ্ঠৰপৰাহে নিঃসৃত হৈছিল, ক্ষুদ্ৰ প্ৰজা কিছুমানৰ স্পৰ্ধাৰ কাৰণে । সিহঁতক যথেষ্ট শিক্ষা দি মহামান্য ইংৰাজ চৰকাৰৰ মুখচফুটা কৰ্মচাৰীয়ে প্ৰস্থান কৰিলে ।

ইতিমধ্যে ৰেলগাড়ীখন বিৰাট জোকাৰ এটা মাৰি বৈ যোৱাত ৰায়চাহাব বাস্তবলৈ ঘূৰি আহিল । তেও দেখিলে, নগৰৰ ষ্টেচনত ইতিমধ্য ৰেলগাড়ী উপস্থিত হৈছেহি । অৱশো তেওঁ অলপো লৰালৰি নকৰি ধীৰে-সুস্থে গাড়ীৰপৰা নামিল । তৃতীয় শ্ৰেণীৰ ডবাৰপৰা তেওঁৰ টেকেলা এটাও নামি আহিল আৰু ৰায়চাহাবৰ টালি-টোপোলাবিলাক ললেহি ।

ষ্টেচনৰ বাহিৰ হৈ তেওঁ ঘোঁৰাগাড়ী এখনত উঠি পোনে পোনে বৰচাহাবৰ অফিচ পালেগৈ । তেতিয়া সময় প্ৰায় এঘাৰ মান বাজিছিল । বৰচাহাব এজলাছতে বহি আছিল । ৰায়-চাহাবে তেওঁক চেলাম দিলে । বৰচাহাবে তেওঁক বহিবলৈ কোৱাতহে ৰায়চাহাবে চকী এখন টান মাৰি লৈ বহিল ।

ইংৰাজ জিলাধিপতি বেণ্টিঙ্ক চাহাবে সলসলীয়া অসমীয়া ক'ব পাৰে । শাসকসকলে দেশীয় ভাষা নিশিকিলে ৰাজকাৰ্য্যত অসুবিধা ঘটে । প্ৰজাসকলৰ মনোভাৱ স্পষ্টভাৱে জানিবলৈ হ'লে

তেওঁলোকৰ ভাষাটো আয়ত্ত কৰি লব লাগিব, এয়ে আছিল ইংৰাজ-সকলৰ ৰাজনীতি। তাহানিখনৰ সেই কমিছনাৰজনেও অসমীয়া ভাষা ভালকৈ জানিছিল ৰায়চাহাবে সুৰৰিলে। সেইদিনা সেই তদন্তটো অসমীয়া ভাষাতে চলিছিল, যদিও মাজে মাজে চাহাব-জনে দুই-এষাৰ ইংৰাজী বাক্য ব্যৱহাৰ কৰিছিল। সেইকাৰণে সাবধনৰে সকলো বুজিব পাৰিছিল।

এতিয়া জিলাৰ বৰচাহাবজনেও অসমীয়াত ক'লে, "ৰায়-চাহাব, আপুনি অহাত মই বৰ ৰ পাইছো। আপুনি আজি নহা হ'লেও মই আপোনাক মাতি পঠালোহেঁতেন। অলপতে গভৰ্ণৰ বাহাদুৰ এই জিলালৈ আহিব। সঠিক তাৰিখ আপোনাক পিছত জনোৱা হ'ব। গভৰ্ণৰৰ আগন্তুক ভ্ৰমণ উপলক্ষে আপোনাৰো কেইটামান দায়িত্ব আছে।'

ৰায়চাহাবে অতি বিনীতভাৱে ক'লে, "হুজুৰ, মই সামান্য ব্যক্তি। লাটচাহাবৰ ভ্ৰমণ সম্পৰ্কে মোৰ কেনে দায়িত্ব থাকিব পাৰে মই নেজানো। কিন্তু আপোনাক প্ৰতিশ্ৰুতি দিছো সেই দায়িত্ব মই শক্তিৰে ভালৈ মানে পালন কৰিবলৈ চেষ্টা কৰিম।'

'আপোনাৰ কথা শুনি মই সুখী হৈছো, ৰায়চাহাব। আপোনা-লোকেই সমাজৰ ধৰণী স্বৰূপ। আপোনালোকৰ আলম লৈয়েই মহামান্য ভাৰত চৰকাৰে শাসন-কাৰ্য চলাই আছে। এতিয়া কওঁ শুনক। গভৰ্ণৰ বাহাদুৰৰ চিকাৰ কৰাত বৰ সখ। আপুনি চিকাৰৰ সকলো ব্যৱস্থা কৰিব লাগিব। লগত তেখেতৰ জীয়েকো আহিব পাৰে। অন্যান্য বিষয়াসকলতো থাকিবই। প্ৰথমতে আপুনি বাহৰৰ কাৰণে এডোখৰ সুচল ঠাই নিৰ্বাচন কৰিব লাগিব যাতে পঁচিশ ত্ৰিশটামান টেণ্ট তৰিবপৰা হয়। আমাৰ ইঞ্জিনিয়াৰ আপোনাৰ লগত থাকিব। আৰু এটা সমস্যা হ'ল, ষ্টেচনৰপৰা আপোনাৰ গাওঁ পৰ্যন্ত ৰাস্তাটো। ৰাস্তাটো ধূলিৰে পোতখোৱা, তদুপৰি ওখোৰা-মোখোৰা। এতিয়া শিলেৰে বান্ধিবলৈ সময় নাই। গতিকে কেনে ধৰণেৰে ৰাস্তাটো ব্যৱহাৰোপযোগী কৰিব পাৰি আপুনি ভাবি চাব।'

এই ৰাস্তাটো ভাল কৰিবলৈ ৰায়চাহাবে আজি অতকাল চৰকাৰক কতবাৰ আবেদন কৰিলে, সকলো অৰণ্যত ৰোদন

হ'ল। ৰায়চাহাবৰ স্বাৰ্থ নথকা নহয়। তেওঁ মটৰগাড়ী এখন লবলৈ বহুদিনৰেপৰা পাণ্ডি আছে, গাড়ীখন হ'লে তেওঁৰ সামাজিক মৰ্য্যাদা বৃদ্ধি হ'ব। তদুপৰি মাছৰ তেলেৰেই মাছ ভজাৰ দৰে ৰাস্তাটোৰ ঠিকা ললে তাৰপৰা হোৱা লাভেৰেই গাড়ীখন কিনিব পাৰিব চন্দুকৰপৰা টকা উলিয়াব নেলাগে। 'অথচ এই বেণ্টিঙ্ক চাহাবেই ইয়াৰ বিৰোধিতা কৰি আহিছে। কেনেবাকৈ এবাৰ শুনিছিল বোলে ৰাস্তাটো প্ৰথমে বন্ধাৰ সময়ত ৰায়চাহাবে বহুত টকা কৰিলে।

ৰায়চাহাব নীৰৱে থকা দেখি চাহাবে ক'লে, "আপুনি মনে মনে কি ভাবিছে মই বুজিব পাৰিছো, ৰায়চাহাব। এই ৰাস্তাটো ভাল কৰিবৰ কাৰণে আপুনি দৰখাস্ত কৰিছিল কিন্তু এতিয়ালৈকে চৰকাৰৰ হুকুম হোৱা নাই। কিন্তু তাৰ কাৰণ আছে। আপুনি জানে এতিয়া ডিপ্ৰেছন চলি আছে। চৰকাৰৰ টকা নাই। প্ৰজাৰ ওপৰতো নতুন কৰকাটল বহুওৱা সম্ভৱ নহয়, কাৰণ প্ৰজাৰ অৱস্থা শোচনীয়। যি নহওক মই কথা দিলো, এইবাৰ গভৰ্ণৰৰপৰা মই ৰাস্তাটোত শিলগুটি দিবৰ কাৰণে হুকুম লম আৰু তাৰ কনট্ৰেক্ট আপুনিয়েই পাব।"

টানত পৰি ৰাম বুলিছে, ইংতৰ সমান ধূত নাই' ৰায়চাহাবে ভাবিলে। ফুটাই ক'লে, হুজুৰ, কোনো চিন্তা নকৰিব। হাতত অন্ততঃ দহ-পোন্ধৰ দিনমান সময় পালে মই সবলো ঠিক-ঠাক কৰি পেলাম। লাটচাহাব অহাৰ সঠিক তাৰিখটো আপুনি মোক সময়মতে জনাব। ভাল হুজুৰ, মই এতিয়া উঠো, অফিচত কিছু কাম আছে।"

- বৰচাহাবে সুধিলে, "মৌজাৰ খাজনা-পত্ৰ কিমান উঠিছে ৰায়চাহাব? মানুহবিলাকে দিব পাৰিছেনে?"

হুজুৰ, প্ৰজাৰ অৱস্থা ভাল নহয়। এইবাৰ অৱশ্যে খেতি ভাল হৈছে, গতিকে অহাবাৰ কিস্তি সময়মতেই দিব পাৰিম। কিন্তু সেইবুলি মই বহি থকা নাই। কোৰোক, মহল নীলাম আদি চলাই আছো। ৰজাৰ খাজনা নিয়মমতে আদায় কৰিব নোৱাৰিলে মই কিহৰ কাৰণে মৌজাদাৰী বিষয়খন খাইছো? পিছে এটা কথা, মোৰ মৌজাত অবাদী মাটি বৰ কম। বেছিভাগেই

বন্দৰস্ত নোহোৱা পতিত জমি । নতন পত্তন হ'লে চৰকাৰৰ আয় হ'ব, ময়ো কমিছন দুপইচা বেছি পাম ।"

"আপুনি সদায় টুপাইচ'ৰ চিন্তাত থাকে ৰায়চাহাব । হাও টিপিকেল ? ঠিক আছে ৰায়চাহাব, আপোনাৰ হাতলৈ যাতে টুপাইচ' আহে তাৰ কাৰণে মই ব্যৱস্থা লম । গুড নাইট ।'

ৰায়চাহাবে বুজিলে ইণ্টাৰভিউ শেষ । দীঘলীয়া চেলাম এটা দি তেওঁ বিদায় ললে । চাহাবটো সাংঘাতিক চালাক । ৰায়চাহাবক হাড়ে হাড়ে চিনি পায় ।

ইফাল সিফাল কৰি দিনটো কটোৱাৰ পিছত ৰায়চাহাবে গধূলিৰ ৰেলতে ঘৰলৈ উভতি যোৱাই ভাল বুলি বিবেচনা কৰিলে । দিনটো চাহৰ বাহিৰে একোটোৱেই পেটলৈ নগ'ল । ভাতনো ক'ত খাব ? হোটেল আদিত তেওঁ নেখায় । মানুহৰ ঘৰলৈ যাবলৈয়ো ভাল নেপায় । থাকিবলগীয়া হ'লে তেও অগত্যা ডাক বঙলাতে থাকে, কিন্তু নিজে ৰান্ধি খায় । ঘৰৰপৰা সকলো যোগাৰ লৈ আহে । যা-যোগাৰ আজিও আছিল । তেওঁ ডাক বঙলালৈ গ'ল । টেকেলাটো বামুণ তাকে ৰান্ধিবলৈ লগাই দি তেওঁ গা-পা ধুলে আৰু কাপোৰ-কানি সলাই ললে । কণক ৰাজখোৱাৰ ঘৰত পাক এটি মাৰিবলৈ ইচ্ছা আছিল কিন্তু ৰেল ৰাতি আঠবজাতে । সময় নহ'ব । ইফালে পাওঁতে পাওঁতে ৰাতি দহমান বাজিব । দোলাভাৰী কেইটা থাকিবনে বাৰু ? নেথাকিলে ষ্টেচন মাষ্টৰৰ ঘৰতে ৰাতিটো পৰি থাকিব ।

গধূলি সাতবজাতে আজৰি হৈ ৰায়চাহাব ৰেল ষ্টেচন পালেগৈ । আঠবজাত ৰেল এৰিল আৰু ৰাতি দহ বজাত গন্তব্য ষ্টেচনটো পালেগৈ । জুৰাইৰ বাহিৰে বাকী তিনিটা দোলাভাৰী তাতে বৈ আছিল ।

ৰাতি একবজাত অৱনীও ঘৰ সোমাইছিলহি। সি ডাক্তৰ যোৱাৰ পিছতে জুৰাইৰ ঘৰলৈ গ'ল। ইতিমধ্যে বেলিৰাম কম্পাউণ্ডাৰো আহি পাই বেমাৰী ল'ৰাটোক বেজী এটা দিলে। এইবাৰ সভাই বেজ খণ্ডত উঠি যাব খুজিছিল। কিন্তু ৰাইজে বৰকৈ অনুৰোধ কৰাত আৰু বিশেষকৈ মাকে হাতে-ভৰিয়ে ধৰি কাবৌ-কাকুতি কৰাত বেজৰ খং মাৰ গ'ল আৰু তেওঁ নেৰা-নেপেৰাকৈ বিহলঙনীৰে কোবাই কোবাই জাৰিবলৈ ধৰিলে। কিছু সময়ৰ পিছত জুৰায়ো স্টেচনৰপৰা উভতি আহিল। ল'ৰাটোৰ চাটি-ফুটি ইতিমধ্যে কমি আহিছিল। সি ক্রমে নিস্তেজ হৈ পৰিল। বেজৰ জেৰাৰ উত্তৰ দিবলৈ আৰু তাৰ মুখৰপৰা মাত নোলোৱা হ'ল। পুতেকৰ অৱস্থা দেখি জুৰাইৰ কানিৰ নিচাও কাটি গ'ল আৰু সি মনৰ দুখত তলমূৰ কৰি ল'ৰাটোৰ কাষতে বহি থাকিল। ঘৈণীয়েকে তাক কিবা এটা খাবলৈ কেইবাবাৰো মাতিলে, কিন্তু সি বহিল যি বহিলেই। উঠি যাবলৈ তাৰ সত নগ'ল। এবাৰ সি অৱনীৰ ফালে চাই ক'লে "বোপাটি, তুমিনো ইয়াত থাকি কিটো কৰিবা? ঘৰলৈকে যোৱাগৈ যি হ'ব লগা আছে হ'বই আৰু।" কিন্তু অৱনীয়েও লৰচৰ নকৰিলে।

বেলি পৰাৰ সময়ত ল'ৰাটোৰ সাৰ-সিকটি নাইকিয়া হ'ল। বেলিৰামে হাতৰ জেঠী বহুত সময় পৰীক্ষা কৰিলে। তেওঁৰ গহীন মুখখনলৈ চাই ৰাইজৰ বুজিবলৈ বাকী নেথাকিল যে ল'ৰা-টোৰ আয়ুসত আৰু চাউল নাই। ইতিমধ্যে বেজো ভাগৰি পৰিছিল। তেওঁ ক'লে, "ৰাইজ, মই যিমানখিনি পাৰো কৰিলো। বুঢ়াডাঙৰীয়া নহয় যেন পাইছো। তেৰা ইমান সময় নেথাকে। এইটো নিশ্চয় জলশায় দেৱতাৰ কৰ্ম। তেওঁ বৰ জয়াল বিধৰ। মই আকৌ বেলেগ এখন পুথি আনোগৈ। আকৌ এবাৰ চেষ্টা কৰি চাম।"

বেজ গ'ল। বহুত মানুহ কিন্তু তেতিয়াও থাকিল। সেই সময়ত টানে-আপদে ওচৰচুবুৰীয়াক সহায় কৰা ৰাইজৰ ধৰ্ম

আছিল। বাইজৰ দয়াৰ ওপৰতে বহুতো দাস-দৰিদ্ৰৰ জীৱন-যাপন নিৰ্ভৰ কৰিছিল। এতিয়া মানুহৰ অভাৱ-অভিযোগ বেছি হৈ আহিছে। নিজৰ কাৰণেই টনাটনি, আনৰ কথা চিন্তা কৰিবলৈ অৱসৰ নাই। অভাৱে মানুহৰ মনৰ দয়া-মায়া, মৰম-চেনেহ সহায়-সহানুভূতি সকলো দূৰ কৰিছে। দুৰ্নীতি আৰু স্বাৰ্থপৰতাই আজিৰ সমাজখন পঙ্কিল কৰি তুলিছে। ইয়েই যুগধৰ্ম।

সভাই বেজৰ ওপৰত যে বাইজৰ বিশেষ আস্থা আছিল এনে নহয়। কিন্তু স্বাভাৱিকতে সেই সময়ত হাবি-জংঘল আদি বেছি আছিল আৰু ফলত ভূত-প্ৰেতৰো প্ৰাদুৰ্ভাৱ হৈছিল বুলি মানুহৰ এটা অন্ধ বিশ্বাস আছিল। আজিৰ মানুহেও ভূতপ্ৰেত বিশ্বাস কৰে জৰাফুকাও চলি থাকে। বেমাৰ হ'লে প্ৰথমে বেজকহে খবৰ দিয়ে। বেজে তাবিজ দোল-ফহটি আদি দি বেমাৰ ভাল কৰিবলৈ চেষ্টা কৰি চায়, হয়তো এনে কিছুমান বেমাৰ আছে যিবিলাক আপোনাআপুনি ভাল হৈ যায় আৰু তাৰ কাৰণে বেজে কৃতিত্ব দাবী কৰে। কিন্তু বেমাৰে গুৰুতৰ ৰূপ ধাৰণ কৰিলে অৱশেষত ডাক্তৰৰ ওচৰ চাপেগৈ। পিছে ডাক্তৰে কিবা কৰাৰ আগতে ৰোগী সিপুৰী পায়গৈ।

ইয়াৰ মূল কাৰণ হৈছে মানুহৰ শোচনীয় আৰ্থিক অৱস্থা। ডাক্তৰক ভিজিট দিবলৈ বেছিভাগ মানুহৰ সম্বল নাই। বেজক তামোল-পাণ এটাৰে সিকি বা আধলি এটা মাননী দিলেই হয়, গতিকে গৰীব মানুহৰ কাৰণে বেজেই অগতিৰ গতি।

স্থিৰ নহওক, অৱনী তাতে থাকি গ'ল। মাকলৈ অৱশ্যে খবৰ এটা পঠিয়ালে। কম্পাউণ্ডাৰো থাকিল। তেওঁ যথেষ্ট চেষ্টা কৰিলে। কিন্তু ৰোগীয়ে আৰু ঘূৰাই চেতনা নেপালে। সভাই বেজ ৰাতি নাহিল। বোধকৰো কিবা এটা গম পাইছিল। আবৰ দিনৰ কাৰণে বাইজে আগফালৰ চোতালত তাওৰকৈ জুই একুৰা ধৰি লৈছিল আৰু যেয়ে যি মন যায় কথা পাতি সময় কটাইছিল।

অৱশেষত দুপৰ নিশা ল'ৰাটোৰ জিভিৰ ঘৰঘৰণি আৰম্ভ হ'ল কম্পাউণ্ডাৰে ইঙ্গিত দিলে। জুবায়ে তাৰ মুখত শেষবাৰৰ

কাৰণে এচামুচ গাখীৰ্ দিলে। খন্তেকৰ কাৰণে ল'ৰাটোৱে চেতনা পালে। 'মা, আহিলো ঔ' বুলি সি চিৰদিনৰ কাৰণে নিমাত হ'ল। মাক মূৰ্চ্ছা গ'ল। জুৰাই সৰগপৰা মানুহৰ দৰে থিয় হৈ থাকিল। দুটামান বয়সীয়াল মানুহে ল'ৰাটো বাহিৰলৈ উলিয়াই তুলসীৰ তলত থলে। খৰি খেৰ গোটাবলৈ ডেকা ল'ৰামখা হাতত দা-কটাৰী লৈ দিহা-দিহি গ'ল। খন্তেকতে কাঠ বাঁহৰ যোগাৰ হ'ল আৰু চাঙী এখনত ৰাইজে দুৰ্ভগীয়া ল'ৰাটোৰ নশ্বৰ দেহাটো তুলি তাক শ্মশানলৈ লৈ গ'ল।

মৰাশটো শ্মশানলৈ নিয়াৰ পিছত বেলিৰাম কম্পাউণ্ডাৰক লগত লৈ অৱনী ধীৰে ধীৰে ঘৰলৈ উভতি আহিল। গোটেই পৰিৱেশটো সহ্যাতীত হৈ উঠিছিল আৰু তাৰ মনৰ গহনত তেতিয়া বা-মাৰলিৰ সৃষ্টি হৈছিল। পগলা মানুহৰ দৰে চলং-পলংকৈ চাঙীখনৰ পিছে পিছে গৈ থকা জুৰাইৰ জপৰা চুলিকোছাই অন্ধকাৰ, মৰ-আঁউসীৰ নিশাটোৰ দৰে তাক কিবা এটা অশুভ ইংগিত দিছিল। তাৰ মনলৈ এটা ব্যাকুলতা আহিছিল, যিটো অনুভূতিয়ে তাক কোনোদিনেই পীড়ন কৰা নাছিল। কঠোৰ মৃত্যুৰ লগত আজিয়েই প্ৰথমবাৰৰ বাবে তাৰ পৰিচয় ঘটিল। মৰণৰ ভয়াবহতাই তাৰ কাৰণে নিদাৰুণ ভৱিষ্যতৰ এটা অতিশয় বাস্তৱ ইংগিত বহন কৰি আনিলে।

তেতিয়া এজাক হাড় কঁপোৱা চেঁচা বতাহ বলিছিল। অৱনীৰ জাৰ লাগি গ'ল। তাৰ তন্ময়তা ভাগিল। সি আহি ঘৰৰ পদূলি পালেহি। বেলিৰামক সি সিহঁতৰ ঘৰলৈকে মাতি নিলে। অৱনীৰ মাক তেতিয়াও সাৰ পাই আছিল। ৰায়চাহাব খন্তেক আগতে মাত্ৰ বিছানত পৰিছিল। মাকে সিহঁতক কিবা এটা খাবলৈ কৈছিল, কিন্তু দুয়ো একোকে মুখত নিদি শোৱা কোঠাত সোমাল।

পিছদিনা পুৱাই বেলিৰাম কম্পাউণ্ডাৰ গ'লগৈ। অৱনীয়ে শুই উঠোঁতে যথেষ্ট পলম হৈছিল। কাৰণ ৰাতি পুৱাবৰ সময়তহে তাৰ টোপনি ধৰিছিল; সেই টোপনিও আছিল অগভীৰ। কিছু-মান অৰ্থহীন দুঃস্বপ্নই টোপনিৰ ব্যাঘাত কৰিছিল। ৰাতি বেছিকৈ মদ খালে পিছদিনা পুৱা যেনেকৈ গা-মূৰ বেয়া লাগে, সেইদৰে

অৱনীৰো সেহং অভাৰ হৈছিল। সি মুখ-হাত ধুলে, মুখত পানী ললে আৰু চাহটোপা খাই উঠাৰ পাছতে ৰায়চাহাবে তাক মাতি পঠালে।

ৰায়চাহাবে কিন্তু আনদিনাৰ দৰেই উপজি পুৱাতে শয্যা এৰিছিল। সন্ধ্যা আহ্নিক পূজা-সেৱা আদি ইতিমধ্যে সমাপ্ত হৈছিল। তেওঁ চ'ৰাত বহি কাগজ-পত্ৰ পৰীক্ষা কৰি আছিল আৰু বৃকোদৰ নামৰ ভীমকায় মহৰীটোৱে কিবাকিবি ৰিপ'ৰ্ট দি আছিল।

অৱনী দেউতাকৰ কাষতে থিয় হৈ থাকিল। ৰায়চাহাবে বহিবলৈ কোৱাত সি চকী এখনত বহিল। ভীমসেনে কিবা ইংগিত পাই গুচি গ'ল।

ৰায়চাহাবে তাক ক'লে, "অৱনী কালি দিনে-ৰাতিয়ে তই কি কৰিলি মই সকলো খবৰ পাইছোঁ। মানুহক বিপদ-আপদত সহায় কৰা ভাল। কিন্তু জুৰাইৰ নিচিনা ছালছিগা ভিকহু এটাৰ ঘৰত ৰাতি দুপৰলৈকে এইদৰে পৰ দিয়াটো মই ভাল চকুৰে চাব নোৱাৰো। তই এটা কথা পাহৰি যোৱাটো মই নিবিচাৰো যে এই অঞ্চলত আমাৰ ঘৰখনৰ এটা সুকীয়া মৰ্য্যাদা আছে। চৰকাৰৰ সন্মানজনক পদবীধাৰী ৰায়চাহাবৰ ডিগ্ৰীধাৰী পুত্ৰই তলখাপৰ মানুহৰ লগত ঢলিগলি কৰাটো মোৰ মনঃপূত হোৱা নাই। এইবাৰ যি কৰিলি কৰিলি, কিন্তু ভৱিষ্যতৰ কাৰণে তোক সাৱধান কৰি দিছোঁ। আৰু শুন অলপতে গভৰ্ণৰ বাহাদুৰ আমাৰ এইফালে চিকাৰ কৰিবলৈ আহিব। তোৰ ওপৰতো মই কিছুমান দায়িত্ব দিম। তই যদি নিজৰ বুদ্ধি আৰু যোগ্যতা দেখুৱাব পাৰ তেন্তে এটা ভাল চাকৰি পোৱাৰো আশা আছে। কিন্তু ছোটলোকৰ লগত তোৰ মিলামিছা আছে বুলি কেনেবাকৈ জানিব পাৰিলে ইংৰাজ চৰকাৰে তোক কেতিয়াও কাম নিদিয়ে। স্বভাৱ চৰিত্ৰ নিৰ্মল নহ'লে আৰু নিজৰ অভিজাত্য বজাই ৰাখিব নোৱাৰিলে ডাঙৰ চাকৰি পোৱাটো অসম্ভৱ।"

পিতাকৰ বক্তৃতা অৱনীয়ে নিতাল মাৰি শুনি থাকিল। কিন্তু সি বৰ নম্ৰভাৱে ক'লে, "দেউতা, মই সকলো বুজিব পাৰিছো। পিছে জুৰাইৰ ল'ৰাটো কালি ঢুকাল। মানুহজনৰ

তেনেই লাওলোৱা অৱস্থা। দেখিলেই চকু পানী ওলায়। এনে মানুহক অলপ সহায় কৰিলে জানো আমাৰ মানমৰ্য্যাদা হানি হ'ব ?"

"নিশ্চয় হানি হ'ব। সিহঁতৰ লগত আমাৰ প্ৰভু-ভৃত্যৰ সম্বন্ধ। ঘৰৰপৰা যিমান পাৰ সহায় কৰি থাক, মই হুকাবধা নিদিওঁ। কিন্তু সেইবুলি সিহঁতৰ লগত মেল মাৰি থাকিবিগৈ সেইটো মই সহ্য নকৰো। মাৰেতো গোটেইগাঁওখনকে আমাৰ ভঁৰালৰপৰাই পোহ-পাল দি আছে, মই জানো কেতিয়াবা আপত্তি কৰিছো ? তই ডাক্তৰ মাতিবলৈ গলি, মই জানো হাক দিছিলো ?"

ৰায়চাহাব নীৰৱ হ'ল। তেওঁ অতি নিঃকিন অৱস্থাৰপৰা উন্নতি কৰি এতিয়া ডাঙৰ মানুহ হৈছে যদিও দুখীয়াৰ দুখ তেওঁ অন্তৰেৰে অনুভৱ কৰে। গৰীৱ-দুখীক ঘৈণীয়েকে সহায় কৰিলে তেওঁ নেমাতে। অৱশ্যে এটা কথা সত্য যে নিজৰ অৱস্থা টনকিয়াল কৰিবৰ কাৰণে তেওঁ সময়ে সময়ে নিষ্ঠুৰ, নৃশংস হৈ পৰে, দয়া-মায়া পাহৰি যায়। মানুহক হাঁহি হাঁহি সবস্বান্ত কৰিব পাৰে।

অৱনীয়ে বাপেকক বুজি পায়। তেওঁৰ দুবলতা কোন-খিনিত সিও তাৰ অজ্ঞাত নহয়। সেইকাৰণে সি আৰু তৰ্ক নকৰিলে। কিন্তু এটা কথাত তাৰ মনটো খু-দুৱাই আছিল, সেই কাৰণে সি নুসুধি নোৱাৰিলে।

"দেউতা, ফটিক ফান্দী ক'লৈ গ'ল ? পখিলীজনী বান্ধি থোৱাতে আছে কালিৰ পৰা। জয়ৰামে অৱশ্যে বলগছ কেইজপা-মান আনি দিছেহি, কিন্তু তাইৰ খাবলৈ মনেই নাই। হাতীজনী বৰ আমন-জিমনকৈ আছে।"

ৰায়চাহাবে কিছুসময় চিন্তা কৰিলে, তাৰ পিছত ক'লে, "ফটিক ফান্দীৰ কথা তোক অন্য সময়ত কম। এতিয়া মূঠতে ইয়াকে জানি থ তাক মই বৰ্খাস্ত কৰিছো। কালিলৈ অন্য এটা মাউত আহিব। অ' আচল কথাটো পাহৰিছোৱেই। তই এই চিঠি কেইখনৰ উত্তৰকেইটা ভাবি-চিন্তি লিখি থবি। কালিলৈ বৰচাহাবলৈ পঠাই দিব লাগিব। মোৰ অন্য কাম আছে, সেইকাৰণে যাব লাগে।

ৰায়চাহাব ওলাই গ'ল। তেওঁ বিশ্ৰাম লবৰ বাবে শোৱনি

কোঠাত সোমাল। দময়ন্তী দেবীয়ে তেও ক গাখীৰ এগিলাচ দিবলৈ আহি সুযোগ বুজি ক'লে, ' জুৰাইৰ ল'ৰাটো মৰিলেই। পুৰাতে সি এবাৰ আহিছিল। তাক বোলে টকা-পাঁচোটা লাগে। ল'ৰাটোৰ সকাম-নিকাম কৰিব লাগে। তদুপৰি ঘৰতো খাবলৈ নাই। সি বোলে এইবাৰ কানি এৰি দিব আৰু ভালকৈ খেতি-বাতিত ধৰিব। খেতি চপোৱাৰ সময়ত টকাকেইটা ওভোতাই দিবলৈয়ো গাত লৈছে।'

ৰায়চাহাব অলপ বিৰক্ত হ'ল। ঘৈণীয়েকক টান কথা শুনাবলৈকে তেওঁৰ ইচ্ছা হৈছিল। কিন্তু খংটো চম্ভালি ক'লে, 'তুমি দেবী অন্নপূৰ্ণা হৈছা যেতিয়া যি ইচ্ছা কৰি থাকা। মোক সুধিব লাগিছে কিয় ?'

দময়ন্তী দেবী অলপ ক্ষুণ্ণ হ'ল। তেওঁ তথাপি সংযতভাৱেই উত্তৰ দিলে 'আপোনাক নোসোধা'ক মইনো আজিলৈকে কিটো কৰিছো ? টকাকেইটা দিম নে নিদিম খোলা-খুলিকৈ কওক। আৰু আপোনাৰ আজনৰ টকা-পইচা সা-সম্পত্তিৰ বলতে মই মানুহক কেতিয়াবা যি পাৰো সহায় কৰো। মোৰ নিজৰ বুলিবলৈ কিটো আছে ?''

ৰায়চাহাবে দময়ন্তীৰ অভিমান বুজিব পাৰিলে। ঘৈণীয়েকৰ ধুনীয়া মুখখনলৈ তেওঁ এবাৰ চালে আৰু লগে লগে তেওঁৰ মনটোও কুমলি গ'ল। তেওঁ ক'লে, "তুমি দিব খুজিছা যেতিয়া দিয়া আৰু। মইনো কেলেই হকাবধা কৰিবলৈ যাম ? ঈশ্বৰে আমাক অনেক দিছে। গতিকে দীন-দুখীক দুই এটা টকাৰে সহায় কৰিব পৰা অৱস্থা আমাৰ আছে। বেয়া নাপাবা, মোৰ মনটো অলপ গধুৰ হৈ আছে। অন্ততঃ এটা মাহ আমি অতি সাৱধান হৈ চলিব লাগিব। অৰুণীৰ চাকৰি তাৰ ওপৰতে নিৰ্ভৰ কৰিছে। গভৰ্ণৰ আহিব নহয়, শুনিছানে নাই ?"

আদাবেপাৰীকনো সেইবোৰ জাহাজৰ খবৰ কিয় লাগিছে ? মই ভাত ৰন্ধা মানুহ, ভাত বান্ধি থাকিম। দিছে এটা কথা, গোহাঁইভেটীৰ হাবিৰ মাজত থকা শিৱমন্দিৰটো অলপ মেৰামতি কৰি দিব। বাটটোও বান্ধি দিয়া ভাল। অৰুণীৰ চাকৰিৰ কাৰণে মই সেইটোকে মানস কৰিছো।"

শিৱমন্দিৰৰ কথা শুনি ৰায়চাহাবে চক খালে। তেওঁৰ ভাৱান্তৰ ঘটিল। তাৰ পিছত ক'লে "হ'ব, হ'ব, এতিয়া তুমি যোৱা, মই অলপ চকু কেইটা মুদি পৰি থাকো, যোৱাৰাতি টোপনি ভাল নহ'ল।"

এইবুলি কৈ ৰায়চাহাবে বিছনাত বাগৰ দিলে। দময়ন্তী দেবীও ওলাই গৈ নিজৰ সাংসাৰিক কামত ব্যস্ত হৈ পৰিল।

শুবলৈ চেষ্টা কৰা সত্ত্বেও ৰায়চাহাবৰ টোপনি নাহিল। তেওঁ আকাশ-পাতাল ভাবিবলৈ ধৰিলে। তেওঁৰ মনলৈ আহিল পৰমানন্দ হাকিমৰ কথা।

সেইদিনা কমিছনাৰ চাহাবে প্ৰস্থান কৰাৰ পিছত হাকিম সৰ্বেশ্বৰৰ সৈতে ঘৰলৈ উভতি আহিল। ইতিমধ্যে আই গোসাঁনীয়ে সকলো খবৰ পাইছিল। মিছাকৈয়ে দাৰুণ কলঙ্ক মূৰত লৈ সৰ্বেশ্বৰে তেওঁৰ স্বামীক কেনেকৈ নিশ্চিত বিপদৰপৰা ৰক্ষা কৰিলে সেই চমকপ্ৰদ ঘটনাও তেওঁৰ অবিদিত নাছিল। সৰ্বেশ্বৰে প্ৰভু-ঈশ্বৰৰ সন্মান অটুট ৰাখিলে। সি নোহোৱা হ'লে তেওঁৰ চাকৰি গ'লহেঁতেন গোটেই পৰিয়ালটোৰ হাহাকাৰ হ'লহেঁতেন।

গোসাঁনীয়ে কথাটো ভাবি চালে। কিন্তু সৰ্বেশ্বৰৰ প্ৰতি তেওঁ সদয় হ'ব নোৱাৰিলে। চিকাৰলৈ সি যোৱা হ'লে হাকিমে সেইবিলাক অপকৰ্ম কৰিব নোৱাৰিলেহেঁতেন। তেওঁৰ কু-কাৰ্যৰ সঙ্গী আৰু সহায়ক বুলি হাকিমনীয়ে বেচেৰা সৰ্বেশ্বৰকে জগৰীয়া কৰিলে। তেওঁৰ মনত নেখেলালে যে সি পৰমানন্দৰ হুকুমৰ দাস আৰু প্ৰভুৰ স্পষ্ট আদেশ অনুসাৰেই সি চিকাৰলৈ যোৱাৰপৰা বিৰত থাকিবলৈ বাধ্য হৈছিল।

গিৰিয়েকৰ কু-কীৰ্তিৰ কাহিনী তেওঁৰ কাণত বহুবাৰেই পৰিছিল, কিছুমান তেওঁ বিশ্বাস কৰিছিল, কিছুমান কৰা নাছিল। সৰ্বেশ্বৰক হাকিমৰ ৰখীয়া কৰি তেওঁ ভাবিছিল যে এইবাৰ আৰু তেওঁৰ স্বামীদেৱে আন নহ'লেও অন্ততঃ বৃন্দাবন লীলাৰ ভাওনা কৰিবলৈ সুবিধা নেপাব। কিন্তু অতি নিদাৰুণভাৱে আশা ভঙ্গ হোৱাত তেওঁৰ সকলো খং ৰাগ আৰু অভিমানে জীৱন্ত ৰূপ ধাৰণ কৰি ৰাহুৱে চন্দ্ৰক গ্ৰাস কৰাৰ দৰে, নিৰ্যাতিত সৰ্বেশ্বৰক গিলি পেলালে। অতি নিষ্ঠুৰভাৱে তাক অভিশাপ দিলে।

কিন্তু সৰ্বেশ্বৰৰ কাৰণে শাপেই বৰ হ'ল। বাহৰ গৰাহৰপৰা সি অচিৰে মুক্ত হ'ল। গোস্বামী প্ৰভুৱে তাৰ কাৰণে সেইখিনি কৰিলে। বিদায় পৰত প্ৰভুঈশ্বৰে কোৱা কথা কেইষাৰ এতিয়াও ৰায়চাহাবৰ কাণত বাজি আছে, 'সবাই তোক মই লগত ৰাখিব নোৱাৰো। স্বয়ং কমিছনাৰ চাহাবে কৈ গৈছে তোক খেদি দিবলৈ; তদুপৰি গৃহিণী তোৰ ওপৰত বিতৃষ্টা, তেওঁৰ আদেশ কমিছনাৰতকৈয়ো বেছি গুৰুত্বপূৰ্ণ। গতিকে তোক মই বিদায় দিবলৈ বাধ্য। তই মোৰ কাৰণে বহুত কৰিলি মিছা কলঙ্ক মূৰ পাতি ললি, শিষ্যাই গুৰুৰ নিমালি লোৱাৰ দৰেই নিতান্ত নিঃসঙ্কোচভাৱে। শুন সবেশ্বৰ, পৰমানন্দৰ বহুতো বেয়া গুণ থাকিব পাৰে কিন্তু তেওঁ অকৃতজ্ঞ নহয়। ইয়াৰপৰা দুকুৰি মাইলমান দক্ষিণে সাতঘৰীয়া মৌজাৰ শান্তিপুৰ গাঁৱত মোৰ দুপুৰামান মাটিৰ এখন পাম আছে। মানুহ এটা তাত থৈছিলো, কিন্তু দুমাহমানৰ আগতে মৰিল। ঘৰটো খালি হৈয়েই আছে। তই তালৈকে যা। এই ছকুৰি টকাও লৈ যা। তোৰ গাত বহুত গুণ আছে। ঈশ্বৰে কৰিলে তই মানুহৰ লগত মানুহ হৈ একঠা খাব পাৰিবি। মই মানুহ চিনি পাওঁ বুজিছ, সেইকাৰণেই তোক এই কথা ক'ব পাৰিছো। সেই গাঁৱতে কানিৰ মহল এটাও আছে। মই অলপ চেষ্টা কৰিলে তই মহলটোও হয়তো পাব পাৰ। তই ইয়াত আজি ৰাতিটোও থাকিব নেলাগে। আজি গোবিন্দৰ ঘৰত থাকি কালিলৈ পুৱাতে যাত্ৰা কৰিবি। প্ৰভু ভগৱন্তই তোৰ মঙ্গল কৰক।'

পৰমানন্দৰ চকু চলচলীয়া হৈছিল। সবেশ্বৰে সেইদিনাই প্ৰথমবাৰৰ বাবে তেওঁৰ চকুপানী দেখা পালে। তেওঁ যে কিমান বিচলিত হৈছিল সি অনুভৱ কৰিছিল। সি প্ৰভুঈশ্বৰক সেৱা কৰিলে।

প্ৰভুঈশ্বৰে তাক আশীৰ্বাদ দিলে। সি সজল চকুৰে বিদায় ললে। সৎমায়েও তেতিয়া কান্দিছিল আৰু তাৰ অতি মৰমৰ বন্ধুক আঁকোৱালি ধৰি পাৰেমানে উচুপিছিল।

সৰ্বেশ্বৰ শান্তিপুৰ গাঁৱৰ পামখনত থিতাপি লোৱা বছৰটোতে আকাশত এটা বিয়াগোম নেজাল তৰা ওলাইছিল। সেইটো ১৯১০ চনৰ কথা। এই নেজাল তৰাটো 'হেইলিৰ ধূমকেতু" বুলি জনাজাত। তৰাটোৱে গধূলি আকাশৰ অগ্নিকোণত দেখা দিয়ে। নেজাল তৰা ওলালে দেশত অপায়-অমঙ্গল হয় বুলি ৰাইজে বিশ্বাস কৰে। সেই বছৰতে ভাৰত সম্রাট সপ্তম এডোৱাৰ্ডৰ মৃত্যু হ'ল আৰু পুতেকে পঞ্চম জৰ্জ নাম লৈ ইংলণ্ডৰ সিংহাসনত আৰোহণ কৰিলে।

এই ৰজাজনৰ ৰাজত্বৰ কালছোৱা বৰ গুৰুত্বপূৰ্ণ। ভাৰততো তাৰ প্ৰভাৱ পৰিল। দেশত মাৰি-মৰক আৰম্ভ হ'ল। কলেৰা, বসন্ত, ক'লাজ্বৰ আদিত অসমৰ বহুত মানুহ মৰিল। সৰ্বেশ্বৰ থকা শান্তিপুৰ গাঁৱতো মাৰি-মৰক হৈছিল। ওচৰে-পাজৰে থকা বহুত গাঁও উছন হ'ল, শান্তিপুৰতো আদখিনি মানুহ মৰিল।

সৰ্বেশ্বৰৰ কপাল ভাল। হ'বৰ দিনত কুকুৰেও মৈ টানে বুলি বুঢ়ালোকে কয়। মানুহ-দনুহ মৰাত খেতিৰ পথাৰ ছন পৰি থাকিল, আকালে দেখা দিলে। মানুহৰ এই দুৰ্গতিৰ সময়ত সি ইচ্ছামতে সুত লৈ টকা ধাৰলৈ দিয়া ব্যৱসায় আৰম্ভ কৰি দিলে। বহুত ভাল ভাল মানুহ তাৰপৰা টকা ধাৰলৈ ললে। তদুপৰি সি এটা হালোৱা লৈ দুপুৰা মাটিত ধানখেতিও কৰিলে। ধাৰত মাৰি সি ইতিমধ্যে বহুতৰ মাটি-বাৰীও ললে।

১৯১১ চনত পৰমানন্দৰ পদোন্নতি হ'ল। তেওঁ ই এ চি হৈ আন এখন জিলালৈ বদলি হৈ গ'ল। যোৱাৰ আগতে তেওঁ বৰচাহাবক কৈ কানি-মহলটো সৰ্বেশ্বৰক দি গ'ল। আগৰ মহলদাৰজন মৰিল। হাকিমৰ সহায়ত সৰ্বেশ্বৰে অতি সহজে মহলটো পালে। জামানতৰ টকা তাৰ হাতত আছিল। টকা জমা দি সি মহলটো চমজি ললে আৰু পুৰণি বন্ধু সংৰামক মাতি আনি নিজৰ লগত ৰাখিলে। কাৰণ সংৰামৰ হাকিমৰ লগত থাকিবলৈ ইচ্ছা নাছিল।

সৎৰামৰপৰাই সি পৰমানন্দৰ ভিতৰুৱা সকলো খা-খবৰ পাইছিল। সেই ঘটনাটোৰ পিছতে গোসাঁনী মাকৰ ঘৰলৈ গুচি গ'ল। তেওঁ আৰু উভতি নাহিল। হাকিমৰ বহুত পৰিৱৰ্তন ঘটিছিল। তেওঁ এতিয়া সংভাৱে জীৱন-যাপন কৰিবলৈ ধৰিলে। ঘৈণীয়েকক আনিবলৈ বহুত চেষ্টা কৰিছিল, কিন্তু আই গোসাঁনী আহিবলৈ মান্তি নহ'ল। অগত্যা প্ৰভুঈশ্বৰে অকলশৰেই নতুন পদত বাহাল হৈ নতুন কৰ্মস্থানলৈ যাত্ৰা কৰিলে।

সৎৰামৰ সহযোগত সৰ্বেশ্বৰে দুবছৰ কঠোৰ পৰিশ্ৰম কৰিলে। তাৰ এই প্ৰচেষ্টা অথলে নগ'ল। কানি মহলৰপৰাই তাৰ অপাৰ লাভ হ'বলৈ ধৰিলে। কানীয়াবিলাকে বন্ধকত থোৱা সোণ-ৰূপৰ অলঙ্কাৰ, বাচন-বৰ্তন আদিৰে তাৰ ঘৰ ভৰি পৰিল।

হাতত টকা-পইচা হোৱাত সি অলপ চিন্তিত হ'ল। খেৰ-ঘৰটো খেৰৰ। ভেটিও কেঁচা। গতিকে চোৰ-ডাকৰ ভয় আছে। সৎৰামৰ লগত সি পৰামৰ্শ কৰিলে। নতুন বাৰী এখন পাতি তাতে এটা পকাঘৰ সজাটোৱেই ঠিক হ'ল। গাঁৱৰপৰা আধা-মাইলমান নিলগত, গাঁওখনৰ প্ৰমুখ বিক্ৰম বৰগোহাঁইৰ টোলখন মৰিশালিৰ দৰে পৰি আছিল। মাটিবোৰ ইতিমধ্যে তাৰ নামলৈ আহিছিল। সৰ্বেশ্বৰে নতুন বাৰীৰ কাৰণে সেই ঠাইখনকে নিৰ্বাচন কৰিলে। পুৰণি ঘৰ-দুৱাৰবোৰ ইতিমধ্যে ভাগি-ছিগি উৱলি গৈছিল। সেইবিলাক সম্পূৰ্ণৰূপে পৰিষ্কাৰ কৰি সৰ্বেশ্বৰে নতুন ঘৰ বান্ধিবলৈ আৰম্ভ কৰিলে। নিজেই বনুৱা লগাই ইটা মৰালে আৰু ভাতী সাজি থাকে থাকে শিঙৰি খৰি জাপি জুই লগাই কেঁচা ইটাবোৰ পুৰিলে। সেইসময়ত পকাঘৰৰ কাৰণে মানুহে নিজেই ইটা মৰাই লৈছিল। হাবিত প্ৰচুৰ শিঙৰি গছ আছিল আৰু শিঙৰি খৰিয়েই ইটাপোৰাৰ কাৰণে উৎকৃষ্ট আছিল। ইটাৰ ব্যৱসায়ীবিলাকে অৱশ্যে কয়লা ব্যৱহাৰ কৰিছিল, কিন্তু সেয়া নগৰতহে।

এইদৰেই সৰ্বেশ্বৰে ঘৰ সজাৰ সকলো প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰিলে। শাল কাঠৰ খুটা, হ'লখৰ চ'তি, বনচোমৰ বাটাম আৰু চামৰ তক্তাৰে গৃহনিৰ্মাণ আৰম্ভ হ'ল। এইবিলাক ওচৰৰ হাবিৰপৰাই কাটি অনা হৈছিল। নগৰৰপৰা আনিবলগীয়া

হ'ল বিলাতীমাটি, চিন-পাত, গজাল আদি বস্তু। ছমাহৰ ভিতৰতে তেওঁৰ ঘৰসজা শেষ হ'ল, আৰু এদিন এটা শুভ দিনত, যাগ-যজ্ঞ হোম আদি মাঙ্গলিক কাৰ্য্যৰ পিছত সৰ্বেশ্বৰে নতুন গৃহত প্ৰবেশ কৰিলে।

যাগ-যজ্ঞ কৰা পূজাৰীজন আছিল নলবৰীয়া ব্ৰাহ্মণ। তেওঁ সাত্বিক পণ্ডিত। পূজা-সেৱা আদি যাজনিক বৃত্তিৰে টুক-টুক টাক-টাককৈ চলি থকা বিধৰ লোক। সৰ্বেশ্বৰক দেখি তেওঁ মুগ্ধ হ'ল আৰু তেওঁৰ একমাত্ৰ কন্যা দময়ন্তীক তালৈ যাচিলে। সেই সময়ত মানুহে কম বয়সতে বিয়া পতা নিয়ম আছিল। সৰ্বেশ্বৰৰ তেতিয়া বয়স একৈশ-বাইশমান হৈছিলেই। বামুণজনক সি আগতে পৰমানন্দৰ ঘৰতো লগ পাইছিল। সি সন্মত হ'ল আৰু এঘাৰ বছৰীয়া দময়ন্তীৰ লগত তাৰ ধুমধুপালকৈ বিয়া হৈ গ'ল। দুবছৰমানৰ পাছত সি দময়ন্তীক শান্তি করাই আনিলে। তাৰ অকলশৰীয়া ঘৰত গৃহলক্ষ্মী আহি প্ৰতিষ্ঠিতা হ'ল।

তেতিয়া প্ৰথম মহাযুদ্ধ আৰম্ভ হৈছিল। ইংৰাজ চৰকাৰক সহায় কৰিবলৈ সি সচেষ্ট হৈ পৰিল। ওচৰৰ গাওঁবিলাকৰ-পৰা সৈন্য সংগ্ৰহ কৰিবলৈ ৰিক্ৰুইটিং অফিচাৰক সি পাৰেমানে সহায় কৰিলে। সেই অঞ্চলৰ প্ৰায় এহেজাৰমান ডেকা সৈন্য বাহিনীত ভৰ্তি হ'ল। ইয়াৰ বাহিৰে টকা-পইচাৰেও সি চৰকাৰক পাৰ্য্যমানে সহায় কৰিলে।

চৰকাৰৰ ঘৰত সৰ্বেশ্বৰৰ নাম হ'ল। ভালেমান দায়িত্ব-পূৰ্ণ কাম জিলাৰ বৰচাহাবে তাৰ হাতত ন্যস্ত কৰিলে। সি হাতীৰ মহল এটাও পালে। দময়ন্তী ঘৰ সোমোৱা বছৰটোত সি বাৰটামান হাতী ধৰিলে। স্ত্ৰী-ভাগ্যৰ ওপৰত তাৰ প্ৰত্যয় জন্মিল।

১৯১৬ চনৰ কাতি মাহত অৱনীৰ জন্ম হ'ল। সৰ্বেশ্বৰৰ সুখৰ পাত্ৰটো পৰিপূৰ্ণ হৈ পৰিল।

অৱশেষত ১৯১৮ চনত যুদ্ধ শেষ হ'ল। ইংৰাজৰ জয় হ'ল। বৰচাহাবে আয়োজন কৰা বিজয়োৎসৱলৈ সৰ্বেশ্বৰ নিমন্ত্ৰিত হৈছিল।

এইদৰেই টকা-পইচাৰ লগে লগে সৰ্বেশ্বৰৰ মান-সন্মান আৰু

প্ৰতিপত্তিও বাঢ়ি যাবলৈ ধৰিলে। ১৯২০ চনত সৰেশ্বৰ সাত-ঘৰীয়া মৌজাৰ মৌজাদাৰ হ'ল।

নতুন ৰাজপদৰ কাৰণে অভিনন্দন জনাই যিজন মানুহে তালৈ চিঠি দিছিল সেইজন আছিল ৰায়বাহাদুৰ পৰমানন্দ দেৱগোস্বামী। চিঠিখনত সৰেশ্বৰে এটা দুখৰ খবৰ পালে। গোসাঁনীয়ে সাধনোচিত ধামলৈ গমন কৰিলে।

সেইবছৰতে ইনফ্লুয়েঞ্জা মহামাৰী অসমৰ গাঁও-ভূঁইতো বিয়পি পৰিল। বহুত মানুহৰে মৃত্যু হ'ল। সৰেশ্বৰো অসুখত পৰিছিল, কিন্তু সি বাচিল। অটুট স্বাস্থ্য আৰু সুদৃঢ় শক্তি-শালী শৰীৰৰ কাৰণেই হয়তো ইনফ্লুয়েঞ্জাৰ আক্ৰমণ সি প্ৰতিৰোধ কৰিব পাৰিলে। এই সময়ত সি দময়ন্তী দেৱীৰ প্ৰকৃত পৰিচয় পালে। এই সতী-সাধ্বী তিৰোতা গৰাকীয়ে নিজৰ জীৱন বিপন্ন কৰি প্ৰায় অকলশৰে স্বামীৰ সেৱা-শুশ্ৰূষাত নিজকে উছগা কৰি দিছিল। দিনে-ৰাতিয়ে তেওঁ অচেতন অৱস্থাত পৰি থকা পতিৰ বিছনাৰ কাষতে থাকি তেওঁৰ প্ৰতিপাল কৰিছিল। আৰু এজন লোকে সৰেশ্বৰৰ সেৱা-শুশ্ৰূষাত সহায় কৰিছিল সি আছিল সংৰাম।

সৰেশ্বৰ প্ৰায় এমাহ শয্যাশায়ী হৈ আছিল। সেই মাহটোত গাঁওখনৰ তিনিভাগৰ এভাগ মানহ মাৰিছিল। সি বাচিব বুলি কোনেও আশা কৰা নাছিল। কিন্তু সাবিত্ৰীয়ে যমৰ হাতৰপৰা স্বামীক ঘূৰাই অনাৰ দৰে দময়ন্তীয়েও শিৰৰ সেন্দূৰ মোচ নোখোৱাকৈ ৰাখিবলৈ সমৰ্থ হ'ল। মানুহে তেওঁক ধইন ধইন কৰিলে।

সেইসময়তে তেওঁ গোহাঁইভেটিৰ মাজত থকা ভগা-ছিগা শিৱমন্দিৰটোৰ সন্ধান পাইছিল আৰু প্ৰতিদিনে ৰাতিপুৱা অলপ সময়ৰ কাৰণে ৰোগীক সংৰামৰ তত্ত্বাৱধানত ৰাখি মন্দিৰটোলৈ গৈ শিৱলিঙ্গৰ ওপৰত চন্দনেৰে সৈতে বেলপাত এটি স্থাপন কৰাৰ আগতে এঘটি গৰুগাখীৰ ঢালি দিছিল।

এই শিৱমন্দিৰটি বোলে কোনোবা এজন বুঢ়াগোহাঁইৰ দিনতে নিৰ্মাণ কৰা হৈছিল। মানুহে বুঢ়াগোহাঁইৰ থান বোলে। ইটাৰে বন্ধা মন্দিৰটি জৰীগছে ছাটি ধৰিছিল আৰু বেৰবিলাক

প্ৰায় ফাটি-ছিটি গৈছিল। মন্দিৰলৈ যাবলৈ মাত্ৰ এটা লুং-লুঙীয়া বাটহে আছিল। সিও সপসঙ্কুল। শিৱলিঙ্গটি এটা প্ৰকাণ্ড ফেটী সাপে মেৰিয়াই থয় বুলি মানুহে কোৱামেলা কৰে। মানুহ গ'লে বোলে লাহেকৈ বেদীৰ তলত সোমায়। এনেকুৱা বিপদজনক ঠাইলৈ সাহসী মানুহেও খন্তেক ভাবিহে যায়, কিন্তু দময়ন্তীয়ে এবাৰো সঙ্কোচ কৰা নাছিল। স্বামীৰ মঙ্গলৰ কাৰণে তেওঁ এমাহ প্ৰতিদিন ধৰি তা'ল গৈছিল আৰু স্বামীৰ জীৱন ৰক্ষাৰ্থে দেৱাদি-দেৱ মহাদেৱক সজল চকুৰে প্ৰাৰ্থনা কৰিছিল।

এই মন্দিৰটিৰ ওচৰতে অটব্য অৰণ্যৰ মাজত বোলে এখন বাৰী আছে। তাত নানা তৰহৰ ফলমূল পোৱা হয়। মানুহে ফলমূলবিলাক তাতে থাকি খাব পাৰে, কিন্তু ঘৰলৈ আনিব নোৱাৰে। গাঁৱৰ বুঢ়া মানুহবিলাকে এই কথা কোৱাকুই কৰি থাকে। বাৰীখনত বোলে বুঢ়াগোহাঁইৰ টোল আছিল। ইটাৰ পকী ঘৰ-দুৱাৰৰ ভগ্নাৱশেষো আছে। তাত বোলে এতিয়া ভূত-পিশাচে কিৰিলি পাৰে।

আৰোগ্য লাভ কৰাৰ পিছত সৰেশ্বৰ মৌজদাৰে হাতীত উঠি মন্দিৰলৈ গৈ সেৱা-সৎকাৰ কৰি আহিছিল। তাৰ পিছতো তেওঁ হাতীলৈ অৰণ্যখন চলাথ কৰি ফুৰিছিল কি পালে কোনেও নেজানে, আনকি দময়ন্তী দেৱীয়েও।

সেই বছৰতে ইনফ্লুৱেঞ্জা ৰোগত 'ৰায়বাহাদুৰ' পৰমানন্দ দেৱ গোস্বামীৰ পৰলোক প্ৰাপ্তি হ'ল।

খবৰটো পাই সৰেশ্বৰ শোকাভিভূত হ'ল। সি তিনিদিন ব্ৰত পালন কৰিলে আৰু আদ্য-শ্ৰাদ্ধৰ দিনা দৰিদ্ৰ ভোজন কৰাই ব্ৰাহ্মণ-সজ্জনক দান-দক্ষিণা দি মৃতকৰ আত্মাৰ সদগতিৰ কাৰণে পৰমেশ্বৰক প্ৰাৰ্থনা কৰিলে।

মৌজাদাৰী পদ লাভ কৰাৰ পাছত প্ৰথম শ্ৰেণীৰ দণ্ডাধিপতিৰ আদালতত এফিডেভিট দি সৰ্বেশ্বৰ শৰ্মা সৰেশ্বৰ চৌধুৰী হ'ল।

১৯২১ চনৰপৰা মহাত্মাগান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰততে অসহযোগ আন্দোলন আৰম্ভ হ'ল। এই আন্দোলনে শান্তিপুৰৰ শান্তি ভঙ্গ কৰাৰো প্ৰচুৰ সম্ভাৱনা আছিল। কিন্তু মৌজাদাৰ সৰ্বেশ্বৰ চৌধুৰীয়ে মহামান্য ইংৰাজ চৰকাৰৰ বিৰুদ্ধে চলোৱা এই

আন্দোলন সমৰ্থন কৰিব নোৱাৰিলে। তেওঁৰ বিচাৰ-বুদ্ধিমতে ইংৰাজ চৰকাৰে ভাৰতীয় ৰাইজৰ কাৰণে যিবিলাক জনহিতকৰ কাম কৰিছে তাৰ তুলনা নাই। সেইলোকৰ শাসনত ভাৰতীয়-সকলে পাশ্চাত্য শিক্ষাৰ পোহৰ পালে। দেশ-বিদেশৰ কথা জানিব-পৰা হ'ল। ইংৰাজী ভাষা শিকি চৰকাৰে প্ৰতিষ্ঠা কৰা স্কুল-কলেজত পঢ়ি ৰজাঘৰীয়া বিষয় লাভ কৰিলে। অসমত চাহ বাগিছা হ'ল আৰু তাৰপৰাও দেশৰ বহুত লাভ হ'ল।

ইংৰাজ চৰকাৰৰ অনুগ্ৰহত মানুহবিলাক শান্তিত আছে। সেই চিপাহী বিদ্ৰোহৰ সময়ত দেশত যিকুৰা অশান্তিৰ জুই জ্বলি উঠিছিল সেই জুই নিৰ্বাপিত হ'ল আৰু তেতিয়াৰেপৰা প্ৰজা-সকল সুখ-শান্তিৰে আছে। আহোম শাসনৰ বেলিমাৰৰ সময়ত জানো প্ৰজাই কম শিকিলে? মানবিলাকে তিনিবাৰ আক্ৰমণ কৰি অসমখন উজাৰ কৰিলে। তেতিয়া অসমৰ তিনিভাগৰ দুভাগ মানুহ মৰিল। নদন-বদন গাঁওবিলাক মৰিশালিত পৰিণত হ'ল। শিৱমন্দিৰ থকা অটব্য হাবিখনেইতো এসময়ত এখন সমৃদ্ধিশালী গাঁও আছিল যেন লাগে। সেই বিপদত অসমীয়াক কোনে ৰক্ষা কৰিলে? ইংৰাজ চৰকাৰে নহয়জানো? ইমান সোনকালে এইবিলাক উপকাৰৰ কথা পাহৰি গৈছে কাৰণেইতো অসমীয়াক খাই পাই ফলা আঁতি বোলা হয়। যোৱা যুদ্ধখনত ইংৰাজ চৰকাৰেই ভাৰতবৰ্ষখন আৱৰি ৰাখিলে। নহ'লেবা কি দশা হ'লহেঁতেন। এতিয়া যুদ্ধখন শেষ হোৱাৰ প্ৰায় লগে লগেই কংগ্ৰেছী মখাই স্বাধীনতা বিচাৰি তলওপৰ কৰিছে। হেৰ তহঁত জানো স্বাধীনতাৰ লায়ক হৈছহঁক? দেশখন শাসন কৰিব পাৰিবি? শত্ৰুৱে আক্ৰমণ কৰিলে যুদ্ধ কৰিব পাৰিবি?

যুদ্ধ কৰাৰ সাহস তহঁতৰ নাই। সেইকাৰণেই এতিয়া অহিংস আন্দোলনখন চালু কৰিব'ল চেষ্টা কৰিছ। আগতে উদণ্ড বঙালী কেইটামানে চাহাবলৈ বোমা মাৰিছিল। বৰ দুখৰ কথা দুজনমান চাহাব মৰিল। তেতিয়া কেইটামানক ফাঁচি দিয়াত সব ঠাণ্ডা হৈ গ'ল। যুদ্ধ কৰাৰ সাহস থকা হ'লে এতিয়া সেই বোমা মৰা স্বদেশী আন্দোলনখনেই চলি থাকিলেহেঁতেন। গান্ধীয়ে সহজ-উপায় এটা দিয়াত আটাইবোৰ উবুৰি খাই পৰিছে।

বাক, আন্দোলন কৰিছ কৰ। কিন্তু এইবোৰ কি কথা? বিদেশী কাপোৰ-কানিয়ে কি দোষ কৰিলে? ঘৰত কটা সূতাৰে কাপোৰ বৈ পিন্ধিব পাৰিনেকি? পৰাহ'লে আমিও পিন্ধিলো-হেঁতেন। দময়ন্তীয়ে দেখোন সূতা-কাটিয়েই থাকে। তেওঁক কৈ দিব লাগিব, লগুণৰ বাহিৰে যেন তেওঁ অনাকাৰণে সূতা কাটিবলৈ নলয়। লগুণ অথবা যজ্ঞোপবীত মিলৰ সূতাৰে তৈয়াৰ কৰি লব পৰা হ'লে ভালেই হ'লহেঁতেন, পিছে শাস্ত্ৰই মানা কৰিছে।

ইহঁতক তপত ভাতৰ ধোঁৱাই খাইছে। নহলেনো বোপা-ককাৰ দিনৰেপৰা খাই থকা কানিকণ বন্ধ কৰি দিবলৈ ইহঁতৰ গাত পিৰ্ পিৰণি উঠিল কিয়? ইহঁতে মোৰ ভাতকে মাৰিব খুজিছে স'বশ্বৰে পেটে পেটে ভাবিলে। সি আৰু সহ্য কৰিব নোৱাৰা হ'ল। গেণ্ডী নে ফেণ্ডী সেই পাতৰ ভাওনাখন যাতে সাতঘৰীয়া মৌজাত হ'ব নোৱাৰে তাৰ কাৰণে মৌজাদাৰ সৰ্বেশ্বৰ চৌধুৰী প্ৰস্তুত হ'ল। প্ৰথমতে জিলাৰ বৰচাহাবৰ লগত, তাৰ পিছত থানাৰ দাৰোগাৰ লগত যোগাযোগ কৰি মৌজাখনৰ চাৰিও-ফালে এনে বেহু বান্ধিলে যে সেই বেহু পাৰ হৈ অহা নিশকতীয়া কংগ্ৰেছ ভলণ্টিয়াৰৰ সাধ্য নাছিল। কেইটামান বেহু পাৰ হৈ আহিছিল। কিন্তু সিহঁতৰ অৱস্থা অভিমন্যুৰ নিচিনা হ'ল। পথাৰে বান্ধি বৰচাহাবক চমজাই দিয়া হ'ল।

মৌজাদাৰৰ সতৰ্কতাত তাত মেল-মিটিঙো হ'ব নোৱাৰিলে। তেওঁ চাৰিওফালে চোৰাংচোৱা ৰাখিছিল। সিহঁতে তাঁৰৰ বাতৰি তাঁৰে তাঁৰে দি থাকিছিল। ক'ৰবাত কংগ্ৰেছে মিটিং পাতিব খুজিলেই মৌজাদাৰৰ সেনা গৈ সিহঁতৰ সকলো আয়োজন ভাঙি-ছিঙি, মানুহবিলাকক মৰিয়াই-খতিয়াই গোটেইখন দক্ষ-যজ্ঞ কৰিছিল।

গতিকে সাতঘৰীয়া মৌজাত একো অশান্তি নহ'ল। মৌজাৰ খাজনা নিয়মমতে উঠি থাকিল, খেতি-পথাৰৰ হানি-বিঘিনি নহ'ল। কানীয়াৰ সংখ্যাও নকমিল। ইংৰাজ চৰকাৰৰ অতি ভক্ত বুলি সৰ্বেশ্বৰৰ নাম ফুটি-ফাটি গ'ল আৰু তাৰ পুৰস্কাৰ হিচাপে তিনি-বছৰৰ পিছত অৰ্থাৎ ১৯২৪ চনত তেওঁ ৰায়চাহাব খিতাপ লাভ কৰিলে।

তিনিদিনৰ মূৰত সংৰাম নেপালী গাঁৱৰপৰা উভতি আহিল। সি পোনে পোনে ৰায়চাহাবৰ ওচৰ পালেগৈ। তেওঁ তেতিয়া অফিচঘৰত কাম কৰি আছিল। সংৰামক দেখা পাই তেওঁ বৃকোদৰ মহৰী আৰু ধনী টেকেলাক বিদায় দিলে।

সংৰামৰ ফালে চাই তেওঁ সুধিলে "কিমান দূৰ আগবাঢ়িলি?"

"লেঠা প্ৰায় মৰিলেই। বিয়াখন একেবাৰে ঠিক কৰি আহিলো। ডাঙৰ দুজনীক নিদিয়াকৈ সৰুজনীৰ বিয়া পাতিবলৈ বাপেকটোৱে অলপ খেৰো-গেঁৰো কৰিছিল কিন্তু টকাৰূপ পঁচিশটা একেলগে পাই তাৰ ওজৰ-আপত্তি নাইকিয়া হ'ল। বিয়াৰ পিছত আৰু একুৰি দিম বুলি কৈ আহিছো।

"ডেকাটোক লগ পালি?"

"তাৰ লগধৰাহে অলপ টান আছিল। খুবুৰিখন মানুহ দেখিলেই জোকাৰে। তাৰ মগজুত গোলমাল হৈছে নেকি জানো? মই পিছে নিজে দেখা নিদি ছোৱালীৰ বাপেকক পঠালো। বাপেকে তাক বুজাই-বুজাই মান্তি কৰাইছে।"

"ছোৱালীজনীয়ে কিবা কাণ্ড কৰিব পাৰেনেকি?"

"ছোৱালীৰ কথা আৰু কোনে ভাৱে? চকুক সুধি চাউল বহাব লাগিছেনে? সেইবোৰ ছোৱালীৰ একো ধৰা-বন্ধা কথা নাই। আজি এটাৰ লগত, কালিলৈ আন এটাৰ লগত সিহঁতৰ লেটি-পেটি চলিয়েই থাকে।"

"বাৰু, বিয়াৰ দিনবাৰ ঠিক হ'লনে?"

"মাঘ মাহতে বিয়াখন পাতিবলৈ মই বৰ জোৰ কৰিছিলো। পিছে, সিহঁতে ফাগুনতহে পাতিব খোজে। অৱশ্যে এটা কাম কৰি থৈ আহিছো। দৰাৰ মাকে নিজে ছোৱালীৰ ঘৰলৈ গৈ খোজা-বচা কৰি আহিলগৈ। গাঁৱৰ ৰাইজো তেতিয়া গোট খাইছিল। গতিকে কথাটো জনাজাত হৈ গ'ল।"

ৰায়চাহাব সন্তুষ্ট হ'ল। যি নহওক, আপদ এটা খণ্ডিল। তেওঁ সংৰামক বিদায় দিলে।

কিন্তু তেওঁ একেবাৰে নিশ্চিত হ'ব নোৱাৰিলে। আৰু এটা আপদ আছে। তেওঁ তাৰ কাৰণে কঠোৰ ব্যৱস্থা লৈছে যদিও কালস্য কুটিলা গতিঃ। কেতিয়া কি হয় কোনেও ক'ব নোৱাৰে। ইতিমধ্যে তেওঁ বৰচাহাবৰপৰা গভৰ্ণৰ অহা সঠিক খবৰটো পাইছেই। জানুৱাৰী মাহৰ দহ তাৰিখে সদৰ'ল আহি এঘাৰ তাৰিখে পুৱাই সদলবলে শান্তিপুৰলৈ ৰাওনা হ'ব। হাতত মাত্ৰ পোন্ধৰ দিনহে আছে। এই কেইদিন তেওঁ দিনে-ৰাতিয়ে খাটিব লাগিব। অৱনীকো খটুৱাব লাগিব। এই কেইদিনত একোৱে বিধি পথালি নিদিলেই হয়।

তথাপি তেওঁৰ অলপ চিন্তা হ'ল। জয়ৰামৰ সৈতে জং-বাহাদুৰক লৈ তেওঁ ওলাই গ'ল। পখিলীৰ কাৰণে নতুন মাউত এতিয়াও অহা নাই। তাইক গিৰিধাৰী য়ই মাজে-সময়ে উলিয়াই নিয়ে আৰু হাবিৰ মাজত ডিমৰু পাত খুৱায়গৈ। তাইৰ কল-গছত ৰুচি নাই।

ৰায়চাহাবে গভৰ্ণৰৰ বাহৰৰ কাৰণে সুবিধাজনক ঠাই এডোখৰ বিচাৰিলে। তেওঁৰ টোলৰ উত্তৰে সোলেঙী নদীৰ পাৰত এশ-বিঘামান মাটিৰ গোপচাৰ এটা আছে। ওখ মাটি, জামানী বনেৰে ভৰি আছে। ভালকৈ চাফা কৰিব লাগিব। তেওঁ হাতীৰ পিঠিৰপৰাই ঠাইখন ভালকৈ ঘূৰি-পকি চালে। সোলেঙী নদীখন চলঙা, কিন্তু পানী বৰ ফটফটিয়া। ধোৱা-পখলা কামবোৰ চলি যাব। নদীৰ পাৰত ঠাইখিনি সমান। তম্বু তৰিবৰ কাৰণে উপযুক্ত। গোপচাৰটোৰ পশ্চিমে আলিবাটটো, পূব আৰু দক্ষিণে দিগন্তবিস্তৃত খেৰণি, তাৰপিছত পাহাৰৰ নামনিলৈকে অটব্য হাবি। এইখনেই চিকাৰৰ ৰাজ্য। ভাগ্য সুপ্ৰসন্ন হ'লে তাত বাঘ, পহু আদি সকলো জন্তু ওলাব। কিছুদিনৰপৰা চেকীয়াপতীয়া বাঘৰ গোজৰণি ৰায়চাহাবে শুনিছে। চাহাববিলাকে 'বিগ-গেম' পছন্দ কৰে। বাঘটোৰ লগত লাটচাহাবৰ ভেটাভেটি হ'লে বৰ ভাল হয়। চাহাবে বৰ আনন্দ পাব। এইবিলাক বিপদজনক চিকাৰতহে কিবা 'থ্ৰিল' আছে বুলি চাহাববোৰে কোৱা-মেলা কৰা তেওঁ শুনিছে। অৱশ্যে এই 'থ্ৰিল' শব্দটোৰ অৰ্থ তেওঁ ভালকৈ নেজানে। অৱনীক সুধিবলৈয়ো লাজ পায়।

অৱনীৰ কথা মনত পৰিলত ৰায়চাহাব গহীন হ'ল। তেওঁ অলপ চিন্তিত হৈ পৰিল। তাৰ কাৰণে তেওঁ এটা নকৰিবলগীয়া কাম কৰিছে। তাৰবাবে তেওঁৰ বিবেকে মাজে মাজে বিদ্রোহ কৰিব খোজে, কিন্তু স্বাৰ্থৰ খাতিৰত ৰায়চাহাবে সকলো কৰিব পাৰে। তেওঁ খুব গোপনে কামটো কৰিছে কোনেও যাতে জানিব নোৱাৰে তাৰবাবে সম্ভৱপৰ সকলোখিনি সতৰ্কতা অৱলম্বন কৰিছে। চিন্তাৰ কোনো কাৰণ নাই।

কিন্তু এটা কথাই তেওঁক অলপ চিন্তিত যে কৰা নাই এনে নহয়। ঘৈণীয়েকৰ কথা। শিৱমন্দিৰটো মেৰামত কৰিব লাগে। এই শিৱমন্দিৰেই এবাৰ তেওঁক নিশ্চিত মৰণৰপৰা উদ্ধাৰ কৰিছিল বুলি দময়ন্তী দেৱীৰ দৃঢ়বিশ্বাস। আৰু এইবাৰ মন্দিৰৰ দেৱতাক সন্তুষ্ট কৰিব পাৰিলেহে অৱনীৰ চাকৰি হ'ব বুলিও তেওঁ ৰায়চাহাবক বাৰে বাৰে কৈছে। গতিকে যেনে তেনে মন্দিৰলৈ যোৱা লুংলুঙীয়া বাটটো বহল কৰি, মন্দিৰটোও অলপ মেৰামত কৰি দিবলৈ তেওঁ প্ৰতিশ্ৰুতি দিছে। আনবিলাক কামৰ লগতে সেইটো কামো হাতত লব লাগিব।

ৰায়চাহাব গোহাঁইভেটিৰ ফালে গ'ল। গোপচাৰটোৰ বিপৰীত ফালে অৰ্থাৎ আলিবাটটোৰ পশ্চিমে তেওঁৰ ধাননি পথাৰৰ সীমাৰপৰাই হাবিখন আৰম্ভ হৈছে। লুংলুঙীয়া বাটটোৰে প্ৰায় আধা-মাইলমান গ'লে শিৱমন্দিৰটো পায়। মন্দিৰ থকা এখিনিমান মাটি মুকলি। চাৰিওফালে শাৰী শাৰী গুলঞ্চ ফুল। আম, কঠাল, তেতেলি, বেল আদি লাগনী গছ বহুত আছে। মন্দিৰত নিয়মীয়াভাৱে পূজা-সেৱা নহয়, কাৰণ পূজাৰীয়েই নাই। মন্দিৰটো মেৰামতি কৰিব পাৰিলে ভগীৰথকে পূজাৰী কৰি দিব পাৰিব বুলি ৰায়চাহাবে ভাবিলে।

তেওঁ জয়ৰামক মন্দিৰটোৰ একেবাৰে কাষলৈ হাতীটো নিবলৈ ক'লে। ওচৰৰপৰা মন্দিৰটো পৰীক্ষা কৰি ৰায়চাহাবে দেখিলে যে জৰীগছৰ অত্যাচাৰত মন্দিৰটোৰ জৰাজীৰ্ণ অৱস্থা। বেৰবিলাকত ফাট মেলিছে আৰু মন্দিৰটো তললৈ বহি গৈছে। গতিকে ভিতৰলৈ সোমোৱা বাটটো সৰু হৈ গৈছে। ভৰাই ভিনি-হাতমানেই নহ'ব কিজানি। ভিতৰলৈ সোমাওঁতে চাপৰি যাব

লাগে । ভিতৰখন অন্ধকাৰ । লগত জোৰ-আৰিয়া আদি লৈ নগ'লে সোমাবলৈ সাহ কৰিব নোৱাৰি । বহুত দিনৰ আগতে তেওঁ এবাৰ সোমাইছিল, তেতিয়াই ভিতৰখন দেখা পাইছিল । সেয়েই প্ৰথম, সেয়েই শেষ । পকী বেদীটোৰ ওপৰত প্ৰতিষ্ঠিত শিৱলিঙ্গটি দুহাতমান ওখ, বেৰটোও ডেৰহাতৰ কম নহয় । সাপ-সুপ তেওঁ দেখা পোৱা নাই । থাকিবও পাৰে । বিশেষকৈ ওপৰৰ ফাটবিলাকত, অভেদ্য জৰীগছৰ আৱৰণৰ আঁৰত । বৰ সুবিধা-জনক ঠাই । তেওঁৰ গাটো সিৰিককৈ উঠিল ।

কিন্তু আনডোখৰ ঠাইতো তাতকৈ বেছি ভয় লগা । তা'ল তেওঁৰ মনত পৰিল । এনেতে জয়ৰামে মাত লগালে, "জঙ্ঘলৰ ভিতৰলৈ হাতী নিম নেকি ?"

মন্দিৰৰ পিছফালে ভালকৈ মন কৰি'ল চকুত পৰে হাবিৰ মাজলৈ হাতী যোৱা পটি এটা আছে । সেই ফালেদি এমাইলমান সোমাই গ'লেই বোলে ৰজা দিনীয়া বাৰীখনত ওলাবগৈ পাৰি ।

ৰায়চাহাবে অলপ সঙ্কুচিতভাৱে উত্তৰ দিলে 'আজি নেলাগে দে, বেলি লহিয়ালেই । পুহমহীয়া দিন থিতাতে এন্ধাৰ হ'ব । কালিলৈ তালৈ যাম । তই সকলোবোৰ ব্যৱস্থা লৈ আছনে ?"

' সকলো ঠিকেই আছে । জোন সিং আৰু দিলদাৰ সিং তাতে আছেই নহয় । ময়ো দুপৰীয়া গৈছিলো ।"

ৰায়চাহাবে আৰু অলপ দ্বিধাগ্ৰস্তভাৱে সুধিলে, "ভালে আছে নহয় ?"

"সকলো ঠিকেই আছে ?" জয়ৰাম মাউতে দোহাৰিলে সি কম কথা কয়, কিন্তু কামৰ মানুহ ।

বাঘে-ছাগে একেঘাটতে পানী খুৱাব পৰা নিৰ্ভীক, উগ্ৰসাহসী সৰ্বেশ্বৰ চৌধুৰীৰ কণ্ঠত এয়া কিহৰ সঙ্কোচ, কিহৰ দ্বিধা ? জয়ৰামে জানে, সেই বিহাৰী, ভীমকায় দাৰোৱান দুটাই জানে আৰু জানে ৰায়চাহাবৰ বশংবদ সংৰামে ।

আৰু এটা মানুহে সন্দেহ কৰিছিল । সি হ'ল গিৰিধাৰী, মোহনমালাৰ মাউত । মানুহটো স্বাভাৱিকঃত কথকী, পেটত কথা একেবাৰে নেথাকে । কিন্তু ৰায়চাহাবৰ ভয়ত সি তাপ মাৰি আছিল । তাৰ সন্দেহৰ মূলতে আছিল পখিলী বোলা হাতীজনীৰ

আচৰণ। নতুন মাউণ্টটো অহা নাই কাৰণে গিৰিধাৰীয়ে তাইক চৰাবলৈ হাবিৰ ফালে লৈ গৈছিল। গৈ গৈ সি শিৱমন্দিৰৰ ওচৰ পালেগৈ। মন্দিৰৰ পিছফালৰ পেৰাটো পাৰ হওঁতেই হঠাতে হাতীজনী অস্থিৰ হৈ পৰিল। গিৰিধাৰীয়ে তাইক [illegible] ৰাখিব নোৱাৰিলে। ডাঠ হাবিৰ মাজৰ [illegible]। পিঠিটোৰপৰা [illegible] যাবলৈ ধৰিলে। গিৰিধাৰীৰ ডাঙৰ ভয় হ'ল। সেইফালে হাবিৰ মাজত ভূতৰ বাস আছে বুলি সি ইমান দিন শুনি আহিছে। সি হাতীজনীক ৰাখিবলৈ প্ৰাণপণ চেষ্টা কৰিলে। [illegible] খুচিলে। কিন্তু [illegible]। হাতীজনীয়ে উদ্ভ্ৰান্তভাৱে হাবিৰ গছনিৰ মাজেদি আগবাঢ়িবলৈ আৰম্ভ কৰিলে। তাইৰ কাণ দুখন খিয় হৈছিল আৰু শুঁৰটো [illegible] বাকুল হৈ পৰিছিল। [illegible] উঠিছিল কিন্তু থমা নাছিল। [illegible] উঠিছিল তাৰ অতি [illegible] গছৰ ডাল-পাতে বৰ'কয়ে কোবাইছিল। [illegible] পাক [illegible] টোনৰ বাঁহ [illegible] সুমাই বোলামতে [illegible]।

এনেদৰে [illegible] দিলে। তাৰ বাহিৰে [illegible]। [illegible] হাবিৰ মাজৰ অলপ মুকলি ঠাই [illegible] হ'লগৈ। সোলেঙী নৈখনৰ পাৰত [illegible] হ'ল। তাৰ পিছত কিছুসময় শুঁৰেৰে গোন্ধ লৈ সেই [illegible] অনুসৰণ কৰি নদীখন পাৰ হৈ গ'ল।

নদীৰ সিপাৰে হাবিখন আৰু বেছি গহীন। শীতকাল বুলিও যথেষ্ট ডাঠ। এজাৰ, পমা হোলোং, চতিয়না, শিমলু, পানচপা, হলধ, মজ [illegible] শিঙৰি আদি বিয়াগোম বিৰিখ। হোলোং গছবিলাক পোনপোটা, বহুত ওপৰত হে ডালপাত। বিৰাট ওখ। গছবোৰ দেখিলে দিঠক এবোট [illegible] লাগে। শিঙৰি গছবোৰৰ গুটিবিলাক সৰি তলখন একেবাৰে কাইটীয়া হৈছে। কাৰণ ইয়াৰ ফলবিলাকত লেটাগুটিৰ দৰে অজস্ৰ কাঁইট। পখিলীৰ ঠেঙৰ তলুৱাত বোধহয় কাইটে বিন্ধিছিল। তাই মাজে মাজে চিঞৰিছিল। এই দুৰ্গম ভয়ৱহ অৰণ্যখনৰ মাজেদি যাওঁতে

অলপধতুৰা গিৰিধাৰী থক থককৈ কঁপিছিল। সি জীৱনৰ আশা এৰি দিলে। আতঙ্কত সি উট চৰাইৰ দৰে চকুদুটা মুদি দিলে।

"এই ছাতুখোৱা দেছুৱালী, ক'ত মৰিবলৈ আহিছ ?"

অপ্ৰত্যাশিতভাৱে মানুহৰ মাত শুনি গিৰিধাৰীৰ কলিজাৰ চপচপনি আৰু বেছি হ'ল। এয়া নিশ্চয় ভূত-প্ৰেত হ'ব। এইবাৰ আৰু কোনো আশা নাই।

সি চকু দুটা নেমেলিলে। কিন্তু মুখেৰে ৰামনাম জপিবলৈ ধৰিলে। ৰামনাম ললে ভূত পলায় বুলি সি জানে।

"হেৰ কটা চপনীয়া বঙাল, তোক চামোন পালেনেকি ? নেমাত কিয় ?"

মাতটো গিৰিধাৰীৰ চিনাকি যেন লাগিল। এইটো জয়ৰামৰ মাত; গভীৰ কঠোৰ মাত। মৰণত শৰণ দি সি চিঞৰি উঠিল, "হে দেৱতা, মোৰ দোষ নধৰিবা মই নিজ ইচ্ছাত ইয়ালৈ অহা নাই। এই হতশ্ৰীহতী হাতীজনীয়েহে লৈ আহিছে।"

"হেৰ নিধক, এতিয়া দেখোন খাটি অসমীয়া কথা ক'ব পৰা হলি। তইঁত বঙালবোৰে ভালকৈ ক'ব পাৰিও হেনাহচা'কহে কথা কৱ। প্ৰাণৰ ভয়ত ভাল ভাষা মুখৰপৰা সৰসৰকৈ ওলাইছে। তোৰ ভঙা ভঙা অসমীয়া ভূতে নুবুজে বুলি ভয় খাইছ হ'বপায় ?"

"জয়ৰাম ভায়া," গিৰিধাৰীয়ে এইবাৰ চকু মেলিলে। সমুখত জংবাহাদুৰৰ পিঠিত সেইটো জয়ৰামৰ বাহিৰে আন কোনো নহয়। তাৰ পিছতে সেইটো দিলদাৰ।

"জয়ৰাম ভায়া, মই বহুত ডৰ কৰিছে। দিলটো তিন চালকা আগে মোৰ দেশৰ জমিন যেইচামাফিক ঘট ঘট খট খট্‌ কৰিছিল, হইৰকম হৈছে।" গিৰিধাৰীয়ে ১৯৩৪ চনৰ বিহাৰৰ ভূমিকম্পৰ কথা উল্লেখ কৰিছিল। তেতিয়া সি ঘৰতে আছিল, ভূমিকম্পত সিহঁতৰ ঘৰ-দুৱাৰ ভাগিছিল, তাৰ বাপেক, মাক আৰু ভনীয়েকৰ মৃত্যু হৈছিল।

পৰিয়ালটোৰ কথাও এতিয়া তাৰ মনত পৰিল। সি ভয়ত শোকত, নিৰাশাত অভিভূত হৈ হুকহুকাই কান্দিবলৈ ধৰিলে। জয়ৰামে তাৰ ঘৰুৱা কথা জানে। সি অলপ কুমলিল আৰু মিহি মাতেৰে ক'লে, "গিৰিধাৰী, হাতীজনী ঘূৰাই ল। এইখন

বৰ সাংঘাতিক ঠাই। ভৱিষ্যতে ইয়ালৈ নাহিবি। ব'ল, মই তোক লৈ যাওঁ।"

তোৰ হুকুমমতে জং বাহাদুৰে পখিলীৰ ডিঙিত শুঁৰেৰে পাক মাৰি ধৰি ক্ৰুদ্ধভাৱে গৰ্জন কৰিলে। তাই তেনেই সুৰসুৰীয়া হৈ অহা বাটেদি পুনৰ ঘূৰি যাবলৈ ধৰিলে। অভিভাৱকৰ গাম্ভীৰ্য্যলৈ জং বাহাদুৰ পিছে পিছে গৈ থাকিল।

গিৰিধাৰীয়ে কিন্তু এই ভয়ঙ্কৰ ঘটনাটো পাহৰিব নোৱাৰিলে। জয়ৰামে তাক কথাটো কাৰো আগত নেভাঙিবলৈ দহোই দহোই কৈছিল। কাৰোবাৰ আগত ক'লে তাৰ চাকৰি যাব বুলিও ভয় দেখুৱাইছিল। কিন্তু কাকো তাৰ ভাগ দিবলৈ নোপাই বেচেৰা গিৰিধাৰী অতিশয় উৎকণ্ঠিত হৈ পৰিছিল।

এতিয়া সি পখিলীৰ চৰাইৰ দিনা নাই। মোহনলালৰ মাউণ্টগিৰি বদলি আছে। অৱনীয়ে কেইদিন মোহনলালক লৈয়েই কামত ব্যস্ত হৈ আছে। শিৱমন্দিৰৰ মেৰামতি কৰা কাম তাৰ ওপৰত পৰিছে। ৰাজমিস্ত্ৰি যোগালি আদিয়ে মন্দিৰৰ ওচৰতে বহা সাজি কাম কৰিছে আৰু অৱনীয়ে তাৰ তদাৰক কৰি আছে।

এইদৰে এসপ্তাহমান পাৰ হৈ গ'ল। মন্দিৰৰ কাম পূৰ্ণগতিৰে আগবাঢ়িছে। এদিন দুপৰীয়া কামৰ পৰা উভতি আহোঁতে গিৰিধাৰীয়ে অৱনীৰ আগত ঘটনাটোৰ কথা উলিয়াবলৈ মনস্থ কৰিলে। ছোট চাহাবৰ আগত ক'লে ভয় নাই সি মনে মনে ভাবিলে।

"ছোট হুজুৰ, একটা ডাঙৰ কথা আছে। লেকিন আপুনি কোন আদমীকো নাই বাতলাব। তবে হামি কব পাৰে।"

অৱনী আচৰিত হ'ল। গিৰিধাৰীয়ে যিহকে তিহকে বকাকে। তাৰ মুখৰ অলপো লাগবান্ধ নাই। আজি কিন্তু তাৰ চঞ্চলতা অলপো নাই। তাৰ মুখত ভয়ৰ চিন স্পষ্ট।

"কি কব খুজিছ ক' বাৰু। মই কাৰো আগত নকওঁ।"

গিৰিধাৰী আশ্বস্ত হ'ল। সি অৱনীৰ আগত গোটেই ঘটনাটোৰ এটা বৰ্ণনা দিলে। সি বৰ দীঘলীয়াকৈ অতিৰঞ্জিত কৰি কাহিনীটো কৈ গৈছিল। আৰু মাজে মাজে ভয়ত শিয়ৰি উঠিছিল।

অৱনী আচৰিত হ'ল। বেটাই কয় কি? অটব্য হাবিৰ মাজত জয়ৰাম কিয়, আৰু তাৰ লগত দিলদাৰ সিঙৰ কি ইমান

গোপন আলোচনা আছিল ? সি গোটেই কথাবিলাক সজাই-পৰাই তাৰ যুক্তিযুক্ততা এফালৰপৰা পৰীক্ষা কৰি গ'ল আৰু তাৰ তীক্ষ্ণ, সত্যান্বেষী মনত এটা নিদাৰুণ সন্দেহৰ ছাঁ পৰিল। গিৰিধাৰীৰ কথাত কিছু সময় আছে যাৰপৰা দুয়ো দুখন চাবি ৰখি পাৰি।

বাৰু, ধীৰে ধীৰে। 'শনৈঃ পন্থা শনৈঃ পৰ্বত লঙ্ঘনম।'

অৰুণীৰ মনটো যিমানে গাম্ভীৰ্য ধুমুহাৰ দৰে দুৰন্ত দুৰ্বাৰ আৰু গতিশীল হৈ পৰিবও অতি সংযতভাৱে স্থিৰ হৈ থাকিব পৰা ক্ষমতাও তাৰ আছে। 'দেখা যাওক, কৰ পানী ক'লৈ যায়। খৰধৰ লগাবৰ প্ৰয়োজন নাই।' সি চিন্তা কৰিলে।

সি ফটাই ক'লে, গিৰিধাৰী, এই মোৰ কথাটো কৈ বৰ ভাল কাম কৰিছ। কিন্তু এতিয়া গাতে নাথাকি। মই এই বিষয়ে ভাবিচিন্তি চাম।''

অৰুণীক কথাটো তাৰ বিপৰীতে গিৰিধাৰী যা হ'ব পাৰে। তাৰ স্বাভাৱিক চঞ্চলতা এক নতুন ৰূপ পুনৰ আৰু প্ৰাপ্তি। বৰং মনৰে সি অৰুণীৰ পণত হ'ব কৰিবলৈ ধৰিলে।

ইফালে ৰায়চাহাবে ঠিক সময়ত গ'ল। পৰাৰৰ বান চপোৱা কাম সম্বন্ধে মই কৰিছিল যাতে ৰায়চাহাবেও মাজে সময়ে চকু দিছিল। কিন্তু তাতোকৈ ডাঙৰ কাম আছিল গভৰ্ণৰৰ আগন্তুক আগমনৰ কাম। সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা।

ৰায়চাহাবৰ কথামতে ইঞ্জিনীয়াৰ আহিছিল। ৰায়চাহাবে নিৰ্বাচিত কৰা ঠাইখন তেওঁৰো পছন্দ কৰিলে। গভৰ্ণৰ আৰু তেওঁৰ পা-পাৰিষদসকলৰ তম্বু তৰিবৰ কাৰণ এডাঙৰ উপযুক্ত ঠাই চোৱা হ'ল আৰু যাঁহ কটা কল আনি ঘাঁহ-বনবিলাক চিকি কৰা হ'ল। নদীৰ পাৰতে ভৃত্যবৰ্গৰ তম্বু পাকঘৰ, গুদামঘৰ আদিৰ কাৰণ ঠাই নিৰ্দিষ্ট কৰা হ'ল। কেইটামান দমকল বহুৱালে পানীৰ কাৰণে। নদীৰ পানী লটোচাহাবে খোৱাৰ উপযুক্ত নহয়। অতিৰিক্ত, গাৰিৰ কামত ভৃত্যবৰ্গৰ বাৱৰ্খানা আদি বন্দা হ'ল। প্ৰায় দুপূৰামান মাটি চাৰি-গুণ পৰিষ্কাৰ কৰা হ'ল। চিকাৰৰ হাতী ৰাখিবৰ কাৰণেও জঙ্ঘলৰ কাষত স্থান নিৰ্ধাৰিত কৰা হ'ল। এটা জেনেৰেটৰ আনি বিজুলীৰ যোগান দিয়াৰ ব্যৱস্থাও কৰা হ'ল। অস্থায়ী হাস্পতাল এখনৰ কাৰণেও সকলো আয়োজন কৰা হ'ল

আৰু তাৰ কাষতে ডাক্তৰ, নাছ আদিৰ থকা ঠাঁয়ো ঠিক কৰা হ'ল ।

গণ্যমান্যসকলৰ কাৰণে লাটচাহাবৰ লাইনতে ত্ৰিশটামান তম্বু তৰা হ'ল । গভৰ্ণৰৰ তম্বুটোৱেই আটাইতকৈ ডাঙৰ । তেওঁৰ লগত জীয়েকো থাকিব । বাকীবিলাক তম্বু আপেক্ষিকভাৱে সৰু । মূল তম্বুটোৰ লগতে বাথৰুম, লেভেটৰী আদিৰ কাৰণেও একোটা সৰু তম্বু । তাত 'ঠাণ্ডাৰ বক্স'ৰ ব্যৱস্থা কৰা হ'ল আৰু প্ৰায় দহোটামান জমাদাৰ থাকিবৰ কাৰণে ভালেমান আঁতৰত কেইটামান জুপুৰী ঘৰো সাজিলে ।

এইবিলাক আয়োজন চলি থাকোতেই সিফালে ৰায়চাহাবে ৰাস্তাটোৰ কথাও চিন্তা কৰিছিল । তেওঁ ভাবি-চিন্তি অৱশেষত বুদ্ধি এটা বাহিৰ কৰিলে । ইঞ্জিনীয়াৰৰ আপত্ত কৌশলটো প্ৰকাশ কৰাত তেঁৱো অনুমোদন কৰিলে ।

ৰায়চাহাবে বহুত মানুহ লগাই বিস্তৰ খেৰ কটালে । খেৰনিৰতো অভাৱ নাই । খেৰবিলাকেৰে ৰাস্তাটোৰ দোখত ডাঠ পৰলি সাজি উলিওৱা হ'ল । এই খেৰৰ পৰলি বিলাকেৰে আলি-বাটটো ঢাকি দিয়াত ধূলিৰ নাম গোন্ধও নোহোৱা হ'ল । তদুপৰি ওখোৰা-মোখোৰা অংশবিলাকো একেবাৰে সমান হৈ পৰিল । প্ৰায় সাতমাইল বাট এইদৰে ঢাকিবলৈ যথেষ্ট খেৰ-বাঁহৰ প্ৰয়োজন হৈছিল । কিন্তু এইবিলাক বস্তুৰ উভৈনদী হৈ থকাত একো অসুবিধা নহ'ল । কাম কৰা মানুহৰটো অভাৱ নায়েই । বগা-ভাত দেখিলে জানো কাউৰীৰ অভাৱ হয় ? মানুহৰ হাতত পা-পইচা নাই । গতিকে পইচাৰ আশাত জাকে জাকে মানুহ আহিল । মইনাজুলিৰ মেনেজাৰেও বহুতো বনুৱাৰ যোগান ধৰিলে, কোম্পানীৰ খৰচতেই । গভৰ্ণৰৰ আগমনৰ কাৰণে মেকেঞ্জী চাহাবেও ব্যগ্ৰ-ভাৱে বাট চাই আছিল ।

ৰায়চাহাবে জিলালৈ গৈ বৰচাহাবৰ আগত সকলো কথা বিবৰি ক'লে । এদিন বৰচাহাব নিজে আহিল পৰিদৰ্শন কৰিবলৈ । আয়োজন দেখি তেওঁ সন্তুষ্ট হ'ল আৰু ৰায়চাহাবক ধন্যবাদ দিলে । লাটচাহাব আৰু অন্যান্য চাহাবসকলৰ খানাৰ কাৰণে এখন চাহাবী প্ৰতিষ্ঠানক নিযুক্ত কৰিলে । বাকীবিলাকৰ কাৰণে

নেটিভ লগৰ খাদ্যৰ আয়োজন কৰা হ'ল আৰু তাৰ তত্ত্বাৱধানত থাকিল স্বয়ং সৰ্বেশ্বৰ চৌধুৰী।

ইতিমধ্যে ৰায়চাহাবে মৌজাৰ সকলোবিলাক হাতীৰ মালিকলৈ বাৰ্তা দিলে। তিনৰ অহাৰ আগদিনাই মাউতেৰে সৈতে হাতীবিলাক পঠাই দিবলৈ নিৰ্দেশ দিয়া হ'ল। ৰায়চাহাবৰ গাত গোসাঁই নাই। তেওঁৰ এইকেইদিন খোৱা-বোৱাও একেবাৰে অনিয়মীয়া হৈ পৰিছিল। তেওঁৰ স্বাস্থ্যৰ কাৰণে দময়ন্তী দেৱী চিন্তিত হ'ল। কিন্তু তেওঁ এটা কথাত বৰ প্ৰফুল্ল হৈছিল। শিৱমন্দিৰটো ইতিমধ্যে মেৰামত কৰা হ'ল আৰু যাত্ৰা বাট-টোও আহল-বহলকৈ বান্ধি দিলে।

অৱনীয়ে তাৰ দায়িত্ব নিষ্ঠতভাৱে পালন কৰি মাকক জনালেগৈ। মাকে বহুত তাৰ এঁকাৰাৰ্তা ধৰিলে আৰু পাৰ্বমানে আশীৰ্বাদ দিলে। মাঘবিহুৰ দিনাই মন্দিৰত পূজা দিবৰ কাৰণে সকলো ঠিকঠাক কৰা হ'ল।

গভৰ্ণৰ অহাৰ আগদিনা গধূলি। শাৰী শাৰী তম্বু ইতিমধ্যে তৰা হৈ গ'ল। প্ৰত্যেকটোতে বিজুলীবাতি জ্বলিছে। চাকৰ-বাকৰবিলাক ইতিমধ্যেই আহিল। প্ৰয়োজনীয় সকলো বস্তুৰ ইতিমধ্যে ব্যৱস্থা কৰা হ'ল। ৰায়চাহাবৰ লগত ইঞ্জিনীয়াৰকে ধৰি কেইজনমান উচ্চপদস্থ চৰকাৰী বিষয়া। সকলো যা-যোগাৰ ইমান নিয়াৰিকৈ হোৱাত তেওঁলোকে বৰ আনন্দ পাইছে আৰু ডাইনিং ৰুম হিচাপে তৰা বিৰাট তম্বুটোৰ ভিতৰত, ডাইনিং টেবুলত বহি এই বিৰাট আয়োজন স্বচ্ছ-হুইস্কিৰে চিলিব্ৰেট কৰিছে। এটা গিলাচ ৰায়চাহাবকো যাচিছিল, কিন্তু নৈষ্ঠিক ব্ৰাহ্মণ সৰ্বেশ্বৰে এইবিলাক বস্তু মুখত নিদিয়ে। খি পুখুৰীৰ পানী নোখোৱা তাৰ পাবলিক নেযাবা'—এই কথা চিন্তা কৰি ৰায়চাহাব ডাইনিং ৰুমৰপৰা বিনীতভাৱে অনুমতি লৈ ওলাই আহিল।

সেইদিনা কৃষ্ণা সপ্তমী। বিজুলীচাকিৰ চমক লগোৱা পোহৰৰপৰা ওলাই আহি ৰায়চাহাবে বাহিৰত অন্ধকাৰ দেখিছিল। আকাশখনত জিলিকি থকা তৰাবিলাকো তেওঁ স্পষ্টভাৱে দেখা পোৱা নাছিল। পশ্চিম আকাশত এটুকুৰা হীৰাৰ দৰে তিৰ্‌বিৰাই

থকা সন্ধ্যা তৰাটি মাত্ৰ তেওঁৰ দৃষ্টিগোচৰ হৈছিল। এইটি তৰাৰ নাম শুক্ৰ, দৈত্যগুৰু শুক্ৰ। অৱনীৰ কমস্থানৰ অধিপতি। শুক্ৰৰ প্ৰতি তেওঁ এটি নমস্কাৰ জনাই সমুখলৈ চাওঁতেই দেখা পালে —চকুৰ আগতে তেওঁৰ নয়নৰ মণি অৱনী হাতত ৰাইফলটো।

ৰায়চাহাব আচৰিত হ'ল। এতিয়া'না ল'ৰাটো বিয় আহিল? তাৰনো ইয়াত কি কাম আছে? তেওঁ এইদৰে ওপাৰ্গথা কৰি থাকোতেই অৱনীয়ে মাত লগালে, "দেউতা।'

ৰায়চাহাবে চাৰিওফালে সন্তপণে চালে। অফিচাৰ কেইজনে মদ খাই চিঞৰ-বাখৰ কৰিছে। চাকৰ-বাকৰবিলাক কাম-কাজত ব্যস্ত। দূৰত হাতীবিলাক বান্ধি থোৱা আছে। সিংহৰ 'ছিলুৱেট বিলাকহে চকুত পৰিছে। তেওঁ সুধিলে 'তই ইয়ালৈ আহিলি বিয় ?"

'চাবলৈ আহিছো, সকলোবিলাক আয়োজন সম্পূৰ্ণ হ'ল নহয় ?"

'হৈছে যেনেই লাগিছে, পিছে আৰু না কি ভাবায়? সময়তহে দেখা যাব। পিছে তোৰ উদ্দেশ্য বেলেগ যেনহে লাগিছে।'

"মোৰ অৱশ্যে আপোনাৰ লগত অলপ কথা নকা নহয়। অকলশৰে আপোনাক লগ পোৱাই টান। কেইবাদিনো চেষ্টা কৰিছো। আজি ইয়ালৈকে আহিলো। ওচৰত মানুহ-দুনুহ কোনো নাই। ক'ব পাৰো, যদিহে আপুনি অনুমতি দিয়ে।'

ৰায়চাহাবৰ অলপ খং উঠিল। তেওঁ কঠুৰাভাৱে ক'লে, 'অৱনী, মোৰ আগত ইমান চোঁৰা সাপৰ নিচিনা হ'বৰ দৰকাৰ নাই। আচলতে তই ঢোঁৰা সাপ নহৱও। মোৰ ল'ৰা নিমাখিত হোৱাটো মই নিবিচাৰো সিংহৰ পোৱালি সিংহই হ'ব লাগিব। কিন্তু মই জীয়াই থকা দিনকেইটাত অন্ততঃ এটা কথা তোৰপৰা আশা কৰো, সেইটো হৈছে তই যাতে মোৰ অবাধ্য নহ'ৱ।"

'মই জানো কেতিয়াবা অবাধ্য হৈছো ?"

'তই ইচ্ছা কৰি হৈছ বুলি মই নকও। নাই। কিন্তু অসৎ সঙ্গত পৰি তই কিছুমান বেয়া কাম কৰিছ যাৰ কাৰণে মই লাজ পাইছো আৰু আমাৰ পৰিয়ালটোৰ সন্মানৰ কাৰণে কিছুমান কৰিব নলগা কাম কৰিবলৈ বাধ্য হৈছো। নেপালী

গাঁৱত তোৰ বিষয়ে যি শুনিছো সেইটো সঁচা নহয় জানো?"

অৱনীৰ বুকুখন চিৰিংকৈ গ'ল। [illegible] দেউতাকে সকলো জানে। সি নীৰৱে থাকিল। ৰায়চাহাবে ক'লে 'শুন অৱনী, তই যে [illegible] নাই [illegible] কাৰণেই [illegible] বুজিব পাৰিছো মোৰ [illegible] সহা। [illegible] কাৰণেই [illegible] সংবাদক [illegible] পঠাইছিলা আৰু তোৰ [illegible]"

'ফটিক [illegible] অৱনীয়ে বাক্যটো [illegible] কৰিলে।

'তোৰ [illegible] নাছিল। এই সময়ত তাৰ মুখখন [illegible] একাধ প্ৰত্যাজ্ঞা। [illegible] ইমানখিনি কৰিব [illegible] মানুহক চাবৰি [illegible] তোৰ চাকৰ [illegible] পুনৰ আৰম্ভ [illegible] ফটিকৰ [illegible] জিলাৰ মানুহ। সি [illegible] সি নৰহত্যাৰ অভি[illegible] ওপৰত সাৰি [illegible] আগত ক'বলৈ বাধ্য [illegible] বিৰুদ্ধে [illegible] প্ৰমাণ নাই। বিচাৰক [illegible] সিদ্ধান্ত [illegible] মুক্তি [illegible]।

'মুক্তি পোৱাৰ দি[illegible] ধৰিলে। হাতী ধৰাৰ সকলো কৌশল সি [illegible] এই জৰা-চিন্তা নকৰাকৈয়ে [illegible] আছিলো। অৱশ্যে মোৰ এটা বিশ্বাস আছিল যে [illegible] মুক্তি পাইছে যেতিয়া সি আৰু কুপথে [illegible] হিচাপ [illegible] নিভুল [illegible] সেই সময়ত [illegible] আৰু [illegible] ঘূৰি ফুৰিছিলো। [illegible] হাতী ধৰিলো [illegible] ধন উপাৰ্জন কৰিলো। [illegible] মোক ৰক্ষা কৰিছিল।

"সেইবোৰ বহুত কথা। তই সেই সময়ত কেঁচুৱা আছিলি।

তোক মাৰৰ সৈতে অকলে ঘৰত ৰাখি মই হাতীধৰাৰ উত্তেজনাত পৰ্বতে-পাষণ্ডে ঘূৰি ফুৰিছিলো। লগত ফটিক। সি মোৰ ব্যক্তিগত লগুৱা আছিল। এদিন ৰাতি বাহৰত শুই থাকোঁতে এটা ফটীসাপে ফেট তুলি মোৰ কপালত দংশন কৰিবৰ ঠিক আগমুহূৰ্তত এই ফটিকেই ফেটী সাপটো মাৰিছিল। তাৰ হাতত অস্ত্ৰ কি আছিল জান? এডাল আধাপোৰা কাঠখৰি। তাৰ কাৰণে সাহসৰ প্ৰয়োজন। মই বুজিব পাৰিছিলো, ফটিকে মোক ভাল পায়, নিজৰ জীৱন বিপন্ন কৰি সি মোক ৰক্ষা কৰিছিল।''

'আৰু তাৰ পুৰস্কাৰ হিচাপে এতিয়া আপুনি তাক সাপৰ মাজত বন্দী কৰি থৈছে।"

"তোক কোনে ক'লে তাক সাপৰ মাজত থৈছো বুলি? শুন অৱনী তই গোহাঁই বাৰীখনলৈ যোৱা মোৰ অজ্ঞাত নহয়। যিটো শিলৰ ঘৰ তই দেখা পাইছিলা তাতেই ফটিক আছে। ঘৰটো ভালদৰে চফা কৰি, ফেনাইল ঢালি, গাঁত ফাঁক আদি সকলো বন্ধ কৰি নিশ্চিন্ত মনেৰে মই তাক ৰাখিছো। তদুপৰি তাৰ লগত মোৰ দাৰোৱান দুটা পালপাতি থাকে। জয়ৰামে ভাত দি আহেগৈ। তাৰ কাৰণে তই ইমান চিন্তা নকৰিলেও হ'ব। তাক তাত ৰাখিছো এটা বিশেষ কাৰণত। সেইফালে ভূতৰ ভয়ত কোনো নাযায়। মই বেমাৰৰ পাছতে তাহানিখন ১৯২০ চনতে এই ঠাইখন আৱিষ্কাৰ কৰিছিলো। আৰু এটা কথা শুন, তোৰ মঙ্গলৰ কাৰণেই মই তাক আটক কৰি ৰাখিছো। আৰু দুই-এদিন ভালে কুশলে গ'লেই মই তাক মুকলি কৰি দিম।

"ফটিক ফান্দী পিছত বেয়া হৈ গ'ল। সি বহুতো কু-কৰ্ম কৰিলে। তোকো বিপথে নিলে। তই শিক্ষিত হ'বা, নিজে নিজৰ তত্ত্বাৱধান লব পাৰিবি বুলি মোৰ বিশ্বাস আছিল। কিন্তু সেইটো নহ'ল।''

"আৰু এটা কথা। তোক এতিয়াই সতৰ্ক কৰি ৰখা ভাল। ফটিক অতি প্ৰতিশোধপৰায়ণ। ভৱিষ্যতে তোৰ কিবা অনিষ্ট কৰিব পাৰে। কাৰণ তোৰ কাৰণেই তাৰ এই দুৰ্গতি হৈছে। কিন্তু তই নিজে ঠিক হৈ থাকিলে সি তোৰ নোম এডালো ছুব নোৱাৰে। তই নিজে ঠিক হৈ থাকিবি, অৱনী, তাৰ ৰাহিৰে

তোক ক'বলণা এ'ক' নাই। ভগবানই তোব মঙ্গল কবক।"

সেই চন্দ্রবানব পাজতে অব নী। দেউতাকক ভবিত ধবি সেবা ববিছিল। তাব সাক্ষী আছিল দত্যগুৰু গুরু। অবনীৰ কমাধিপতি, তাব ব ব। অতি ভুত স ক গ্রহ।

পিছদিনা আবেলি পূণ পয়োভৰেৰে গভৰ্ণৰ বাহাদুৰে পাৰিষদবৰ্গ সহ শান্তিপুৰ গাঁৱৰ ৰাজকীয় বাহৰত পদাৰ্পণ কৰিলেহি। একেবাৰে আগত আহিছিল ৰঙা পতাকা লগোৱা পাইলট গাড়ীখন আৰু তাৰ পিছে পিছে উৎকৃষ্ট মটৰগাড়ীখনৰ পাছৰ আসনত বহি জীয়েক এঞ্জেলাৰ সৈতে লাটচাহাব আহিছিল। এঞ্জেলাৰ বয়স ২৩।২৪ বছৰমান হ'ব। মেমবাছ চেহেৰা। আগৰ আসনত, চালকৰ সৈতে দুজন শৰীৰ-ৰক্ষক। গভৰ্ণৰৰ গাড়ীৰ ঠিক পিছতে আছিল কমিছনাৰ আৰু ডেপুটি কমিছনাৰ। তাৰ পিছত এছ পি আৰু অন্যান্য উচ্চ বিষয়াৰ গাড়ীবিলাকে শোভাযাত্ৰা কৰি আহিছিল। একেবাৰে পিছত আছিল এস্কৰ্ট ভানখন।

গভৰ্ণৰক আদৰিবৰ কাৰণে অৱনীৰ সৈতে স্বয়ং ৰায়চাহাব উপস্থিত আছিল। গাঁৱৰ মানুহবোৰো হিলদল ভাঙি আহিছিল। মেকেঞ্জী চাহাব আৰু ওচৰৰ বিশিষ্ট লোকসকলো গোট খাইছিল।

গভৰ্ণৰক আদৰিবৰ কাৰণে এখনি বিৰাট তোৰণ নিৰ্মাণ কৰা হৈছিল। দুফালে দুটি বল পুলি পুতি কাষত পানীৰে চপচপীয়া মাটিৰ কলহৰ মুখত ঠাৰিৰে সৈতে একোটাকৈ কেঁচা নাৰিকল থোৱা হৈছিল। তোৰণখন পাৰ হৈয়েই এখন বিৰাট চামিয়ানা তৰা হৈছিল আৰু তাৰ তলত বহাৰ কাৰণে সুবন্দৱস্ত কৰা হৈছিল। তোৰণৰপৰা চামিয়ানা পৰ্য্যন্ত ৰঙা দলিচা পাৰি দিয়া হৈছিল।

লাটচাহাব জীয়েকৰ সৈতে মটৰৰপৰা নামিল। শৰীৰ ৰক্ষক এজনে দুৱাৰখন খুলি ধৰি আছিল আৰু গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত তেওঁ অৱতৰণ কৰিছিল। বিষয়াবগও নামি আহিল।

ৰায়চাহাবে গভৰ্ণৰক এটা দীঘলীয়া চালাম দি আদৰণি জনালে। ৰাইজে ঢোল-খোল বজালে, আয়তীসকলে উৰুলি দিলে আৰু বাগানৰ বঙালী বাবুসকলে শঙ্খধ্বনি কৰিলে। তেতিয়া তুমুল নিনাদে শান্তিপুৰৰ নিস্তব্ধ আকাশ মুখৰিত কৰিছিল।

ইতিমধ্যে গভৰ্ণৰ চামিয়ানাৰ তললৈ আহিল। লগত আহিল

বিশিষ্ট লোকসকল। জিলাৰ বৰচাহাবে গভৰ্ণৰৰ লগত ৰায়চাহাব প্ৰমুখ্যে ব্যক্তিসকলক পৰিচয় কৰি দিলে। গভৰ্ণৰে সকলোৰে লগত কৰমদন কৰিলে। এঞ্জেলা য়ো কৰমদন কৰিছিল। অৱনীৰ লগত হাত জোকাৰোঁতে খাই ধুতামিৰ হাঁহিৰে তাক কৈছিল, "অ' ডিয়েৰ ওৱাট এ হেণ্ডচাম বিলি বয়!" অৱনীয়ও অতি বিনিতভাৱে বাও কৰি হাঁহি মাৰি কৈ ছিল, "ইয়ৰ চাৰ্জেণ্ট, মাডাম, অলৱেইজ এট ইয়ৰ বেক এণ্ড কল।"

এঞ্জেলাই উচ্ছ্বসিতভাৱে কৈছিল "অ' ডেভী, আপষ্ট হেভ এ লুক এট ডিছ ইয়ং ম্যান ট। হি স্পিকচ ইংলিছ লাইক এন অক্সনিয়ান।"

গভৰ্ণৰ চাহাবে অনুমোদনৰ ভঙ্গীত অৱনীৰ ফালে চাইছিল। তেতিয়া বৰচাহাবে কলে, 'ইয়ৰ এক্সেলেন্সি, ওঁৰ নাম অৱনী চৌধুৰী, ৰায়চাহাবৰ একমাত্ৰ পুত্ৰ। ইংৰাজীত প্ৰথম শ্ৰেণীৰ অনাছসহ বি এ পাছ কৰিছে।"

গভৰ্ণৰে অৱনীক ওচৰলৈ মাতি নিজে উৎসাহিত কৰিলে আৰু কিবা-কিবি দুই-এষাৰ কথাৰে আপ্যায়িত কৰি তাক বিদায় দিলে। ৰায়চাহাব গৌৰৱৰে পুত্ৰৰ ফালে চাইছিল, বাকী-বিলাকে চাইছিল ঈৰ্ষাৰে।

ৰাইজৰ ফালে চাই গভৰ্ণৰে কলে, 'আপোনালোকক মই ধন্যবাদ জনাইছো। সমাৰ লগত আজি প্ৰধান মন্ত্ৰী অহাৰ কথা আছিল। (সেইসময়ত মুখ্যমন্ত্ৰীক প্ৰধান মন্ত্ৰী বোলা হৈছিল) কিন্তু জৰুৰী কাৰণত তেখেত আহিব নোৱাৰিলে। তেখেতৰ কাৰণে অপেক্ষা কৰোতে মোৰো পলম হ'ল। তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা খুজিছো।"

ইয়াকে কৈ গভৰ্ণৰে বাহৰৰ ফালে খোজ ললে। আগে আগে ডি চি আৰু বডীগাৰ্ড দুজন গৈছিল। গভৰ্ণৰৰ একে শাৰীতে আছিল জীয়েক আৰু কমিছনাৰ চাহাব। বাকী বিষয়া-বৰ্গই তেওঁক অনুসৰণ কৰিছিল। নিজ নিজ তম্বুলৈ তেওঁলোকক লৈ যোৱা হ'ল।

ইফালে ৰাইজে বিদায় লৈ দিহাদিহি গ'ল। ৰায়চাহাব থাকিল। পিছদিনা পুৱাই চিকাৰ হ'ব। গতিকে আলোচনা

কৰিব লাগে। হাতীত হাওদা লগাব লাগে। মাউত বিলাকক শিকাব-বুজাব লাগে। তেওঁৰ বহুত কাম।

গভৰ্ণৰ জীয়েকৰ সৈতে তম্বুৰ ভিতৰতে থাকিল, কিন্তু ডি. চি এছ পি আদি চাহাবসকল এঘণ্টামানৰ পিছত ওলাই আহিল। তেতিয়া বেলি পৰিছিল আৰু আন্ধাৰে এখনি ক'লীয়া কাপোৰেৰে ধৰাতল ঢাকি দিছিল। বিজুলী বন্তিৰ উজ্জ্বল পোহৰে বাহৰ থকা বিস্তীৰ্ণ অঞ্চলটো আলোকিত কৰিছিল।

ৰায়চাহাবে তেওঁলোকৰ লগত আলোচনা কৰিলে। পিছদিনা পুৱতি নিশাতে লাটচাহাব চিকাৰলৈ ওলাব। লাটচাহাবৰ কাৰণে ঠিক কৰা হ'ল জংবাহাদুৰক। মোহনমালাৰ পিঠিত যাব ডি. চি. আৰু কমিছনাৰ, বাকীবিলাকৰ কাৰণেও হাতী ঠিক কৰা হ'ল। ৰায়চাহাবে পখিলীকে লবলৈ সিদ্ধান্ত কৰিলে। লগত অৱনীকো লব পৰিব।

বন্দুক, ৰাইফল, নানাধৰণৰ গুলী প্ৰচুৰ পৰিমাণে আছিল। এটা তম্বুৰ ভিতৰত এটা সৰুসুৰা অস্ত্ৰাগাৰ আছিল বুলি ক'ব পাৰি। নিজৰ ইচ্ছামতে যেয়ে যি অস্ত্ৰ নিয়ে নিব পাৰিব।

এনেতে ডিনাৰৰ সময় হ'ল। ৰায়চাহাবে বিদায় ললে। মেকেঞ্জী চাহাব কিন্তু ডিনাৰলৈ থাকি গ'ল। বগা চামৰাৰ দেশী ভাইক লগ পাই তেওঁ তেতিয়া সুৰা সেৱন কৰি আছিল।

ঘৰলৈ আহি ৰায়চাহাবে ঘৈণীয়েকৰ আগত সকলো কথা ক'লে। গভৰ্ণৰৰ জীয়েকৰ কথাও ক'বলৈ নেপাহৰিলে। তেওঁ-লোকে অৱনীৰ প্ৰতি কৰা সদয় আচৰণত বাৰে বাৰে কৃতজ্ঞতা প্ৰকাশ কৰিলে। নিয়মিতভাৱে তেওঁ গোসাঁইঘৰত সোমাল আৰু লুচি দুখনমান খাই বিছনাত পৰিল। পিছদিনা পুৱতি নিশাতে উঠিবলৈ অৱনীকো আদেশ দিলে।

ৰায়চাহাবৰ কিন্তু সোনকালে টোপনি নাহিল। তেওঁৰ মনটো নানাবিধ চিন্তাৰে ভাৰাক্ৰান্ত হৈ পৰিল। গভৰ্ণৰ মাত্ৰ এৰাতি থাকিব, তাৰ কাৰণেই আজি এমাহৰ আয়োজন। কিমান কষ্ট, কিমান খৰচ, কিমান পৰিশ্ৰম। সকলো গভৰ্ণৰৰ মৃগয়াৰ কাৰণেই। ভাল চিকাৰ পালেই হয়। তেতিয়াহ'লে অৱনীৰ চাকৰি এটা হ'ব পাৰে। অৱশেষত তেওঁ গভীৰ নিদ্ৰাত অভিভূত হ'ল।

পুৰা চাৰিমান বজাতে ৰায়চাহাবে সাৰ পালে। অৱনীকো জগাই দিলে আৰু লৰালৰিকৈ ওলাই গ'ল। অৱনী কিন্তু তেতিয়াই নগ'ল। সি চাহ-তাহ খাই হাফ্‌পেণ্ট বুটজোতা আদি চিকাৰৰ সাজ পিন্ধি সাজু হ'ল। এটা চামৰাৰ জ্যাকেট গাত লমুৱাই ললে। সি ৩৭৫ বৰৰ ৰাইফলটো আৰু গুলী কেইটামান লৈ বাহিৰ পালেগৈ।

তেতিয়া তাত হুলস্থূল কাণ্ড। চাকৰ-নাকৰ, ডা-ডাঙৰীয়া সকলোৰে গাত তৰণি নাই। টাকুৰি ঘূৰাদি ঘূৰিছে। জয়ৰাম, গিৰিধাৰীয়ে হাওদা বান্ধিছে পখিলীৰ নতুন মাউতটোৱে গাদীখনকে আঁটি আঁটি বান্ধিছে। হাতী থকা ঠাইখন হাতীয়ে খোৱা কল-গছৰ উচ্ছিষ্টৰে চাব নোৱাৰা হৈ আছে। তাতে আকৌ হাতীৰ লাদবোৰ। এটা বিশ্ৰী গোন্ধ তাৰ নাকত লাগিল।

ইতিমধ্যে গভৰ্ণৰ'ক মুখ্য কৰি সকলোবিলাক ডা-ডাঙৰীয়া প্ৰস্তুত হৈছিল। তেওঁলোকৰ ব্ৰেকফাষ্ট সমাপ্ত হ'ল। হাতী-বিলাক তম্বুৰ কাষলৈ লৈ যোৱা হ'ল।

হাতীবোৰে একেলগে বহুত পৰিশ্ৰম আৰু জখলাৰ সহায়ত গভৰ্ণৰ, তেওঁৰ জীয়েক আৰু গা-ৰখীয়া এজনে জং বাহাদুৰৰ ওপৰত আৰোহণ কৰিলে। বাকীবিলাক ৰচিত ধৰি উঠিল। গভৰ্ণৰৰ গা-ৰখীয়াজনে এটা টেলিস্কোপিক ৰাইফল লৈ গৈছিল। তদুপৰি এটা ৰিভলভাৰ কেছেৰে সৈতে কঁকালত ওলমি আছিল।

এটা আপেক্ষিকভাৱে চুটি আকাশী ৰঙৰ গাউন পিন্ধা এঞ্জেলাজনীক বৰ সুন্দৰ দেখাইছিল। অৱনীয়ে ওচৰৰপৰা তাইৰ কলডিলীয়া বগা কলাফুল দুটা নিৰীক্ষণ কৰিছিল। তাইৰ গাত এটা বহুমূলীয়া ফাৰ কোট আছিল। মিঙ্ক নে চিঞ্চিলা অৱনীয়ে ঠাৱৰ কৰিব পৰা নাছিল, কিন্তু সি বুজি পাইছিল যে কোটটোৰ দাম অন্ততঃ হেজাৰ টকাৰ ওপৰ হ'ব। এঞ্জেলায়ো বুটজোতা পিন্ধিছিল।

পখিলীৰ ওপৰত উঠাৰ সময়ত ৰায়চাহাবে অৱনীক বিচাৰিছিল। কিন্তু সি লুকাই থাকিল। ৰায়চাহাবৰ যে ভীষণ খং উঠিছে সি বুজিব পাৰিছিল। কিন্তু জংবাহাদুৰক জয়ৰামে খেদিছেই, গতিকে বাপেকো লগে লগে যাবলৈ বাধ্য হ'ব, ইয়াকে ভাবি সি লুকুৱা ঠাইতে ৰ'ল।

তেতিয়া পুহৰি পুহৰি হৈছিল মাত্ৰ। কুঁৱলি পৰা নাছিল। কাৰণ আকাশত অলপ ডাৱৰ গোট খাইছিল। মাঘবিহুৰ সময়ত সাধাৰণতে অলপ বৰষুণ হয়। এইবাৰো হ'ব পাৰে। অৰুনীয়ে ভাবিলে।

সি গৈ থকা হাতীৰ শোভাযাত্ৰাটোলৈ চালে। প্ৰথমে জংবাহাদুৰ, তাৰ পাছত মোহনমালা, তাৰ পাছত অন্যান্য দহোটা-মান হাতী। একেবাৰে পাছত পখিলীৰ ওপৰত ৰায়চাহাব সৰ্বেশ্বৰ চৌধুৰী। মাউতবিলাকে খাকীৰ ইউনিফৰ্ম পিন্ধিছিল। চাহাব-বিলাকৰ গাত প্ৰায়েই হাফপেণ্ট, বগা চামিজৰ ওপৰত ক'লা ছুৱেটাৰ, মূৰত ফেল্টৰ টুপী। ডি, চি কমিছনাৰ এছ, পি, চিভিল-চাজন ইঞ্জিনীয়াৰ আদি সকলো গৈছে। এটা হাতীত প্ৰাথমিক সাহায্যৰ বাবে এজন ডাক্তৰ।

ৰায়চাহাবে কিন্তু ডবল লেংটি মাৰি চুৰিয়া পিন্ধিছিল। কামিজটো তলত সুমুৱাই ওপৰত ক'লা কোট চোলা এটা পিন্ধিছিল। ভৰিত বুট জোতা। এয়েই ভাণেকুলাৰ ছুট। অৰুনীয়ে পেট পেটে হাঁহিলে। সদায় ব্যৱহাৰ কৰা ডবল বেৰেল গানটো তেওঁ নিছিল। কোটৰ জেপত বোধহয় গুলীবিলাক আছিল।

শোভাযাত্ৰাটো আগবাঢ়িবলৈ ধৰিলে। দীঘল খেৰণিৰ মাজত সোমাই হাতীবিলাক নেদেখা হৈ পৰিল। লাহে লাহে হাতীবিলাক বেলেগ বেলেগ দিশেদি যাবলৈ ধৰিলে। কাৰণ সেয়ে চিকাৰৰ নিয়ম।

গভৰ্ণৰৰ হাতী আগবাঢ়ি গৈ থাকিল। জংবাহাদুৰ অতি নিৰ্ভৰযোগ্য হাতী, জয়ৰামো সুদক্ষ মাউত। বেছিকৈ যাতে জোকাৰণি নাখায় তাৰ বাবে জয়ৰামে সাৱধানে হাতীটো পৰিচালনা কৰিছিল।

এক নতুন অভিজ্ঞতাত এঞ্জেলা একেবাৰে উচ্ছ্বসিত হৈ পৰিছিল। দীঘল খেৰবোৰ তাইৰ গালে-মুখে লাগিছিল, গা-ৰখীয়াজনে চেষ্টা কৰিছিল যাতে তাইৰ ফুলকুমলীয়া সুঠাম দেহলতা অক্ষত হৈ থাকে। কিন্তু তাই গা-ৰখীয়াৰ এই বিশেষ সতৰ্কতা গ্ৰাহ্য কৰা নাছিল। "উণ্ট ব'ডাৰ আই এম, অণ্ড এনাফ টু টেক কেয়াৰ অফ্ মাইছেল্ফ। ইজুণ্ট ইট, জেভী?

কেপ্টেইন উড ইজ অফুলি এক্সিচিয়েণ্ট।'' গভৰ্ণৰে নৰম আৰু প্ৰশ্ৰয় মিহলি দৃষ্টিৰে জীয়েকলৈ চাই মাত্ৰ মিচিকিয়াইছিল। উড নামৰ গা-ৰখীয়াজনে কিন্তু লাজ পাইছিল। 'হি হেজ বিন স্পইলড বাই হাৰ ফাদাৰ' তেওঁ বিৰক্তিৰে ভাবিছিল।

এনেতে এটা দলহৰিণ তেওঁলোকৰ আগেদি দৌৰ মাৰি গ'ল। গা-ৰখীয়াই বন্দুকটো গভৰ্ণৰক দিব খুজিছিল, কিন্তু ছোৱালীজনীয়ে থাপ মাৰি ধৰিলে। তাই উত্তেজনাত চিঞৰি উঠিল, ''অ' হাও কেন ইউ বি ছ' ক্ৰুৱেল, কেঃ উড? ন', ডোণ্ট ইউ থণ্ট ক্লিন ভেট বিউটিফুল ক্ৰিছাৰ, উড ইউ?''

''চাটেইনলি নট, ডিয়েৰ।'' গভৰ্ণৰে উত্তৰ দিলে। কিন্তু আন এফালে বন্দুকৰ শব্দ হ'ল। হৰিণটো বোধহয় গুলী-বিদ্ধ হৈ ছটফটাইছে, এঞ্জেলাৰ চকু চলচলীয়া হৈ পৰিল। কিন্তু গা-ৰখীয়া উড চাহাবে ৰং পালে।

লাহে লাহে তেওঁলোক খেৰণি পাৰ হৈ গ'ল। বন্দুকৰ শব্দৰপৰা ধাৰণা হ'ল, ইতিমধ্যে পাঁচ-ছটামান পহু পৰিছে। কাৰণ খেৰণিখনত সাধাৰণতে পহুহে থাকে, অন্য হিংস্ৰ জীৱ-জন্তু থাকে দক্ষিণৰ ডাঠ হাবিখনত।

"তেতিয়া ডাৱৰৰ মাজে মাজে উঠি অহা নিস্তেজ বেলিটি ৰঙা হৈ থকা নাছিল। বেলা প্ৰায় সাতমান বাজিছিল। এহাতি চেঁচা ৰতাহত খেৰবোৰ হালি-জালি নাচিছিল। কিন্তু আকাশত ডাৱৰ থকা কাৰণে জাৰটো কম আছিল।

গভৰ্ণৰে অসমীয়া জানে তেওঁ জয়ৰামক সুধিলে, "মাউত ইয়াত বাঘ আছেনে নাই?"

জয়ৰামে উত্তৰ দিলে, হুজুৰ, সমুখৰ এই হাবিখনত কেইটামান বাঘ আছে, ৰাতি গুজৰি থাকে। তালৈ যাম জানো? বাকীবিলাক চিকাৰী বহুত পিছত আছে। হয়তো কিবা বিপদত পৰিলে কাৰোপৰা সহায় নাপাম।"

গতিকে বাকীবিলাক চিকাৰীৰ কাৰণে অপেক্ষা কৰাটোৱেই উচিত হ'ব বুলি গভৰ্ণৰ বাহাদুৰে সিদ্ধান্ত কৰিলে। য'ৰপৰা হাবিখন আৰম্ভ হৈছে সেইঠাইতে তেওঁলোক ৰ'ল। গছপাতবিলাক ৰতাহত কঁপি উঠিছিল। নানা তৰহৰ চৰাইৰ কুজনত বিচিত্ৰ

সঙ্গীতৰ সৃষ্টি হৈছিল। এজেনাই অতি উৎসাহেৰে পিতাকক ইটো-সিটো দৃশ্য দেখুৱাইছিল। এনেতে এহাল ডাওৰ চৰাই অলপ দূৰতে মাটিত পৰিলহি। "ফ্লিজেণ্ট, ফ্লিজেণ্ট" বুলি তাই চিঞৰি উঠিল। জয়ৰামক অসমীয়া নামটো সোধাত সি দৰিক চৰাই বুলি ক'লে। জয়ৰামে আৰু ক'লে বোলে ইহঁত বৰ কাজিয়াখোৰ। বাহত থকা কণীকেইটায়ো বোলে খুন্দিয়া-খুন্দি কৰি থাকে। এজেনাই কথাটো শুনি বৰ আমোদ পালে, তাই প্ৰাণখুলি হাঁহিবলৈ ধৰিলে। লাটচাহাবেও মিচিকিয়ালে। কিন্তু কে'প্টেইন উডৰ গাম্ভীৰ্য অটুট থাকিল।

এজোপা পাকৰি গছত এজাক হাইঠা পৰিছিল। সেউজীয়া পাখিৰ সৰু সৰু চৰাই। আন এজোপা ওখ গছত কিছুমান পৰ্ঘুমা পৰি আছিল। এজেনাৰ হাঁহিৰ লহৰে হাইঠাবিলাকক ভয় খুৱালে, সিহঁত ভুৰং কৰে উৰি গৈ আন এজোপা গছত পৰিলগৈ। কিন্তু পৰ্ঘুমাবিলাক য'তে আছিল তাতে থাকিল। সিহঁতে বোলে কাণেৰে কম শুনে, জয়ৰামে ক'লে।

এনেতে এটি অপূৰুপীয়া দৃশ্য ভেওঁলোকৰ দৃষ্টিগোচৰ হ'ল। হাবিথনৰপৰা এহাল ম'ৰা চৰাই ওলাই আহিল। নানাবিধ ভঙ্গীৰে সিহঁতে নাচিবলৈ ধৰিলে। মাইকীজনীয়ে হালি ধৰি মতাটোক নিমন্ত্ৰণ জনালে। কিন্তু মতাটো সিমান নিঃশঙ্ক হ'ব পৰা নাছিল। সি কৰ্কশ চিঞৰেৰে তাইক ভৎসনা কৰিলে আৰু অলপ পিছতে দুয়োটা পুনৰ হাবিত সোমাল। সিহঁতৰ বৰণীয়া পাখিবিলাক দেখি এজেনা মুগ্ধ হৈছিল। চিকাৰীবিলাকে কোন সতে এনেকুৱা ধুনীয়া চৰাই মাৰিব পাৰে তাই তাকে ভাবি আচৰিত হৈছিল।

এইদৰে ইটোৰ পিছত সিটো দৃশ্যই লাটচাহাবৰ নয়ন সাৰ্থক কৰিছিল। জয়ৰামে কৈছিল, "হুজুৰ, ম'ৰা বৰ পবিত্ৰ চৰাই। স্বয়ং শ্ৰীকৃষ্ণই ম'ৰাৰ পাখি শিৰত ধাৰণ কৰিছিল।" জয়ৰামো আজি আগৰদৰে চামোন হৈ থকা নাছিল, মৌনতাৰ কঠিন আৱৰণটোৰ মাজৰপৰা তাৰ মনটো মুকলি হৈ ওলাই আহিছিল, অন্ততঃ খন্তেকৰ কাৰণে।

তাৰ কথাত গভৰ্ণৰ দুহিতাই বৰ ৰগৰ পাইছিল। তাইৰ গাৰ কাৰ কোটটো বতাহত জিলিকি উঠিছিল। কেপ্টেইন উডে

মন্তব্য কৰিছিল যে অৰণ্যৰ মাজত এনে দামী কোট এটা পিন্ধা শোভনীয় নহয়। কিন্তু তাই শুশ্রুৰি উঠিছিল আৰু লগে লগে উত্তৰ দিছিল যে অৰণ্যৰ প্ৰাণীয়েহে মানুহক এনেকুৱা নোমৰ যোগান ধৰে। এনে সুন্দৰ নোমৰ জন্তু যদি হাবিত থাকিব পাৰে তেন্তে তাই এই বন্য পৰিবেশত কোটটো পিন্ধিলে কি দোষ হ'ল? সৌ ম'ৰা চৰাই কেইটাৰ পাখিবিলাক ইমান চিত্ৰ-বিচিত্ৰ কিয়? কেপ্টেইন উত্তে মনে মনে থাকিল।

এনেতে হাতীবিলাক গভৰ্ণৰৰ ওচৰ চাপিল। ডি. চি. আৰু ৰায়চাহাবৰ পৰামৰ্শক্ৰমে হাতীবিলাক অৰ্দ্ধচন্দ্ৰাকাৰে অৰণ্যত প্ৰবেশ কৰাৰ সিদ্ধান্ত হ'ল। গভৰ্ণৰৰ সোঁফালে সাতোটা আৰু বাওঁফালে সাতোটা হাতী বিশ-ত্ৰিশ ফুটমানৰ ব্যৱধানত থাকি হাবিখনৰ এটা অংশ বৃত্তাকাৰে বেৰি ধৰিব। কিছুমান মানুহে লাঠিৰে গছ, বন-জোপা আদি কোবাই জন্তু বিলাকক চোঙৰপৰা ওলাই আহিবলৈ বাধ্য কৰিব। লাটচাহাবে দহোটামান বিটাৰ যোগাৰ কৰি আনিছিল। সিহঁত খোজকাঢ়ি আহিছিল।

এতিয়া পূৰ্ণপয়োভৰেৰে মৃগয়া আৰম্ভ হ'ল। হাতীবোৰ অৰ্দ্ধচন্দ্ৰাকাৰে সোঁ অৰণ্যত প্ৰবেশ কৰিলে। গভৰ্ণৰৰ কাষৰ হাতী দুটাৰ এটাত আছিল কমিছনাৰ আৰু ডি. চি. আনটোত ৰায়চাহাব। জংবাহাদুৰ নিঃশঙ্কভাৱে গভীৰ বনাঞ্চলৰ ভিতৰলৈ সোমাই পৰিল। এজোলা এতিয়া অলপ শান্ত হৈছিল আৰু তাই নিটাল মাৰি আছিল। হাতত ৰাইফল লৈ উত্ত সতৰ্ক হৈ আছিল। জলবায়ে আৰোহীসকলক গছৰনৰপৰা ৰক্ষা কৰিবলৈ সাৱধানে হাতীটো খেদাই নিছিল আৰু দোঁ-খাই থকা ডালবিলাক হাতত থকা খুৰ যেন চোকা দাখনেৰে কাটি বাটটো মুকলি কৰি গৈছিল।

প্ৰথম ছোৱাত প্ৰায় এক ফাৰ্লংমান হাবিখন সিমান ডাঠ নাছিল। ঘন জোপোহা, লতা আদিও বিৰল আছিল। কিন্তু লাহে লাহে অৰণ্যখন গভীৰ হৈ আহিল। হাতীটো আগবাঢ়িবলৈ আহুকাল হৈছিল। তলত দ'ম হৈ থকা শুকান ডাল-পাতবিলাকৰ ওপৰেদি হাতীটো পাৰ হৈ যাওঁতে মৰক্-মৰক্ শব্দ হৈছিল। জলবায়ৰ চকুৱে-মুখে সতৰ্কতাৰ চিন ফুটি উঠিছিল। পহীন-গম্ভীৰভাৱে জংবাহাদুৰ আগবাঢ়ি গৈছিল। বাকীবিলাক হাতী

বনৰ বৃক্ষ-লতিকাই আৱৰি ধৰাত দৃষ্টি বহির্ভূত হৈ পৰিছিল ।

কিন্তু 'বিটাৰ বিলাকৰ হাবি-কোবোৱা শব্দ আৰু চিঞৰ-বাখৰ ক্ৰমে বাঢ়ি আহিছিল । বোধকৰো অৰণ্যৰ এটা বৃজন অংশ হাতীবিলাকে বেৰি পেলাইছিল ।

গভৰ্ণৰ লাহে লাহে আগবাঢ়িছিল । এটা জুৰি তেওঁলোকে পাৰ হ'ব লগা হ'ল । শিলৰ বুকুৰেদি পানীৰ শীণ সোঁত এটা কুলু কুলু শব্দ কৰি বৈ গৈছিল । জুৰিটো পাৰ হোৱাৰ সময়ত ৰায়চাহাব আৰু পুলিচ চাহাবৰ হাতী দুটা গভৰ্ণৰে খন্তেকৰ বাবে দেখা পাইছিল । সেই দুটা হাতীও পাৰ হৈছিল আৰু বেছি আঁতৰত নাছিল ।

জুৰিটোৰ গৰাটো উঠোতে সিপাৰে হলৌ বান্দৰবিলাকে হঠাতে চিঞৰিবলৈ আৰম্ভ কৰিলে । ওখ গছৰ আগৰপৰা সিহঁতে নানাবিধ শব্দৰ সৃষ্টি কৰিছিল । কিছুমান সৰু সৰু চৰাই অশান্তভাবে উৰি আছিল । এয়া বিপদৰ সংকেত বুলি জয়ৰামে বুজিব পাৰিলে আৰু ওচৰতে বাঘ থাকিব পাৰে বুলি লাটচাহাবক জনালে ।

এয়া আছিল প্ৰচণ্ড উত্তেজনাৰ এটা মুহূৰ্ত । গভৰ্ণৰে ৰাইফলটো নিজৰ হাতত তুলি ললে । গুলী ভৰোৱা আছেনে নাই পৰীক্ষা কৰি চেফটি কেচটো লৰাই ললে । এজেনাৰ ভয় লাগিছিল, তাইৰ বুকুখন চপচপাবলৈ ধৰিলে । তাইৰ হাত এখন গা-ৰখীয়াজনে ধৰাত তাই একো আপত্তি নকৰিলে ।

এনেতে জংবাহাদুৰ হঠাতে বৈ গ'ল । জয়ৰামে অতি সাৱধানে আগলৈ চালে আৰু গভৰ্ণৰৰ মনোযোগ আকৰ্ষণ কৰিলে । আগত এডাল প্ৰকাণ্ড গছ পৰি আছে আৰু তাৰ পাছফালে এটা প্ৰকাণ্ড চেকীয়াপতীয়া বাঘ । নিমিষতে চমকপ্ৰদ তৎপৰতাৰে গভৰ্ণৰে ৰাইফলটো উঠাই বাঘটোৰ ফালে টোঁৱালে । টেলিস্কোপত তাৰ ছবিটো স্পষ্ট হৈ উঠিল । তাৰ মুখটো গছৰ ডাল এটাই আৱৰি ধৰাত গুলীয়াব পৰা 'সম্ভৱ নহয়, কিন্তু গাটো সম্পূৰ্ণ ওলাই আছে । গভৰ্ণৰে ৰাইফলটোত লক্ষ্য স্থিৰ কৰিলে যাতে গুলীটোৱে তাৰ কলিজা ভেদ কৰি যায় । তেওঁ নিশ্চিতভাৱে ট্ৰিগাৰ আকৰ্ষণ কৰিলে ।

গুলীটো বাঘৰ গাত লাগিল, কিন্তু বোধহয় কলিজা ভেদ

কৰিব নোৱাৰিলে। সি ভয়ঙ্কৰ মৌজৰণি এটা মাৰি চিকাৰীক আক্ৰমণ কৰিবলৈ খেদি আহিল। কিন্তু এইবাৰ জংবাহাদুৰে তাৰ ক্ষমতাৰ পৰিচয় দিলে। বাঘটো জাঁপ মাৰি আহি তাৰ সন্মুখতে পৰিল। আৰু এটা জাঁপ দিয়াৰ আগতেই জংবাহাদুৰে আগঠেঙেৰে তাক গচক মাৰি ধৰি বিৰাট দাঁত দুটাৰে তাক বুকুৰে-পিঠিয়ে শালি পেলালে। অন্তিম আৰ্তনাদ কৰি চেকাঁৰা-পতীয়াই শেষ নিশ্বাস ত্যাগ কৰিলে।

কিন্তু বাঘ আছিল এহাল। এটা মৰিল। অন্য সময়ত হোৱা হ'লে আনটোৱে পলায়ন কৰিলেহেঁতেন। কিন্তু শ'কাঠৈকত পৰাত সি এতিয়া পলাব নোৱাৰা হ'ল। হাতীৰ বুতটো ক্ৰমাৎ সক হৈ আহিছিল, 'বিটাৰ' বিলাকৰ চিৎকাৰ অসহনীয়া হৈ পৰিছিল। এই নিৰুপায় অৱস্থাত অতি ভীষণ আৰু হিংস্ৰ ৰূপ ধাৰণ কৰি বাঘটোৱে জাঁপমাৰি আহি জংবাহাদুৰক আক্ৰমণ কৰিলে। গভৰ্ণৰে তালৈ গুলী মাৰিলে। গুলীটো কিন্তু ঠিক ঠাইত নেলাগিল। কাৰণ বাঘৰ লগত অৰিয়া-অৰি হোৱাত জংবাহাদুৰে লৰচৰ কৰিব লগা হৈছিল আৰু হাওদাখন জোকাৰ খাই আছিল। গতিকে গুলীটো বাঘটোৰ তপিনাত লাগিল। সি ভয়ঙ্কৰভাৱে গুজৰি এটা প্ৰকাণ্ড জাঁপেৰে হাতীটোৰ মূৰৰ ওপৰত উঠিল। জয়ৰামে অঙ্কুশডালেৰে তাক বাধা দিবলৈ কৰা প্ৰয়াস সম্পূৰ্ণ ব্যৰ্থ কৰি সেই ভয়ানক প্ৰাণীটোৱে তাক হাতোৰাৰে থাপ মাৰি তললৈ বগৰাই দিলে। জংবাহাদুৰে ক্ৰুদ্ধভাৱে গুজৰি উঠিল।

এতিয়া হাওদা আৰু বাঘৰ মাজত কোনো ব্যৱধান নাছিল। সি আগঠেং দুটা হাওদাৰ ওপৰত তুলি তিনিটা প্ৰাণীৰ কোনটোক আক্ৰমণ কৰিব তাকে হয়তো নিমিষৰ কাৰণে চিন্তা কৰিছিল। হাওদাৰ ভিতৰত তেতিয়া শোচনীয় অৱস্থা। বাইফলত গুলী নোহোৱাত গভৰ্ণৰ বাহাদুৰ অসহায়ভাৱে থিয় হৈ আছিল। এজেন্সা মূৰ্চ্ছিত হৈ পৰিছিল আৰু পা-বৰীয়াই চাপৰাৰ কেহুৰ-পৰা বিভলভাৰটো উলিয়াবলৈ কঁপনি উঠা হাতেৰে চেষ্টা কৰিছিল। এজেন্সাৰ বগা কাৰ কোটটো জিলিকি উঠিছিল আৰু সেইটোকেই অতি আকৰ্ষণীয় বস্তু বুলি ভাবি বাঘটো তাইৰ ওপৰত জঁপিয়াই পৰিবলৈ উদ্যত হৈছিল।

বাকীবিলাক চিকাৰীও তেতিয়া ওচৰ পাইছিলহি। কিন্তু গুলীয়াবলৈ কোনেও সাহ কৰা নাছিল। গভৰ্ণৰৰ হাতীটো এনে এটা কোণত আছিল যে অন্য হাতীৰপৰা বাঘলৈ গুলিয়ালে হাওদাৰ ভিতৰত থকা মানুহৰ গাতেই লাগিব পাৰে। সকলোৱেই দ্বিধা-গ্ৰস্তভাৱে হাতত বন্দুক লৈ উৎকণ্ঠিতভাৱে চাই আছিল। বাঘটোৱে প্ৰায় জাঁপমাৰি হাওদাৰ ভিতৰত সোমাইছিলেই, এনেতে অভাবনীয়-ভাৱে নিচেই কাষৰ জোপা এটাৰ আঁৰৰ পৰা গুৰুম কৰে এটা শব্দ হ'ল আৰু গুলীটো বাঘটোৰ কলিজাৰ মাজেদি পাৰ হৈ গৈ একে শাৰীতে থকা গছ এজোপাত লাগিল। বাঘটো হাতীৰ পিঠিৰ-পৰা মাটিলৈ সৰি পৰিল। তাৰ প্ৰাণবায়ু লগে লগেই বাহিৰ হৈছিল।

ইমান সময় নিষ্ক্ৰিয় দৰ্শকৰূপে থাকিবলগা হোৱা চিকাৰী-বিলাকে স্বস্তিৰ নিশ্বাস পেলালে। ৰুদ্ধশ্বাস হৈ তেওঁলোকে ঘোৰ উদ্বেগত, আশঙ্কাত আৰু আতঙ্কত পাষাণ মূৰ্তিৰ দৰে নিশ্চল হৈ আছিল। এতিয়া যেন তেওঁলোকৰ শৰীৰত প্ৰাণ সঞ্চাৰ হ'ল। তেওঁলোক সকলোটি গভৰ্ণৰৰ ওচৰ চাপিল আৰু অদৃশ্য উদ্ধাৰ কৰ্তাজনৰ সন্ধানত চাৰিওফালে ব্যগ্ৰভাৱে দৃষ্টি নিক্ষেপ কৰিলে।

এতিয়া জোপাৰ আঁৰৰপৰা হাতত ৰাইফল লৈ, হাফপেণ্ট পিন্ধা, সুদৰ্শন, দীঘদেহী ডেকা এজন ওলাই আহিল। তেওঁ তৎক্ষণাত খুঁৰেদি জংবাহাদুৰৰ ওপৰত উঠি গভৰ্ণৰৰ কাষ পালেগৈ আৰু তেওঁ নিশ্চিত মৃত্যুৰপৰা ৰক্ষা পৰাত ঈশ্বৰক ধন্যবাদ জনালে। তাৰ পিছত তেওঁ হাওদাৰ ভিতৰ সোমাই লগত থকা বটলৰ পানী এজেলাৰ চকুৱে-মুখে ছটিয়াই দিলে। হোৱালীজনীয়ে চেতনা ঘূৰাই পালে।

ইমান সময় মন্ত্ৰমুগ্ধভাৱে চিকাৰীবিলাকে এই সাহসী ডেকাজনৰ ফালে চাই আছিল। সকলোৱে তেওঁক চিনি পালে। ৰায়চাহাবৰ পুতেক অৱনী চৌধুৰী। গভৰ্ণৰে অৱনীক আঁকোৱালি ধৰি তাক ধন্যবাদ দিলে। আনন্দত গৰ্বত ৰায়চাহাবৰ চকুপানী ওলাল, বাকীবিলাকে বিস্ময়ত অভিভূত হৈ এই অসীম সাহসী, নিৰ্ভীক যুৱকজনৰ ফালে ৰ-লাগি চাই থাকিল। কিন্তু এজেলাই চিঞৰি চিঞৰি ক'লে, "অ' মাই ইয়ং হিৰ, হু' ইউ হেভ চেভড্

আওৰাব লাইভহ ! ঠেংকছ, ঠেংকছ এগেইন।” ভাই ইমান অভিভূত হৈ পৰিছিল যে আৰু একোকে ক'ব নোৱাৰিলে। কিন্তু তাইৰ নীলা চকুহাল কৃতজ্ঞতা আৰু প্ৰশংসাত প্ৰদীপ্ত হৈ উঠিছিল।

ইতিমধ্যে ৰায়চাহাবে হাতীৰপৰা নামি মাটিত পৰি থকা জয়ৰামক পৰীক্ষা কৰিছিল। তাৰ পিঠিৰপৰা ধাৰাসাৰে তেজ ওলাইছিল। কিন্তু সি স্বাভাৱিকভাৱে উৎসাহ-নিশাহ লৈ থকাত তেওঁ বুজিব পাৰিছিল যে তাৰ প্ৰাণৰ আশংকা নাই। হাবি-বন কোবোৱা মানুহ কেইটামানৰ সহায়ত তেওঁ জয়ৰামক নিজৰ হাতীটোৰ ওপৰত তুলি ললে। বাঘ দুটা সাতো কৰি বাহৰলৈ লৈ যাবলৈ মানুহবোৰক আদেশ দিলে আৰু এতিয়া উভতি যোৱাই উচিত হ'ব বুলি পৰামৰ্শ আগবঢ়ালে। লগত যোৱা ডাক্তৰজনে ইতিমধ্যে জয়ৰামৰ পিঠিত ঔষধ লগাই বান্ধি দিছিল।

ৰায়চাহাবৰ পৰামৰ্শ সকলোৱেই আনন্দেৰে গ্ৰহণ কৰিলে। অৱনীয়ে জয়ৰামৰ ঠাই অধিকাৰ কৰি অংবাহাদুৰক পৰিচালনা কৰিলে। সিনো কেনেকৈ ওলালেহি সোধাত অৱনীয়ে ক'লে যে সি খোজকাঢ়িয়েই চিকাৰীবিলাকৰ পাছে পাছে আহি আছিল। এ'ন এটা অৱস্থা হ'ব পাৰে বুলি আশংকা কৰিয়েই সি হাতীৰ পিঠিত অহা নাছিল। হাবিৰ ওচৰত গভৰ্ণৰে চিকাৰীবিলাকৰ কাৰণে অপেক্ষা কৰোতে সি তেওঁলোকক লগ ধৰিব পাৰিছিল। তাৰ পাছত গভৰ্ণৰৰ হাতীৰ পাছে পাছে গোপনে আহি আছিল। সৌভাগ্যক্ৰমে দ্বিতীয়টো বাঘ সি নিচেই ওচৰৰপৰাই গুলীয়াবলৈ সমৰ্থ হ'ল। গভৰ্ণৰ আৰু মেমচাহাবৰ মূল্যবান জীৱন ৰক্ষা কৰিব পাৰি সি ধন্য হ'ল।

তেতিয়া গভৰ্ণৰ বাহাদুৰে নীৰৱে শুনি আছিল।

অৱশেষত সকলোটি আহি বাহৰ পালেহি। গাঁৱৰ মানুহ-বিলাকো গোট খাইছিল। অৱনীৰ কীৰ্ত্তি কাহিনী শুনি সকলোৱে ধন্য ধন্য কৰিলে। এৰা, হ'বতো, বাপেক চাই পুতেক। সিংহৰ পোৱালি সিংহ নহৈ আৰু গাধ হ'বনে? গাঁওখনৰ সকলোৱেই গৌৰৱ অনুভৱ কৰিলে।

সেইদিনা আবেলি বাহৰৰপৰা বিদায় লোৱাৰ আগে আগে গভৰ্ণৰ বাহাদুৰে ৰায়চাহাব আৰু অৱনীক নিজৰ তম্বুৰ ভিতৰলৈ

মাতি নিলে। অবনীক প্ৰচুৰ প্ৰশংসা কৰিলে। এজেলায়ো যোগ দিছিল। অবনী লাজত ৰঙাচিঙা পৰিল। অৱশেষত গভৰ্ণৰে ৰায়চাহাবৰ ফালে চাই ক'লে, "ৰায়চাহাব, আপুনি মোৰ চিকাৰৰ কাৰণে অতি সন্তোষজনকভাৱে সকলো আয়োজন কৰিছে। আপোনাৰ এই পৰিশ্ৰমৰ শলাগ লৈ এই লাঠিডাল আপোনাক প্ৰদান কৰিলো। ইংৰাজ চৰকাৰে অতি বিশিষ্ট প্ৰজাসকলকহে এনে লাখুটি উপহাৰ দিয়ে। তদুপৰি আপুনি যাতে ৰায়বাহাদুৰ খিতাপ পায়, তাৰ কৰণে মই চুপাৰিছ কৰিম। জয়ৰাম আৰু ৰংবাহাদুৰকো পুৰস্কৃত কৰা হ'ব।

এতিয়া মই আৰু এটা কথা ক'ব খুজিছো। অবনী আপোনাৰ সুযোগ্য সন্তান। তেওঁ অনাৰ্ছ গ্ৰেজুৱেট, বিশ্ববিদ্যালয়ৰ কৃতী ছাত্ৰ। তেওঁ আমাৰ প্ৰাণ ৰক্ষা কৰিছে। তেওঁৰ প্ৰতি আমি অতি কৃতজ্ঞ। তেওঁৰ কাৰণে আপুনি কি বিচাৰে, এতিয়াই মোৰ আগত কওক।"

গভৰ্ণৰৰ কথাত ৰায়চাহাব অভিভূত হ'ল। তেওঁৰ চকুৰপৰা আনন্দৰ চল নামিল। তেতিয়া তেওঁৰ চকুৰ আগত আৰু এজন মানুহৰ ছবি জিলিকি উঠিল। পৰমানন্দ ছবডেপুটি।

তেৱেঁই ৰায়চাহাবৰ ভাগ্য মুকলি কৰি দিলে। তেওঁৰ যত্নতে টোকোনা সৰ্বেশ্বৰৰ আজি জয়-জয় ময়-ময় অৱস্থা।

তেওঁৰ প্ৰতি সন্মান জনোৱাৰ এতিয়াই প্ৰকৃত সময়।

ৰায়চাহাবে ক'লে, "হজুৰ আপুনি যদি মোৰ ল'ৰাটোৰ কাৰণে কিবা এটা কৰিব খুজিছে তেন্তে তাক ছবডেপুটিৰ চাকৰি এটাকে দিয়ক।"

গভৰ্ণৰ আচৰিত হ'ল। অবনীক তেওঁ আই, চি, এছ, পদৰী দিবলৈ প্ৰস্তুত হৈ আছিল। তেওঁ ক'লে, "ৰায়চাহাব, অপোনাৰ অনুৰোধমতেই অবনীক চাকৰি দিয়া হ'ব। কিন্তু তেওঁ বহুত ডাঙৰ চাকৰিৰ কাৰণে উপযুক্ত আছিল।"

"সি নিজৰ যোগ্যতা দেখুৱাই পদোন্নতি লাভ কৰি গ'লে মই বেছি আনন্দ পাম হজুৰ, নহ'লে মানুহে ক'ব, হজুৰৰ অনুগ্ৰহতেই সি ডাঙৰ চাকৰি পালে। তাৰ যোগ্যতাৰ কথা তেতিয়া মানুহে পাহৰি যাব। তেতিয়া সি লাজ পাম, সিয়ো মনত দুখ পাব।"

গভৰ্ণৰে ৰায়চাহাবৰ কথাৰ যুক্তি-যুক্ততা নুই কৰিব নোৱাৰিলে। নমিনেটেড "আই. চি. এছ. এজনৰ কথা তেওঁ" ইতিমধ্যে জানেই। গতিকে তেওঁ অতি সোনকালে অৱনীৰ নিযুক্তি-পত্ৰ পঠাই দিব বুলি প্ৰতিশ্ৰুত হ'ল।

ইতিমধ্যে এঞ্জেলাও সুস্থ হৈ উঠিছিল। তাইৰ চকুত দুষ্টামিৰ হাঁহি জিলিকি উঠিল। তাই দেউতাকক ক'লে, "ডেডী, অৱনীৰ প্ৰতি মোৰ কৃতজ্ঞতা মোৰ নিজস্ব ধৰণেৰে প্ৰকাশ কৰিবলৈ অনুমতি দিবনে?"

গভৰ্ণৰে তাইৰ অভিসন্ধি বুজি পাইছিল। তেওঁ হাঁহি মাৰি ক'লে "দুষ্ট ছোৱালী, ডু এজ ইউ লাইক।"

এঞ্জেলাই ৰায়চাহাবৰ ফালে এবাৰ কেৰাকৈ চালে। তাৰ পিছত ক'লে, "আপুনি দোষ নধৰিব দেই ৰায়চাহাব।"

তাই ধীৰে ধীৰে অৱনীৰ ওচৰলৈ গ'ল। তাৰ পিছত তাক সাৱটি মাৰি ধৰি দুয়োখন গালত টপক টপক্ কৰি দুটা চুমা খালে।

অৱনীয়ে বাপেকৰ আগত বৰ লাজ পালে। ৰায়চাহাবে ভাবিলে, "গভৰ্ণৰৰ জীয়েক হ'লে কি হ'ব, বৰ অসভ্য ছোৱালী।"

প্ৰথম খণ্ড সমাপ্ত

শুধৰণি

পৃষ্ঠা	অশুদ্ধ	শুদ্ধ
৩	একাঠুৰা	একাণ্ঠুৰা
৫	বিদ্ ৰালি	বিদুৰালি
৮	বিকাশি	বিকশি
২৫	চটুলি	চটুল
৩০	শ্ৰেণীত	শ্ৰেণীৰ
৪০	বেঠই	বেঠাই
৪৭	নিনিম্নাহৰ	তিনিম্নাহৰ
৪৮	সনসা	মনসা
৬৩	সিহঁত	সিহঁতে
৭৩	কামতো	কাণতো
,,	পচিছে	পৰিছে
৮২	discution	discretion
৮৭	ক্ষৰাকৰ	ক্ষৰাক্ষৰ
৮৯	নিশ্ছিন্ন	নিশ্ছিদ্ৰ
,,	ভুতে	ভূতে
৯১	কৰুলিত	সুললিত
,,	ডিভি, ডিছি	ভিতি, ভিছি
৯৩	আন্তহিত	অন্তৰ্হিত
৯৪	গোসাঁনী	গোসাঁই
১০৫	পৰমেৰে	মৰমেৰে
১২২	প্ৰাপ্তী	প্ৰাপ্তি
১৩৩	স্বচ্ছ	কচ্ছ
১৪১	হেত	হেতু
১৪৪	উপ্ত	তপ্ত
,,	অণ্ড	অন্ত
৯১	সি শেষ কবিবলৈ "হজুৰ অন্তৰ্য্যামী"	(বেলেগ শাৰী হ'ব)